# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

## তাৰিখঃ ২৬/২/২০২৪ সোমবাৰ

---

**পুৱা - ৯.৩০ বজাৰ লগে লগে মাননীয় অধ্যক্ষ মহোদয়ৰ অধ্যক্ষতাত অসম বিধান সভাৰ বাজেট অধিবেশনৰ অন্তিম দিন দিনাঙ্ক ২৬-০২-২০২৪ চনৰ সদনৰ ক্ৰাৰ্য্যক্ৰমণিকা আৰম্ভ হয় ।**

**মাননীয় অধ্যক্ষ ঃ** নমস্কাৰ, কোৱেশ্বন নং ২০১ আব্দুচ চোৱাহান আলি চৰকাৰ ।

**ড$^{0}$ হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে ।

**শ্ৰীআব্দুচ চোৱাহান আলি চৰকাৰ, (গোলকগঞ্জ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মুখ্যমন্ত্ৰী মহোদয়, তথা গড়কাপ্তানী মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো - কাৰণ উত্তৰ দিছে কিন্তু মই ক্লিয়েৰ পোৱা নাই। মই ক'ব বিচাৰিছো যে মোৰ সমষ্টি গোলকগঞ্জ সমষ্টিত যোৱা দিনবোৰত আসাম ৰিজেলিয়েন্ট ৰুৰেল ব্ৰিজেছ প্ৰগ্ৰেম- এ আৰ আৰ এ পি- স্কীমৰ অধীনত ১০৮৫ খন দলঙৰ পকীকৰণৰ অনুমোদন পোৱা বুলি ইয়াত দেখুওৱা হৈছে । তাৰে ৯০ খন দলঙত এম ও ইউ হৈছে বুলি জনাইছে। মোৰ তাতে এটা ৰোড আছে ২০ কে এম অৱ ডি কে ৰোড টু বাঁশবাৰী - মঙলাঝৰা- পি এম জি এচ ৱাই ৰোড ভাইয়া আলোকঝাৰী ধাম ব্ৰীজ নং ৫/১ এইটো ৬০ মিটাৰ আছিলে কিন্তু এই ব্ৰীজখন শ্ৰীৰামপুৰৰ পৰা ধুবুৰী - ফুলবাৰী ব্ৰীজলৈকে যি ফ'ৰলেন ৰাস্তা হ'ল তাতে এইখন ব্ৰীজ পৰি গ'ল। গতিকে ইয়াৰ অলটাৰনেটিভ হিচাপে ধুবুৰী পি ডব্লিউ ডি এক্সিকিউটিভ অফিছৰ পৰা এটা ব্ৰীজৰ নাম দিয়া হৈছিল, সেইটো আছিল হাজিৰহাট বাজাৰ টু- চৰাইখোলা ৰোড ব্ৰীজ নং- ১/১ এই ব্ৰীজখন মাত্ৰ ৩-৪ কি.মি মান দূৰত । মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা আশা কৰিছো, সেই ব্ৰীজৰ অলটাৰনেটিভ হিচাপে এই হাজিৰহাট বাজাৰৰ ব্ৰীজখন দিব লাগে । প্ৰতিটো সমষ্টিত ১৮০ মিটাৰকৈ ব্ৰীজ দিয়া হৈছে কিন্তু মোৰ ৩ টা ব্ৰীজত মাথো ১১৭ কি.মি ব্ৰীজ দিয়া হৈছে। যদি অল্টাৰনেটিভ ব্ৰীজ দিয়া নহয় তেনেহ'লে মোৰ সমষ্টিৰ ৰাইজে উন্নয়ণৰ পৰা বঞ্চিত হ'ব। অধ্যক্ষ মহোদয় মই দুই নং চাপ্লিমেন্টৰীটো একেলগে কওঁ। মুখ্যমন্ত্ৰী মহোদয় সেইদিনা আশ্বাস দিয়া অনুসৰি মোৰ সমষ্টি গোলগঞ্জৰ ৰাইজে যথেষ্ট আশা আৰু আনন্দ পাইছে । সমষ্টিৰ বহু ৰাইজে মোৰ ব্যক্তিগতভাৱে ফোন কৰিছে যে আমাৰ তামাৰহাট- কঠাঁলতলি ব্ৰীজখন বনোৱাৰ কথা যে মুখ্যমন্ত্ৰী মহোদয়ে বিধান সভাত উল্লেখ কৰিছে, এই ব্ৰীজখন কেতিয়াকৈ হ'ব ৰাইজে জানিব বিচাৰিছে ।

**ড$^{0}$ হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, আসাম ৰিজিলিয়েন্স ব্ৰীজ প্ৰজেক্ট , এইটো এটা ৱৰ্ল্ড বেংকৰ পৰা লোৱা ঋণেৰে আমি নিৰ্মান কৰিম । সমস্যাটো হ'ল যে ইয়াৰ বিল্ডিঙৰ নাম, এচেচমেন্টখিনি আগতে ঠিক হৈ যায় । এচওপিডি বা আনটাইড ফাণ্ডৰ দৰে নহয় যে, ইয়াক বদলাব পাৰি। গতিকে যিখিনি আঁচনি এবাৰ ফ্ৰীজ হৈ গ'ল - তাক বদলাব পৰা নাযায় বা তাৰ স্পেচিফিকেশ্যনো চেঞ্জ কৰিব পৰা নাযায় । তথাপিতো মোৰ অনুৰোধ যে, আপুনি এটা ডিটেইলচ জাষ্টিফিকেশ্যন এটা পি ডব্লিউ ডিৰ আয়ুক্তৰ কাৰ্য্যালয়লৈ পঠিয়াব আৰু তেখেতক মই অনুৰোধ কৰিম যে এবাৰ বিশ্ব বেংকৰ লগত কথা পাতি চাওঁক সম্ভৱ হয় নেকি? কিন্তু সম্ভাৱনা কিমান

সেইটো আজিয়ে ক'ব নোৱাৰি কাৰণ ৱৰ্ল্ড বেংকত এবাৰ স্কীম ফ্ৰিজ হৈ গ'লে তাক ৰিঅপেন কৰাব নোৱাৰি। দ্বিতীয়তে, এটা কথা যে তামাৰহাটৰ ব্ৰীজখন মই এটা উদ্দেশ্যৰ কথা কৈছো, ইনটেনশ্যনৰ কথা কৈছো আজিয়ে সদনত তাৰ কোনো নিৰ্দ্ধাৰিত সময় দিব পৰা নাযায় । সময়ৰ লগে লগে চৰকাৰৰ ইচ্ছা আছে, সময়ৰ লগে লগে পুঁজি সাপেক্ষে আমি কাম হাতত ল'ম কিন্তু আজি কৰিম বা কালি কৰিম এনেধৰণে নিৰ্দিষ্টকৈ ক'ব পৰা আৱস্থাত আজি নাই । ধন্যবাদ

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ... এতিয়া আফটাবুদ্দিন মোল্লা।

**মঃ আফটাবুদ্দিন মোল্লা, (জলেশ্বৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মাননীয় মুখ্যমন্ত্ৰী, তথা লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, মুখ্যমন্ত্ৰীৰ পথ নৱীকৰণ আঁচনিৰ জৰিয়তে আজিৰ পৰা এক বছৰ আগতে অৰ্থ্যাৎ যোৱা বাৰিষাৰ আগত ৰাজমিতা টু তাৰাঙ্গাপুৰ, ধুবুৰীঘাট টু তাৰাঙ্গাপুৰ, কাটাৰীহাৰা টু বৰনগৰ, ৰাখালকিল্লা টু চাটাইমাৰী ,মৰুজবাৰী টু বৰষাৰটাৰী আৰু লক্ষীপুৰ টু খইলষাভিটা এই কেইটা ৰাস্তাৰ অনুমোদন হৈছিল আৰু আবন্টণও দিয়া হৈছিল । কিন্তু আজিলৈ কনট্ৰেক্টৰ তাত গৈ নাপালে । গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে, এই পথকেইটা সোনকালে কৰি দিয়াৰ বাবে কিবা ব্যৱস্থা কৰিব নেকি ?

**ড$^{0}$ হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, চাপ্লিমেন্টৰীত যিহেতু ৰাস্তাখিনিৰ নাম আহিছে গতিকে মই মাননীয় বিধায়ক গৰাকীক অনুৰোধ জনাম যে লিখিতভাৱে মোক নামখিনি দিয়ক। অতি সোনকালে মই ৱৰ্ক এলোটমেন্ট কেনচেল কৰি নতুন নিবিদা আহ্বান কৰাৰ ব্যৱস্থা হাতত ল'ম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে । সন্মানীয় বিধায়কে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক নাম খিনি দিব। এতিয়া কোৱেশ্বন নং ২০২, শ্ৰীঅখিল গগৈ ।

**ড$^{0}$ হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** সন্মানীয় অধ্যক্ষ মহোদয়, মোৰ দুটা চাপ্লিমেন্টৰী আছে । মোৰ প্ৰথম চাপ্লিমেন্টৰী হ'ল যে, আমি দেখিছো যে, যিবিলাকে এন পি এচ পাইছে বা নিউ নেশ্যনেল পেনশ্যন চিষ্টেমলৈ আহিলে বহু চাকৰিয়ালে অৱসৰৰ পিচত বহু ক'ম পৰিমানে পিন্সন পাইছে । মোৰ হাতত তথ্য আছে - গৌৰাং চন্দ, প্ৰাক্তন প্ৰধান শিক্ষক, গোপালপুৰ এম ই স্কুল, পাথাৰকান্দি, কৰিমগঞ্জ তেখেত এই মাহত পেন্সন পাইছে মাত্ৰ ২৫৫৩ টকা । তেখেত বৰ্তমান কেন্সাৰ ৰোগত আক্ৰান্ত হৈ আছে। তেখেতৰ পৰিয়ালৰ লোকে জনাইছে যে, পৰিয়ালটো এতিয়া সাংঘাতিক বিপদত পৰিছে। একেবাৰে চলিব পৰা অৱস্থাত নাই। দ্বিতীয়জন হ'ল- ডম্বৰু খনাল, তেওঁ ২০২০ চনত মুক্তিনাথ এম ই স্কুল, গমিৰী গহপুৰৰ পৰা তেখেত আজিৰ দিনটোত ১৪৩৭ টকা মাহিলী পেন্সন লাভ কৰিছে । শশধৰ নাথ, প্ৰধান শিক্ষক, লংগাই চাহ বাগিছা, পাথাৰকান্দি কৰিমগঞ্জৰ পৰা, তেখেতে ১০৮৮ টকা পেন্সন পাইছে। এতিয়া মোৰ প্ৰশ্নটো হ'ল যে পশ্চিমবংগ, ৰাজস্থান , হিমাচল প্ৰদেশ, চণ্ডীগড়, ঝাৰখণ্ড, কৰ্ণাটক এইবিলাক ৰাজ্যই এন পি চেৰ পৰিৱৰ্ত্তে আগৰ ওপিএচলৈ ঘুৰি আহিছে। সকলো পেন্সনপ্ৰাপ্ত কৰ্মচাৰীক অৱসৰ জীৱনৰ নিৰাপত্তাৰ বাবে এন পি এচৰ পৰা ও পি এচলৈ ঘুৰাই আনিবনে ?

**ড$^{0}$ হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ইয়াত যিকেইটা ডাটা দিয়া হৈছে এইটো ফেচবুকৰ পৰা সংগ্ৰহ কৰা হৈছে । সমস্যাটো হ'ল যে- উল্লেখিত মানুহখিনি ভেন্সাৰ স্কুলৰ শিক্ষক আছিল । তেখেতসকলক মানৱীয়তাৰ খাতিৰতে প্ৰাদেশিকীকৰণ কৰা হৈছিল। চৰকাৰী কাৰ্য্যকাল হিচাপে এওলোকৰ কাৰ্য্যকাল ক্ৰমে তিনিবছৰ, চাৰি বছৰ আৰু পাঁচ বছৰ

আছিল । এন পি এচ আৰু ও পি এচৰ পাৰ্থক্য প্ৰাদেশীকৃত ভেন্সাৰ স্কুলৰ শিক্ষকক লৈ কৰা উচিত নহয় । আজি আমি যি এক লাখ যুৱক-যুৱতীক নিযুক্তি দিছো তেওঁলোক ওপিএচতকৈ বহু বেছি টকা পাব আফটাৰ ৩৫ বছৰ চাকৰি কৰাৰ পিচত । আজি গগৈ ডাঙৰীয়াই যিখিনি কথা আনিছে তাত দেখা গৈছে যে তিনিওজন শিক্ষকে ভেন্সাৰ স্কুলৰ আছিল আৰু পিছত প্ৰভিন্সিয়েলাইজড কৰা হৈছিল । কোনোবাই ৬ মাহ, কোনোবাই ৮ মাহ কোনোৱাই ২ বা ৪ বছৰ কাম কৰিছে। এতিয়া তেওঁলোকে চৰকাৰৰ পেন্সন পাবলৈ যিটো ৰিকোৰ্ডাড পিৰিয়ড অৱ চাৰ্ভিছ্ কৰিব লাগে সেইটো কৰা নাছিলে গতিকে তেওঁলোকে ও পিএচ হ'লেও পেন্সন পাবই বুলি কোনো গেৰাণ্টি নাছিল । পেন্সন পাবলৈ এটা ৰিকোৰ্ডাড টাইম চাৰ্ভিছ কৰিব লাগে । এতিয়া কথাটো হ'ল যে, ভাৰত চৰকাৰে এখন কমিটি বনাই দিলে। অ পি এচ আৰু এন পি এচ বিষয়টো আলোচনা কৰাৰ কাৰণে অসম চৰকাৰে এটা প্ৰস্তাৱ দিছে য'ত যোৱাকালি কেৰালাৰ বিধান সভাতো একেখিনি কথা উল্লেখ কৰা হৈছে । এচিউৰড পেনশ্যন এটা এন পি এচে হওঁক বা ও পি এচে হওঁক তেওঁলোকে পাব লাগে । ভাৰত চ ৰকাৰে ফাইনেন্স চেক্ৰেটাৰীৰক লগত লৈ যিখন কমিটি বনাই দিছে তাত অসম চৰকাৰে এখন স্মাৰকপত্ৰ দিছে যে এন পি এচে হওঁক বা ওপি এচে হওঁক কৰ্মচাৰীজনে এচিওৰড পেনশ্যন পাব লাগে। এই বিষয়টো ভাৰত চৰকাৰে আলোচনা কৰি আছে । এই আলোচনাবিলাক দেশভিত্তিত হ'ব লাগিব। মাননীয় অধ্যক্ষ মহোদয়, বেঙ্গলৰ কথা কৈছে, বেঙ্গলে NPS লোৱা নাই, বেঙ্গলে মানুহক D.A দিয়া নাই। অসমত মানুহক D.A দিয়া হয়। তেওঁলোকে কাকো D.A নিদিয়ে। কৰোবাত কিবা এটা দিলে কিবা এটা কাটি লয়। গতিকে আমি Collective Spirit ত আছো। আজি ৰাজস্থানে OPS ঘোষণা কৰিছে। তেওঁলোকে পইচা কটাটো বন্ধ কৰিছে, কিন্তু মানুহেতো OPS পোৱা নাই। এই কেইদিন যিখিনি অৱসৰ লৈছে, তেওঁলোকে আগৰ পৰাই OPS পাই আছে। অসমৰ বাহিৰে বাকী ঠাইত ভেঞ্চাৰ স্কুল নাই আৰু ভেঞ্চাৰ স্কুলৰ শিক্ষকো নাই। গতিকে ৰাজস্থান বা বাকী ৰাজ্যত থকা বিৰোধী দলৰ চৰকাৰে কেৱল NPS ৰ বৰঙণি কটাটো বন্ধ কৰিছে আৰু মানুহখিনিক কৈছে যে আপোনালোক OPS হৈ গ'ল। তেওঁলোকে OPS হৈ গ'ল নে নাই ২০৩৫ চনতহে গম পোৱা যাব। ২০৩৫ চন মানতহে মানুহে অৱসৰ ল'ব। অসমতহে ভেঞ্চাৰ স্কুলসমূহৰ ঘটনাৰ বাবে আগত অৱসৰ হৈ আছে। এতিয়া তেওঁলোকেতো আৰ্থিক অৱস্থা ভাল কৰি লৈছে। NPS ৰ টকা কটা বন্ধ কৰি দিছে আৰু মানুহখিনিয়ে সেই সময়ত OPS পাব নে নাপায়, তাৰ কোনো গেৰাণ্টি নাই। মানুহখিনিৰ কি হ'ব সেইটোক লৈ দিল্লীতো আলোচনা চলি আছে। এইবোৰ National Policy হ'ব লাগিব। ৰাজ্যচৰকাৰে ইয়াৰ প'লিচি লৈ একো লাভ নাই। কেন্দ্ৰীয় চৰকাৰে এখন আঁচনি কৰি দিছে আৰু সেই কমিটীখনৰ প্ৰতিবেদন আহিলে আমি প্ৰতেবেদন অনুসৰি কাম কৰিম। আমাৰ ৰাজ্যচৰকাৰে স্পষ্টভাৱে কেন্দ্ৰীয় চৰকাৰক জনাই দিছে যে আমি Assured Pension এটাৰ পোষকতা কৰো যে মিনিমাম পেঞ্চন এটা মানুহে পাবই লাগিব। সেই কথাখিনিক আমি কেন্দ্ৰীয় চৰকাৰক আমাৰ মেম'ৰেণ্ডামত জনাই দিছো। কিন্তু যোৱা কেইদিনমান আগতে মাননীয় মন্ত্ৰী পিযূষ হাজৰিকা ডাঙৰীয়াই সদনৰ এটা উত্তৰত কৈছিল যে নতুন কৰ্মচাৰী যিসকলে এই কেইদিনত নিযুক্তি পাইছে, তেওঁলোকে OPS ত যাব নুখোজে। কাৰণ They have a long service carrier of 35 years. যিসকল কৰ্মচাৰীয়ে ২০-২১ বছৰত চাকৰি কৰিছে, তেওঁলোকে চল্লিশ বছৰমান চাকৰি কৰিব। গতিকে চল্লিশ বছৰ NPS ত চাকৰি কৰাৰ পিছত যিমান পেঞ্চন পাব, সেইখিনি প্ৰায় দৰমহাৰ সমান হ'ব। আজি যদি আপোনালোকে কয় আমি OPS কৰি দিম, কিন্তু নতুনকৈ চাকৰি পোৱা কৰ্মচাৰী

সকলে তেওঁলোকক OPS নালাগে বুলি প্ৰতিবাদ কৰিব। কাৰণ সময়ৰ লগে লগে পৰিৱেশ পৰিৰ্বতন হৈ যায়। মই যোৱাবাৰ সদনতো উত্তৰ দিছো যে আমি কেন্দ্ৰীয় চৰকাৰৰ পেঞ্চন নীতি ইমপ্লিমেণ্ট কৰিছো। সেয়েহে আমি ভাৰত চকাৰৰ লগত যাম। ইয়াত ৰেল বিভাগৰ কৰ্মচাৰী তথা ভাৰত চৰকাৰৰ অধীনত কাম কৰা লাখ লাখ কৰ্মচাৰী আছে। গতিকে তেওঁলোকৰ হিতৰ কাৰণে যি সিদ্ধান্ত গ্ৰহণ কৰা হ'ব, ৰাজ্যচৰকাৰেও সেই নীতিয়েই গ্ৰহণ কৰিব। কিন্তু ভেঞ্চাৰ স্কুলৰ শিক্ষকৰ পে-শ্লিপখন লৈ গোটেই কৰ্মচাৰীৰে যে একে অৱস্থা হ'ব, তেনেকৈ ভয় খুৱাই থকাটো উচিত নহয়। কাৰণ এইটো তথ্যৰ ওপৰত প্ৰতিষ্ঠিত নহয়। তিনি বছৰ চাকৰি কৰা আৰু ত্ৰিশ বছৰ চাকৰি কৰা মানুহৰ মাজত বহুখিনি পাৰ্থক্য আছে।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ দ্বিতীয় পৰিপূৰক প্ৰশ্নটো কৰি লওঁ, যদিও তেওঁ কৈছে যে এইখিনি দুই-তিনি মাহ, তিনি -চাৰি বছৰ কাম কৰা ভেঞ্চাৰ স্কুলৰ শিক্ষক সকলৰ কথা কৈছে। কিন্তু মই যি তিনিটা উদাহৰণ দিছো, এজনৰ দহ বছৰ, এজনৰ ন বছৰ আৰু এজনৰ আঠ বছৰ চকাৰি কৰিছে। কিন্তু মোৰ লগত এনেকুৰা বেলেগ বেলেগ বিভাগৰ চাকৰি কৰা বহুলোকৰ তথ্য আছে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আচলতে পুৰণি পেঞ্চন নীতিলৈ আহিব খুজা নাই। মোৰ দ্বিতীয় পৰিপূৰক প্ৰশ্নটো হৈছে, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ২১ মাৰ্চ, ২০২৩ তাৰিখে বিধান সভাত মোৰ এটা সংকল্প প্ৰস্তাৱৰ উত্তৰত কৈছিল যে লাভ হেছে নে লোকচান হৈছে ২০৩৫ চনতহে গম পোৱা যাব। তেওঁ কৈছিল যে OPS ত যদি বেছিকৈ পাই আৰু NPS ত তাতকৈ যদি কমকৈ পায়, তাৰ মাজৰ পাৰ্থক্যটো ৰাজ্যচৰকাৰে দি দিব বুলি কৈছিল। এতিয়া অসমত সাত হাজাৰ ছয় শ জনে নতুনকৈ পেঞ্চন পায়। কিন্তু এই সাত হাজাৰ ছয় শ জনৰ এজনকো যিসকলে তিনি শ, চৰি শ, পঁচিশ শ টকালৈকে পেঞ্চন পায়, তেওঁলোকৰ OPS আৰু NPS ৰ যিটো পাৰ্থক্য, সেই ক্ষেত্ৰত এটকাও দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰা নাই। যেতিয়ালৈকে OPS লাগু নহয়, তেতিয়ালৈকে এই সাত হাজাৰ ছয় শ জন বা নতুনকৈ অৱসৰ গ্ৰহণ কৰা কৰ্মচাৰীক এই পেঞ্চনৰ পাৰ্থক্যটো মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে দিয়া প্ৰতিশ্ৰুতি অনুসৰি দিয়াৰ ব্যৱস্থা কৰিব নেকি ?

**ড⁰ হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই সদনত কোনোধৰণৰ প্ৰতিশ্ৰুতি দিয়া নাই। মই কৈছো যে এই পাৰ্থক্যটো Assured Pension স্কীম হিচাবে দিয়াৰ বাবে ভাৰত চৰকাৰৰ কমিটিৰ ওচৰত আমি আৰ্জি দিছো। এতিয়া আৰ্জি দিয়াৰ পিছত ভাৰত চৰকাৰৰ প্ৰতিবেদন আহিব আৰু ভাৰত চৰকাৰে অসম চৰকাৰৰ আৰ্জিখন মানি ল'লে আমি সেই হিচাপে কাম কৰিম। আমি সদনত যিখিনি কথা কৈছো ঠিক একেখিনি কথাকে আমি ভাৰত চৰকাৰক জনাইচো। প্ৰত্যেকখন ৰাজ্যৰে মতামত বিচাৰিছিল আৰু অসমৰ মতামত এইটোৱেই আছিল যে যদি এজন OPS কৰ্মচাৰীয়ে অৱসৰ গ্ৰহণ কৰিলে ৫০ শতাংশ পেঞ্চন পায়। ঠিক একেদৰে NPS এজনেও বেংক বা চৰকাৰৰ পৰাই হওঁক ৫০ শতাংশ পেঞ্চন পাব লাগে। এইটো অসম চৰকাৰৰ বিচাৰ আৰু আমি সেই বিচাৰটো ভাৰত চৰকাৰক দিছো। ভাৰত চৰকাৰৰ কামিটিৰ ৰিকোমেণ্ডশ্যন অহাৰ পিচতহে ৰাজ্যচৰকাৰে ব্যৱস্থা ল'ব পাৰিব বুলি সেইদিনাখন ও প্ৰশ্নৰ উত্তৰত মই বাৰে বাৰে কৈছো।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, তেখেতে সেইদিনা কোৱা ভি ডি অ' টো মোৰ লগত আছে। যদি চাব খোজে মই দিব পাৰিম। তেখেতে কৈছিল যে OPS পালে দহ বছৰ যিখিনি পেঞ্চ ন পালেহেঁতেন আৰু NPS ত পোৱা পৰিমাণটো হিচাব কৰা হ'ব আৰু যিখিনি

পাৰ্থক্য থাকিব, সেইখিনি দি দিব বুলি কৈছিল।

**ড০ হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃমাননীয় অধ্যক্ষ মহোদয়, অখিল গগৈ ডাঙৰীয়াই ভি ডি অ' টো ফেচবুকত এডিটিং নকৰাকৈ প্ৰকাশ কৰি দিলে হৈ যাব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াই কওঁক।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো হৈছে যে ২,৫৮,৪৫৬ জন এতিয়া NPS ৰ কৰ্মচাৰী আছে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আজি Assured Pension ৰ কথা কৈছে। সেইটো হ'ব নে নহয় আমি গম পোৰা নাই। কথাটো হ'ল যে NPS ৰ এই যি কৰ্মচাৰীসকল আছে, তেখেতসকলৰ মাজত সাংঘতিকভাৱে resentment আছে। কেৱল দুই-তিনি বছৰীয়া শিক্ষকৰ অৱসৰৰ বিষয়টোৰে গোটেই বিষয়টো চালি-জাৰি চোৱাটো উচিত নহয় বুলি মই ভাৱো। কাৰণ আমি দেখা বা বুজা মতে NPS ত অন্তৰ্ভূক্ত সকলো কৰ্মচাৰীৰ মাজত resentment আছে আৰু NPS ৰ পৰা OPS লৈ যোৱাৰ বাবে এটা জেনেৰেল ডিমাণ্ড উঠি আছে। OPS ত যোৱাত কি অসুবিধা আছে, সেই বিষয়ে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বিতংভাৱে বুজাই দিলে, আমি ভাল পাম।

**ড০ হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজিৰ দিনত মাহত মোৰ পেঞ্চলৰ বিল সোতৰ শ কোটি টকা আৰু আমি যদি OPS ব্যৱস্থাত থাকিব লাগে, পাঁচ বছৰৰ ভিতৰত ৰাজ্যচৰকাৰ ভাঙি পৰিব। কোনোধৰণে ৰাজ্য চলোৱাৰ ৰাস্তাই নাথাকিব। যদি পেঞ্চন দি থাকিব লাগে, অৰ্থনীতি বেয়া হৈ যাব। বৰ্তমান সময়ত আমি দৰমহা দিব লাগে আঠাশ হাজাৰ তিনি স কোটি টকা আৰু বৰ্তমান মাহিলী আমাৰ পেঞ্চন দিবলগীয়া হৈছে সোতৰ শ কোটি টকা। পাঁচ বছৰৰ বেৰোমিটাৰ মতে দৰমহাতকৈ OPS ৰ বিল বাঢ়ি যাব। মানুহৰ জীৱনকাল বাঢ়ি গৈ আছে। সেয়েহে কেন্দ্ৰীয় চৰকাৰে সিদ্ধান্ত লৈছিল যে মানুহখিনিয়ে একে সুবিধা পাওঁক। কিন্তু আমি টকাখিনি বেংকত প্ৰথমৰ পৰা বিনোয়োগ কৰি যাওঁ, যাতে বেংকৰ পৰা আমি যিখিনি সুত পাম সেইখিনিৰে কৰ্মচাৰীখিনি চাব পাৰিম। যিখিনি কথা আমি বুজাব খুজিছো, সেইকথাখিনি এটা পক্ষৰ পৰা আপোনালোকে বুজিব নালাগে। ইয়াত যিটো আমি তথ্য দিছো অসমত চাৰি লাখ কৰ্মচাৰী আছে। কিন্তু চাৰি লাখ NPS ৰ কৰ্মচাৰী নহয়। তাৰে একলাখ পঁয়সত্তৰ হাজাৰ জন OPS তে আছে। তাৰমানে প্ৰায় দুই লাখ কৰ্মচাৰী ইয়াত কোনো সমস্যা নাই। দুই লাখ বাৱন্ন জন কৰ্মচাৰী NPS ত আছে । তৰো প্ৰায় পঁচানৈৱে হাজাৰ আৰু পঁয়ত্ৰিশ হাজাৰজন একেবাৰে ডেকা বয়সত বিশ-একৈশ বছৰত আমাৰ চৰকাৰৰ দিনত নিযুক্তি হৈছে। তেওঁলোকে পঁয়িত্ৰিশ বছৰ চাকৰি কৰাৰ পিছত OPS তকৈ বেছি দৰমহা পাব। মাজত ৫০ হাজাৰ যিখিনি কৰ্মচাৰী আছে, তেওঁলোকৰ বাবে সমস্যাটো হৈ আছে। এই কৰ্মচাৰীখিনিৰ কেতিয়াও fresh appointment হোৱা নাছিল। তেওঁলোক regularize হে হৈছিল। গতিকে, কেৱল একপক্ষৰ কথাবোৰ শুনি থাকিব নালাগে। আপোনালোকে যদি বুজিব বিচাৰে, তেন্তে আমি বিত্ত বিভাগৰ পৰা এই ক্ষেত্ৰত presentation দিম। ৰাজ্যখন আমাৰ সকলোৰে। ইয়াত সকলোৱে বহি বুজি পাব। মই আকৌ এবাৰ কৈছো যে আমাৰ ৪ লাখ ৪ হাজাৰজন কৰ্মচাৰী আছে। তাৰ ভিতৰত ১,৭৫,৯৯৮জন ইতিমধ্যে OPS ত সামৰি লোৱা আছে। আপোনালোকে ভাষণত ৪ লাখ বুলি কৈ দিয়ে ....interruptions ...

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** আমি কোৱা নাই ....interruptions ...

**ড০ হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** আপুনি কাক প্ৰতিনিধিত্ব কৰে মই নাজানো। সেইদিনাখন আপোনাৰ নেতৃত্বত সকলোৱে ওলাই গ'ল। গতিকে আপুনিয়ে বিৰোধী দলৰ দলপতি নে কোন

মই নাজানো। 'আমি' বুলি ক'লে অলপ কষ্ট হৈ যায় । আপোনাৰ ইমান ক্ষমতা আছে যে কংগ্ৰেছ, এ.আই.ইউ.ডি.এফ.ক একেদিনাই মিলাই দিলে। আপোনাৰ অদ্ভুত ক্ষমতা আছে। তেওঁ 'আমি' বুলি কোৱাই মই উত্তৰ দিছো। নিৰ্দলীয়ৰ 'আমি' কি থাকে? 'মই' হ'ব লাগিব। তাৰ মানে 'আমি' ক'বলৈ আপোনালোকে authority দিছে। নহ'লে এজনে 'মই'ৰ সলনি আমি কিয় কয়? ...interruptions...

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** আপুনি পুৰণি পেঞ্চন ব্যৱস্থা কৰিব নে নকৰে সেইটোৰ উত্তৰ দিয়ক। ৰাজনৈতিক উত্তৰ আমাক নালাগে। আমাক পুৰণি পেঞ্চন ব্যৱস্থা লাগে। গোটেই ভাৰতৰ মানুহৰ পুৰণি পেঞ্চন ব্যৱস্থা হ'ল। বেলেগ বেলেগ ৰাজ্যতো পুৰণি পেঞ্চন ব্যৱস্থা হ'ল, কেৱল বিজেপি চৰকাৰখনেহে পুৰণি পেঞ্চন ব্যৱস্থা নকৰে। য'তেই বিজেপি আহিছে তাত পুৰণি পেঞ্চন ব্যৱস্থা নিদিয়ে...interruptions......

**মাননীয় অধ্যক্ষঃ** আপুনি বহক .....interruptions.......

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, এনেকৈ bayonet টো লগাই দি (ভংগিমা দেখুৱাই) ক'ব নে নাই কওঁক, এইটো নক্সালৰ কেম্পত হয়, বিধান সভাত নহয়। গতিকে মই ইয়াৰ উত্তৰ নিদিওঁয়েই। মৰি যাম কিন্তু ইয়াৰ উত্তৰটো নিদিওঁ। এনেকৈ bayonet দেখুৱাই কথা নক্সালত কয়। সেইকাৰণে চান্দমাৰী থানাত নক্সাল কেম্পৰ ওপৰত কোৰ্ট কেচ চলি আছে।

অধ্যক্ষ মহোদয়, আমি কোনেও ৪ লাখ কৰ্মচাৰীৰ কথা নাই বুলি কোৱা নাই। প্ৰশ্নকৰ্তাই ৪ লাখ কৰ্মচাৰী বুলি কৈছে। গতিকে, সদনত মই প্ৰথমে আজি ভুলটো ভাঙি দিব বিচাৰিছো যে ৪ লাখ কৰ্মচাৰী নহয়, ২,৯৮,০০০ কৰ্মচাৰীহে। এইটো substantial number, মই নহয় বুলি কোৱা নাই। ২,৯৮,০০০ কৰ্মচাৰীৰ প্ৰায় ১,৫০,০০০ লাখ কৰ্মচাৰীয়ে আমাৰ চৰকাৰৰ দিনত একেবাৰে কম বয়সত নিযুক্তি পাইছে। তেওঁলোকে OPS ত যাবও নিবিচাৰিব। তাৰ মানে সমস্যাটো হ'ল ৮০-৯০ হাজাৰ কৰ্মচাৰীৰ। এই কৰ্মচাৰীখিনি হ'ল যাক মই শিক্ষা মন্ত্ৰী হৈ থাকোতে বিভিন্ন পৰ্যায়ত ২০১২ চনৰ পিছত চাকৰি প্ৰাদেশিকীকৰণ কৰিছিলো। ২০১২ৰ পিছতহে এওঁলোক নিয়মীয়া হৈছিল। নিয়মীয়াকৰণ হোৱা কৰ্মচাৰী আৰু নিযুক্তিপ্ৰাপ্ত কৰ্মচাৰীৰ মাজত এটা পাৰ্থক্য আছে। ভাৰত চৰকাৰৰ কমিটিখনে ইতিমধ্যে ইয়াৰ ওপৰত কাম কৰি আছে। ইয়াৰ ৰিপ'ৰ্ট আহক, তেতিয়া সদনে সকলো জানিব। আজি প্ৰশ্নকৰ্তা গৰাকী নিজেই Trade Union Movement ৰ লগত জড়িত। আটাইতকৈ বেছি কৰ্মচাৰী কেন্দ্ৰীয় চৰকাৰত আছে। কিন্তু, কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীখিনিয়ে এতিয়ালৈকে ৰাস্তাত নমা নাই They are in deliberation with the Central Govt. ৰে'লৰে, বেংক, কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন কাৰ্যালয়ত প্ৰশ্নকৰ্তাজনৰ দলৰ ট্ৰেড ইউনিয়ন আছে। তেওঁলোকতো আন্দোলনত নমা নাই। তাৰ মানে ভাৰত চৰকাৰৰ লগত ক'ৰবাত নহয় ক'ৰবাত এটা সুন্দৰ আলোচনা চলি আছে। ভাৰত চৰকাৰৰ কমিটিৰ ৰিপ'ৰ্টটো কি হয় তাৰ বাবে আমি অলপ অপেক্ষা কৰিব লাগিব আৰু এই কথাষাৰ সেইদিনা সংকল্প প্ৰস্তাৱ আনোতেও মই কৈছিলো। কমিটিৰ ৰিপ'ৰ্ট যদি নিগেটিভ হয়, তেতিয়া আমি সদনত আকৌ এবাৰ বহিম। এই মানুহখিনি আমাৰেই মানুহ। কিন্তু, এনেদৰে (ভংগিমা দেখুৱাই) OPS কৰিব নে NPS কৰিব বুলি ক'লে কেনেদৰে ৰাজহুৱা সেৱা চলিব? মই চৰকাৰৰ মালিক নহয়। I am just a custodian of the Govt. আজি কংগ্ৰেছে withdraw কৰিছে, কিন্তু তেওঁলোকো ইয়াৰ লগতে আছিল।

**মাননীয় অধ্যক্ষঃ** প্ৰশ্ন নং ২০৩। ......interruptions..

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** চাৰ, ক'বলৈ দিয়ক ......interruptions..

**মাননীয় অধ্যক্ষঃ** এইটো প্ৰশ্নকালীন ঘণ্টা। Debates নহয় । প্ৰশ্ন নং ২০৩। শ্ৰী জাকিৰ হুছেই লস্কৰ। তেখেত অনুপস্থিত ।....interruptions.

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)ঃ** চাৰ, মুখ্যমন্ত্ৰী মহোদয়ে পূৰ্বৰ চৰকাৰৰ দিনৰ অকল শিক্ষা বিভাগৰ নিযুক্তিৰ কথা ক'লে, কিন্তু ০১-০১-২০০৪ চনৰ পৰা, ভাৰতৰত্ন অটল বিহাৰী বাজপেয়ী ডাঙৰীয়াৰ প্ৰধানমন্ত্ৰীত্বৰ কালছোৱাত Old Pension Scheme বাতিল হৈছে। তেতিয়া শিক্ষাৰ লগতে স্বাস্থ্য, পশু চিকিৎসা, গৃহ, পঞ্চায়ত এইবিলাক বিভাগতো হৈছিল। তেখেতে শিক্ষা বিভাগত ইতিমধ্যে নিযুক্ত হৈ থকা কৰ্মচাৰীৰ ক্ষেত্ৰত হোৱা বুলি কৈছে। তেন্তে এইবিলাক বিভাগৰ ক্ষেত্ৰত কিয় contribution লৈ থকা হৈছে ইয়াৰ ওপৰত উত্তৰ দিব লাগে........interruptions...

**মাননীয় অধ্যক্ষঃ** তেখেতে ইতিমধ্যে উত্তৰ দিছে। কেন্দ্ৰীয় চৰকাৰৰ সমিতিৰ ৰিপ'ৰ্টৰ পিছত গম পোৱা যাব। এতিয়া আৰু আলোচনা নহয় .........interruptions...

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** অধ্যক্ষ মহোদয়, অসম গৌৰৱ তৰুণ গগৈ ডাঙৰীয়াৰ দিনত অসমত OPS বাতিল হৈছে। ইয়াত ভাৰতৰত্ন অটল বিহাৰী ........interruptions...

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** ভাৰত চৰকাৰৰ নিৰ্দেশতে হৈছে ০১-০১-২০০৪ ৰ পৰা। চাৰ, এতিয়া পুনৰ OPS আনিব লাগে.....interruptions...

**মাননীয় অধ্যক্ষঃ** এতিয়া আৰু debate নহয়, Don't display placard

............Not recorded as per order from the Chair.....

(বিৰোধীয়ে OPS পুনৰ লাঘু কৰাৰ বাবে দাবী জনায় আৰু চৰকাৰক প্ৰতিবাদ কৰি সদন ত্যাগ কৰে)

প্ৰশ্ন নং ২০৩। শ্ৰী ৰূপেশ গোৱালা । মাননীয় মন্ত্ৰী।

**শ্ৰী সঞ্জয় কিষাণ, (মন্ত্ৰী, শ্ৰম কল্যাণ ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, OPS আৰু NPSৰ ওপৰত গোটেই কথাখিনি আমি কৈছোৱেই। যোৱাকালিয়েই ফেচবুকত সিদ্ধান্ত কৰি লৈছে যে আজি সদন ত্যাগ কৰিব। এইবিলাক আচলতে সদনৰ বিশেষাধিকাৰ ভংগ। সদনত কি হ'ব আগদিনাই মানুহে গম পাই যায়। যোৱাকালিয়েই ফেচবুকত কথা-বতৰা পাতি লৈছে যে কাৰ কাৰ কি comment আছে, দি দিয়ক । অসমত NPS তৰুণ গগৈ চৰকাৰে প্ৰৱৰ্তন কৰিছে, কোনো বিজেপি চৰকাৰে কৰা প্ৰৱৰ্তন কৰা নাই .....interruptions......

**শ্ৰী ৰফিকুল ইছলাম (জনিয়া) ঃ** চাৰ, আমাৰ দলৰ তৰফৰ পৰা এটা কথা ক'ব দিয়ক। যিসকলে OPS বিচাৰে তেওঁলোকক OPS দিয়ক, যিসকলে NPS বিচাৰে সেইসকলক NPS , দিয়ক......interruptions...

**মাননীয় অধ্যক্ষঃ** আপুনি বহক। No more discussion. এইটো প্ৰশ্নকালীন ঘণ্টা। আপুনি বাহিৰত আলোচনা কৰক ...interruptions...

**শ্ৰী ৰফিকুল ইছলাম (জনিয়া) ঃ** চাৰ, ...not recorded as per order from the Chair....

**মাননীয় অধ্যক্ষঃ**শ্ৰী ৰূপেশ গোৱালা ।

**শ্ৰী ৰূপেশ গোৱালা ( ডুমডুমা)ঃ** माननीय अध्यक्ष মহোদয়, ESI ৰ দ্বাৰা বীমাকৃত বিভিন্ন উদ্যোগ প্ৰতিষ্ঠানৰ লগত জড়িত কৰ্মচাৰী বা শ্ৰমিকসকলৰ সুবিধাৰ্থে চ'চাইটি গঠনৰ এটা বিষয় আজিও অমীমাংসিত হৈ আছে। সিদ্ধান্তত উপনীত হ'ব পৰা নাই। মই জানিবলৈ পোৱা মতে, ভাৰতবৰ্ষৰ ৪ খন ৰাজ্যত চ'চাইটি গঠন হৈছে আৰু আমাৰ কাষৰীয়া ৰাজ্য ত্ৰিপুৰাতো চ'চাইটি গঠন হৈছে। এই চ'চাইটি গঠন হোৱাৰ পিছত ত্ৰিপুৰাৰ উদ্যোগ খণ্ডৰ শ্ৰমিক কৰ্মচাৰীসকলৰ যথেষ্ট সুবিধা হৈছে। মই ভাৱো যে আমাৰ ইয়াতো যদি চ'চাইটি গঠন হয়, তেন্তে ইয়াৰ শ্ৰমিক কৰ্মচাৰীসকল পূৰ্বৰ তুলনাত আৰু অধিক লাভান্বিত হ'ব। আজিৰ তাৰিখত বীমাকৃত ব্যক্তিগৰাকী বা তেওঁৰ ওপৰত নিৰ্ভৰশীল ব্যক্তি যদি চিকিৎসাধীন হ'বলগীয়া হয় তেন্তে মুঠ বিলৰ ৮৭.৫%কেন্দ্ৰীয় চৰকাৰে আৰু ১২.৫ % ৰাজ্য চৰকাৰে share কৰে। কিন্তু, চ'চাইটি হোৱাৰ লগে লগে ১০০% বিল কেন্দ্ৰীয় চৰকাৰে দিব। এনে হোৱাৰ লগে লগে ৰাজ্য চৰকাৰৰ যি financial burden , সেইটো হ্ৰাস পাব আৰু কৰ্মচাৰীসকলো যথেষ্ট উপকৃত হ'ব। গতিকে, অসমত চ'চাইটি গঠনৰ প্ৰক্ৰিয়া অতি সোনকালে সমাধান কৰিলে মই ভাল হ'ব বুলি ভাৱো । এই ক্ষেত্ৰত চৰকাৰে এখন কমিটি গঠন কৰি দিছিল আৰু কমিটিয়ে অধ্যয়নো কৰিলে। আমিও ব্যক্তিগত ভাৱে যোগাযোগ কৰি খবৰ লৈছিলো, কৰ্মচাৰীসকল যথেষ্ট লাভান্বিত হৈছে। গতিকে বিষয়টো অতি সোনকালে মীমাংসা কৰিলে ভাল হয়। কাৰণ আজিৰ তাৰিখত ESI ৰ যিবিলাক Hospital ৰ লগত Tie up আছে, সেই tie up থকা hospital বিলাকে সময়মতে বিল নোপোৱাৰ কাৰণে কৰ্মচাৰীসকলে চিকিৎসাৰ ক্ষেত্ৰত যিখিনি সুবিধা পাব লাগে, সেইটো নাপায় আৰু বহু hospital য়ে refuse কৰা দেখা যায়। দুবছৰ লৈকে বিলবিলাক pending হৈ থাকে।

**মাননীয় অধ্যক্ষ ঃ** হ'ব। মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী সঞ্জয় কিষাণ, (মন্ত্ৰী, শ্ৰম কল্যাণ ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ESI ৰ অধীনত যিসকল ব্যক্তি আছে, তেওঁলোকৰ লগত আমি কেইবালানিও আলোচনা কৰিছো। অধ্যক্ষ মহোদয়, কৰ্মচাৰী ৰাজ্য বীমা আঁচনিখন, অসমৰ এখন সামাজিক সুৰক্ষা আৰু জনহিতকাৰী আঁচনি। ESI Act 1948 ৰ ৫৮ নং অনুচ্ছেদ অনুসৰি ২৮-১২-১৯৫৮ তাৰিখে অসম চৰকাৰৰ অধীনত এই বিভাগটো গঠন কৰা হয়। বৰ্তমান সময়ত এই বিভাগটোৰ অধীনত ২৬ খন ঔষধালয় আছে আৰু নতুনকৈ ৭ খন স্থাপনৰ যো-জা কৰা হৈছে। কৰ্মচাৰী ৰাজ্য বীমা নিগম (ESIC) ৰ পৰা পোৱা তথ্য অনুসৰি ৩১-০৩-২০২৩ পৰ্য্যন্ত অসমত প্ৰায় ২ লাখ ৯১ হাজাৰতকৈও অধিক বীমাকৃত ব্যক্তি আৰু প্ৰায় ১২ লাখ হিতাধিকাৰী আছে। অসম চৰকাৰৰ শ্ৰম কল্যাণ বিভাগৰ তত্বাৱধানত এই কৰ্মচাৰীৰ ৰাজ্য বীমা আঁচনিৰ পৰা হিতাধিকাৰীসমূহে স্বাস্থ্য সেৱাৰ লগতে অন্যান্য সা-সুবিধা সমূহ বিভাগটোৰ জন্ম লগ্নৰে পৰা অতি নিয়াৰিকৈ আৰু সুকলমে গ্ৰহণ কৰি আহিছে।

কৰ্মচাৰী ৰাজ্য বীমা নিগম (ESIC) ৰ পৰা অসম ৰাজ্যত society গঠনৰ প্ৰস্তাৱ এই চৰকাৰে লাভ কৰিছে। এই সন্দৰ্ভত অসম চৰকাৰৰ লগত All Assam ESI Doctor's Association আৰু All Assam ESI Employees Association ৰ লগত এখন আলোচনা সভা ২০১৯ চনৰ মাৰ্চ মাহত অনুষ্ঠিত হয়। এই আলোচনাত সংগঠন দুটাই Society গঠনৰ আঁসোৱাহ সমূহ অৱগত কৰি চৰকাৰক স্মাৰক পত্ৰ প্ৰদান কৰে। সেই অনুসৰি ২৮-০৩-২০১৯ তাৰিখে অসম চৰকাৰৰ শ্ৰম কল্যাণ বিভাগৰ তদানীন্তন অতিৰিক্ত মুখ্য সচিবৰ অধ্যক্ষতাত

অনুষ্ঠিত সভাত Society গঠনৰ প্ৰস্তাৱ সাময়িকভাৱে স্থগিত ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

ইয়াৰ পিছত ০৯-০৭-২০২১ তাৰিখে তদানীন্তন মাননীয় মন্ত্ৰী শ্ৰম কল্যাণ বিভাগ, অসম চৰকাৰৰ লগত সংগঠন দুটাৰ Society গঠনৰ সন্দৰ্ভত আন এক সভাত মিলিত হয়। উক্ত সভাত সংগঠন দুটাই Society গঠনৰ বিভিন্ন আঁসোৱাহসমূহ দাঙি ধৰে। সভাত এইটো জানিব পৰা যায় যে ভাৰতবৰ্ষৰ মাত্ৰ ৪ খন ৰাজ্যতহে Society গঠন কৰা হৈছিল। সকলোবোৰ দিশ চালিজাৰি চাই উক্ত সভাত এক সিদ্ধান্তত উপনীত হয় যে কৰ্মচাৰী ৰাজ্য বীমা আঁচনিয়ে অসমত অতি সুকলমে আৰু নিয়াৰিকৈ বীমাকৃত ব্যক্তি আৰু তেওঁলোকৰ পৰিয়ালৰ স্বাৰ্থত সেৱা প্ৰদান কৰি আহিছে আৰু সেই হেতুকে অসমত Society গঠনৰ কোনো প্ৰয়োজন নাই।

তদুপৰি১১-০২-২০২২ তাৰিখে মাননীয় শ্ৰম কল্যাণ মন্ত্ৰীৰ সভাপতিত্বত কৰ্মচাৰী ৰাজ্য বীমা নিগমৰ সৰ্ব্বোচ্চ সমিতি (Regional Board) ৰ ৫৮ তম সাধাৰণ সভাত Society গঠন সন্দৰ্ভত আলোচনা কৰা হয়। উক্ত সভাত অসমত Society গঠনৰ কোনো প্ৰয়োজনীয়তা নাই বুলি সিদ্ধান্ত গ্ৰহন কৰা হয়। ২৬-০৪-২০২৩ তাৰিখে অনুষ্ঠিত হোৱা ৫৯ তম Regional Board ৰ সভাত উক্ত সিদ্ধান্ত নিশ্চিত কৰা হয়।

অধ্যক্ষ মহোদয়, ০৪-০৭-২০২৩ তাৰিখে ওপৰোক্ত সিদ্ধান্তৰ বিষয়ে শ্ৰম কল্যাণ বিভাগ অসম চৰকাৰৰ দ্বাৰা কৰ্মচাৰী ৰাজ্য বীমা নিগম, ভাৰত চৰকাৰক পত্ৰ যোগেদি অৱগত কৰা হয়।

কৰ্মচাৰী ৰাজ্য বীমা নিগমৰ পৰা পোৱা তথ্য মতে ভাৰতবৰ্ষৰ মাত্ৰ ৪ খন ৰাজ্যতহে ২০২২-২৩ বৰ্ষ পৰ্য্যন্ত Society গঠন কৰা হৈছিল ( উত্তৰ পূব ভাৰতৰ কেবল এখন) আৰু বাকী ২৪ খন ৰাজ্যত এতিয়াও Society গঠন হোৱা নাই আৰু বিষয়টোৰ পৰ্যালোচনা কৰি আছে। যিহেতু সংগঠন দুটাৰ Society গঠন সম্পৰ্কে বহুতো আশংকা আছে আৰু স্বাস্থ্য বিষয়টো ৰাজ্য চৰকাৰৰ অধীনত সেই অনুসৰি ২০২৩ বৰ্ষত সেই সময়ৰ মাননীয় সচিব, শ্ৰম কল্যাণ বিভাগ, অসম চৰকাৰৰ অধ্যক্ষতাত ভাৰতবৰ্ষৰ Society গঠন হোৱা ৰাজ্যসমূহত গৈ চৰজমিন অধ্যয়ণ কৰি প্ৰতিবেদন দাখিল কৰিবলৈ এখন সমিতি গঠন কৰি দিয়া হয়। সেই আদেশ অনুসৰি সমিতিখনে এখন প্ৰতিবেদন দাখিল কৰে আৰু বৰ্তমান বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

অধ্যক্ষ ডাঙৰীয়া, ইতিমধ্যে আমি গোটেই বিষয়টো কেন্দ্ৰীয় চৰকাৰক অৱগত কৰিছো আৰু এইটো বৰ্তমান কেন্দ্ৰীয় চৰকাৰৰ বিবেচনাধীন হৈ আছে। যদি আগন্তুক দিনত নিশ্চিতভাৱে গোৱালা ডাঙৰীয়াই কোৱাৰ দৰে ইয়াৰ প্ৰয়োজনীতা আছে তেতিয়াহ'লে আমি নিশ্চয় বিবেচনা কৰিম আৰু এই আইনখন গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। প্ৰশ্ন নং ২০৫, শ্ৰী কৰিম উদ্দিন বৰভূঞা।

**শ্ৰী কৰিম উদ্দিন বৰভূঞা, (কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্ন আছিল যে অসমৰ মুঠ কিমান D-voter আছে। আমাৰ জানিবলগা আছে যে অসমত গোৰ্খা D-voter কিমান, মুছলমান কিমান আৰু খ্ৰীষ্টান কিমান? উত্তৰটো আমি পালো। (ক) ত লিখা আছে ৯৬,৯৮৭ জন D-voter আছে আৰু (খ) ত লিখা আছে ৯৪,৪১২ জন D-voter.এইটো printing mistake নে কি তথ্য সহকাৰে জানিব বিচাৰিছো। দ্বিতীয়তে, আমি চিন্তিত যে জাতি জনগোষ্ঠীভিত্তিত D-voter ৰ সংখ্যা তথ্য সংৰক্ষণ কৰা নহয়। মোৰ জানিবলৈ এই কাৰণেই ইচ্ছা হৈছে যে আমাৰ অসমৰ মাননীয় সাংসদ গৌৰৱ গগৈ ডাঙৰীয়াই মুখ্যমন্ত্ৰী ডাঙৰীয়ালৈ এখন পত্ৰ লিখিছিল

যে অসমৰ গোৰ্খা জনগোষ্ঠীৰ যিমান D-voter আছে, তেওঁলোকৰ সমস্যাটো সমাধান কৰিব লাগে। তাৰ পিছৰ পৰাই আমাৰ সংখ্যালঘু মানুহখিনিৰ মনত এটা সন্দেহৰ বাতাবৰণ সৃষ্টি হৈছে আৰু ভয় বৃদ্ধি হৈছে। গতিকে আমি তথ্যখিনি যদি পাওঁ তেতিয়াহ'লে আইনী সাহাৰ্য্য দিয়াৰ কাৰণে সুবিধা হ'ব আৰু মানুহখিনিৰো শংকা দূৰ হ'ব।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নটো দুটা আছিল। D-voter কিমান আছে আৰু কিমান নিস্পত্তি হৈছে? গোচৰ নিস্পত্তি হোৱাৰ লগে লগে D-voter টো আঁতৰি নাযায়। Next Election ৰ যেতিয়া voter list ওলায়, তেতিয়া D-voter টো আঁতৰি যায়। অসমত আজিৰ দিনত ৯৬,৯৮৭ জন মানুহৰ নামত D লগোৱা আছে। তাৰে ৯৪,৪১২ টা গোচৰ নিস্পত্তি হ'বলৈ বাকী আছে। বাকী ২০০০ নিস্পত্তি হৈছে। হয়, D টো permanent হৈ গ'ল নহয় D টো withdraw কৰিবলৈ দিছে আৰু Election Commission য়ে withdraw কৰিব।

দ্বিতীয়তে, গোৰ্খা লোকসকলৰ ওপৰত এই চৰকাৰ অহাৰ সময়তে গোৰ্খা লোকসকল বিদেশীৰ সংজ্ঞাত নপৰে বুলি কেবিনেট সিদ্ধান্ত লৈছে। ইয়াৰ কাৰণটো হৈছে, নেপালৰ মানুহ ভাৰতত আহি থাকিব পাৰে আৰু ভাৰতৰ মানুহ নেপালত গৈ থাকিব পাৰে by the Indo-Nepal treaty. তাৰকাৰণে আমি কৈছো যে কোনো ধৰণৰ নেপালী মানুহক যি ভাৰতত থাকিব পাৰে, ভাৰতৰ আৰ্মীত কাম কৰিব পাৰে গোৰ্খা হিচাপে। গতিকে তেওঁলোক বিদেশীৰ সংজ্ঞাত নপৰে। বৰ্তমান ৰাজ্য চৰকাৰে গোৰ্খা লোকসকলৰ বিপৰীতে Tribunal ত যিমান কেচ আছে, কেচ হোৱাৰ দিনা খনেই আমি কেচবিলাক withdraw কৰি দিওঁ যে আমি এই কেচবিলাক চলাব নোখোজো। গতিকে গোৰ্খাৰ কাৰণে মুছলমান মানুহ শংকিত হোৱাৰ কথা নাই। আমি সুখী হ'ব লাগে যে আমাৰ গোৰ্খা ভাইসকলৰ সমস্যাটো এইখন চৰকাৰে সমাধান কৰি দিলে। কাৰোবাৰ ভাল হ'লে কোনোবা শংকিত হয় নেকি? বেয়া হ'লেহে শংকিত হয়। গতিকে আমি আমাৰ সদন সুখী হ'ব লাগে যে অসমত গোৰ্খাৰ সমস্যাটো সমাধান কৰি দিব পাৰিলো। জাতি হিচাপে এইকাৰণে আমি সংজ্ঞা নাৰাখো যে আমি বিদেশী বুলি ৰাখো। কোন হিন্দু, কোন মুছলমান, কোন বঙালী, কোন অসমীয়া এই ধৰণৰ সংজ্ঞাৰ ভিতৰত আমি যোৱা নাই। গতিকে জনগোষ্ঠীয় তথ্যটো আমি সংৰক্ষণ কৰা নাই। আজিকালি বহুত মানুহ আছে, যাৰ উপাধিৰ পৰা ধৰিব নোৱাৰে যে তেওঁ হিন্দু নে মুছলমান? বৰাকভেলী আৰু ব্ৰহ্মপুত্ৰ ভেলীতো বহুত মুছলমান মানুহ আছে যিসকলে তালুকদাৰ লিখে। সেইকাৰণে sufficient to know that 94,412 মানুহৰ ওপৰতে আজিলৈকে আজিলৈকে কেচ চলি আছে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী কৰিম উদ্দিন বৰভূএগ, (কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, গোৰ্খা জনগোষ্ঠীৰ নাম যদি D-voter ত থাকে আমি ভাল পাম, বেয়া নাপাওঁ। কিন্তু আমাৰ মানুহখিনি শংকিত হৈছে এইকাৰণে যে এজন দায়িত্বশীল সাংসদে Parliament ত ----interruption------

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে ভুল ব্যাখ্যা কৰি

আছে।

.............(হুলস্থুল)...........

**মাননীয় অধ্যক্ষ ঃ** Please, please.

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, আমি ইয়াতে কোনো দায়িত্বশীল সংসদৰ কথা আলোচনা নকৰো, কিন্তু এটা কথা দুখ লাগে যে সেই দায়িত্বশীল সংসদ জনে যাৰ ভোট লয় তেওঁৰ নামটো লিখি দিলে ভাল আছিল।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰীকৰিমুদ্দিন বৰভূঞা ঃ** অধ্যক্ষ মহোদয়, second supplementary হ'ল কা ৰ জৰিয়তে যিখিনি মানুহক নাগৰিকত্ব দিয়া হ'ব এই ডি ভোটাৰৰ তালিকাত থকা কিমান মানুহৰ নাম আহিব? এইটোৰ এটা তথ্য দিব পাৰিলে ভাল আছিল।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, কা আইনত পৰিণত হৈছে, বিধি এতিয়াও প্ৰস্তুত হোৱা নাই। গতিকে বিধিখন আহিলে আমি জানিম যে কোনে নাগৰিকত্ব পাব বা কি প্ৰচেচ্ত দিব। কিন্তু এটা কথা যদি কা আইন খন আমি পঢ়ো, যে ২০১৪ চনৰ পিছত কোনো মানুহে নাগৰিকত্ব পাব নোৱাৰে আৰু ১৯৭১ চনলৈ অহা মানুহ ৯৬ হাজাৰৰ ভিতৰতে আছে, যিখিনি আছে। তাৰ পিছত পৰৱৰ্তী সময়ত কিমান মানুহ আহিছে এইখিনি এন আৰ চি তে আছে, যিখিনি নাম এন আৰ চিতে কাটা গৈছে। কিন্তু আমি বঙালী, অসমীয়া, হিন্দু এনেকৈ কৰা নাই। কাৰণ এন আৰ চি ত নাম নথকা মই যেতিয়া উজনি অসমত গৈছো আমাৰ বহুত খিলঞ্জীয়া লোকৰো এন আৰ চি ত নাম নাই। গতিকে এন আৰ চি ত ১৬ লাখ মানুহৰ নাম কটা গৈছে। এই ১৬ লাখ মানুহৰ মই ঘুৰা-ফুৰা কৰি দেখিছো যে ২ লাখ আমাৰ খাচ একেবাৰে অসমীয়া মানুহৰ নাম কটা গৈ আছে, ১৪ লাখৰ ভিতৰত যদি বঙালী হিন্দু বুলিও আমি কওঁ ৩/৪ লাখতকৈ তাত থকাৰ উপায়ে নাই। কাৰণ জিলা বোৰত চালেই দেখা পোৱা যায়। কিন্তু এন আৰ চি ৰ দাতাটো ৰিলিজিয়ন ভিত্তিত কৰা হোৱা নাছিল কাৰণে তাৰ ওপৰতো চাই আমি ধৰ্ম বিশেযে তাক ভাগ কৰিব নোৱাৰো। কাৰণ এই বিষয়বোৰ ৰিলিজিয়নৰ ওপৰত নহয়, এই বিষয়বিলাক এটা secular চিচ্টেমতে কৰা হয়। গতিকে কাৰ জাতি কি, কাৰ ধৰ্ম কি, সেইটো কব দিক্দাৰ। কিন্তু এটা কথা কৰিমুদ্দিন বৰভূঞাৰ লগত মই সমভাগী, যে কলিয়াবৰ, চামুগুৰি, ধিং, হোজাই এই বিলাকত্‌টো আৰু গোৰ্খা মানুহ নাই, গতিকে গোৰ্খাৰ কাৰণে চিন্তা কৰিবৰ কাৰণেতো বিজেপি আছেই। গতিকে যি জন সংসদে কাৰোবাৰ পৰা ভোট লৈ তেওঁৰ কথা চিন্তা নকৰাতো দুৰ্ভাগ্যজনক।

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** অধ্যক্ষ মহোদয়, এইটো ভুল তথ্য। কেন্দ্ৰীয় গৃহমন্ত্ৰীলৈ এই বিষয়ত উল্লেখ কৰিছে মই পত্ৰখন আপোনাক দি দিম আপুনি ৰেকৰ্ড কাৰেক্ট কৰাই দিব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কথাখিনি কলে, আমি কথাখিনি দেখা পাইছো বা কিমান খিনি হ'ব কি নহ'ব mainly আমাৰ এই যে ১০০ মেম্বাৰ FT Court হৈছিল, তাৰ পিছত এই FT Courtৰ যিখিনি Judge হৈছিল এই জাজ্ হওঁতে আমি দেখা পালো যে কেচ বিলাক যেতিয়া নিষ্পত্তি হয় নিষ্পত্তি হোৱাৰ ক্ষেত্ৰত অকণমান খেলি মেলি বা ভালকৈ নহয়। এই ক্ষেত্ৰত মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলো যে FT Court ৰ কেছ খিনি যাতে সোনকালে dispose হয় আৰু ইতিমধ্যে আমাৰ

माननীয় মুখ্যমন্ত্ৰীয়ে কৈছে যে বেঙ্গলী মানুহৰ সমস্যাটো কা ৰে সমধান হ'ব। এই ক্ষেত্ৰত যাতে কাম কৰে এইটোৱে মই অনুৰোধ জনাইছো।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি যদি চাব যাওঁ যে ২,৪৪,১৪৪ টা কেছ আছিল আৰু এতিয়া কেছ কমি কমি 94,000 হৈছে, কেছৰ সংখ্যা যোৱা কিছু বছৰত বহুত কমিছে আৰু মইও এবাৰ FT Court ৰ কাম বিলাকৰ review, উচ্চ ন্যায়ালয় মুখ্যন্যায়াধীশ ডাঙৰীয়াক অনুৰোধ কৰিম যে আপুনিও এবাৰ ৰিভিউ কৰক আমিও চাম, লোক সভাৰ নিৰ্বাচনৰ পিছতে এবাৰ আমি গোটেই FT Court কাৰ্যবিৱৰণী সম্পৰ্কে review কৰাৰ কাৰণে যিটো প্ৰস্তাৱ দিছে সেইটো মই মানি লৈছো will review the functioning of the foreigner tribunal.

**মাননীয় অধ্যক্ষ** ঃ এতিয়া প্ৰশ্ন নং ২০৬, শ্ৰীআমিনুল ইছলাম।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰীআমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰী মহোদয়ে এটা উল্লেখ কৰিছে যে আমাৰ নগাওঁ, ধিং, বুৰাগাওঁ এই পথটোত নগাওঁৰ পৰা ধিংলৈকে অসমমালাৰ অধীনত নিৰ্মাণ হৈ আছে, মই মুখ্যমন্ত্ৰী মহোদয়ক লিখিত ভাৱে জনাইছিলো এবাৰ, যে বাকী খিনিত ধিঙৰ পৰা বুঢ়াগাওঁ হৈ যিটো মৰিগাওঁ বাচনিঘাটত লাগিছে, বাকী ৰাস্তাখিনিও অসম মালাৰ অধীনত সামৰি এটা মালা তৈয়াৰ কৰি লব লাগে। মুখ্যমন্ত্ৰী মহোদয়ক লিখি দিছিলো,আমি বিভাগক দিছো, কিন্তু এতিয়ালৈকে অসমমালাৰ অধীনত বাকী ৰাস্তাখিনি কোনো ধৰণৰ sanction হোৱা আমি দেখা নাই। গতিকে ধিঙৰ পৰা বুঢ়াগাওঁ বাচনিঘাটলৈকে বাকীখিনি অসম মালাত যদি সোমাই লয় তেনেহলে মৰিগাওঁৰ পৰা নগাওঁলৈকে এটা বিকল্প ৰাস্তা হ'ব।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** কিমান কি.মিটাৰ?

**শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ)** ঃ বাকী প্ৰায় ৫০ কি. মিটাৰৰ বেছি হ'ব। নগাওঁৰ পৰা ধিঙলৈকে ২৪ কি.মিটাৰ হৈছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, নগাওঁৰ পৰা ধিঙলৈকে আমি ৰাস্তাখিনি অসমমালাত কৰিছো, ধিংৰ পৰা মৈৰাবাৰীলৈকে ৫.৯ কি.মিটাৰ, ইমান অসমমালা কৰিব লাগে নে নে কি?

**শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ)** ঃ মৰিগাওঁলৈকে মালাটো এটা হ'ব লাগে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** তাৰমানে মৰিগাওঁৰ পৰা ধিঙলৈকে, ঠিক আছে আপুনি কৈছে বিষয়টো মই পৰীক্ষা কৰি চাম, আমাৰ বিভাগৰ বিষয়া সকল আছে তেওঁলোকে বিষয়টোৰ ওপৰত কিমান টকা কি প্ৰয়োজন চাই মিলি মোক জনাব, আজিয়ে মই কথা নিদিও পিছত বিধায়ক মহোদয়ৰ লগত আলোচনা কৰি অসমমালা ৩ ত আমি অন্তৰ্ভূক্ত কৰাৰ কাৰণে মই চেষ্টা কৰিম।

**শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ)** ঃ ছাৰ, supplementary আৰু এটা আছে, ইয়াত North শিঙিমাৰীৰ এখন দলং ২০১৮ চনত North East Plantation and Commercial Private Limited য়ে এই ৬ বছৰত নকৰিলে। এইবাৰ ২০২৩ চনত এইটো কেনচেল কৰা বুলি কৈছে। এই দলংখন আৰু মৈৰাবৰীৰ পৰা গৰুখুটিলৈ PMGSY ৰ ৰাস্তা ইয়াত প্ৰশ্ন চি ত আছে, এইটো এনেকুৱা এজন ঠিকাদাৰক দিছে আফতাবুদ্দিন নাম, কাম কৰি গৈ আছে পিছ ফালে ৰাস্তাটো একদম শোচনীয়া ভাৱে নষ্ট হৈ আছে, কাম কৰাৰ লগে লগে গোটেই ৰাস্তা বৰবাদ হৈ গ'ল। কিন্তু এইটোত যদিও দিছে যে তেওঁৰ যিটো security এমাউন্ট জমা থাকে তাৰ পৰা বাকীখিনি কাম

নহ'ব। ইয়াত heavy গাড়ী অহা বুলি উল্লেখ কৰিছে প্ৰশ্নৰউত্তৰত, কিন্তু দেখি গাড়ীতো যায়ে, কিন্তু সচাঁই ৰাস্তাটোৰ কাম বেয়াকৈ কৰিছে। গতিকে মই ভাৱো এইটোত এটা কঠোৰ পদক্ষেপ ল'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মুখ্যমন্ত্ৰী।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, বিষয়টো মই বিবেচনা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া পৰৱৰ্তী প্ৰশ্ন নং ২০৭, আমিনুল ইছলাম কনিষ্ঠ।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰীআমিনুল ইছলাম (কনিষ্ঠ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ গাওঁৰক্ষী বাহিনীৰ বিভিন্ন সমস্যা সংক্ৰান্তত যিটো প্ৰশ্ন আছিল আমি উত্তৰত ইতিমধ্যে পাইছো যে ৬৪০৩৭৫ জন গাওঁৰক্ষী বাহিনী আছে ইয়াৰে ৫৬২৭২৫ জন পঞ্জীকৃত আৰু ৭৭৬৫০ জন অপঞ্জীকৃত। এই বিষয়টো তেখেত সকলক যিটো মাননী হিচাপে দিয়া হয় বা পাৰহেড মাহে এশ টকাকৈ দিয়া হয়, আৰু ২৫ জনীয়া এটা সদস্য টিম বনোৱা হৈছে, সেই খিনিক মাহত ২৫০০ টকা দিয়া হয়। তাৰেও আমি দেখিছো যে যোৱা ৬ মাহৰ পৰা সেই পইচাখিনি আদায় দি থকা হোৱা নাই। এইটো এটা অতান্ত serious issue বুলি আমি বিবেচনা কৰিছো আৰু ইয়াৰ আগতেও চৰকাৰে ৫ হাজাৰ টকাকৈ প্ৰদান কৰাৰ কথা আছিল, এই বিষয়টো already খুব বেছি কবলৈ এইকাৰণে নাই যিহেতুকে অসম গাওঁ প্ৰতিৰক্ষা বাহিনী সংশোধনী বিধেয়ক ২০২৪ already বিল এটা আহিছে। গতিকে এই বিষয়ে ইতিমধ্যে ইয়াৰ সংজ্ঞা কৰ্তব্য, কাৰ্যসমিতি সমূহ গঠন প্ৰশাসনৰ নিয়ন্ত্ৰণ, পাৰিতোষিক বিষয় সাঙুৰি দিয়া হৈছে। এই কাৰণে বেছি question কৰিব লগীয়া নাই, কিন্তু এনেকুৱা এটা injustice যিহেতু ৬ লাখ, ৬.৫ লাখ মানুহ আছে, মাহত এশ টকাকৈ পায়।

**মাননীয় অধ্যক্ষ ঃ** আপুনি questionটো কৰক।

**শ্ৰীআমিনুল ইছলাম (কনিষ্ঠ) ঃ** মই কেৱল এটা কথা কবলৈ বিচাৰিছো আমি যিহেতু international border ৰ মানুহ গাওঁৰক্ষী বাহিনী আমাৰ তাত যথেষ্ট এক্টিভ।

**মাননীয় অধ্যক্ষ ঃ** বুজি পাইছো, আপুনি কি জানিব বিচাৰিছে?

**শ্ৰীআমিনুল ইছলাম (কনিষ্ঠ) ঃ** যে এই এশ টকাকৈ প্ৰতিমাহে এইটো অন্যায়।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, গাওঁৰক্ষী বাহিনী কোনো চাকৰি নহয় ই এটা voluntary association. আৰু নিজৰ গাঁও খনকে নিজে সুৰক্ষা দিয়ে, গতিকে ইয়াতটো টকা পইচাৰ কথা আহিবই নালাগে। গাঁৱৰ ডেকা চামে যেনেকৈ যুৱক সংঘ এটা প্ৰত্যেক বছৰে নতুন নতুন কমিটী আহে গাঁও খনত দেখভাল কৰে। অসমত যেতিয়া গাঁওৰক্ষী বাহিনী বনোৱা হৈছিল তাৰ উদ্দেশ্য এইটো আছিল যে গাঁও খনক চুৰি ডকাইটিৰ পৰা গাঁৱৰ ল'ৰা-ছোৱালীয়ে বচাব। এইটো চাকৰি বুলি ভাৱি লগে দিগদাৰী হ'ব। গতিকে মোৰ মতেটো এইটোত এশ টকাও মাননী ল'ব নালাগে। তেওঁলোকে নিজৰ গাঁৱখনকে protection কৰে। খালি protection কৰাটো যাতে illegal নহয় সেইটোৰ কাৰণে গাঁওৰক্ষী বাহিনীক এটা সাংবিধানিক দায়িত্ব দিয়া হয়। এইবাৰ আমি আইনত আনিছো যে গাঁওৰক্ষী বাহিনীক অতিৰিক্ত দয়িত্ব আমি যদি দিওঁ ঠিক তেনেকে নিৰ্বাচনৰ দায়িত্ব দিয়ে চৰকাৰী কামত যদি লগাই তেতিয়া হ'লে আমি তেওঁলোকক সেই কামৰ বাবে মাননি এটা দিয়াৰ ব্যৱস্থা কৰিম। নিৰ্বাচনৰ কামত লগালে বা কোনোবা flood Operation ত লগালে, যিখিনি তেওঁলোকৰ duty নহয়। গাওঁখন ৰক্ষা কৰাটো তেওঁলোকৰ voluntary কাম। সেই কামটোৰ বিপৰীতে তেওঁলোকে টকা নাপাব বা লোৱাটোও উচিত নহয়।

কাৰণ সম্পত্তি চুৰি হ'লে কাৰ হ'ব? নিজৰে চুৰি হ'ব। কিন্তু এইবাৰৰ বিলখনত আমি আনিছো যে মাননীয় হাউচে amendment হ'লে, তেওঁলোকক যদি চৰকাৰী কামত লগাই, তেওঁলোকক আমি এটা মাননি দিয়াৰ ব্যৱস্থা কৰিম। কিন্তু গাওঁখনক নিৰাপত্তা দিয়া কামটো আমি চৰকাৰী কাম বুলি ধৰা নাই। নিজৰ ঘৰখন এতিয়া নিজে তলা-চাবি মাৰি ৰাখে, যাতে protect হয়, গাওঁখন সুৰক্ষা কৰি ৰাখিব। কিন্তু এইটো মই মানি লৈছো যে কেতিয়াবা কেতিয়াবা তেওঁলোকক চৰকাৰে চৰকাৰী কামত ব্যৱহাৰ কৰে। তেতিয়া তেওঁলোকে মাননি পাব লাগে কাৰণে এইবাৰ বিলখনত অনা হৈছে। গাঁও সুৰক্ষাবাহিনী is a Voluntary Organization but as and when they are deployed for the Government work outside the village বা তেওঁলোকৰ normal কামৰ বাহিৰে special কামত engage কৰিম তেতিয়া আমি তেওঁলোকক কিবা এটা মাননি দিয়াৰ ব্যৱস্থা কৰিম। শেষত মই আমাৰ সদনক ক'ব খোজো যে গাওঁৰক্ষী বাহিনী এটা খুব ভাল সংগঠন। অসমৰ মানুহে Voluntarily ৰাজহুৱা কাম কৰে। ইয়াক দৰমহা, বেতন আদি লগত সুমুৱাই Organization টোক আত্মাটোক আমি kill কৰি দিব নালাগে।

**শ্ৰী আমিনুল ইছলাম, (কনিষ্ঠ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই জানিব বিচাৰিছো যে তেখেত সকলৰ ৰাতি পহৰা দিবৰ কাৰণে টৰ্চলাইট, কাপোৰ , ঠাণ্ডাৰ কাপোৰ, ব্লেংকেট এই যিখিনি সা - সুবিধা দিব লাগে, আগত সেইবোৰ দিছিল, সেই বস্তুটো Regularize হ'ব নে নাই।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, সেইটো বস্তু Regularize হৈ আছে। কেতিয়াবা টকা পইচাবোৰ পাওঁতে ৩১ মাৰ্চ হৈ যায়, আমাৰ বিত্তীয় পৰিবেশৰ লগত বা চৰকাৰৰ যিটো নিয়ম বহুতখিনি জিলাই পকেটমানি পাইছে কেইখন মান জিলাই পোৱা নাই ফাইলবিলাক প্ৰচেচত আছে, মাৰ্চৰ আগতে সকলোৱে পাই যাব। গাঁওৰক্ষী বাহিনীৰ সুবিধা বঢ়োৱাত টৰ্চ লাইট, আঠুৱা এইবোৰৰ সুবিধা বঢ়োৱাত চৰকাৰৰ কোনো অসুবিধা নাই। আমি যিমানখিনি পাৰো আমি কৰি গৈ থাকিম।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ, এতিয়া প্ৰশ্ন নং ২০৮, কমলাক্ষ দে পুৰকায়স্থ।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী ভাৰতবৰ্ষৰ প্ৰেক্ষাপটত কিছুমান দৃষ্টান্তমূলক আৰু প্ৰসংশনীয় পদক্ষেপ আমি দেখা পালো। যেনেকুৱা ড্ৰাগচৰ বিৰুদ্ধে অভিযান, মাটিৰ দালাল আৰু সূতখোৰ আৰু Good Governance ৰ ক্ষেত্ৰত যিটো পদক্ষেপ লৈছে এৰেষ্ট হৈছে, বা ইতিমধ্যে আইনী ব্যৱস্থা চলি আছে। তৎপৰতাৰে কাম হৈ আছে আমি সেইখিনি ক'ব বিচৰা নাই। ধন্যবাদ জনাইছো মাননীয় মুখ্যমন্ত্ৰীলৈ। মই মাননীয় মুখ্যমন্ত্ৰীলৈ ভিতৰুৱা কথাখিনি কৈ আছো, যে মুখ্যমন্ত্ৰী মহোদয়ে আগতেও কৈছিল। যেতিয়া এই পদক্ষেপ Good Governance ৰ কাৰণে এৰষ্ট বা এইখিনি চলি আছে। এতিয়া অকনমান সলনি কৰি দিলে সিহঁতে এতিয়া অফিচত সেই কামখিনি নকৰে, চাহদোকানত গৈ contact হয়, ঘৰত গৈ contact কৰে। মানে পদ্ধতিটো অকনমান সলনি কৰি দিলে, মাননীয় মুখ্যমন্ত্ৰীলৈ মই অনুৰোধ কৰিম যে এই চাহ দোকানত বা হোটেলত গৈ যদি তেনেকৈ কাৰ্য্য কৰে যি জন চাহদোকানীয়ে কামটো কৰে বা কিছুমান কৰ্ম্মচাৰী আছে,আমি দেখাও পাইছো সিহতৰ বিৰুদ্ধে তথ্যও আছে কিন্তু আমি অফিচিয়েলি সেই খিনি তথ্য দিব নোৱাৰো। এই ক্ষেত্ৰতটো মুখ্যমন্ত্ৰী মহোদয়ে যাতে

তৎপৰতাৰে কামটো কৰে। কাৰণ ইতিমধ্যে মুখ্যমন্ত্ৰী মহোদয়ে কাম আৰম্ভ কৰিছে আমি তেখেতক ধন্যবাদ জনাইছো। এইক্ষেত্ৰটো তেখেতে কামটো হাতত লয়, তাৰ কাৰণে মই অনুৰোধ জনাইছো।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যৰ Vigilance Anti corruption, CM Vigilance, আৰু CID ৰ ফালৰ পৰা আমি যিমান পাৰো, য'তে আমি অভিযোগ পাওঁ, আমি চৰকাৰী কৰ্ম্মচাৰী সকলে ঘোঁচ ললে, তাৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লবলৈ চেষ্টা কৰি আছো আৰু নিৰন্তৰ এই প্ৰচেষ্টা চলি থাকিব। মই এই ক্ষেত্ৰত সদস্যজনৰ লগত সন্মতি প্ৰদান কৰো যে আজি কালি টকা হাতেদি নলয়, google pay বা কোনোবা এখন হোটেলৰ বাহিৰত অফিচৰ বাহিৰত তেওঁলোকে দোকান এখন ঠিক কৰি থৈ দিয়ে, পইচাটো তাত জমা দিব লাগে। দোকানৰ মানুহজনে কৰ্ম্মচাৰীজনক কৈ দিয়ে যে পইচাটো পালো। তেতিয়া ফাইলটো process হয়। আৰু বহুতে google pay ত পইচা লয় আৰু বহুতে নিজৰ ড্ৰাইভাৰ, PSO ৰ একাউন্টতো google pay ত পইচা জমা লৈ লয়। গতিকে এইবিলাক নতুন নতুন কাম, নতুন নতুন পদ্ধতি, বিভিন্ন চৰকাৰী কাৰ্য্যালয়ত ব্যৱহাৰ হৈছে। কিন্তু আমি তেনেকুৱা মানুহকো বৰ্তমান কেইবাজনো তেনেকুৱা ব্যৱস্থা কৰা মানুহকো আমি গ্ৰেপ্তাৰ কৰিছো। চোৰে যেতিয়া কৌশল সলনি কৰে পুলিচেও তাক সলনি কৰিব লাগে। গতিকে চোৰ পুলিচৰ এইটো খেলা চলি থাকে। আমি এই সম্পৰ্কে সজাগ যে বৰ্তমান system বিলাক অলপ পৰিবৰ্তন হৈছে। আমি নতুন system ৰ লগত নতুন পদ্ধতি গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্ন নং ২০৯, শ্ৰী দুৰ্গা দাস বড়ো। তেখেত অনুপস্থিত। প্ৰশ্ন নং ২১০ শ্ৰীযাদব স্বৰ্গীয়াৰী।

**শ্ৰীযাদব স্বৰ্গীয়াৰী, (দুধনৈ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ২০২০ চনত তৃতীয়খন বড়ো শান্তি চুক্তি অসম চৰকাৰৰ নিখিল বড়ো ছাত্ৰ সন্থাই NDFB আৰু UBPO ৰ মাজত অনুষ্ঠিত হৈছিল। মোৰ চাপ্লিমেন্টৰী প্ৰশ্ন হ'ল যে চুক্তিৰ লগত বিটিচি ৰ বহিৰত প্ৰায় ২২ খন জিলাৰ বাহিৰত থকা বড়ো কছাৰী সকলক Autonomous Council, বড়ো, কছাৰী Autonomous Council, যিটো গঠন কৰা হ'ল, আজিলৈকে তাৰ village notification আৰু সমষ্টি পুনৰ নিৰ্দ্ধাৰণৰ কাম কৰা হোৱা নাই। সেয়ে মই আপোনাৰ জৰিয়তে মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো, কেতিয়ালৈকে village notification আৰু সমষ্টি পুনৰ নিৰ্দ্ধাৰিণৰ লগতে বড়ো কছাৰী Autonomous Council,ৰ নিৰ্ব্বাচন অনুষ্ঠিত কৰিব ?

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ মাননীয় মন্ত্ৰী ।

**ড°হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, Bodo, Kachari Welfare Council ৰ সীমা নিৰ্দ্ধাৰিণ ৰ বিষয়তো আমি বিভিন্ন সময়ত আলোচনা কৰি আছো। বিষয়টো ৯০ শতাংশ সমাধান হৈছে। কিন্তু ৰাভা হাচং এৰিয়াত যিখিনি বড়ো গাঁও পৰে সেই বড়ো গাওঁখিনি Bodo, Kachari Welfare Council ত অন্তৰ্ভুক্ত হ'ব নে নাই, এই সম্পৰ্কে ৰাভা হাচং Autonomous Council, Bodo, Kachari Welfare Autonomous Council আৰু ৰাজ্য চৰকাৰৰ মাজত নিৰন্তৰ আলোচনা চলি আছে। এই আলোচনাত দুই তিনিবাৰ ময়ো ভাগ লৈছো। আৰু সমস্যাটো যিমান সোনকালে পৰা যায় সমাধানৰ কাৰণে প্ৰচেষ্টা কৰিছো। মই Bodo, Kachari Welfare Autonomous Council ক এটা প্ৰস্তাবো দিছিলো যে ৰাভা হাচঙৰ গাঁওখিনি বাদ দি বাকী গাঁওখিনি অন্ততঃ নটিফাই হৈ যাওক যাতে যিখিনি হোৱা নাই সেইখিনি আমি আলোচনা কৰি থাকিব পাৰো। কিন্তু বিষয়টোৰ সম্পৰ্কত তেখেত সকল এতিয়াও

একত্রিত হ’ব পৰা নাই। আৰু আমাৰ চৰকাৰৰ যিটো নীতি যে আমি অলপ আলোচনা কৰি সমস্যাবোৰ সমাধানৰ কাৰণে চেষ্টা কৰো। মই ভাবো যে ৰাভা নেতৃত্ব আৰু বড়ো নেতৃত্বৰ মাজত আলাপ আলোচনাৰ মাজেৰে আমি খুব কম দিনৰ ভিতৰতে এই সমস্যাটো আমি সমাধান কৰিব পাৰিম।

**শ্ৰী অতুল বৰা, (দিশপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিহেতু বিষয়টো উত্থাপন হৈছে মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো, ভৈয়াম কাৰ্বি Welfare Council ৰ বিষয়ে কিমান আগবাঢ়িছে বা সেই বিষয়টো সম্পৰ্কে তেখেতে কিবা ক’ব নেকি ?

**ড°হিমন্ত বিশ্ব শৰ্ম্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয় ভৈয়াম কাৰ্বি সকলৰ Welfare Council ৰ নিৰ্মাণৰ বিষয়টো আগবাঢ়ি গৈছে, আৰু খুব কম সময়ৰ ভিতৰতে আমি এই Council খন ঘোষণা কৰিব পাৰিম। তাৰ প্ৰক্ৰিয়াটো আগবাঢ়ি গৈছে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। প্ৰশ্ন কালীন ঘণ্টাৰ সময় শেষ হ’ল। এতিয়া তাকৰীয়া সময়ৰ জাননীৰ প্ৰশ্ন সমূহ।

**শ্ৰী পিযুষ হাজৰিকা, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোক এক মিনিট সময় লাগে চাৰ, এটা বিশেষ বিষয়ৰ ওপৰত মোৰ অলপ ক’বলগীয়া আছে। আমাৰ বিধান সভাত walkout ৰ ওপৰত আপোনাৰ এটা rulling লাগে। মই যদিও সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মই নিজেও নাজানো। এইমাত্ৰ দেখিলো কংগ্ৰেছ বিধীয়িনী দলৰ সদস্য সকলে আৰু এগৰকী নিৰ্দলীয় বিধায়কে সদন ত্যাগ কৰিলে। মই মোবাইলত চাই আছো, দেখিলো বাতৰি আহিয়েই গ’ল যে Old pension scheme ৰ কাৰণে কংগ্ৰেছৰ বিধায়ক সকলে সদন ত্যাগ কৰিলে। তেওঁলোকে গৈ মিডিয়াত এই কথাটো ক’লে আৰু ৫ মিনিটৰ ভিতৰত সদনলৈ ঘূৰিও আহিল। ঘূৰি আহি আকৌ সদনৰ প্ৰশ্ন কালীন ঘণ্টাত অংশ গ্ৰহণ কৰিলে। আচলতে কিমান সময়ৰ কাৰণে তেওঁলোকে সদন ত্যাগ কৰিলে ? মাননীয় অধ্যক্ষ মহোদয়, এইটো কৰিব পাৰে নেকি ? ইয়াৰ বাবে আপোনাৰ এটা rulling লাগে চাৰ। টি.ভি ত ওলাবৰ কাৰণে সদন ত্যাগ হয়। এইবাৰৰ পৰা আপোনালোকে কৈ যাব যে টি. ভি ত ওলোৱাৰ কাৰণে আমি সদনৰ পৰা walkout কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় সদন, আমাৰ দেশৰ যিটো গণতান্ত্ৰিক প্ৰক্ৰিয়া এই Parliament ত আমি যিধৰণে আমাক ৰুল দিছে সেই ৰুল অনুযায়ী কোনোবাৰ যদি চৰকাৰৰ কিবা এটা প্ৰস্তাৱ মনঃপুত নহয় তেতিয়া এইটো প্ৰতিবাদৰ বাবে walkout কৰিব পাৰে। এতিয়া walkout কৰাৰ নিয়মটো হ’ল যিটো বিষয়ৰ ওপৰত আলোচনা কৰিছে তাৰ time table. যদি প্ৰশ্নকালীন ঘণ্টাত হয় তেতিয়া প্ৰশ্ন কালীন ঘণ্টাৰ পৰা walkout কৰিব পাৰে। আপোনালোকে যেতিয়া walkout কৰে তেতিয়া সদনক কৈ যাব লাগে যে আপোনালোকে দিনটোৰ কাৰণে warkout কৰিছে নে, গোটেই চেচনটো কৰিছে নে, এটা discussion ৰ bussiness ৰ ওপৰত কৰিছে। আজি হৈ গ’ল। পৰৱৰ্ত্তী পৰ্যায়ত আপোনালোকে walkout কৰিলে সদনক এই বিষয়ে জনাই যাব।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, (নাওঁবৈছা) ঃ** পেঞ্চনৰ বিষয়টোৰ ওপৰতে আমি walkout কৰিছো। বেলেগ কাৰণে নহয়।

**মাননীয় অধ্যক্ষ ঃ** পেঞ্চনৰ ওপৰত ইতিমধ্যে ৰিপ্লাই হৈ গ’ল। এতিয়া আৰু কি সদন ত্যাগ কৰিব। প্ৰশ্ন কালীন ঘণ্টাত আলোচনা নহয়। প্ৰশনকালীন ঘণ্টাত যদি কোনোবাই walkout কৰে, তেতিয়া গোটেই প্ৰশ্নকালীন ঘণ্টাৰ কাৰণে walkout বুলি ধৰা হ’ব। এতিয়া মাননীয় বিধায়ক

শ্ৰী কৰিমউদ্দিন বৰভূএগ্ৰা।

**শ্ৰী কৰিমউদ্দিন বৰভূএগ্ৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম মুছলিম Marrige and Divorce Act.

(কেইবাগৰাকী বিধায়কে একেলগে বক্তব্য ৰাখিবলৈ লোৱাৰ বাবে সদনত হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি হয়)।

**মাননীয় অধ্যক্ষ ঃ** আপুনি বহক। আপোনাৰ সময় যেতিয়া আহিব, তেতিয়া আপুনি আপোনাৰ বিষয়টো উত্থাপন কৰিব। প্ৰশ্ন কালীন ঘণ্টাৰ সময় শেষ হ'ল। এতিয়া তাকৰীয়া সময়ৰ জাননীৰ প্ৰশ্ন সমূহ। এতিয়া মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম(জ্যেষ্ঠ) ডাঙৰীয়া। Short notice question ৰ পিছতহে adjournment motion টো আহিব।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) ৰ প্ৰশ্নৰ উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে। তেখেতৰ পাঁচটা প্ৰশ্নৰে উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** Next Education. ইয়াত চাপ্লিমেণ্টাৰী কুৱেশ্যন নাই। only lay.

**শ্ৰী ৰণোজ পেগু, (শিক্ষা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) ডাঙৰীয়াৰ short notice ৰ প্ৰশ্নৰ উত্তৰ সদনৰ মজিয়াত দাখিল কৰা হ'ল।

**মাননীয় অধ্যক্ষ ঃ** Thank you. Now question hour is over including short notice question. মাননীয় সদস্য এতিয়া মাননীয় বিধায়ক শ্ৰী কৰিমউদ্দিন বৰভূএগ্ৰা আপুনি কওঁক।

**শ্ৰী কৰিমউদ্দিন বৰভূএগ্ৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম মুছলিম Marrige and Divorce Act এইখন অসম চৰকাৰে এতিয়া বাতিল কৰাৰ সিদ্ধান্ত লৈছে। এই অতি গুৰুত্বপূৰ্ণ বিষয়টোৰে adjournment motion ৰ কাৰণে সকলো ধৰণৰ criteria fulfill কৰে।

**মাননীয় অধ্যক্ষ ঃ** এই নটিচটো মই পাইছো আৰু বিষয়টো যিহেতু এতিয়ালৈকে সদনত অহা নাই। চৰকাৰে এইটোৰ ওপৰত আলোচনা কৰিছে।

**শ্ৰী কৰিমউদ্দিন বৰভূএগ্ৰা ঃ** কিন্তু বিষয়টো কেবিনেটত সিদ্ধান্ত হৈছে।

**মাননীয় অধ্যক্ষ ঃ** কেবিনেট সিদ্ধান্তটো impleament নহয়। সদনত যেতিয়া তেওঁলোকে বিল আনিব, তেতিয়া আপোনালোকে সম্পূৰ্ণ ভাৱে এই বিষয়টোৰ ওপৰত আলোচনা কৰিব পাৰিব। এতিয়া adjourned কৰি আলোচনাৰ প্ৰয়োজন নাই। মই এইটো accept কৰা নাই। চৰকাৰে বিল অনাৰ পিছত এই বিষয়ে আলোচনা কৰাৰ যথেষ্ঠ সুযোগ পাব।

........................................সদনত হুলস্থুল..................................................

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং ৩। মাননীয় মন্ত্ৰী শ্ৰী অশোক সিংহাল ডাঙৰীয়া।

........................................সদনত হুলস্থুল..................................................

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা মাননীয় সদস্য সকলক জনাব বিচাৰিছো যে বিলখন আমি এতিয়াও সদনত অনা নাই। সদনত যেতিয়া বিলখন আহিব তেতিয়া বিলখনৰ ওপৰত ক'বলৈ আপোনালোকে সুবিধা পাব। কিন্তু বিলখন আমি কিয় বাতিল কৰিব খুজিছো আৰু এই বিলখনৰ ওপৰত কিয় কেবিনেটত সিদ্ধান্ত লোৱা হৈছে ; আপোনালোকে বুজি ললে হ'ল। মাননীয় বিধায়ক শ্ৰী অখিল গগৈ ডাঙৰীয়া কিয় থিয় হৈছে তাৰবাবে মই আচৰিত হৈছো। মাননীয় অধ্যক্ষ মহোদয়, এই আইনখনত এটা অদ্ভুত ক্লজ আছে। এই ক্লজ

টোৰ বিষয়ে নজনাকৈ আপোনালোকে কিয় থিয় হৈছে মই নাজানো।

**শ্ৰী দেবব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিধান সভা চলি থাকোতে চৰকাৰে কি সিদ্ধান্ত ললে সেইটো আগতীয়াকৈ সদনক জনাব লাগে। সদনত এই বিষয়টো অৱগত নকৰাকৈ কেবিনেট ডিচিশ্যন লৈছে। মাননীয় অধ্যক্ষ মহোদয়, আপোনাক এই বিষয়ে কিবা বিবৃতি দিবলৈ অনুমতি দিছে নেকি? কোনটো ডিভাইচত এইটো .কৰা হৈছে তাৰ বাবে আমি আপোনাৰ ফালৰ পৰা এটা স্পষ্টীকৰণ বিচাৰিছো।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা কেবিনেট ডিচিশ্যনক কেন্দ্ৰ কৰি গোটেই হাউচৰ সদস্য সকল থিয় হৈছে। যিকোনো বিল প্ৰথমে কেবিনেটত এপ্ৰোভ হয় আৰু তাৰপিছত হাউচত অহাটো নিয়ম। আমি নিয়মৰ বাহিৰত একো কৰা নাই। গতিকে হাউচত যিকোনো বিলেই আহিব আৰু প্ৰত্যেকখন বিলেই প্ৰথমতে কেবিনেটত এপ্ৰোভ হয়।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি ষ্টেটমেণ্টটো দিবলৈ দিছে নেকি?

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ বিষয় নহয়, আপুনি বহক।

**শ্ৰী দেবব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত কেবিনেট সিদ্ধান্ত হৈছে এই বিষয়ে বিবৃতি দিবলৈ আপোনাৰ ফালৰ পৰা প্ৰথমে আহিব লাগে।

................................সদনত হুলস্থুল..................................

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যদি Legislative ৰ নিয়মৰ ওপৰত কোনোবাই প্ৰশ্ন সোধে তেতিয়া মিনিমাম যিখিনি কাম আমি সদায় কৰি আহিছো যে এখন বিল প্ৰথমে কেবিনেটত পাচ হয়। তাৰ পিছত ৰাজ্যপাললৈ যায় আৰু ৰাজ্যপালে সদনলৈ পঠাই দিয়ে আৰু এইধৰণে কামবোৰ চলে।

**শ্ৰী দেবব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজিৰ business ত সেইটো ঘোষণা কৰা হোৱা নাই। আপুনি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ ষ্টেটমেণ্ট আছে বুলি আমাক জনোৱা নাই।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনালোকে থিয় হৈছে বাবে মই তাৰ উত্তৰ দিছো।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আগতে adjournment motion টো আনিবলৈ দিয়ক। তাৰপিছত ষ্টেটমেন্ট। যি মন যায় সেইটোৱেই ক'ব নেকি?

........................................সদনত হুলস্থুল.......................

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, adjournment motion আপুনি reject কৰিছে। আপুনি ৰিজেক্ট কৰাৰ পিছত তেখেত সকলে থিয় হৈ কৈয়ে আছে। যদি আপোনাৰ ৰুলিং মানি লয় তেতিয়াহ'লে মই ও নকওঁ আৰু তেওঁলোকেও নকয়। থিয় হোৱাৰ কাৰণটো জানিবলৈ পাই এটা শব্দতে মই ক'ব খুজিছো যাতে আপোনালোক থিয় হ'ব নালাগে। এই আইনখন আমি কিয় বাতিল কৰিছো, এই আইনখনত ৫-৬ বছৰৰ ল'ৰা-ছোৱালীৰো marrige register কৰাৰ প্ৰভিজন আছে।

............................................সদনত হুলস্থুল...................................................

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি যদি এ.আই.ইউ.ডি.এফ ৰ এজনক ক'ব দিয়ে, কংগ্ৰেছৰ এজনক ক'বলৈ দিয়ে মোৰ কোনো আপত্তি নাই। মই কৈছো কওঁক। কিন্তু আপোনালোকে যদি এজনে এনেকুৱা দেকুনিয়াম এক্ট এখনত সমৰ্থন কৰি আপোনালোকে ক'ব খুজিছে আপোনালোকে কওঁক। আপোনালোকে অলপ শিশুবিলাকৰ কাৰণে ভাৱক, ৫, ৬ বছৰীয়া লৰা-ছোৱালীৰ বিয়া এইখন অসমত মই কৰিব নিদিও, আপোনালোকে যি কৰক। আপোনালোকে শুনক যে অসমত বাল্য-বিবাহ হ'বলৈ নিদিও, যেতিয়ালৈকে মই জীয়াই থাকো। মুছলমান লৰা-ছোৱালীক লৈ আপোনালোকে ব্যৱসায় কৰিবলৈ দিয়া নহ'ব। আপোনালোকে বুজি লওঁক।

................(সদনত হুলুস্থুল)............

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকে বহক। ....

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** May aaplogo ko challenge karta hu k 2026 k pehle pehle may aisi dukane band kar dunga. Muslim baccho ko lekar aplogo ka veyapar may chalne nahi dunga ye aap log samajh lijiye. (hindi)

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)** ঃ এই আইনৰ section 8 & 10 amendment কৰিব পাৰিলেহেতেন। Amendment কৰি lawful guardian can make application for registration of marriage on behalf of minor.

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ বিৰোধী দলৰ সদস্য সকলৰ আজি লাজ নালাগে যে ৬ বছৰ, ৭ বছৰ, ৮, ৯ বছৰৰ লৰা -ছোৱালীৰ বিয়াৰ favour ত কবলৈ আহিছে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং ৩।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)** ঃ মহোদয়, আমি কেৱল কৈছো আইনখন সংশোধনী কৰিব পাৰিলে হয়। আমি ১০ মিনিটৰ বাবে সদন ত্যাগ কৰিছো।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ এই সদনৰ কথা যাতে ভাৰতবৰ্ষৰ সকলো মানুহে যাতে বুজি পায়, তাৰ কাৰণে মই হিন্দীত কৈছো।

মাননীয় অধ্যক্ষ মহোদয়, AIUDF or Congress k log janle k Assam may main bal vivah hone nahi dunga. Jab tak Himanta Biswa Sarma jinda hay ye Assam may nahi hoga.(hindi)

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং ৩, মাননীয় মন্ত্ৰী অশোক সিংহল ডাঙৰীয়াৰ হৈ সংসদয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী শ্ৰী পিযুষ হাজৰিকা ডাঙৰীয়াই গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ ২০২২-২৩ চনৰ Real Estate Regulatory Authority, Assam ৰ বাৰ্ষিক প্ৰতিবেদনখন সদনত দাখিল কৰিব।

**শ্ৰী পীযুষ হাজৰিকা,(সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ডাঙৰীয়াৰ হৈ গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ ২০২২-২৩ চনৰ Real Estate Regulatory Authority, Assam ৰ বাৰ্ষিক প্ৰতিবেদনখন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং ৪, মাননীয় মন্ত্ৰী শ্ৰী বিমল বৰা, উদ্যোগ বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ ২০২২-২৩ চনৰ Brahmaputra Cracker & Polymer

Liminted ৰ বাৰ্ষিক প্ৰতিবেদনখন সদনত দাখিল কৰিব।

**শ্ৰী পীযুষ হাজৰিকা,(সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী শ্ৰী বিমল বৰা ডাঙৰীয়াৰ হৈ উদ্যোগ বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ ২০২২-২৩ চনৰ Brahmaputra Cracker & Polymer Liminted ৰ বাৰ্ষিক প্ৰতিবেদনখন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং ৪, মাননীয়া শ্ৰীমতী নন্দিতা গাৰ্লোচা জাওৰীয়ানীয়ে শক্তি বিভাগৰ ২০২২-২৩ চনৰ Assam Power Generation Corporation Limited ৰ বাৰ্ষিক প্ৰতিবেদনখন সদনত দাখিল কৰিব।

**শ্ৰীমতী নন্দিতা গাৰ্লোচা, (মন্ত্ৰী শক্তি ইত্যাদি)** ঃ Hon'ble Speaker Sir, with your permission, I beg to lay the annual report 2022-23 of Assam Power Generation Corporation Limited.

(সদনত AIUDF ত দলে হুলুস্থুল পৰিবেশৰ সৃষ্টি কৰে)

**মাননীয় অধ্যক্ষ** ঃ এতিয়া কাৰ্য্যসূচী নং ৬, মাননীয় মন্ত্ৰী শ্ৰী যোগেন মোহন ডাঙৰীয়াই খনিজ আৰু খনিজাত সামগ্ৰী বিভাগৰ ২০১৯-২০ চনৰ Assam Mineral Development Corporation Limited ত ৩৬ তম বাৰ্ষিক প্ৰতিবেদনখন সদনত দাখিল কৰিব।

**শ্ৰী যোগেন মোহন, (খনি আৰু খনিজাত সম্পদ ইত্যাদি )** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই ২০১৯-২০ চনৰ Assam Mineral Development Corporation Liminted ত ৩৬ তম বাৰ্ষিক প্ৰতিবেদনখন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া কাৰ্য্যসূচী নং ৭, মাননীয় মন্ত্ৰী শ্ৰী ৰঞ্জিৎ কুমাৰ দাস ডাঙৰীয়াই খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ ৩১ আগষ্ট, ২০২৩ তাৰিখৰ ৰাজপত্ৰিত অধিসূচনাখন সদনত দাখিল কৰিব।

**শ্ৰী পীযুষ হাজৰিকা,(সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী ৰঞ্জিৎ কুমাৰ দাস ডাঙৰীয়াৰ হৈ খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ ৩১ আগষ্ট, ২০২৩ তাৰিখৰ ৰাজপত্ৰিত অধিসূচনাখন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া কাৰ্য্যসূচী নং ৮, মাননীয় মন্ত্ৰী শ্ৰী পিযুষ হাজৰিকা ডাঙৰীয়াই ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ অসম চৰকাৰ সম্পৰ্কীয় বিত্তীয় হিচাপ (খণ্ড I আৰু II) প্ৰতিবেদনৰ লগতে ২০২২-২৩ বৰ্ষৰ বিনিয়োজন পিচাপ পৰীক্ষাৰ প্ৰতিবেদনো সদনত দাখিল কৰিব।

**শ্ৰী পীযুষ হাজৰিকা,(সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ অসম চৰকাৰ সম্পৰ্কীয় বিত্তীয় হিচাপ (খণ্ড I আৰু II) প্ৰতিবেদনৰ লগতে ২০২২-২৩ বৰ্ষৰ বিনিয়োজন পিচাপ পৰীক্ষাৰ প্ৰতিবেদনো সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া কাৰ্য্যসূচী নং ৯, শ্ৰী তেৰছ গোৱালা, সভাপতি, আবেদন সমূহৰ সমিতি, অসম বিধান সভা, সমিতিৰ ৫০ তম প্ৰতিবেদনখন সদনত উপস্থাপন কৰিব।

**শ্ৰী তেৰছ গোৱালা, (সভাপতি, আবেদন সমূহৰ সমিতি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভা, আবেদন সমূহৰ সমিতিৰ ৫০ তম প্ৰতিবেদনখন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া কাৰ্য্যসূচী নং ১০, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে The Assam Pub-

lic Examination (Measures for Prevention of Unfair Means in Recruitment) Bill,2024 খন বিবেচনাৰ বাবে প্ৰস্তাৱ কৰিব।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে The Assam Public Examination (Measures for Prevention of Unfair Means in Recruitment) Bill, 2024 খন বিবেচনাৰ বাবে উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ মই এতিয়া প্ৰস্তাৱটো বিবেচনাৰ বাবে সদনত ভোটদানৰ বাবে দাঙি ধৰিলো।

প্ৰশ্নটো হ'ল - The Assam Public Examination (Measures for Prevention of Unfair Means in Recruitment) Bill, 2024 খন বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল সদস্য সপক্ষে আছে, কওঁক 'হয়'

যিসকল সদস্য বিপক্ষে আছে, কওঁক 'নহয়'

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে ,'হয়' ৰ সপক্ষে

প্ৰস্তাৱটো গৃহীত হ'ল।

এতিয়া বিধেয়কখন সদনত দফাই দফাই বিবেচনাৰ বাবে লোৱা হ'ব।

দফা নং ২

দফা নং ২ ত সংশোধনী নাই।

এতিয়া মই দফা নং ২ সদনত ভোটদানৰ বাবে দাঙি ধৰিলো।

প্ৰশ্নটো হ'ল দফা নং ২ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সদস্য সপক্ষে আছে, কওঁক 'হয়'

যিসকল সদস্য বিপক্ষে আছে, কওঁক 'নহয়'

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে ,'হয়' ৰ সপক্ষে

দফা নং ২ বিধেয়কখনৰ অংশ হ'ল।

দফা নং ৩

দফা নং ৩ ত সন্মানীয় সদস্য শ্ৰী অখিল গগৈ ডাঙৰীয়াৰ এটা সংশোধনী প্ৰস্তাৱ আছে।

শ্ৰী অখিল গগৈ ডাঙৰীয়াই আপুনি সংশোধনী প্ৰস্তাৱ কৰিব।

(শ্ৰী অখিল গগৈ ডাঙৰীয়াই সংশোধনী প্ৰস্তাৱ উত্থাপন নকৰে)

দফা নং ৩ সন্মানীয় সদস্য শ্ৰী অখিল গগৈ ডাঙৰীয়াৰ এটা সংশোধনী আছে।

আপুনি সংশোধনীটো উঠাই ল'ব নে?

প্ৰশ্নটো হ'ল যে সন্মানীয় সদস্য শ্ৰী অখিল গগৈ ডাঙৰীয়াই উত্থাপন কৰা সংশোধনীটো গ্ৰহণ কৰা হওঁক।

যিসকল সদস্য সপক্ষে আছে, কওঁক 'হয়'

যিসকল সদস্য বিপক্ষে আছে, কওঁক 'নহয়'

মই ভাৱো 'নহয়' ৰ সপক্ষে, 'নহয়' ৰ সপক্ষে ,'নহয়' ৰ সপক্ষে

সংশোধনী প্ৰস্তাৱটো নাকচ হ'ল।

প্ৰশ্নটো হ'ল যে দফা নং ৩ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সদস্য সপক্ষে আছে, কওঁক 'হয়'

যিসকল সদস্য বিপক্ষে আছে, কওঁক 'নহয়'

মই ভাৰো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে
দফা নং ৩ বিধেয়কখনৰ অংশ হ'ল।
দফা নং ৪ ৰ পৰা ৮ লৈ সংশোধনী নাই।
এতিয়া মই দফা নং ৪ ৰ পৰা ৮ লৈ সদনত ভোটদানৰ বাবে দাঙি ধৰিলো।
প্ৰশ্নটো হ'ল দফা ৪ ৰ পৰা ৮ লৈ বিধয়েকখন অংশ হ'ব
যিসকল সদস্য সপক্ষে আছে, কওঁক 'হয়'
যিসকল সদস্য বিপক্ষে আছে, কওঁক 'নহয়'
মই ভাৰো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে
দফা নং ৪ ৰ পৰা ৮ লৈ বিধেয়কখনৰ অংশ হ'ল।

দফা নং ৯ ত সন্মানীয় সদস্য শ্ৰীদেৱব্ৰত শইকীয়া আৰু তেখেতৰ সহযোগী সকলৰ ১ টা সংশোধনী আছে, তেখেত absent. গতিকে এতিয়া দফা নং ৯ বিধেয়কখনৰ অংশ হ'ব। যিসকল সদস্য সপক্ষে আছে কওঁক, হয়। যিসকল বিপক্ষে আছে কওঁক নহয়। মই ভাৰো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে দফা নং ৯ বিধেয়কখনৰ অংশ হ'ল। দফা নং ১০ত সন্মানীয় সদস্য শ্ৰীদেৱব্ৰত শইকীয়া আৰু তেখেতৰ সহযোগী সকলৰ ২টা, শ্ৰী অখিল গগৈৰ ২ টা আৰু শ্ৰী কমলাক্ষ দে পুৰকায়স্থৰ ১ টা সংশোধনী আছে। গতিকে শ্ৰী অখিল গগৈ ডাঙৰীয়া, আপুনি উত্থাপন কৰিবনে ?

**.........(সদনত হুলস্থুল)..........**

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ চাৰ, কোনখন আইন শুনা নাই।

**মাননীয় অধ্যক্ষ** ঃ Item No. 10. কেৱল আপুনি মনোযোগ দিয়ক।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ চাৰ, আপুনি কেৱল মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ কথাটো শুনি থলে। আমাৰ বিলাক সকলো বন্ধ কৰি দিলে। এইটো অন্যায় হৈছে। আমাৰ মাইকবোৰ সকলো বন্ধ কৰি দিছে। আমি গম নাপালো।

**মাননীয় অধ্যক্ষঃ** প্ৰশ্নটো হ'ল যে সন্মানীয় শ্ৰী অখিল গগৈ ডাঙৰীয়াৰ যি সংশোধনী প্ৰস্তাৱ এইটো মই সদনত দাঙি ধৰিলো। যিসকল সদস্য সপক্ষে আছে, কওঁক হয়, যিসকল বিপক্ষে আছে কওঁক নহয়। মই ভাৰো, নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে। সংশোধনী প্ৰস্তাৱটো নাকচ হ'ল। এতিয়া ১০ নং দফা বিধেয়কখনৰ অংশ হ'ব। যিসকল সদস্য সপক্ষে আছে, কওঁক হয়, যিসকল বিপক্ষে আছে কওঁক নহয়। মই ভাৰো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে দফা নং ১০ বিধেয়কখনৰ অংশ হ'ল। দফা নং ১১ ৰ পৰা ২১ লৈ সংশোধনী নাই। এতিয়া মই দফা নং ১১ ৰ পৰা ২১ লৈ সদনত ভোট দানৰ বাবে দাঙি ধৰিলো। প্ৰশ্নটো হ'ল দফা ১১ ৰ ২১ লৈ বিধেয়কখনৰ অংশ হ'ব। যিসকল সদস্য সপক্ষে আছে, কওঁক হয়, যিসকল বিপক্ষে আছে কওঁক নহয়। মই ভাৰো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে দফা নং ১১ ৰ পৰা ২১ লৈ বিধেয়কখনৰ অংশ হ'ল। দফা নং ২২ ত সন্মানীয় সদস্য শ্ৰীহাফিজ বশিৰ আহমেদ আৰু তেখেতৰ সহযোগী সকলৰ ১ টা সংশোধনী আছে, তেখেতসকল absent. এতিয়া দফা নং ২২ বিধেয়কখনৰ অংশ হ'ব। যিসকল সদস্য সপক্ষে আছে কওঁক, হয়। যিসকল বিপক্ষে আছে কওঁক নহয়। মই ভাৰো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে দফা নং ২২ বিধেয়কখনৰ অংশ হ'ল। দফা নং ২৩ ত সংশোধনী নাই। এতিয়া মই দফা নং ২৩ সদনত ভোট দানৰ বাবে দাঙি ধৰিলো। প্ৰশ্নটো হ'ল দফা ২৩ বিধেয়কখনৰ অংশ হ'ব। যিসকল সদস্য সপক্ষে আছে, কওঁক হয়, যিসকল বিপক্ষে

আছে কওঁক নহয়। মই ভাৰো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে দফা নং ২৩ বিধেয়কখনৰ অংশ হ'ল।

দফা নং ১ পৰিসৰ, আৰম্ভণ, শিৰোনাম আৰু অনুসূচী (I) আৰু (II) ত সংশোধনী নাই। এতিয়া দফা নং ১ পৰিসৰ, আৰম্ভণ, শিৰোনাম আৰু অনুসূচী (I) আৰু (II) ত সংশোধনী সদনত ভোট দানৰ বাবে দাঙি ধৰিলো। প্ৰশ্নটো হ'ল দফা নং ১ পৰিসৰ, আৰম্ভণ, শিৰোনাম আৰু অনুসূচী (I) আৰু অনুসূচী (II) বিধেয়কখনৰ অংশ হ'ব। যিসকল সদস্য সপক্ষে আছে, তেখেত সকলে কওঁক হয়, যিসকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়। মই ভাৰো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে দফা নং ১ পৰিসৰ, আৰম্ভণ, শিৰোনাম আৰু অনুসূচী (I) আৰু (II) ত বিধেয়কখনৰ অংশ হ'ল। মই এতিয়া মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক এই বিলখন পাৰিত কৰাৰ বাবে উত্থাপন কৰাৰ বাবে অনুৰোধ জনালো।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, "The Assam Public Examination (Measures for Prevention of Unfair Means in Recruitment) Bill, 2024" পাৰিত কৰাৰ বাবে মই সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক বিধেয়কখন পাৰিত কৰাৰ প্ৰস্তাৱ সদনত ভোটদানৰ বাবে দাঙি ধৰিলো। প্ৰশ্ন টো হ'ল "The Assam Public Examination (Measures for Prevention of Unfair Means in Recruitment) Bill, 2024" পাৰিত কৰা হওঁক। যিসকল সদস্য সপক্ষে আছে, তেখেত সকলে কওঁক হয়, যিসকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়। মই ভাৰো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল বিধেয়কখন পাৰিত হ'ল। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া।

Next Item No. 11.

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, "The Assam Healing (Prevention of Evil) Practices Bill, 2024" বিবেচনাৰ বাবে মই সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ মই প্ৰস্তাৱ বিবেচনাৰ বাবে সদনত ভোটদানৰ বাবে দাঙি ধৰিলো। প্ৰশ্ন টো হ'ল "The Assam Healing (Prevention of Evil) Practices Bill, 2024" বিবেচনাৰ বাবে লোৱা হওঁক। যিসকল সদস্য সপক্ষে আছে, তেখেত সকলে কওঁক হয়, যিসকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়। মই ভাৰো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল। এতিয়া বিধেয়কখন দফাই দফাই বিবেচনাৰ বাবে লোৱা হ'ব। দফা নং ২ ত সংশোধনী নাই। এতিয়া দফা নং ২ ভোটদানৰ বাবে দাঙি ধৰিলো। প্ৰশ্নটো হ'ল দফা নং ২ বিধেয়কখনৰ অংশ হ'ব। যিসকল সদস্য সপক্ষে আছে, তেখেত সকলে কওঁক হয়, যিসকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়। মই ভাৰো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে। দফা নং ২ বিধেয়কখনৰ অংশ হ'ল। দ ফা নং ৩ ত সন্মানীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়া আৰু তেখেতৰ সহযোগী আৰু শ্ৰী হাফিজ বশিৰ আহমেদ আৰু তেখেতৰ সহযোগী আৰু শ্ৰী অখিল গগৈ ১ টা কৈ সংশোধনী আছে। প্ৰথমতে শ্ৰী দেৱব্ৰত শইকীয়া আৰু তেখেতৰ সহযোগী সকল আপোনালোকে amendment move কৰিব। No discussion only move কৰিব। আৰু যদি amendment ত clarification বিচাৰে। discussion নহয়।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, (নাওঁবৈচা)** ঃ চাৰ, আমি কেইবাটাও আনিছো।

**माननीय अध्यक्ष** ঃ দফাই দফাই কৈ থাকিব। আপোনালোকৰ এইটো দফাত যি কেইটা সংশোধনী আছে, পাচ কৰোতে মই পঢ়ি যাওঁ, আপোনালোকৰ withdrawl যদি হয়, withdrawl কৰিব, move হ'লে ভোটৰ দ্বাৰা পাচ হৈ যাব। এতিয়া আ পুনি move কৰিব নালাগে। আপুনি কি clearification বিচাৰে আপোনালোকৰ এই বিলখনৰ ওপৰত যিখিনি amndment দিছে, গোটেইখিনি এতিয়া আপোনালোকে কৈ দিয়ক। ইয়াৰ পাছত এটাৰ পিছত এটা passing কৰোতে move কৰিম। এতিয়া আপুনি প্ৰথমতে কওঁক।

**শ্ৰীদেবব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যিখিনি বিলখনক লৈ সন্দেহ আছে, সেইখিনি ক'ব পাৰো নেকি ?

**মাননীয় অধ্যক্ষ** ঃ সেইখিনি ক'ব পাৰিব। চমুকৈ ক'লেই হ'ল।

**শ্ৰীদেবব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, যিখন নতুনকৈ এখন আইন অনা হৈছে "The Assam Healing (Prevention of Evil) Practices Bill, 2024" এইখন একেযাৰে সমৰ্থন কৰিবলৈ অসুবিধা আ ৰু এইখন আমি ভাৰো যে Uniform Civil Code অনাৰ বাবে Road map প্ৰস্তুতি কৰাৰ বাবে অনা হৈছে। UCC আমাৰ Directive of Principle of State Policy ৰ Aricle-44 ত আছে সংবিধানৰ প্ৰণেতা সকলে প্ৰথম অৱস্থাত Fundamental right ত UCC খন দিব বিচৰা নাছিল। যিহেতু আমাৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ বৈচিত্ৰৰ মাজত ঐক্য ভাৰতবৰ্ষ দেশত বিভিন্ন জাতি-উপজাতি আছে তেখেত সকলৰ সকলোখিনিয়েই যেতিয়া একেধৰণৰ আইনেৰে আমি সহমত প্ৰকাশ কৰিব পাৰো, আইনৰ বাবে কেতিয়া UCC অনাৰ কথা কৈছিল। "The Assam Healing (Prevention of Evil) Act, এই আইনখনত যিখিনি কথা কোৱা হৈছে, Evil Practice মানে কি স্পষ্ট ব্যাখ্যা ভাৰতৰ আইন ব্যৱস্থাটো উল্লেখ কৰা হোৱা নাই। প্ৰতিটো সংস্কৃতি সৰলতাৰ জটিলতা যিয়েই নহওঁক, নিজস্ব ৰূপ, নিজস্ব বিশ্বাস আৰু আচাৰ ব্যৱহাৰ থাকে। প্ৰতিটো সংস্কৃতিৰ নিজৰ নিজৰ পদ্ধতিৰ ৰোগৰ চিকিৎসাৰ উদ্দেশ্যেৰে চিকিৎসা পদ্ধতিৰে বিকাশ ঘটায়। পশ্চিমীয়া চিকিৎসা বিজ্ঞানৰ আবিৰ্ভাৱৰ পূৰ্বে আমাৰ বিশেষকৈ ভাৰতবৰ্ষত যদি অসমৰ কথায়েই কওঁ, ১৮২৬ চনত ইয়ান্দাবু সন্ধিৰ পূৰ্বে ইয়াত পশ্চিমীয়া সভ্যতা পোৱা নাছিলো। খুব কমেই বাহিৰৰ পৰা দুই এজন মানুহে গৈ শিকি আহিছিল। কিন্তু পশ্চিমীয়া চিকিৎসা বিজ্ঞানৰ আৰ্বিভাৰৰ পূৰ্বে ৰোগ আৰু চিকিৎসা পদ্ধতি প্ৰচলিত আছিল। ৰোগৰ চিকিৎসা বিশেষকৈ সৰল সমাজত তেওঁলোকৰ থলুৱা পদ্ধতিৰে স্বাস্থ্য সেৱা, পৰম্পৰাগত ঔষধ, যাদুকৰী ধৰ্মীয় নিৰাময়ৰ জৰিয়তে কৰা হৈছিল আৰু এতিয়াও চলি থাকে। উত্তৰ পূৰ ভাৰতৰ বিভিন্ন জাতি গোষ্ঠী, বিভিন্ন জনগোষ্ঠীয় চহকী অঞ্চল, তেওঁলোকৰ নিজস্ব পৰম্পৰাগত সাংস্কৃতিক পদ্ধতি আৰু স্বাস্থ্য সেৱা ব্যৱস্থাৰ থলুৱা জ্ঞান আছে। কাৰ্বিসকলৰ কাৰ্বি আংলং প্ৰাথমিক বসতি প্ৰধান অঞ্চল। ইয়াত ছেই কেলং দ্বাৰা আচাৰ অনুষ্ঠানৰ জৰিয়তে ভোৰকা মাথা লগতে কাফে ৰেম নামৰ জনাজাত জপ কৰাৰ দ্বাৰা বিভিন্ন ৰোগৰ উপশম কৰা হয়। কাফেৰাং হৈছে প্ৰক্ৰিয়া য'ত তেওঁলোকে গেচট্ৰাইটিচ সংক্ৰমণ, হাড়ভঙা আদি ৰোগ ভাল কৰে আৰু লগতে জপ কৰি কুৎসিত প্ৰভাৱ দূৰ কৰে। ই এক মৌখিক পৰম্পৰা যিটো প্ৰজন্মৰ পিছত প্ৰজন্ম ধৰি আগবঢ়াই নিয়া হৈছে। পৰম্পৰাগত জ্ঞানে উত্তৰাধিকাৰী সূত্ৰে পোৱা ৰীতি-নীতি; বিশ্বাস আৰু অভ্যাসক বুজায়। অনুৰূপ ধৰণে বড়ো সমাজত ৰোগ নিৰাময়ৰ পৰম্পৰাগত ঔষধৰ শিপা গভীৰভাৱে শিপাই আছে। পৰম্পৰাগত ধৰ্মীয় বিশ্বাস ব্যৱস্থা, ৰীতি-নীতি, সামাজিক মূল্যবোধ আৰু পৰিৱেশ বিজ্ঞানে যি ঐতিহাসিক প্ৰেক্ষাপট, ইয়াক অধ্যয়ন কৰা প্ৰয়োজন। ঠিক অনুৰূপ

ধৰণে অৰুণাচল আৰু অসমত বসবাস কৰা মিচিং জনগোষ্ঠীৰ বাবে ব্যৱহাৰ কৰা বন ঔষধিৰ অতি চহকী পৰম্পৰা আছে । অসমৰ লক্ষিমপুৰ - ধেমাজী জিলাত অৰুণাচলৰ পূব অঞ্চল, চিৰাং জিলা আদি কিছু ঠাইত মিচিং জনগোষ্ঠীৰ লোকে বন ঔষধিৰ চিকিৎসা কৰে। অসমত ছশ বছৰ শাসন কৰা আহোম সকলৰো উপাসনা কৰা নিজা পৰম্পৰা , বিশ্বাস আৰু ৰীতি নীতি আছে । অৱশ্যে ৰাজ্যৰ প্ৰজাৰ আস্থা আদায়ৰ বাবে ৰাইজৰ বহু ৰীতি নীতি আহোমসকলে গ্ৰহণ কৰিছিল। আহোমসকলে কৃষি ভিত্তিক বা ঋতুকালীন বহু উৎসৱ পালন কৰে। poi-chankien অথবা বহাগ বিহু , Maiko chung phai অথবা মাঘ বিহু , chip-song-ka বা কাতি বিহু আৰু এই বিলাকত পূৰ্ব্ব পূৰষৰ যাক ডাম বুলি কোৱা হয় তেখেতসকলৰ ওচৰত নৈবেদ্য আগবঢ়োৱা হয় । আঘোন মাহত চাউল শাক পাচলি আগবঢ়াই সকলোৰে বাবে অপায় অমঙ্গল নাশ কৰি কুশল কামনা কৰি নৈবেদ্য আগবঢ়োৱা হয়। টাই আহোমসকলৰ বিবাহ চকলং পদ্ধতিৰে হয়। য'ত টাই মন্ত্ৰ উচ্চাৰণ কৰা হয়। আমাৰ ভাৰতীয় সভ্যতাত হাজাৰ হাজাৰ বছৰ পুৰণি ভিন্ন লোকাচাৰ আছে। যিসকল চাওঁতাল তেখেতসকলে বাহাপৰ্ব পালন কৰে। বাহা মানে ফুল। তেখেতসকলে ফাগুন মাহত প্ৰকৃতিক পূজা কৰে। পৃথিৱী, জীৱজন্তু, গছ-গছনি, নদ- নদী , সৃষ্টি কৰ্তা ঠাকুৰ জিউ আৰু দ্বিতীয়জন দেৱতা মাৰাং গুৰু অৰ্থাৎ ওখ পাহাৰ ইত্যাদি। চাৰ, কিছুদিন পূৰ্বে উৰিষ্যাত নিয়ম গিৰি পাহাৰত বেদান্তই খনন কৰিবলৈ গৈছিল তেতিয়া তাৰ জনগোষ্ঠীসকলে প্ৰতিবাদ কৰিছিল ঠিক তেনেকৈ চাহ বাগিছাৰ লোক সকলৰ যিবিলাক বেদাচাৰ- লোকাচাৰ , পূৰাণ, গ্ৰাম পূজা ইত্যাদি আছে , তাৰ লগতে ভাৰতবৰ্ষৰ আৰ্য্যসকলৰ বেদৰ মন্ত্ৰৰ ওপৰিও অনাৰ্য্য দেৱ দেৱীৰ পূজা প্ৰচলিত আছে । জ্যোতিষ আৰু বহু পদ্ধতি হিন্দু পৰম্পৰা , যৰ্জুৰ বেদত জ্যোতিষৰ উল্লেখ আছে । জ্যোতিষ, তন্ত্ৰ- মন্ত্ৰ আদিও উল্লেখ আছে । শিৱ ভগবান তন্ত্ৰৰ অধিপতি, ২০০৪ চনত চুপ্ৰিম কোৰ্টত এটা গোচৰ হৈছিল যে, জ্যোতিষ বিদ্যা বিজ্ঞান সন্মত বুলি ৰায় দিয়া হৈছিল আৰু তাৰ পিচত গ্ৰান্ট কমিশ্যনক নিৰ্দেশ দিয়া হৈছিল যে, বিশ্ববিদ্যালয় সমূহত যাতে জ্যোতিষ বিদ্যা চৰ্চা কৰিব পৰা যায় আৰু জ্যোতিষ বিদ্যাৰ আনুষঙ্গিক যি বিদ্যা আছে, সেই সমূহ যাতে বিধিগত ভাবে পাঠদান কৰিব পাৰে । এই ক্ষেত্ৰত ইণ্ডিয়ান অডিট এণ্ড একাউন্ট চাৰ্ভিছৰ ৰিটায়াৰ্ড ডাইৰেক্টৰ জেনেৰেল কে এন ৰাওঁয়ে ইয়াত উল্লেখযোগ্য ভূমিকা লৈছিল। ইয়াত কিছুমান ভুৱা কবিৰাজ , ভণ্ড ফকিৰ বা তান্ত্ৰিক আৰু ভণ্ড জ্যোতিষী থাকে সেইবিলাকৰ বিৰুদ্ধে আমি ব্যৱস্থা ল'বলৈ হ'লে ড্ৰাগছ অণ্ড ক'ছমেটিক এক্ট - ১৯৪০ খন বিভিন্ন সময়ত সংশোধন কৰা হৈছে । সেই গোটেইখিনি ব্যৱস্থা তাত আছে আৰু আমি এই আইনখন নতুনকৈ এমেণ্ডমেন্টো কৰিব পাৰো । ইয়াত পুলিছৰ হাতত ক্ষমতা দিয়া হৈছে । এই সকলক গ্ৰেপ্তাৰ কৰি যাতে যাৱতীয় ব্যৱস্থা ল'ব পাৰে । মায়ং আমাৰ অসমৰ টো উল্লেখযোগ্য অঞ্চল, মায়ং ৰিজিওনেল কলেজত ২০২০ চনত মেজিক আৰু পৰাম্পৰাগত চিকিৎসা পদ্ধতিৰ ওপৰত ৰাষ্ট্ৰীয় পৰ্য্যায়ত এখন চেমিনাৰ হৈছে । তাত কোৱা হৈছিল যে,- interest in practical use of science came first through superstition and magic - এই কথাটো ব্ৰাট্ৰাণ্ড ৰাচেলে কৈছিল চাৰ। every society has its own heritage of science its told in traditional malaise although traditional wisdom appear to be nothing more than near magic and superstition its forms to the basic for latter development - ঠিক তেনেকৈ ইয়াৰ অৱজেক্ট আছিল । traditional methods believe and knowledge are going to disappear from the today's society. Today's world of science and tech-

nology in the onslot of development and modernity before the disappearence of those traditional systems of knowledge. . It is essential to record this since it will instablity offer atleast glimse of into some aspects of the processes of social and cultural transformation of a civilization through the centuries . চাৰ, আমি ভাৰতবৰ্ষৰ সভ্যতা চাৰি হাজাৰ বছৰতকৈও পুৰণি বুলি কওঁ। এই গোটেইবিলাক আমাৰ উপাদান। এই আইনখনত এই উপাদানবিলাকৰ কথা বিস্তৃতভাৱে দিয়া নাই মাত্ৰ evil practice means commission of any act of healing practice and magic healing by any persons. Healling and healling practice means a traditional holystic approach to heal body, mind and spirit of human being with traditional medicine and art including any system treatment diagnose or practice for ascertainment cure relief correction এইবিলাক কথা কৈছে ছাৰ, কিন্তু মৰিগাওঁ জিলাৰ এই ৰিচাৰ্চ পেপাৰখনত উল্লেখ আছে যে, Assamese physician known as Bej, he is both natural and herbal medicine- and versified in substation of chant অৰ্থাৎ মন্ত্ৰ মাতে Mayang a small isolated location in west district of Morrigaon has been famous as a large centre of knowledge and practice of folk medicine and magic in Assam . It is now such a place which can be regarded as trasurest of magic and folk meditional knowledge People not only from Assam but from different parts of India is coming to Mayang since very early till today for remedy of many mental and physical diseases with the help of its folk medicine and magic at Mayang . In Mayang the traditional magic practitioner who are popularly called as Bej or Oja are very much adapt in applying both the mantra and herbal medicine for the removal of diseases or other evil sprit from the body of a man or animal . চাৰ , এনেধৰণে আমাৰ কথাবিলাক পৰম্পৰাগতভাৱে চলি আছে যদি এখন আইন আনি এইখিনি কাঢ়ি লোৱা হয়, তেতিয়া হ'লে আমি অতীতক পাহৰি যোৱা হ'ব। আমি যেনেকৈ কওঁ অতীতক নাযাবা পাহৰি, গতিকে নিজৰ পূৰ্ব পুৰুষক পাহৰিব নালাগে । আমি এই আইনখনৰ যোগেদি নাইকিয়া হৈ যাম নেকি ? আমাৰ অস্তীত্ব বিলুপ্ত হ'ব নেকি , এই কথাখিনিও চিন্তা কৰিব লাগে । গতিকে এই আইনখনৰ সংশোধনখিনিৰ বাবে দিয়া তথাপিও মই আপোনাক অনুৰোধ কৰিম যে, এই আইনখন চিলেক্ট কমিটিক দি বিভিন্ন ধৰণৰ পৰামৰ্শ দিব পৰা মানুহ আনি সকলো দিশে চাই চিন্তি এভিল প্ৰেক্টিছটো বন্ধ কৰিব লাগে । ভণ্ড চিকিৎসাবিলাক বন্ধ হ'ব লাগে । তাৰ কাৰণে এইবিলাক কেনেকৈ নাইকিয়া কৰিব পাৰি , এই বিষয়টো চিলেক্ট পেনেলৰ যোগেদি পৰামৰ্শ দি ভবিষ্যতে সংশোধন কৰি আনিবলৈ আপোনাৰ যোগেদি প্ৰস্তাৱ আগবঢ়ালো তেতিয়া আমিও এই আইনখন গ্ৰহণ কৰিম ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া আমিনুল ইছলাম

**শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ), ধিং** ঃ মাননীয় অধ্যক্ষ মহোদয়, " দি আসাম হিলিং (প্ৰিভেনশ্যন

অৰ ইভিল ) প্ৰেকটিচেছ বিল, ২০২৪, এই বিলখনৰ ওপৰত মোৰ অলপ ক'বলগীয়া আছিল । এইখন বিলৰ এটা স্পিৰিট ভাল। গতিকে সেইটোক আমি সমৰ্থন কৰো। অসম বা ভাৰতৰ বিভিন্ন ঠাইত ভণ্ড কবিৰাজ, ভণ্ড জ্যোতিষী আছে  যিসকলে মানুহক প্ৰৱঞ্চনা কৰি টকা উপাৰ্জন কৰি আছে। এনেধৰণৰ ভণ্ড কবিৰাজ বেজ আদি বন্ধ হ'ব লাগে । কাৰণ এই সকলৰ কৱলত পৰি বহুতো মানুহ সৰ্ব্বশ্ৰান্ত হোৱা আমি দেখিবলৈ পাইছো। ইতিমধ্যে আমাৰ বিৰোধী দলৰ দলপতিয়ে যিখিনি কথা ক'লে যে আমাৰ অসমৰ ঐতিহ্য আৰু পুৰণি সংস্কৃতিৰ যিখিনি আছে সেইখিনিও আমি চাব লাগিব। লগতে মায়ঙৰ যিখিনি কথা ক'লে, কেৱল মায়ঙৰ কথাটোৱে নহয় ইয়াত আমি এমেণ্ডমেন্টত এই কথাটো আনিছো যে, যিসকল ভুৱা চিকিৎসক বা বেজ আছে তেওঁলোকে মিছা এডৰ্ভাটাইছমেন্ট দি ৰোগীসকলক ভণ্ডৰূপে চিকিৎসাৰ আৰত লুণ্ঠন কৰি আছে। এই সকলৰ বিৰুদ্ধে আইনত যি দুবছৰীয়া কাৰাদণ্ড বা জৰিমনা আছে সেইটোত আমি একমত। আমি সেইবিলাক কথা একাকাৰ কৰিব নোৱাৰো কাৰণ, কিছু দিশত যিসকলে আধ্যাত্মিক চিকিৎসা কৰে যেনেকৈ ক'বলৈ গ'লে শাৰীৰিক চিকিৎসাৰ লগে লগে আত্মিক ৰেমাৰৰ চিকিৎসা কিছুমানো থাকে যেনেধৰণে লোভ কৰা, হিংসা কৰা, পৰশ্ৰীকাতৰ বা আন মানুহক ক্ষতিসাধন কৰা যি ভাৱধাৰা সেইবিলাক হৈছে আত্মিক বেমাৰ। তাৰ ভিতৰত কিছুমান আত্মিক বেমাৰ মানুহৰ নিজা নিজা ধৰ্মগুৰুসকলৰ জৰিয়তে মন্ত্ৰ বা ধৰ্ম শাস্ত্ৰৰ জৰিয়তে ভগবানক চিন্তা কৰি চিকিৎসা কৰে, তেতিয়া মানুহেও ভাবে আমি ধাৰ্মিক ভাবে কিবা এটা চিকিৎসা পাইছো বা তেওঁলোকে দিয়া মন্ত্ৰী পঢ়িলে বা জপ কৰিলে যি মানসিক ৰোগ সেইটো হয়তো ভাল হ'ব। এই আত্মিক বেমাৰবিলাক কিন্তু ডাক্তৰে ধৰিব নোৱাৰে। গতিকে অন গুড ফেইথ যদি কোনোবাই কিবা চিকিৎসা কৰে তেনেহ'লে তেওঁৰ অন্তৰাত্মা পবিত্ৰ হ'ব আৰু তেওঁ কোনো টকা-পইচাৰ কাৰণে নহয়, আমি ভাৱো বেজালী-ভণ্ডামিৰ লগত এই কথাটো একাকাৰ কৰাটো উচিত নহয়। মই এটা কথা খোলা-খুলিকৈ ক'ব বিচাৰিছো যে এই ক্ষেত্ৰত আমাৰ বিৰোধী দলৰ সদস্য সকলেও বহু ক্ষেত্ৰত সমালোচনা কৰে যে মৌলানা বদৰুদ্দিন চাহাবে জৰা-ফুকাৰ ৰাজনীতি কৰে। তেখেতে জৰা-ফুকাৰ ৰাজনীতি কেতিয়াওঁ নকৰে। তেখেত যিহেতু এগৰাকী আলীম মানুহ আৰু আমাৰ আলীম ধৰ্মগুৰু সকলৰ প্ৰতি এটা বিশ্বাস থাকে যে তেওঁলোকে যদি কোৰাণৰ আয়তৰ পৰা যদি কিবা এটা কৰে, মানুহে শান্তি পায়। এইটো কিন্তু ৰাজনীতিৰ লগত জড়িত নহয়। তেওঁ ৰাজনীতিলৈ অহাৰ আগতেও এইখিনি কৰিছিল। ইয়াৰ লগত এইখিনি সম্পৰ্ক নাথাকিলেও মই সুবিধা পাইছো কাৰণে কৈছো। ইয়াৰ লগতে আমাৰ দুটা এমেণ্ডমেণ্ট আনিছো। যদি কোনোবাই টকা-পইচাৰ লোভ নকৰাকৈ অন্তৰাত্মাৰ শান্তিৰ কাৰণে ধৰ্মীয় মন্ত্ৰৰ দ্বাৰা কিবা যদি  কৰে, সেইটো প্ৰিভেনশ্যন  অফ হিলিং আওতাত এইটো পৰিব নালাগে। কথাখিনি স্পষ্ট হোৱা নাই কাৰণে আমি এমেণ্ডমেণ্ট আনিছো। আৰু এটা কথা হ'ল যে কোনোবাই বান্ধ মাৰি বা যাদু কৰি কাৰোবাৰ বা পৰিয়ালৰ ক্ষতি কৰে, তাৰ শাস্তি বিধানটো সাত বছৰলৈ দিয়াৰ বাবে  আমি এটা এমেণ্ডমেণ্ট আনিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। সকলোৱে এমেণ্ডমেণ্টটো পঢ়িছে। এতিয়া মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়াই কওঁক।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "দ্যা আসাম হিলিং (প্ৰিভেনশ্যন অফ ইভিল) প্ৰেক্টিচেছ বিল, ২০২৪" এনেকুৱা ধৰণৰ এখন বিল আপত দৃষ্টিত অন্ধ বিশ্বাস, তন্ত্ৰ-মন্ত্ৰ ৰ বিৰুদ্ধে আইন অনাটো নিশ্চিতভাৱে ভাল কথা। কিন্তু ইয়াত যিখন বিল আনিছে, তাত হিলিং ইভিল প্ৰেক্টিচেচ কোনখিনি সেইখিনি ইয়াত স্পষ্টকৈ কৈ দিয়া নাই। প্ৰথমতে ইয়াৰ সূত্ৰটো দিবলৈ

থাকি গ'ল। সেই সূত্ৰটো নিদিয়াকৈ আইনখন কি ধৰণে আনিছে, মই ভাৱো যে সেইখিনি ভালকৈ অনুশীলন নকৰাকৈ, ভালকৈ চৰ্চ্চা নকৰাকৈ বা ভালকৈ বিশেষজ্ঞ সকলৰ লগত কথা নপতাকৈ এই আইন খন ততালিকে অনাৰ কাৰণে মূল কথাটো হ'ল যে চেকশ্যন-২ ৰ যিটো সূত্ৰ দিব লাগিছিল, ইভিল প্ৰেক্টিচেছৰ মিনচ বুলি কৈ যিকেইটা কথা ক'লে, তাত বহুত কথা সোমাই যোৱা নাই। কাৰণ হিলিং বুলি ক'লে আমি দেখিছো যে বহুত বস্তু ইয়াত পৰে। সেই আটাইবিলাক বস্তু ইয়াত পৰিব নে নপৰে। যেনেকৈ Healing বুলি ক'লে Healing hands,Therapic Message, Prayer, Group or Individual, Cleaning, Burning of sins,Song or Dance, Tradiotinal Plant Medicine for treatment of various illeness, Culturally sensitive and supportive counselling এইখিনি ডিকচ্নেৰীৰ মতে পৰে আৰু যদি আমি প্ৰেক্টিকেলি চাওঁ তেতিয়াহ'লে ৰেইকিটো, হিলিং বেড প্ৰেক্টিচেছৰ ভিতৰত পৰিব নে নপৰে, সেইটো ইয়াৰ সূত্ৰত কোৱা হোৱা নাই। ৰেইকি মানে হাতেৰে মহাজাগতিক কিবা এটা শক্তিক নিমন্ত্ৰণ কৰে আৰু সেই শক্তিৰে চিকিৎসা কৰো বুলি কয়। সেইটো এতিয়া হিলিংৰ বেড প্ৰেক্টিচ হয়নে নহয় ? এই বস্তুটো ইয়াত স্পষ্ট হোৱা নাই। তন্ত্ৰ-মন্ত্ৰ, বেজ-বেজালী আদিৰে টকা লৈ প্ৰৰ্থনা কৰি বেমাৰৰ পৰা মুক্তি দিয়াৰ আশ্বাস দিয়ে, এইবিলাক এই সূত্ৰৰ ভিতৰত পৰিব নে নপৰে। ক'লা জাদু, যেনে-বান্ধ মৰা এইবিলাক ইয়াত পৰিব নে নপৰে। অধ্যক্ষ মহোদয়, ডেফিনেশ্যনত এই কথাবিলাক কোৱা হোৱা নাই। মন্দিৰত কোনোবাই গৈ সন্তানৰ কামনা কৰে, বেমাৰৰ বাবে দেৱ-দেৱীক পূজা-অৰ্চনা কৰে আৰু তাৰ কাৰণে তাৰ বিনিময়ত কোনোবাই ধন লয়, গ্ৰহ-ৰত্ন পিন্ধে। আমাৰ এজন মাননীয় মন্ত্ৰীৰ হাতত যিমানটা আঙুলি আছে, তাতকৈ বেছি আঙুঠি আছে। আমাৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ মাননীয় মন্ত্ৰীৰ হাতত পাঁচটা আঙুলিত প্ৰায় দহ টা মানেই আঙুঠি আছে। মাননীয় মুখ্যমন্ত্ৰীৰ হাততো বোধ হয় তেনেকৈ আছে। আমাৰ হাতত বাৰু নাই, চাৰ। আমাৰ গাওঁ বিলাকত যিটো পানী জৰা, তাবিজ দিয়া, আমাৰ বদৰুদ্দিন আজমল চাহাবে যিটো ফু মাৰি দিয়ে এইবিলাক ইয়াৰ ভিতৰত সোমাব নে নাই। জ্যোতিষ বিষয়টো, যিটো সময়ত বিজেপি চৰকাৰে পাঠ্যপুথিলৈ আনিছে।

**মাননীয় অধ্যক্ষ ঃ** অখিল গগৈ ডাঙৰীয়া, সময় কম। সোনকালে শেষ কৰক। দুটা বিল আমি দুঘণ্টা দুঘণ্টাকৈ আলোচনা কৰিম। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই বুজি পাইছে। তেখেতে উত্তৰ দিব।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, জ্যোতিষ শাস্ত্ৰটো এতিয়া পাঠ্যপুথিৰ অংশ কৰিছে। গতিকে জ্যোতিষ শাস্ত্ৰটো ইয়াৰ ভিতৰত পৰিব নে নপৰে, গো-মূত্ৰ, ৰত্ন পিন্ধাটো ইয়াৰ ভিতৰত পৰিব নে নপৰে।........Interruption...........

**মাননীয় অধ্যক্ষ ঃ** অখিল গগৈ ডাঙৰীয়া, হ'ব। তেনেকুৱা আৰু বহুত কথা আছে। আপুনি উত্তৰত পাই যাব।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰত্ন পিন্ধি লিভাৰ ভাল হ'ব নে নহয়, এনেকুৱাধৰণৰ যে চিকিৎসা কৰে এই কথাখিনি এই বিলত সোমাব নে নোসোমায়। যিখন চৰকাৰ আটাইতকৈ বেছি অন্ধবিশ্বাসী, যিখন চৰকাৰে দেশৰ মানুহক একেবাৰে পুৰণি দিনৰ জ্যোতিষ শাস্ত্ৰলৈ লৈ যাব বিচাৰিছে, সেইখন চৰকাৰে নামত দেখুৱাবলৈ এনেকুৱা এখন আইন আনিছে।........Interruption...........

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। ধন্যবাদ। সন্মানীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই উত্তৰ দি আছে। আপোনাৰ

কথা আৰু ৰেকৰ্ডত নাযাব।.......Interruption...........

**ড$^{0}$ হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কিছুমান বিষয়-বস্তু আমি এৰাই চলো। কিন্তু সদনত বিষয়-বস্তুবিলাক নিজে নিজে উত্থাপিত হয়। ইউ চি চিৰ প্ৰসংগ আমি এবাৰো সদনত উল্লেখ কৰা নাই। বিৰোধী দলপতি ডাঙৰীয়াই নিজে নিজে ইউ চি চিৰ কথা উল্লেখ কৰিলে। এতিয়া আমি প্ৰথমতে এইটো কথা বুজাব খুজিছো যে আজি ভাৰতত ইউ চি চি ক'ত হৈছে? উত্তৰাখণ্ডত হৈছে আৰু ইউ চি চি মানে কি? ইউ চি চি মানে মাত্ৰ চাৰিটা পইণ্ট। এক নম্বৰ পইণ্ট হৈছে- কোনো ব্যক্তিৰ নিৰ্দ্ধাৰিত বয়সতকৈ তলত বিয়া হ'ব নোৱাৰে। দুই নম্বৰ পইণ্ট হৈছে- পলিগেমী হ'ব নোৱাৰে, এজন মানুহৰ দ্বিতীয়বাৰ বিয়া হ'ব নোৱাৰে, তিনি নম্বৰ পইণ্ট হৈছে- এজন ব্যক্তিৰ পৰিয়ালৰ ছোৱালীয়েও পিতৃ-মাতৃৰ সম্পত্তিৰ পূৰ্ণ অধিকাৰ পাব লাগে, চাৰি নম্বৰ পইণ্ট হৈছে-কোনোবা মানুহ যদি লিভিং  ৰিলেশ্যনশ্বীপত আছে, সেইটো ৰেজিষ্টাৰ কৰিব লাগে। যাতে তেওঁলোকৰ সন্তানেও সেই পিতৃ-মাতৃৰ সম্পত্তিৰ অধিকাৰী হ'ব পাৰে। ইউ চি চিত ৰীতি-নীতি, পৰম্পৰা নাহে।  এই বিষয়টোলৈ কেতিয়াবা কোৱা যায়। UCC means only these four subject. ইয়াত পূজাৰ পদ্ধতি কি, উপাসনাৰ পদ্ধতি কি, এই কথাবিলাক ইয়াত নাহেই। গতিকে বিৰোধী দলপতি গৰাকীয়ে যিটো কৈছে যে হিলিং প্ৰেক্টিছৰ জৰিয়তে আমি পিছ দুৱাৰেদি ইউ চি চি আনিব খুজিছো। আমি ইউ চি চি টো ফ্ৰণ্ট দুৱাৰেদি আনিম। আমি কিয় পিছ দুৱাৰেদি আনিম? গতিকে যিটো সময়ত, আজি মই অলপ আগতে খুব দুখ পাইছো যে এক্ট এখন আহিলে তাত কি লিখা আছে-বাচ্চা ল'ৰা-ছোৱালীৰ বিয়া হ'লে বিয়াখন ৰেজিষ্টাৰ কৰিব নালাগে। ইমান এখন ভাল বিল, মুকলি কণ্ঠে কংগ্ৰেছ, এ আই ইউ ডি এফ এ চাপোৰ্ট কৰিব লাগে। আজি আমি এইটো বিচাৰো নেকি যে ছয় বছৰীয়া, ন বছৰীয়া ছোৱালীৰ বিয়া হ'ওক আৰু বিয়াখন ৰেজিষ্টাৰ কৰক। আজি ইয়াত ইউ চি চিৰ প্ৰসংগত কোৱা হৈছে যে বাল্য বিবাহৰ বিৰুদ্ধে আমি মানুহক গ্ৰেপ্তাৰ কৰিছো আৰু গ্ৰেপ্তাৰৰ পিছত হাই কোৰ্টে বেইল দিছে। কাৰণ ১৯৩৫ ৰ এক্টখনৰ কাৰণে। তাক আমি সংশোধন কৰাৰ দায়িত্ব নহয় জানো। গতিকে এই সদনত কংগ্ৰেছ, এ আই ইউ ডি এফ, চি পি এম বা আৰু যিমানবিলাক দল  আছে, আমি এটা বিষয়ত ঐক্যমত হ'ব নোৱাৰো নেকি যে অন্তঃত ১৮ বছৰ আৰু ২১ বছৰৰ তলৰ ল'ৰা-ছোৱালী বিয়া হ'ব নোৱাৰে।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে বেলেগ এটা বিষয়তহে ভাষণ দি আছে।

**ড$^{o}$ হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইউ চি চিৰ প্ৰসংগ বিৰোধী দলৰ দলপতি গৰাকীয়ে উল্লেখ কৰিছে। মই কৰা নাই। তেখেতে এই বিল খনৰ লগত ইউ চি চিক জড়িত কৰিছে। সেয়েহে ইউ চি চি কি হয় মই উত্তৰ দিবই লাগিব। এটা হাউচ এটা বিষয়ত একত্ৰিত হ'ব লাগে যে ১৮ বছৰ আৰু ২১ বছৰৰ তলৰ ল'ৰা-ছোৱালী বিয়া হ'ব নালাগে। আপোনালোকে কিবা এটা বাতৰি কাকতত পাইছে আৰু ইয়াত আহি হুলস্থূল কৰিছে। যিখন এই বিলৰ ক্ষেত্ৰতো মই এতিয়া কম।

আমাৰ কথাটো হ'ল UCC য়েই হওঁক বা Muslim Registration Bill য়েই হওঁক, যাৰ জৰিয়তে বাল্যবিবাহ promote হয়, তাক আমি বন্ধ কৰিব লাগে। এই কথাত সদনে dispute কৰিব লাগে নেকি? আজি যে এই বিধেয়কখন আনিছো, তাৰ লগত UCCৰ কি সম্পৰ্ক? ১৯৫৪ চনত প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰু ডাঙৰীয়াই প্ৰথমবাৰ এখন Act আনিছিল, যাৰ নাম হ'ল- 'The Drugs and Magic Remedies (Objectionable Avertisement)

Act, 1954।' এই বিলখন কোনে আনিছিল? জৱাহৰলাল নেহৰুৱে। ভাৰতৰত্ন অটল বিহাই বাজপেয়ীয়ে নহয়। এই বিলখনত জৱাহৰলাল নেহৰুৱে যিখিনি সংজ্ঞা দিছিল, সেই হিচাপে আমাৰ বিৰোধী দলপতিয়ে indirectly জৱাহৰলাল নেহৰুক সমালোচনা কৰি আছে। এই Act খনৰ সংজ্ঞা আছিল যে- Magic remedy includes a talisman, mantra, kavacha and any other charm of any kind which is alleged to possess miraculous power. মন্ত্ৰত যে miraculous power আছে সেই আমি বিশ্বাস কৰো। ট্ৰাইবেল মানুহৰ তন্ত্ৰত যে শক্তি আছে, তেওঁলোকে বিশ্বাস কৰে। ইমানখিনিৰ পিছতো নেহৰু ডাঙৰীয়াই ১৯৫৪ চনত এইবোৰ ban কৰি থৈ গ'ল, মায়ং তেতিয়াই শেষ কৰি থৈ গ'ল। গতিকে এতিয়া এই কথাবোৰ যাতে ban নহয়, ট্ৰাইবেলৰ পৰম্পৰা যাতে নষ্ট নহয়। আমি তেওঁৰ extremism লোৱাই নাই। তেওঁ talisman, mantra, kavacha and any other charm of any kind, মানে বলি-বিধান, তন্ত্ৰ মন্ত্ৰ সকলো ১৯৫৪ ত "The Drugs and Magic Remedies (Objectionable and Advertisement) Act, 1954"ৰ অধীনত আনি থৈ গ'ল ....interruptions..

**শ্ৰী দেবব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** আপুনি সেইখনেই প্ৰয়োগ কৰক। নতুনকৈ Bill নালাগে ...interruptions..

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** সেইখন কিয় কৰিম? মই পগলা হ'লেহে প্ৰয়োগ কৰিম। জনজাতি লোকৰ গোটেই .....interruptions..

**শ্ৰী দেবব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** আপুনি কৈছে ban কৰিছে, কিন্তু ban হোৱা নাই । সেইকাৰণে সেইখন চলি আছে। সেইখনত evil বুলি গোটেইখিনি কৈছে। মই সেইকাৰণে Select Committeeৰ কথা কৈছো। মই তন্ত্ৰ নাজানো. কিন্তু, ঋক্‌বেদ, যজুৰ্বেদ গোটেইবোৰতে আছে বুলি কৈছে......interruptions..

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, বিৰোধী দলপতিয়ে কওঁতে মই এবাৰো থিয় হোৱা নাই। মোৰ চিটত একো লগোৱা হোৱা নাই। আপোনালোকে কৈছে, মই শুনিছো।

মহোদয়, সেই আইনখনৰ জৰিয়তে যেতিয়া আমি এই আইনখন implement কৰিবলৈ গ'লো, তেতিয়া আমি দেখা পালো যে এই আইনখন যদি আমি implement কৰো, তেন্তে তন্ত্ৰ-মন্ত্ৰ, জনজাতীয় লোকৰ শক্তি গোটেইখিনি নোহোৱা হৈ যাব। সেইকাৰণে আমি বিলখন revise কৰিলো আৰু অসমত আমি এইখন implement নকৰো। বিৰোধী দলপতিয়ে কৈছে এইখন implement কৰক। আমি কৈছো নকৰো । আমি কেন্দ্ৰীয় চৰকাৰলৈ পঠাম আৰু ক'ম যে অসমত আমি সেইখন বিল implement নকৰো, আমাৰ বিলখনহে ৰূপায়ণ কৰিম। কাৰণ আজিলৈকে এই বিলখন কোনেও দেখা নাই বা কোনেও আলোচনাও কৰা নাই যে ১৯৫৪ চনত জৱাহৰলাল নেহৰু ডাঙৰীয়াই magical remedyত talisman, mantra, kavacha বন্ধ কৰিছে। কিন্তু আমাৰ মুছলিম মানুহে কৱচ দিয়েই, আমি তন্ত্ৰ মন্ত্ৰত বিশ্বাস কৰোঁৱেই। আনকি বিৰোধী দলপতিয়ে নিজেই ক'লে যে মায়ঙত শক্তি আছে। মই তেওঁৰ কথাটোত পূৰ্ণ সমৰ্থন কৰিছো...interruptions.. আপুনিতো মহান। We are making a very simple design যে যিয়েই যি কৰিব বিচাৰে কৰক, আমি কাকো বাধা নিদিওঁ। আমি তেতিয়াহে বাধা দিম যেতিয়া eradicate the non-scientific healing practice with ulterior motive হয়। Healing practice কৰাত আমি ban কৰা নাই। তন্ত্ৰ মন্ত্ৰ সকলো কৰিব কিন্তু

ulterior motive হ'ব নালাগিব। আজমল চাহাবে যেতিয়া পানীৰে দোৱা দিয়ে তেতিয়া কোনো অসুবিধা নাই। কিন্তু, পানীত দোৱা দি ভোট কিনিব বিচাৰে, that is an offence....interruptions.. মই ক'লো নহয় মোৰ কোনো আপত্তি নাই।

**শ্ৰী আমিনুল ইছলাম (ধিং)ঃ** তেখেতে কেতিয়াও ভোট খোজা নাই। মানুহে ভুল ব্যাখ্যা দিছে..interruptions..

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** নাই খোজা। মই কৈছো নিৰ্বাচনী.......interruptions..

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি)ঃ** অধ্যক্ষ মহোদয় আমি এইটোত সমৰ্থন কৰিছো.....interruptions..

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, নিৰ্বাচনীয় সভাত যেতিয়া বদৰুদ্দিন আজমল ডাঙৰীয়াই.....interruptions..

**শ্ৰী আমিনুল ইছলাম (ধিং)ঃ** কংগ্ৰেছ আৰু বিজেপিয়ে একেটা সুৰত কথা কৈ আছে..interruptions..

**শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি)ঃ**On record এইটোত আমি ১০০% সমৰ্থন কৰিছো ..interruptions..

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, আমি কৈছো যে নেহৰু ডাঙৰীয়াৰ কথাৰ পৰা আমি দূৰলৈকে গুছি আহিলো। নেহৰু ডাঙৰীয়াই ক'লে মন্ত্ৰ, তন্ত্ৰ, কৰচ। আমি কৈছো এইটো নহয়। আমি কৈছো যে মন্ত্ৰও কৰক, তন্ত্ৰও কৰক, healing sessionও হওঁক, ৰেইকিও হওঁক। But with ulterior motive হ'ব নালাগে। আজি যদি মোৰ গা বেয়া হোৱাত আজমল ডাঙৰীয়াই আহি গা ভাল লাগিবলৈ পানী এটুপি খাবলৈ দিয়ে, that is not a ulterior motive. But, when he goes in a election meeting আৰু stage ত বহি পানী খুৱাব আৰম্ভ কৰে then it is a ulterior motive to capture votes. সেইটোক আমি এই বিলখনৰ জৰিয়তে বন্ধ কৰিছো। আজমল চাহাবক আপুনিও ক'ব, আমিও ক'ম যে বাকী দিনবিলাকত কৰক, ধুবুৰীত নিৰ্বাচনী সভাত কৰিব নালাগে। সেইটো তেওঁক জনাই দিয়া ভাল। গতিকে মই ভাৱো যে ইয়াত বিৰোধী দলপতি দেবব্ৰত শইকীয়া ডাঙৰীয়াই বিৰোধিতা কৰিবলগীয়া একোৱেই নাই। Everything are allowed, দূৰৰ পৰা আমি ৰেইকি কৰোঁ, সংস্পৰ্শ নহয়, তোমাৰ বেমাৰ ভাল হৈ যাব, তাত কি অসুবিধা আছে? জনজাতীয় লোকসকলে sacrifice কৰে for world peace, লোকৰ ৰক্ষণাবেক্ষণৰ কাৰণে, তাত কি বাধ্য-বাধকতা আছে?তেওঁলোকে কাৰো বেয়া চিন্তা কৰি নকৰে নহয়, সমাজৰ মংগলৰ কাৰণে কৰে। গতিকে, আমি definition ত যাবই খোজা নাই। আমি কৈছো যে as long as it is not with ulterior motive, everything is clean. ট্ৰাইবেলসকলৰ কোনো ulterior motiveয়েই নাথাকে, ইমান সহজ-সৰল মন। আহোমসকলৰ ইমান সহজ-সৰল মন, তাত ulterior motive কি থাকিব? এনেকৈ জাতিবিলাকৰ নাম ইয়াত গাইছে, যাৰ কোনো ulterior motive নাইয়েই। এই আইনখনৰ simple definition যে "evil practices" means commission of any act of healing practices and magic healing, by any person, with a sinister motive to expolit common people. মোৰ ঘৰৰ কিবা ভাল হওঁক বুলি কামাখ্যাত বলি বিধান দিলো, মোৰ ইয়াত sinister motive কি আছে? ট্ৰাইবেলকসকলে তেওঁলোকৰ পৰম্পৰাৰে পূজা পাতল কৰে, তাত কোনো sinister

motive নাথাকে। So, anything is allowed, unless there is a sinister motive. গতিকে বুজাত ভুল হৈছিল। ইয়াৰ লগত আমাৰ UCC ৰ কোনো সম্পৰ্ক নাই। আগতে অসুবিধা হৈছিল যে থানাৰ S.I. সকলে কোনোবাই মন্ত্ৰ মাতিলেও, কৰচ দিলেও কেচ ৰেজিষ্টাৰ কৰিছিল। এতিয়া আমি কৈছো যে অসমত এইটো হ'ব নোৱাৰে। মই বিৰোধী দলৰ দলপতিৰ কথাখিনিকে সমৰ্থন কৰিছো। অসমত মায়ং আছে, জ্যোতিষ শাস্ত্ৰৰ এটা উজ্জ্বল পৰম্পৰা আছে। এনেদৰে অসমত traditional healing ৰ এটা পৰম্পৰা আছে। সেই পৰম্পৰাবিলাকত বিশ্ব শান্তিক বাদ দি কোনো ulterior motive নাই। আজি যেতিয়া আমি Church ত যাও, তেতিয়া baptist সকলে পানী sprinkle কৰে। তাত কোনো বেয়া motive নাই। It is with a positive motive.পানী sprinkle কৰে, উপাধ্যক্ষ ডাঙৰীয়াই নিশ্চয় জানিব যে তাত তাত কোনো বেয়া motive নাই। বিশ্ব শান্তি আৰু পৰিয়ালৰ শান্তিৰ কাৰণে কৰে। আজি তন্ত্ৰ-মন্ত্ৰ হৈছে, যোগী ৰামদেৱ আহিছে, যোগ সাধনা কৰাইছে, আমি নৱগ্ৰহত গৈছো, মোৰ কুষ্ঠীখন দিছো, ভালবেয়া চাই দিছে। তাত কোনো sinister motive নাথাকে। কিন্তু আজমল ডাঙৰীয়াই যেতিয়া পানীতো Election meeting ত খাই দিয়ে, তাত কিন্তু sinister motive থাকে। গতিকে সেইটোহে ban কৰিব খুজিছো। আমিনুল চাহাবে যেতিয়া কয় যে তেওঁ মনত নিকা লৈ কৰে, এইটো খুব ভাল কথা। আমাকো দিয়ক। কিন্তু not in the election meeting.গতিকে আমি খুব ভাল উদ্দেশ্য এটাৰে বিলখন আনিছে। সেয়েহে মই ভাৰো বিৰোধী দলপতি ডাঙৰীয়া আৰু সদনে এই বিলখন সমৰ্থণ কৰিব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া বিলখন withdarw কৰিবনে?

**শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিখিনি কথা ক'লে আমাৰ পুৰণি ৰীতি-নীতি আৰু বিশ্বাসক আঘাত নকৰাকৈ, এই গোটেই কথাখিনি আমাৰ অসমত খুব বেছিকৈ চলে। মায়ং এই ক্ষেত্ৰত অতিকৈ পুৰণি আৰু যথেষ্ঠ বিখ্যাৎ। বিভিন্ন ক্ষেত্ৰত তেখেতে এই কথাখিনি আশ্বাস দিয়াত আমি সন্তুষ্ট হৈছো। তেখেতে শেষত কেবল এটা কথা কৈছে, আজমল চাহাবে যাতে election ৰ meeting ৰ মঞ্চত যাতে তেনে কাম নকৰে এই কথাটো যাতে তেওঁক কয়। গতিকে আমি এইটো withdraw কৰিছো।

**শ্ৰী আমিনুল ইছলাম, (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই কথাটো এটা ভুল বাৰ্তা যাব আৰু আজমল চাহাব বা আমাৰ দলৰ কোনো মানুহে আজিলৈকে কোৱা নাই যে পানী লৈ আহক তেখেতে জাৰি দিব। মই দেখিছো তেখেতে গৈ থাকিলে তেখেতৰ পিছে পিছে মানুহে বটল লৈ গৈ থাকে। মই ভাৰো ধৰ্মগুৰু হিচাপে মানুহে তেখেতক শ্ৰদ্ধা কৰে। নহ'লে এবাৰ তেখেতে হাৰিছিল। যদি যিমান মানুহে পানী আনিছিল তাৰে আধা মানুহেও তেখেতক ভোট দিলে তেখেত জিকিলেহেতেন। গতিকে এই কথাটোৰ ৰাজনীতিৰ লগত কোনো সম্পৰ্ক নাই। আমিও এই কথাটোত sure হোৱা নাছিলো যে কোনখিনি মানুহক evil practice ত ধৰে। প্ৰত্যেক ধৰ্মৰ মতে নিজৰ নিজৰ কিছুমান তন্ত্ৰ-মন্ত্ৰ বা শক্তিক বিশ্বাস কৰে। সেইখিনিৰ ওপৰত কোনো বান্ধোন নাই কিন্তু যিসকলে অবৈধ এটা ব্যৱসায় চলায় বেজালিৰ নামত, এইখিনি ban কৰিবলৈ চৰকাৰে যিটো ব্যৱস্থা লৈছে সেইটোত আমি একমত হৈছো আৰু amendment প্ৰস্তাৱটো মই withdraw কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। অখিল গগৈ ডাঙৰীয়া, আপুনি আপোনাৰ প্ৰস্তাৱটো উঠাই ল'বনে?

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি যিটো সংশোধনী আনিছিলো একেটাই আছিলে, সেইটো হৈছে যে excluding traditional healing practices based on harbelism which has been passed from generation after generation.মই মাত্ৰ এটা কথা শুধি ললে শেষ হৈ যাব। আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই হাতত বহুত ৰঙা ৰচি পিন্ধি থাকে। -----interruption----

**মাননীয় অধ্যক্ষ ঃ** আপুনি সেইবিলাক কথা আনিব নালাগে। Withdraw কৰিব নে নকৰে সেইটো কওক।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়,মই যে হাতত পিন্ধিছো সেইটো মই মোৰ নিজৰ কল্যাণৰ কাৰণে পিন্ধিছো।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিজনে দিছে তেওঁ পইচা লৈছে নে নাই ?

**মাননীয় অধ্যক্ষ ঃ** আপুনি অনুগ্ৰহ কৰি অনাহকত সেইবিলাক কথা আনিব নালাগে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, নক্সাল ট্ৰেইনিং কেম্প আৰু সদনৰ মাজত পাৰ্থক্য থাকিব লাগে। এইটো মই কাকো exploit কৰিবলৈ পিন্ধা নাই। মই মোৰ welfare ৰ কাৰণে পিন্ধিছো, আপোনাৰ কলা নজৰৰ পৰা যাতে বাচি থাকিব পাৰো। গতিকে এইটো এই Act ত নপৰে। যেতিয়া কোনোবা মানুহে মোৰ ৯ বছৰীয়া শিশুলৈকে এৰি নিদিয়ে তেতিয়াতো মই কিবা এটা দৈৰিক শক্তি ল'ব লাগিব। গতিকে যেতিয়া মই আপোনাৰ evil desire কৰো বা কোনোবাই কয় যে মোৰ এই healing practice টো ললে আপোনাৰ কেঞ্চাৰ বেমাৰটো ভাল হৈ যাব। কিন্তু ভাল নহয়, কোনো scientific proof নাই, তাত পৰিব। কিন্তু যদি মানুহজনে কয় যে কেঞ্চাৰ বেমাৰটো ভাল কৰিম আৰু তাৰ সলনি কোনো তেওঁ টকা পইচা নলয় তেতিয়া ulterior motive টো নাথাকিলে এই Act ত নপৰিব। Ulterior motive টো থাকিলেহে এই Act ত পৰিব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এতিয়া অখিল গগৈ ডাঙৰীয়া, আপুনি উঠাই ল'বনে ?

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰতো উঠাই লোৱাৰ নিয়ম নাই।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মই এতিয়া অখিল গগৈ ডাঙৰীয়াৰ সংশোধনী প্ৰস্তাৱটো সদনত দাঙি ধৰিলো।

যিসকল সদস্য সপক্ষে আছে, কওক 'হয়',
যিসকল সদস্য বিপক্ষে আছে, কওক 'নহয়',
মই ভাৱো 'নহয়'ৰ সপক্ষে,'নহয়'ৰ সপক্ষে,'নহয়'ৰ সপক্ষে
সংশোধনীটো নাকচ হৈ গ'ল।

এতিয়া ৩নং দফা বিধেয়কখনৰ অংশ হ'ব। প্ৰশ্নটো হ'ল যে দফা নং ৩ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সদস্য সপক্ষে আছে, কওক 'হয়',
যিসকল সদস্য বিপক্ষে আছে, কওক 'নহয়',
মই ভাৱো 'হয়'ৰ সপক্ষে,'হয়'ৰ সপক্ষে,'হয়'ৰ সপক্ষে
দফা নং ৩ বিধেয়কখনৰ অংশ হ'ল।

দফা নং ৪ ত থকা অখিল গগৈ ডাঙৰীয়াৰ প্ৰস্তাৱটো মই সদনত দাঙি ধৰিলো।

যিসকল সদস্য সপক্ষে আছে, কওক ‘হয়’,

যিসকল সদস্য বিপক্ষে আছে, কওক ‘নহয়’,

মই ভাৱো ‘নহয়’ৰ সপক্ষে,‘নহয়’ৰ সপক্ষে,‘নহয়’ৰ সপক্ষে

সংশোধনীটো নাকচ হৈ গ’ল।

এতিয়া ৪ নং দফা বিধেয়কখনৰ অংশ হ’ব।

যিসকল সদস্য সপক্ষে আছে, কওক ‘হয়’,

যিসকল সদস্য বিপক্ষে আছে, কওক ‘নহয়’,

মই ভাৱো ‘হয়’ৰ সপক্ষে,‘হয়’ৰ সপক্ষে,‘হয়’ৰ সপক্ষে

দফা নং ৪ বিধেয়কখনৰ অংশ হ’ল।

দফা নং ৫ ত থকা অখিল গগৈ ডাঙৰীয়াৰ প্ৰস্তাৱটো মই সদনত দাঙি ধৰিলো।

যিসকল সদস্য সপক্ষে আছে, কওক ‘হয়’,

যিসকল সদস্য বিপক্ষে আছে, কওক ‘নহয়’,

মই ভাৱো ‘নহয়’ৰ সপক্ষে,‘নহয়’ৰ সপক্ষে,‘নহয়’ৰ সপক্ষে

সংশোধনীটো নাকচ হৈ গ’ল।

এতিয়া দফা ৫ নং বিধেয়কখনৰ অংশ হ’ব।

যিসকল সদস্য সপক্ষে আছে, কওক ‘হয়’,

যিসকল সদস্য বিপক্ষে আছে, কওক ‘নহয়’,

মই ভাৱো ‘হয়’ৰ সপক্ষে,‘হয়’ৰ সপক্ষে,‘হয়’ৰ সপক্ষে

দফা নং ৫ বিধেয়কখনৰ অংশ হ’ল।

এতিয়া ৬ নং দফা টো উঠাই ললে, সেইকাৰণে ৬ নং দফা বিধেয়কখনৰ অংশ হ’ব। প্ৰশ্নটো হ’ল যে ৬ নং দফা বিধেয়কখনৰ অংশ হ’ব।

যিসকল সদস্য সপক্ষে আছে, কওক ‘হয়’,

যিসকল সদস্য বিপক্ষে আছে, কওক ‘নহয়’,

মই ভাৱো ‘হয়’ৰ সপক্ষে,‘হয়’ৰ সপক্ষে,‘হয়’ৰ সপক্ষে

৬ নং দফা বিধেয়কখনৰ অংশ হ’ল।

এতিয়া দফা নং ৭ ৰ পৰা ১৭ লৈকে কোনো সংশোধনী নাই। এতিয়া মই দফা নং ৭ ৰ পৰা ১৭ লৈকে সদনত ভোটদানৰ বাবে দাঙি ধৰিলো। প্ৰশ্নটো হ’ল দফা নং ৭ ৰ পৰা ১৭ লৈকে বিধেয়কখনৰ অংশ হ’ব।

যিসকল সদস্য সপক্ষে আছে, কওক ‘হয়’,

যিসকল সদস্য বিপক্ষে আছে, কওক ‘নহয়’,

মই ভাৱো ‘হয়’ৰ সপক্ষে,‘হয়’ৰ সপক্ষে,‘হয়’ৰ সপক্ষে

দফা নং ৭ ৰ পৰা ১৭ লৈকে বিধেয়কখনৰ অংশ হ’ল।

দফা নং ১,পৰিসৰ, আৰম্ভণ আৰু শিৰোনামত সংশোধনী নাই। এতিয়া দফা নং ১,পৰিসৰ, আৰম্ভণ আৰু শিৰোনাম সদনত ভোটদানৰ বাবে দাঙি ধৰিলো। প্ৰশ্নটো হ’ল দফা নং ১,পৰিসৰ, আৰম্ভণ আৰু শিৰোনাম বিধেয়কখনৰ অংশ হ’ব।

যিসকল সপক্ষে আছে, কওক ‘হয়’,

যিসকল বিপক্ষে আছে, কওক 'নহয়',

মই ভাৱো 'হয়'ৰ সপক্ষে,'হয়'ৰ সপক্ষে,'হয়'ৰ সপক্ষে

দফা নং ১,পৰিসৰ, আৰম্ভণ আৰু শিৰোনাম বিধেয়কখনৰ অংশ হ'ল।

এতিয়া মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া। পাৰিতকৰণৰ বাবে অনুৰোধ জনালো।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, The Assam Healing Prevention of Evil Practice Bill,2024 পাৰিত কৰাৰ বাবে মই পবিত্ৰ সদনক অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ ঃ** মই মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ দ্বাৰা বিধেয়কখন পাৰিত কৰাৰ প্ৰস্তাৱ সদনৰ ভোটদানৰ বাবে দাঙি ধৰিলো, প্ৰশ্নটো হ'ল যে The Assam Healing Prevention of Evil Practice Bill,2024 খন পাৰিত কৰা হওক।

যিসকল সপক্ষে আছে, কওক 'হয়',

যিসকল বিপক্ষে আছে, কওক 'নহয়',

মই ভাৱো 'হয়'ৰ সপক্ষে,'হয়'ৰ সপক্ষে,'হয়'ৰ সপক্ষে

প্ৰস্তাৱটো গৃহীত হ'ল আৰু বিধেয়কখনো পাৰিত হ'ল।

এতিয়া Item No.12.Hon'ble Chief Minister.

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আপোনাৰ অনুমতি সাপেক্ষে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ হৈ The Assam Village Defence Organisation (Amendment) Bill, 2024 বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া প্ৰস্তাৱটো বিবেচনাৰ বাবে সদনত ভোটদানৰ বাবে দাঙি ধৰিলো। প্ৰশ্নটো হ'ল The Assam Village Defence Organisation (Amendment) Bill, 2024 খন বিবেচনাৰ বাবে লোৱা হওক।

যিসকল সপক্ষে আছে, কওক 'হয়',

যিসকল বিপক্ষে আছে, কওক 'নহয়',

মই ভাৱো 'হয়'ৰ সপক্ষে,'হয়'ৰ সপক্ষে,'হয়'ৰ সপক্ষে

প্ৰস্তাৱটো গৃহীত হ'ল।

এতিয়া বিধেয়কখন সদনত দফাই দফাই বিবেচনাৰ বাবে লোৱা হ'ব। দফা নং ২, দফা নং ২ত সংশোধনী নাই। এতিয়া মই দফা নং ২ সদনত ভোটদানৰ বাবে দাঙি ধৰিলো। প্ৰশ্নটো হ'ল দফা নং ২ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে, কওক 'হয়',

যিসকল বিপক্ষে আছে, কওক 'নহয়',

মই ভাৱো 'হয়'ৰ সপক্ষে,'হয়'ৰ সপক্ষে,'হয়'ৰ সপক্ষে

দফা নং ২ বিধেয়কখনৰ অংশ হ'ল।

দফা নং ৩ ত সন্মানীয় সদস্য শ্ৰী অখি ল গগৈৰ দুটা সংশোধনী আছে

দফা নং ৩ ত সন্মানীয় সদস্য শ্ৰীঅখিল গগৈৰ দুটা সংশোধনী আছে, তাৰ পিছত দফা নং ৪ ত শ্ৰীদেৱব্ৰত শইকীয়া ডাঙৰীয়াৰো আছে, ইয়াৰ পিছত শ্ৰীআমিনুল ইছলাম ডাঙৰীয়া তেখেত

সকলৰ আছে ৬ নম্বৰ দফাত, ৫ নং দফাতো আছে অখিল গগৈৰ। গতিকে একেবাৰতে তেতিয়াৰ নিচিনা কোনোৱা এজনক কৰলৈ অনুৰোধ জনালো।

**শ্রীনুৰুল হুদা, (ৰূপহীহাট)** ঃ মাননীয় অধ্যক্ষ মহোদয়, "The Assam Village Defence Organisation (Amendment) Bill, 2024" যিটো অনা হৈছে তাত কিছু সংশোধনীৰ প্ৰয়োজন আছে। গাঁওৰক্ষী বাহিনী যথেষ্ট দায়িত্বশীল হ'ব লাগে। গাঁওৰক্ষী বাহিনীয়ে যদি ইচ্ছা কৰে গাঁওৰক্ষী বাহিনীয়ে এখন গাঁৱত চুৰি, ডকাইটি, হত্যা, লুণ্ঠন, ড্ৰাগ্‌ছ, মদ, জুৱা, ভাং সকলো নাইকীয়া কৰি দিব পাৰে। কিন্তু তেওঁলোকে যদি দায়িত্ব সহকাৰে কাম কৰে। কিন্তু দেখা যায় বহু গাঁওৰক্ষী বাহিনী আছে দায়িত্ব সহকাৰে তেওঁলোকে কাম নকৰে। আৰু দায়িত্ব সহকাৰে কাম নকৰাৰ কিছুমান কাৰণো আছে। আজি চোৰ ধৰিবলৈ যাব, ডকাইট ধৰিবলৈ যাব ডকাইটে বা চোৰে যদি উল্টাই গাঁওৰক্ষী বাহিনীক আক্ৰমণ কৰে তেওঁক যদি মাৰি পেলাই, আহত কৰে, আহত কৰিলেও তেওঁৰ চিকিৎসা কৰিবলৈ চৰকাৰে ইয়াত কোনো ধৰণৰ ব্যৱস্থা ৰখা নাই। যদি তেওঁক মাৰি পেলাই তেওঁৰ insuranceৰ ব্যৱস্থা কৰা নাই যে তেওঁ মৰি গলেও তেওঁৰ পৰিয়ালে এটা সকাহ পাব, সুবিধা পাব অৰ্থনীতিক ভাৱে, কিন্তু সেই ব্যৱস্থাটো এই আইন খনত নাই। গতিকে গাঁওৰক্ষী বাহিনীৰ প্ৰত্যেকজন সদস্যক insurane হ'ব লাগে। যদি তেওঁলোক কোনো ধৰণৰ আক্ৰান্ত হৈ যায় অপৰাধ মূলক কামক ভেটা দিবলৈ গৈ, তেতিয়াহলে তেওঁলোকে যাতে এটা জীৱনৰ নিৰপত্তা পাই, জীৱনৰ নিৰপত্তাৰ কাৰণে তেওঁলোকৰ কাৰণে ইঞ্চুৰেন্সৰ ব্যৱস্থা কৰিব লাগে। গাঁওৰক্ষী বাহিনীয়ে গোটেই ৰাতি গাঁওখনক পহৰা দিয়ে। তাৰ বিনিময়ত তেওঁলোকে কি পাই মাহত মাত্ৰ ২৫ টকা পাই, ৩০ দিনৰ কাৰণে যদি তেওঁলোকে চাহ খাবলগীয়াও হয় চাহ খোৱাৰ পইচাটো নহয়। গতিকে গাওঁ খনকয়ে ৰক্ষা কৰিব গোটেই নিশা উজাগৰে থাকি বিভিন্ন অপৰাধ মূলক কৰ্যৰ পৰা, গতিকে তেওঁলোকক উ ৎসাহিত কৰিব লাগিব আৰু তেওঁলোকক উৎসাহিত কৰাৰ কাৰণে মই ভাৱো প্ৰতিখন গাঁওৰক্ষী বাহিনীক মাহে কমেও তেওঁলোকক এই পকেট মানি জলপানী খৰচ প্ৰতিদিনে প্ৰতিজনক ৫০০ টকাকৈ মাহত ১৫,০০০ টকা দিয়াৰ ব্যৱস্থা কৰিব লাগে। যদি গাঁওৰক্ষী বাহিনীয়ে ইচ্ছা কৰে যে এই গাওঁ খনত কোনো ধৰণৰ অপৰাধ মূলক কাৰ্য হ'ব নোৱাৰিব, ড্ৰাগ্‌ছ খাব নোৱাৰিব, আজি ড্ৰাগ্‌ছ এনেকুৱা হৈছে মহামাৰি ৰোগ যেনেকৈ বিয়পি পৰে তেনেকৈ ড্ৰাগ্‌ছ বিয়পি পৰিছে। আজি সৰু সৰু ল'ৰা-ছোৱালীয়ে ড্ৰাগ্‌ছ খাবলৈ লৈছে। গতিকে এই ড্ৰাগ্‌ছৰ পৰা যদি মুক্ত কৰিব পৰা যায় হয় চৰকাৰে ড্ৰাগ্‌ছৰ ক্ষেত্ৰত সজাগ হৈছে, কিন্তু যদি অধিক গুৰুত্ব দিয়া হয় আমাৰ গাঁওৰক্ষী বাহিনীক আৰু গাঁওৰক্ষী বাহিনীয়ে যদি ইচ্ছা কৰে যে এই গাঁওখনত কোনো এজনে ড্ৰাগ্‌ছ খাব নোৱাৰিব, বিক্ৰী কৰিব নোৱাৰিব তেতিয়াহলে তেওঁলোক যদি সক্ষম হৈ থাকে ড্ৰাগ্‌ছ কিন্তু প্ৰতিৰোধ হ'ব। আজি পুলিচ প্ৰশাসনে কিন্তু সম্পূৰ্ণ পতিৰোধ কৰিব পৰা নাই। তেওঁলোকে চেষ্টা কৰিছে কিন্তু পৰা নাই। কিন্তু পাৰিব আমাৰ গাঁওৰক্ষী বাহিনীয়ে। যদি মনেপ্ৰাণে এইটো চেষ্টা কৰে। অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই চৰকাৰক অনুৰোধ জনাব বিচাৰিছো যে ড্ৰাগ্‌ছে আমাৰ নৱপ্ৰজন্মক একেইবাৰে নাইকীয়া কৰি আছে শেষ কৰি দিছে। শিক্ষাৰ ক্ষেত্ৰতো বহুখিনি পিছ পেলাই দি আছে। গতিকে ড্ৰাগছ একেবাৰে নিৰ্মূল কৰাৰ কাৰণে আমাৰ গাঁওৰক্ষী বাহিনীক সক্ষম কৰিব লাগে তেওঁলোকক মাননী বৃদ্ধি কৰি দিব লাগে আৰু তেওঁলোকক প্ৰৰ্যাপ্ত সুবিধা খিনি দিব লাগে। যদি এই বিলাক দিয়া নহয় আজি অপৰাধ মূলক কাম চুৰি, ডকাইটি, এইখিনি দেখে, কিন্তু ভাং, জুৱা, এই জুৱাটো নাইকীয়া কৰিব লাগে। এই জুৱা খেলাৰ ফলত কি হৈ আছে, জুৱা খেলি যেতিয়া তেওঁৰ ধন লোকচান হৈ যায় তাৰ পিছত তেওঁ

ঘৰত গৈ ঘনীয়কক কয় যে তোৰ দেউতাৰৰ ঘৰৰ পৰা পইচা লৈ আন। দেউতাৰ ঘৰৰ পৰা এদিন দেউতাই মুৰ্গী, ছাগলী, হাঁহ বিক্ৰী কৰি পইচা অলপ দি পঠিয়াই দিলে, সিখিনিও জুৱা খেলি শেষ কৰিলে, আকৌ যেতিয়া আনিবৰ কাৰণে কব শহুৰৰ ঘৰৰ পৰা তাৰ ঘনীয়েকে পইচা আনিব নোৱাৰিব তেতিয়া তেওঁক মাৰ পিত অত্যাচাৰ কৰি তালাগ দি দিয়ে। গতিকে জুৱা খেলটো একেবাৰে নিশেষ কৰিব লাগে। জুৱা খেলৰ কাৰণে নতুন আইন প্ৰণয়ন কৰি হলেও বন্ধ কৰিব লাগে। আৰু যি খিনি গাঁওৰক্ষী বাহিনীয়ে পহৰা দিয়ে তেওঁলোকেও যাতে পহৰা দিয়াৰ সময়ত মদ ভাং খাব নোৱাৰে সেইটো এটা তেওঁলোকক কঠোৰ নিয়ম এটা বলবৎ কৰি দিব লাগে। গতিকে অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই চৰকাৰক অনুৰোধ জনাইছো যে গাঁওৰক্ষী বাহিনীক যিটো ১০০ টকাকৈ ২৫ জনক মাহে ২৫০০ টকা দিয়ে সেইটো বৃদ্ধি কৰি প্ৰতিটো ৰাতিৰ কাৰণে প্ৰতিজনক ৫০০ টকাকৈ দিয়া হয় তাৰ কাৰণে ব্যৱস্থা কৰিব বুলি মই অনুৰোধ ৰাখি মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, ধন্যবাদ। এতিয়া শ্ৰীআমিনুল ইছলাম।

**শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ)ঃ** অধ্যক্ষ মহোদয়, "The Assam Village Defence Organisation (Amendment) Bill, 2024" এই খনত যি কেইটা এমেণ্ডমেন্ট চৰকাৰে আনিব বিচাৰিছে সেই তাত আমি দেখিছো আৰু কিছুমান কথা স্পষ্ট হোৱা নাই যেনে বি ডি পি পাৰ্টী, তেনেকৈ চৰকাৰে এটা organisation ক আনি সেই organisationৰ যি সকল President বা এজেন্ট প্ৰধান থাকিব তেওঁৰ তলত নাইবা বা এইটো defence organisation হৈ আছে আৰু ভি ডি পি টো ইয়াৰ অধীনত কৰিছে, ইয়াত দেখিছো আমি Assam Village Defence Organisationৰ নামতে বেছিভাগ section বিলাক আনিছে কিন্তু village defence partyত তেওঁলোক খুব কিবা এটা provision ইয়াত ৰখা নাই। আৰু village defence party য়ে তেওঁলোকে যিহেতু আন্ধাৰত বা কেতিয়াবা বৰষুণত ধুমুহা বিভিন্ন প্ৰতিকুল পৰিস্থিতিত তেওঁলোকে ৰাতিটো গাওঁবাসীক পহৰা দিব লগীয়া হয়। গতিকে এইটো প্ৰশ্নোত্তৰ কালত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এটা কথা কৈছে যে আমি VDP সকলক মাননী বা একো দিব নোৱাৰো এই কাৰণে যে বি ডি পি সকলে তেওঁলোকে নিজকে পহৰা দি আছে। তেওঁলোকে নিজৰ গাঁও খন ৰক্ষা কৰি আছে। গতিকে চৰকাৰে যিহেতু পুলিচক দৰমহা বা বাকী খিনি দিয়ে ভিডিপিয়ে নিজৰ গাঁও খন নিজে ৰক্ষা কৰি আছে তেঁওলোকক একো মাননি দিয়া নহয়। ঠিক আছে মাননী নিদিলেও আমাৰ কথাটো আছিল যে তেওঁলোকৰ যি খিনি সা-খৰচ গোটেই ৰাতিটো তেওঁলোকে জাগি থাকি পহৰা দিয়ে অলপ চাহ আদি খোৱা বা আগতে আমি দেখিছিলো যে তেনেকুৱা লাঠি চাটি, ৰেডিঅ' এটা সময়ত পাইছিল, টচ লাইট আদি, জেকেট, ৰেইনকোট, আদি এটা সময়ত পাইছিল। কিন্তু কেইবা বছৰ ধৰি বন্ধ হৈ আছে। তাৰ লগে লগে তেওঁলোকক এই যে মাহেকীয়া ২৫০০ টকাৰ এটা পাৰিটোষিক যিটো দিয়া হয়, তেওঁলোকৰ চাহ বা ইমাৰজেন্সি খৰচৰ কাৰণে, এইটো কিন্তু কেতিয়াবা ডেৰ বছৰ, দুই বছৰলৈ বন্ধ হৈ থাকে। দুই বছৰ পূৰ্বে মই বিধান সভাত এটা প্ৰশ্ন উত্থাপন কৰি চৰকাৰক জনোৱাৰ পিছত ১১ মাহ ক্লিয়াৰ কৰিছিল, তাৰ পিছৰ পৰা আকৌ এক বছৰৰ ওপৰ হৈ গ'ল, তেওঁলোকক এই সামান্য টকাকিনিয়ে দিয়া হোৱা নাই। গতিকে এতিয়া আমি ভাৱো যে এই আইনখনত ভিডিপিৰ কাৰণে খুব এটা provision ৰখা নাই, আমি ভাৱো যে আৰু অলপ ৰাখিব লাগিছিল, village defence organisation ৰ গোটেই criteria খিনি, structure খিনি ইয়াত দিয়া হৈছে। গতিকে সেই VDP সকলক তেওঁলোকৰ যিখিনি

প্ৰয়োজনীয় সৰমজাম আৰু অশ্ৰপাতি সেই খিনি তেওঁলোকক যাতে নিয়মীয়াকৈ যোগান ধৰা হয় আৰু তেওঁলোকৰ মাহেকীয়া যিটো কন্টিমজেন্সিৰ বাবদ কেইটকা দিয়া হয় এইটো যাতে regular দিয়া হয়, এইটো ব্যৱস্থা কৰা হওঁক আৰু লগতে আমি আৰু এটা কথা কওঁ যে VDP পাৰ্টীয়ে বহু সময়ত কোনে কোনে গাওঁৰ পৰা ড্ৰাগ্চ চাপ্লাই দিয়ে কোনে কোনে অবৈধ কৰ্মত নিয়োজীত, তেওঁলোকে যদি information দিয়ে থানাই কিন্তু তেওঁলোকক ৰেচ্‌পন্চ নিদিয়ে। থানাৰ আৰক্ষীবাহিনীয়ে তেওঁলোকক সহযোগী গোট হিচাপে recognition দিব লাগিব, তেতিয়া তেওঁলোকে অপৰাধ যি বিলাক চিনাক্ত কৰি দিয়ে অপৰাধীৰ ঘৰ চিনাকী কৰি দিয়া বা ড্ৰাগ্‌ছ, বা মদ এই বিলাক বা চোৰাং বেহা এই বিলাকৰ কৰবাত যদি কোনোৰা জড়িত থাকে তেওঁলোকৰ কাম হ'ল তেওঁলোকে থানাত information বিলাক ৰেগুলাৰ দিয়া আৰু থানাই তেওঁলোকৰ Information মতে কাম কৰা। কিন্তু আমি দেখিছো থানা আৰু VDP ৰ মাজত coordination নাই। তেওঁলোকে **যদি** Information বিলাক দিয়ে কেতিয়াবা থানা মেনেজ হৈ থাকে, তেওঁলোকে আকৌ ধমকি দিয়ে যে এই বিলাক তহঁতে চিন্তা কৰিব নালাগে আমি কৰি আছো কি কৰিব লাগে আৰু তেওঁলোকে থানাৰ জ্ঞাতসাৰে এই অবৈধ ড্ৰাগছৰ ব্যৱসায় চলি থাকে আৰু কিছুমান ভি ডি পি পাৰ্টী আছে তেওঁলোকে আকৌ ভালকৈ থানাত Information বিলাক নিদিয়ে। গতিকে আমি ভাবো যে থানাই ভি ডি পি পাৰ্টীক বহুত trust ত ল'ব লাগে, আৰু তেওঁলোকৰ সহায়ত কাম আদায় কৰিব লাগে। ভি ডি পি পাৰ্টীয়ে যিখিনি Information দিব সেইখিনি থানাই একচন ল'ব লাগে। যদি ভি ডি পি পাৰ্টী আৰু থানাৰ মাজত সু সমন্নয়, বুজাপৰা থাকে তেনেহলে গাওঁ অঞ্চলৰ বহুখিনি অপৰাধ নাইকীয়া হ'ব। যদি থানাই ভি ডি পি পাৰ্টীক বিশ্বাস নকৰে পাট্টা নিদিয়ে বা থানাই বিচাৰে ভি ডি পি পাৰ্টীয়ে তেওঁলোকক সহযোগ নকৰে, তেনেহ'লে গাৱঁৰ পৰা অপৰাধ প্ৰবনতা নাইকিয়া নহ'ব। গতিকে আমি ভাবো যে এই আইনখনত প্ৰয়োজন সাপেক্ষে আমি এক মাত্ৰ দুটা Amendment আনিছো প্ৰয়োজন হ'লে চৰকাৰে আৰু Amendment আনি হ'লেও ভি ডি পি পাৰ্টীক আৰু অলপ শক্তিশালী কৰা যিসকল বিডিপি য়ে ডিউটি কৰে থানাই যাতে trust ত লয়। প্ৰভিজন কৰি হ'লেও আমি ভাবো যে সমন্বয় ৰক্ষা কৰিলে, অসমৰ বহুখিনি অপৰাধ নাইকিয়া হ'ব এইখিনি কৈ মোৰ বক্তব্য সামৰিছো।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ, এতিয়া মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়া, আপোনাৰ দুটা দফা নং ৩ আৰু ৫ ত সংশোধনী আছে, প্ৰস্তাৱ কৰা হ'ল।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, ইয়াত Amendment টোত VDP ত দুটা ধৰণৰ বদলি আনিব বিচৰা হৈছে। এটা হ'ল যে VDP টো কোনে control কৰিব পাৰে, তাৰ Structure টোত এটা বদলি আনিছে। কিন্তু এই VDP ৰ কামকাজত এটা বদলি আনিছে সেইটো হ'ল ইয়াত Internal security বুলি এটা নতুন বস্তু আনিছে। তাৰ পাছত আৰু এটা বস্তু আনিছে যে যিটো anti state আছিল, এইটোৰে যিটো section -4 ৰ সংশোধনী সেইটোৱেই আচলতে আটাইতকৈ গুৰুত্বপূৰ্ণ। আগতে আছিল To give information to the Police about the particulars of all the person suspected or accused any cognizable offence or any other anti State Acts and about the Commission of such offences and Acts and about escaped convicts. এতিয়া কৰি দিলে To give information to the Police about the particulars of all the persons suspected or accused any cognizable of-

fence or any other anti National and Anti Social Acts and about the Commission of such offences or Acts or about escaped prisoners and esconders. ইয়াত এই আন্দোলন কৰা মানুহ বিলাকৰ বিৰুদ্ধেও খবৰ খাতি ৰাখি কেতিয়া আন্দোলন হ'ব, গাঁৱতে যাতে সেইবিলাক ধৰিব পাৰি তাৰ নতুন ব্যৱস্থা এটা আচলতে এই সংশোধনীটোৰ জৰিয়তে আনিব খোজা হৈছে। আগতে যিটো Anti State আছিল এতিয়া সেই আন্দোলন, ইন্টাৰনেশ্যনেল চিকউৰিটি বুলি এটা শব্দ ভৰাই গোটেই বস্তুটোক তেওঁলোকে এটি dimention দিব বিচাৰিছে। গতিকে, মই ভাবো যে আমি সৈইটোৰ বিৰোধিতা কৰিছো আৰু কৈছো যে আগৰ যিটো স্কোপ আছিল,মুখ্যমন্ত্ৰী ডাঙৰীয়াই অলপ আগতে কৈছে যে গাওঁখনত চোৰ ডকাইত নহ'ব সেইটোহে চাব লাগে। এতিয়া টো আন্দোলন কৰা মানুহৰ চ'কীদাৰী কৰিবৰ কাৰণে লগাই দিছে বা খবৰ কৰিবৰ কাৰণে লগাই দিছে। ইয়াতে গোটেই প্ৰভিজনটো বদলাই দিছে। গতিকে এইটো মই ভাবো যে এটা নতুন ধৰণৰ dimention আনিছে। গতিকে এইটোৰ আমি বিৰোধিতা কৰিছো আৰু এইটো সংশোধিত কৰি আগৰ নিচিনা অৱস্থালৈ লৈ যাব লাগে। ২য় কথাটো হ'ল ভি ডি পি সকলক ইমানকৈ কামত লগাই ইয়াত কিমান ভি ডি পি আছে, ইয়াত গোটেই তথ্যপাতিও আহিছে গোটেই অসমত কিমানখিনি মানুহে ভি ডি পি ত কাম কৰে, কিন্তু ভি ডি পি ৰ গোটেই মানুহখিনিক ২৫০০ টকা এমাহত দিয়ে। এজন মানুহৰ ভাগত পৰেগৈ এমাহত ১০০ টকা। সেইটো কেনেকৈ হ'ব? মাননিও দিয়ে মাত্ৰ ১০০ টকা। অন্ততঃ চাহ খোৱাৰ পইচাটো দিয়ক। মাহেকত অন্ততঃ এজন মানুহৰ হাতলৈ ৩০০০ টকা পৰাকৈ দিয়ক। ৰাতি যাতে ডিউটি কৰি থাকোতে চাহকন খাব পাৰে। কিন্তু সেইটো নকৰি মাত্ৰ ১০০ টকা ১ মাহত অৰ্থাৎ ২৫ জন মানুহৰ নামত ২৫০০ টকা, এইটো এটা সাংঘাটিক ধৰণৰ গণ্ডগোলীয়া কথা। গতিকে আমি আহ্বান জনাইছো এই সংশোধনীৰ সময়ত যে চৰকাৰে এটা নিশ্চয়তা প্ৰদান কৰিব লাগে যে অসমৰ গাঁৱে ভূঞে থকা যি সকল ভি ডি পি ৰ সদস্য তেওঁলোকৰ প্ৰত্যেকৰ কাৰণে অন্ততঃ একমাহত ৩০০০ টকাকৈ মাননি দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰা হওঁক।

**মাননীয় উপাধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী ।

**শ্ৰী পিযুষ হাজৰিকা, মন্ত্ৰী** ঃ মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, আজি আমাৰ প্ৰশ্নকালীন ঘন্টাটোত সন্মানীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ভি ডি পি ৰ কাৰ্য্য ব্যৱস্থা সম্পৰ্কে বিস্তৃতভাৱে আলোচনা কৰিছিল।. কেইবাজনো সদস্যই এই বিষয়ে প্ৰশ্নোত্তৰ শিতানত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক প্ৰশ্ন সুধিছিল। আচলতে মূল আলোচনা তেতিয়াই হৈ গৈছিল। মুখ্যমন্ত্ৰী ডাঙৰীয়াই ইতিমধ্যে কৈছিল যে ভি ডি পি টো হৈছে, এটা Voluntarily Service গাওঁখনক আমি সুৰক্ষা দিম গতিকে তাত বৰ বেছি ব্যৱসায়িক দৃষ্টিকোণেৰে বা Financial দৃষ্টিকোণেৰে চাব নালাগে। এই ক্ষেত্ৰত আমি সকলোৱে সমৰ্থনো জনাইছিলো। গতিকে উপাধ্যক্ষ ডাঙৰীয়া এটা কথা কওঁ এইটো এটা Continuous process. এখেত সকলৰ পৰামৰ্শখিনি আমি ভৱিষ্যতে গ্ৰহণ কৰিম। এই মূহুৰ্তত সংশোধনীখিনি আমি গ্ৰহণ কৰিব পৰা অৱস্থাত নাই। কিন্তু সন্মানীয় সদস্য অখিল গগৈ ডাঙৰীয়াৰ যিটো সংশোধনী এইটো সংশোধনী মই পোনচাটে নাকচ কৰিছো। আন্দোলনকাৰী সকলে হয়তো আজি ভয় খাই গৈছে, বিধান সভাত কোনো আন্দোলনকাৰী বহি আছে নে নাই সকলোৱে জানে। আন্দোলনকাৰী সকলক যদি গাওঁতে ধৰি ৰাখে এইটো কি বেয়া কথা হ'ল। আন্দোলনকাৰী সকলৰ ম'টিভ বিলাক ভাল নহয়। গতিকে আন্দোলনকাৰীক ভি ডি পি য়ে ধৰে, পেচাদাৰী আন্দোলনকাৰী সকলে বেয়া পাই। গতিকে সেইটোত আমি ভাল পাওঁ। গতিকে সেইটো পোনচাটে নাকচ কৰিছে আৰু

বাকীকেইটা Amendment টো এই মুহূর্তত সংশোধনী হিচাপে লোৱা নাই, কিন্তু ভৱিষ্যতে চৰকাৰে আপোনালোকৰ যি কেইটা পৰামৰ্শ, সেই কেইটা গ্ৰহণ কৰিম।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় অখিল গগৈ ডাঙৰীয়া, আপুনি দফা নং -৩ ৰ সংশোধনী প্ৰস্তাৱ কেইটা withdraw কৰিব নে?

**শ্ৰী অখিল গগৈ,(শিৱসাগৰ) ঃ** মইটো উঠাই নলওঁ বুলি আপুনি জানে। ভোটিং কৰি দিয়ক।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া প্ৰশ্নটো হ'ল মাননীয় বিধায়ক অখিল গগৈ ডাঙৰীয়াই উত্থাপন কৰা সংশোধনীকেইটা গৃহীত কৰা হওঁক।

যি সকল সদস্য সদস্যা সপক্ষে আছে কওঁক হয়,

আৰু যি সকল সদস্য সদস্যা বিপক্ষে আছে তেখেত সকলে কওক নহয়।

মই ভাবো নহয়ৰ সাপেক্ষে, নহয়ৰ সাপেক্ষে, নহয়ৰ সাপেক্ষে সংশোধনীটো নাকচ কৰা হ'ল। প্ৰশ্নটো হ'ল দফা নং -৩ বিধেয়কখনৰ অংশ হ'ব

যি সকল সদস্য সদস্যা ইয়াৰ সপক্ষে আছে কওঁক হয়,

আৰু যি সকল সদস্য সদস্যা ইয়াৰ বিপক্ষে আছে তেখেত সকলে কওক নহয়।

মই ভাবো 'হয়'ৰ সাপেক্ষে, 'হয়'ৰ সাপেক্ষে, 'হয়'ৰ সাপেক্ষে দফা নং -৩ বিধেয়কখনৰ অংশ হ'ল।

এতিয়া দফা নং -৪ ত দেবব্ৰত শইকীয়া আৰু তেখেতৰ সতীৰ্থ সকলৰ এটা সংশোধনীৰ প্ৰস্তাৱ আছিল। এতিয়া আপোনালোকে প্ৰস্তাৱটো উঠাই ল'ব নে?

**শ্ৰী ৰাজেদ আলি চৌধুৰী, (দক্ষিণ শালমাৰা) ঃ** হয় আমি উঠাই লৈছো।

**মাননীয় উপাধ্যক্ষ ঃ** যিহেতু তেখেত সকলে প্ৰস্তাৱটো উইড্ৰ কৰিছে, প্ৰশ্নটো হ'ল দফা নং -৪ বিধেয়খনৰ অংশ হ'ব।

যি সকল সদস্য সদস্যা ইয়াৰ সপক্ষে আছে তেখেত সকলে কওঁক হয়,

আৰু যি সকল সদস্য সদস্যা ইয়াৰ বিপক্ষে আছে তেখেত সকলে কওক নহয়।

মই ভাবো 'হয়'ৰ সাপেক্ষে, 'হয়'ৰ সাপেক্ষে, 'হয়'ৰ সাপেক্ষে দফা নং -৪ বিধেয়কখনৰ অংশ হ'ল। এতিয়া দফা নং -৫ ত অখিল গগৈ ডাঙৰীয়াৰ সংশোধনী আছিল, তেখেতে উইড্ৰ নকৰে। এতিয়া প্ৰশ্নটো হ'ল সন্মানীয় সদস্য অখিল গগৈ ডাঙৰীয়াই উত্থাপন কৰা সংশোধনীটো গৃহীত কৰা হওঁক। যি সকল সদস্য সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক হয়,

আৰু যি সকল সদস্য সদস্যা বিপক্ষে আছে তেখেত সকলে কওক নহয়।

মই ভাবো 'নহয়'ৰ সাপেক্ষে, 'নহয়'ৰ সাপেক্ষে, 'নহয়'ৰ সাপেক্ষে, সংশোধনীটো নাকচ হ'ল। এতিয়া প্ৰশ্নটো হ'ল দফা নং -৫ বিধেয়কখনৰ অংশ হ'ল।

যি সকল সদস্য সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক হয়,

আৰু যি সকল সদস্য সদস্যা বিপক্ষে আছে তেখেত সকলে কওক নহয়।

মই ভাবো হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে , দফা নং -৫ বিধেয়কখনৰ অংশ হ'ব। এতিয়া -৬ নং দফাত মাননীয় সদস্য আমিনুল ইছলাম ডাঙৰীয়া আৰু দেৱব্ৰত শইকীয়া ডাঙৰীয়া আৰু তেখেতৰ সতীৰ্থ সকলৰ সংশোধনী প্ৰস্তাৱ আছিল। প্ৰস্তাৱকেইটা আপোনালোকে উঠাই ল'বনে?

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয় আমাৰ মাননীয় মুখ্যমন্ত্ৰী হৈ সংসদীয় পৰিক্ৰমা মন্ত্ৰী মহোদয়ে কৈছে যে এইখিনি পৰামৰ্শ ভাল, তেখেত সকলে পৰৱৰ্তী সময়ত চৰকাৰে

এমেনমেন্ট কৰি হলেও এইখিনি কাম লাহে লাহে কৰিব। গতিকে আমি সংশোধনীৰ প্ৰস্তাৱটো উঠাই লৈছো।

**শ্ৰী ৰাজেদ আলী চৌধুৰী, (দক্ষিণ শালমাৰা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়,যিহেতু মন্ত্ৰী মহোদয়ে আশ্বাস দিছে পৰৱৰ্ত্তী পৰ্য্যায়ত বিবেচনা কৰা হ'ব বুলি গতিকে আমি উঠাই লৈছো।

**মাননীয় উপাধ্যক্ষ ঃ** কৰ্তন প্ৰস্তাৱ দুটা উঠাই লোৱা হ'ল। এতিয়া প্ৰশ্নটো হ'ল যে দফা নং ৬ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সদস্য/সদস্যা বিধেয়কখনৰ সপক্ষে আছে কওঁক হয়,

যিসকল সদস্য/সদস্যা বিধেয়কখনৰ বিপক্ষে আছে কওঁক নহয়

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

৬ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

এতিয়া দফা নং ১ পৰিসৰ, আৰম্ভণ আৰু শিৰোনামাত সংশোধনী নাই। দফা নং ১ পৰিসৰ, আৰম্ভণ আৰু শিৰোনামা সদনত ভোট দানৰ বাবে দাঙি ধৰিলো। প্ৰশ্নটো হ'ল দফা নং ১ পৰিসৰ, আৰম্ভণ আৰু শিৰোনামা বিধেয়কখনৰ অংশ হ'ব।

যিসকল সদস্য/সদস্যা সপক্ষে আছে কওঁক হয়,

যিসকল সদস্য/সদস্যা বিপক্ষে আছে কওঁক নহয়

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

দফা নং ১ পৰিসৰ, আৰম্ভণ আৰু শিৰোনামা বিধেয়কখনৰ অংশ হ'ল।

মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ হৈ এতিয়া মাননীয় সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই বিধেয়কখন পাৰিত কৰিবলৈ উত্থাপন কৰিব।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ হৈ "The Assam Village Defence Organisation (Amendment) Bill, 2024" খন পাৰিত কৰাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মই মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ দ্বাৰা বিধেয়কখন পাৰিত কৰাৰ প্ৰস্তাৱটো সদনত ভোট দানৰ বাবে দাঙি ধৰিলো। প্ৰশ্নটো হ'ল যে, "The Assam Village Defence Organisation (Amendment) Bill, 2024" খন পাৰিত কৰা হওঁক।

যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

প্ৰস্তাৱটো গৃহীত হ'ল আৰু বিধেয়কখন পাৰিত হ'ল।

**এতিয়া কাৰ্য্যসূচী নং ১৩**

এতিয়া মাননীয় মন্ত্ৰী ডাঃ ৰণোজ পেগু ডাঙৰীয়াই "The Assam State School Education Board Bill, 2024 " খন বিবেচনাৰ বাবে উত্থাপন কৰিব।

**ডাঃ ৰণোজ পেগু, শিক্ষামন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে "The Assam State School Education Board Bill, 2024 " খন বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

**শ্ৰী আমিনুল ইছলাম(জ্যেষ্ঠ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এইটো stage তে মই এটা প্ৰশ্ন সুধিব পাৰো নেকি? নে পিছত কম?

**মাননীয় উপাধ্যক্ষ ঃ** ইয়াত আপোনালোকৰ এমেণ্ডমেণ্ড আছে। তেতিয়া ক'ব।

এতিয়া মই প্ৰস্তাৱটো সদনত বিবেচনাৰ বাবে সদনত ভোটদানৰ বাবে দাঙি ধৰিলো। প্ৰশ্নটো হ'ল - "The Assam State School Education Board Bill, 2024 " খন বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

প্ৰস্তাৱটো গৃহীত হ'ল।

এতিয়া বিধেয়কখন সদনত দফাই দফাই বিবেচনাৰ বাবে লোৱা হ'ল। দফা নং ২ ৰ পৰা ৪ লৈ সংশোধনী নাই। এতিয়া মই দফা ২ ৰ পৰা ৪ লৈ সদনত ভোটদানৰ বাবে দাঙি ধৰিলো। প্ৰশ্নটো হ'ল, ২ ৰ পৰা ৪ লৈ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

দফা ২ ৰ পৰা ৪ লৈ বিধেয়কখনৰ অংশ হ'ল।

দফা নং ৫ ত সন্মানীয় সদস্য শ্ৰী দেবব্ৰত শইকীয়া আৰু তেখেতৰ সহযোগী সকল আৰু মাননীয় সদস্য শ্ৰী হাফিজ বছিৰ আহমেদ আৰু তেখেতৰ সহযোগী সকলৰ সংশোধনী আছে। গতিকে আপোনালোকৰ ইয়াত যিমানকেইটা সংশোধনী আছে কওঁক।

**শ্ৰী দিগন্ত বৰ্মন, (বৰক্ষেত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ দফা নং ৫ আৰু ১৭ ত সংশোধনী আছে। মই দুয়োটা একেলগে কৈ দিম। I beg to move in clause 5 in Sub-Clause-I in line one the word a Chairman to nominate by their Government substitute by the following words a Chairman to be nominated by the Government provided that the person should be a retired Vice-Principal of the Government University or its equivalent and permanment residence of Assam. In Sub-Clause-II the word vice-Chairman of each division to be nominated by the Government shall substitute by the following words Vice-Chairman of its division to be nominated by the Government provided the person should be a retired Prinipal of provinialised Government colleges or its equivalent and permanment residence of Assam. Clause 17 ত আছে, I beg to moive that Sl.7 in Clause-17 after clause-13 a Clause shall be inserted by XXXI to evaluate academic excellece of each school institution time to time periodically. মাননীয় উপাধ্যক্ষ মহোদয়, এই যিখন বিল আনিছে যে আমাৰ SEBA আৰু Higher Secondary Council দুয়োখন লগলাগি The Assam School Education Board Bill, 2024 কৰিছে, আমাৰ আপত্তি কৰিবলগীয়া নাই। কিন্তু আমাৰ কেইটামান নিৰ্দিষ্ট সংশোধনীহে আমি বিচাৰিছো। মাননীয় উপাধ্যক্ষ মহোদয়, এইখিনিতে আমি ক'বলৈ বিচাৰিছো যে- বিধায়ক হিচাপে আমাক অসমৰ বিভিন্ন সংগঠনে আমাক

ৰিকুৰেষ্ট কৰে। আমি দেখিছো যে আমাৰ গোটেই শিক্ষা ব্যৱস্থাটোৰ ক্ষেত্ৰত আমি কৈছো যে আমাৰ অসমত নতুন শিক্ষানীতিত ২০২০ অনুসৰি এটা ক্লজ আছিল যে অসমৰ সকলো হাইস্কুল হাইয়াৰ চেকেণ্ডাৰী লৈ উন্নীত হ'ব লাগে। হোৱা নাই। কেইবাখনো স্কুলৰ ক্ষেত্ৰত আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে আমাক অনুৰোধ কৰিছিল। মোৰ সমষ্টিত তিনিখন স্কুল হৈছে। অসমৰ বিভিন্ন প্ৰান্তত বিধায়ক সকলৰ নিশ্চয় হৈছে। কিন্তু স্কুলবোৰত এটা ক্ৰাইটেৰিয়া লগাই দিছিল যে সেই স্কুলত যদি কোনোবা qualified subject ৰ শিক্ষক থাকে তেওঁ ক্লাচ চলাই থাকিব। এতিয়া আমাৰ সমস্যাটো হৈছে আমি সেইমতে কৰি দিলো। কিন্তু তাত আজিলৈ নতুন শিক্ষক নিযুক্তি দিয়া হোৱা নাই আৰু আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে কি ভাৱে নিযুক্তি দিব বা স্কুল সমূহ কেনেকৈ কৰিব ইয়াত উল্লেখ কৰা নাই। দ্বিতীয়তে, আমাৰ আজি শিক্ষাৰ দুখন বোৰ্ড একেলগ কৰিছে আমি ভালেই পাইছো। কিন্তু ডাঙৰ কথাটো হৈছে যে আমি যাৰ কাৰণে এই আইনখন আনিব বিচাৰিছো সেই সমূহ স্কুলত আজিলৈ হাইস্কুল, হায়াৰ চেকেণ্ডাৰীত কোনো ৰেগুলাৰ প্ৰিঞ্চিপালেই নিযুক্ত হোৱা নাই। মাননীয় উপাধ্যক্ষ মহোদয়, এনেকুৱা বহুত স্কুল আছে যে তাত হায়াৰ চেকেণ্ডাৰী কেতিয়াবাই হৈছে। মই এতিয়াৰ এই চৰকাৰৰ কথা কোৱা নাই। ২৫ বছৰ আগৰ কথা কৈছো। আমাৰ মাননীয় শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী ডাঙৰীয়া আজি ইয়াত উপস্থিত আছে। তেখেতৰ দিনতেই ১৯৯১ চনতেই আমাৰ বেলশৰ হায়াৰ চেকেণ্ডাৰী স্কুলখন হৈছিল। তেতিয়া তেখেত বিধায়ক আছিল। আজি ২৫ বছৰ হ'ল চাইন্সৰ যিগৰাকী শিক্ষয়িত্ৰী আছিল, তেখেতে এখন কলেজত পালে আৰু তেওঁ বোধহয় এতিয়া অৱসৰ ললে। আজি ২৫ বছৰ হৈ গ'ল আজিলৈকে এই হায়াৰ চেকেণ্ডাৰী স্কুলখনত ফিজিক্সৰ পোষ্টটো ফিলাপ নকৰিলে। গতিকে উপাধ্যক্ষ মহোদয়, শিক্ষা বিভাগ কেনেকৈ ভাল হ'ব। এইবোৰ কথা চৰকাৰে চালিজাৰি চাব লাগে। এই স্কুলখনৰ পৰা VRR বা Grade-iv কিছুমান বেলেগ স্কুললৈ লৈ গ'ল। য'ত শিক্ষক নাই তাত কিয় ল'ৰা-ছোৱালী পঢ়িবলৈ আহিব। যিবিলাক আমাৰ ৰুলত আছে সেইবোৰ আইনখন অনাৰ আগতে শিক্ষা ব্যৱস্থাত ঠিক কৰি ল'ব লাগিব। ইয়াৰ উপৰিও আমি শিক্ষক সকলৰ TET ৰ ক্ষেত্ৰত সদৌ প্ৰাথমিক টেট শিক্ষক সমাজ, ভেঞ্চাৰ স্কুল সন্থা আদি বিভিন্ন সন্থা বোৰে চচলত গৈ ধৰ্ণা দি আছে আৰু তেওঁলোকে আমাক কয় যে আমি বিধান সভাত তেওঁলোকৰ কথাবিলাক ক'ব লাগে। কিন্তু মই জানো যে বিধান সভাত কলেই যে হ'ব সেইটো নহয়। কিন্তু ক'লে আমাক তেওঁলোকে ভাল পায় বা কথাটো গুৰুত্ব দিয়া বুলি ভাবে। সদৌ অসম প্ৰাথমিক টেট উত্তীৰ্ণ সমাজেও বিকল্প বাচনি প্ৰক্ৰিয়া ভিতৰত প্ৰত্যাহ্বান জনাই গুৱাহাটী হাই কোৰ্টত গোচৰ তৰিছে। মাননীয় মন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত অলপ চাব লাগিব। ২০২১ চনৰ ৫ ফেব্ৰুৱাৰীত যিখন Venture Education Institution Provincialised Service of Non-teaching staff amendment 18 ৰ মতে প্ৰায় কলেজ, হাই স্কুল, হায়াৰ চেকেণ্ডাৰী আৰু এম.ই স্কুলত মুঠ ৩২৭১ টা পোষ্ট তেওঁলোকক দিয়া হৈছিল। তেওঁলোকক আজিও ফিক্সড চেলাৰীত কাম কৰি থাকিবলৈ দিয়া হৈছে। ১০,৮০০ টকাত এটা পৰিয়াল আজিকালি চলিব নোৱাৰে। এই কথাটো চৰকাৰে বিবেচনা কৰিব লাগিব। আমি বাৰম্বাৰ এটা কথা কৈছো যে তাত যিজন চেয়াৰমেন দিব আমি বিচাৰিছো যে তেওঁ অসমৰ বাসিন্দা হ'ব লাগে। Vice chanchellor ৰ পৰ্য্যায়ৰ এগৰাকী বিষয়া হ'ব লাগে। আমি সেইটোৰেই সংশোধনী বিচাৰিছো। আমি বিৰোধিতা কৰা নাই। আজি আপুনি চাব যে আমাৰ অসমৰ যদিহে ৮০ জনৰ ওপৰত দশম শ্ৰেণীৰ ছাত্ৰ -ছাত্ৰী থাকে, তেতিয়া সেই স্কুলত দুটাকৈ section থাকিব লাগে আৰু সেই সময়ত অতিৰিক্ত ভাৱে কৰ্মৰত ২০১৪ চনৰ তেতিয়াৰ চৰকাৰে

Secondary Education ৰ Director আছিল বাবুলাল শৰ্মা, তেখেতৰ নেতৃত্বত high power সমিতি এখন গঠন কৰি দিছিল। মই মন্ত্ৰী মহোদয়ক গোটেই তথ্যখিনি দিব পাৰিম। তাত ২৪২ জন TET Teacher ক চৰকাৰী নিয়মীয়াল কৰিবৰ কাৰণে advice কৰিছিলে। কিন্তু দূৰ্ভাগ্যঃবশত ২০১৬ চনত এই আইনখন invalid কৰি দিলে। ২০১১ চনৰ আইনখন আনিছিল, ২০১৬ চনত নাইকিয়া হৈ গ'ল, এই যিখিনি মাজত ৰৈ গ'ল, সেইখিনিৰ এতিয়া কি অৱস্থা হ'ব। এই ২৪২ জন মানুহৰ কি অৱস্থা হ'ব। এই কথাবিলাক মাননীয় মন্ত্ৰী মহোদয়ে বিবেচনা কৰিব লাগিব।

আজি হিন্দী শিক্ষকৰ ক্ষেত্ৰত, হয়, হিন্দী ৰাষ্ট্ৰীয় ভাষা, The Assam Education Provincialization of teacher and re-organization of educational institution 2017, যে মধ্য ইংৰাজী বিদ্যালয় সমূহত এতিয়াও কৰ্মৰত হৈ আছে হিন্দী শিক্ষক ৯১২ জন। তেওঁলোকৰ পদ আজিও নিয়মীয়া নহ'ল। মই ভাৱো আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে, এই শিক্ষকৰ চাকৰি নিয়মীয়া কৰাৰ ক্ষেত্ৰত কিবা বা কিবা এটা ব্যৱস্থা কৰাৰ ক্ষেত্ৰত বিবেচনা কৰিব।

মাননীয় উপাধ্যক্ষ মহোদয়, আমি স্কুলৰ কথা কৈছো, স্কুলৰ ভালৰ কাৰণে এই আইনখিনি আনিছো। কিন্তু মাননীয় মন্ত্ৰী মহোদয়ে এটা ভাল ব্যৱস্থা কৰিছিল যে গুণোৎসৱ আনিছিল আৰু গুণোৎসৱত কৈছিল যে যিবিলাকে ভাল পাৰদৰ্শীতা দেখুৱাই তেওঁলোকক ২৫ ৰ পৰা ৪০ হাজাৰ টকা লৈকে দিয়া হ'ব। এইটো বহুত স্কুলত আজিও পোৱা নাই, এইটো অলপ চাব লাগে।

তাৰোপৰি বহুত স্কুলৰ infrastructure ভাল নহয়, সেইবিলাক ভাল কৰিব লাগে আৰু যিবিলাক হাইস্কুলত, মন্ত্ৰী মহোদয়ে কৈছিল যে ১০০ বছৰ পাৰ হৈ যোৱা স্কুলসমূহত ৩ কোটি টকা দিব বুলি। মোৰ সমষ্টিত দুখন স্কুল আছিল, এখন গংগাপুখুৰী হায়াৰ চেকেণ্ডাৰী স্কুল, মন্ত্ৰী মহোদয়ে নিজে তাত কৈছিল আৰু এখন আছিল কালাগ হায়াৰ চেকেণ্ডাৰী স্কুল, কিন্তু আজিলৈকে সেই অনুদানটো আমি পোৱা নাই। মই ভাৱো এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ে ব্যৱস্থা ল'ব।

মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা হৈছে আটাইতকৈ শক্তিশালী অস্ত্ৰ, যাক ব্যৱহাৰ কৰি আমি পৃথিৱীখন সলনি কৰিব পাৰো। কিন্তু আমাক শিক্ষা কোনে দিয়ে, আমাৰ শিক্ষা দিয়ে শিক্ষক সকলে, আজি এনেকুৱা শিক্ষক বহুত আছে, আজিও গোটেই অসমত ১৯৫২৭ ভেন্সাৰ স্কুলৰ পদ আছে including professor। ২৩১৯ খন স্কুল ভেন্সাৰ হৈ আছে। তাত কৰ্মৰত বহুতো শিক্ষকে বিনাবেতনে অৱসৰ গ্ৰহণ কৰিলে।

মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈছিল যে অঙ্গনবাড়ী কৰ্মীসকলক after retirement তেওঁলোকক ৫ লাখ টকা, ২ লাখ টকা দিম, ভাল পাইছো, আমি। এই যিসকল শিক্ষকে বিনা বেতনে স্কুল কলেজৰ পৰা অৱসৰ গ্ৰহণ কৰিলে, তেওঁলোকক এটা exgratia grant দিব পাৰি নে নোৱাৰি। দিয়াটো উচিত নে অনুচিত।

গতিকে মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা কৈছো যে গোটেই অসম খনৰ শিক্ষা ব্যৱস্থাটো যদি ভাল কৰিব লগীয়া হয়, আমি ৰাজনীতিকৰণৰ পৰা দূৰত থাকিব লাগিব, আৰু আমি সকলোৱে শিক্ষাজগতখন আগবঢ়াই নিয়াৰ কাৰণে কিছু ভাল পৰামৰ্শ দিব লাগিব।

মই শেষত মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে infrastructure বিলাক ভাল কৰক, হায়াৰ চেকেণ্ডাৰী স্কুলৰ যিসমূহৰ class চলি আছে, তেওঁলোকৰ নিয়মীয়া কৰণ কৰক,

খালী হৈ থকা পদ সমূহ পূৰণ কৰক, আৰু যিবিলাক amalgamate হৈছে স্কুল বিলাক, যিবিলাকৰ building ৰৈ গৈছিল, সেইখিনি কৰক লগতে শেষত মই এটা অনুৰোধ কৰিম যে শিক্ষকে লৰা -ছোৱালীক পঢ়াইছে, কিন্তু ৰান্ধনিসকলে লৰা-ছোৱালীকেইটাক খুৱাইছে। আৰু সেই ৰান্ধনি কেইগৰাকীয়ে দৰমহা পায় মাত্ৰ ১৫ শ টকা। গতিকে মোৰ অনুৰোধ যে মধ্যাহ্নভোজনৰ ৰান্ধনিসকলৰ দৰমহাটো বৃদ্ধি কৰিব নেকি। এইখিনিয়ে মই অনুৰোধ কৰি আজিৰ সংশোধনীটো সামৰিছোঁ। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া সন্মানীয় সদস্য হাফিজ বছিৰ আহমেদ আৰু তেখেতৰ সহযোগীসকল, আপোনালোকক সংশোধনী প্ৰস্তাৱৰ ওপৰত বক্তব্য ৰখাৰ কাৰণে অনুৰোধ কৰিলো।

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, The Assam State School Education Board Bill, 2024, এখনৰ জৰিয়তে আমি দেখিছো যে SEBA & Assam Higher Secondary Education Council, এই দুখন বোৰ্ডক সংযুক্ত কৰি এখন বোৰ্ড কৰি আকৌ দুটা খণ্ড (part -I, part - II) ৰখা হৈছে। এইখিনি ঠিকে আছে, আমি এই পদ্ধতিটো সন্মতি জনাইছো যদি The Assam State School Education Board এখন কৰি সামগ্ৰিক ভাৱে যাতে যিখিনি class IX লৈকে আৰু ওপৰৰ class XII লৈকে, এখন বোৰ্ডৰ অধীনত সমগ্ৰসমূহ পৰ্য্যবেক্ষণ কৰা হয়, তাত এটা link থাকিব। আগতে Council ৰ লগত SEBA বোৰ্ডৰ কোনো link নাছিল। ইয়াত কোনো system কি কেনেকৈ হৈ আছে, Council ত যোৱাৰ পিছত SEBA ই গম নাপায়। এতিয়া যিহেতু upto class XII লৈকে মাধ্যমিক শিক্ষাখণ্ডত সামৰি ল'ব খোজা হৈছে, গতিকে এইখন বোৰ্ডৰ প্ৰতি আমাৰ সন্মতি আছে।

আমি এই বিলখনত এটা সংশোধনী আনিছো যে clause V ত বিভিন্ন বিভাগৰ Director সকলক সমিতিখনত লোৱা হৈছে। তাত আমিও ভাৱিছো যে Director of Minority Welfare & Development ৰ Director আৰু Char Area Development ৰ Director এই দুটা বিভাগৰ Director কো সমিতিত সাঙুৰি ল'ব লাগে। কাৰণ চৰ-চাপৰি বা minority এলেকাৰ যিটো এলেকাত শিক্ষাৰ ক্ষেত্ৰত পিছপৰি আছে, আৰু তাত RTE Act মতে পৰ্যাপ্ত স্কুল আছে নে নাই, তাত শিক্ষকৰ কি সমস্যা বা ছাত্ৰ - ছাত্ৰীৰ লগতে স্কুলখনৰ কিবা সমস্যা, এই কথাবিলাক সেই বিভাগ দুটাৰ Director সকলৰ অলপ সম্যক জ্ঞান আছে। গতিকে তেওঁলোকক এই সমিতিখনত অন্তৰ্ভূক্ত কৰিলে, তেওঁলোকে সেই চিত্ৰটো নিশ্চয় ইয়াত দিব পাৰিব বা বোৰ্ডৰ বিভিন্ন সিদ্ধান্ত সমূহতো তেওঁলোকে নিজৰ বিভাগৰ কাম কাজৰ লগতে শিক্ষাখণ্ডটো কেনেকৈ expand কৰিব পাৰি, হয়তো বোৰ্ডত তেওঁলোক জৰিত থাকিলে, তেওঁলোকৰ বিভিন্ন আঁচনিত আমাৰ পিছপৰি থকা শিক্ষাখণ্ডত সহায়ক হ'ব। গতিকে আমি ভাৱো যে এইটো শিক্ষামন্ত্ৰী মহোদয়ে Director of Minority Welfare & Development ৰ Director আৰু Char Area Development ৰ Director ক সামৰি ললে সেই এলেকা বিলাকত বোৰ্ডৰ কাৰ্য্যকলাপত সহায়ক হ'ব বুলি ভাৱি যাতে এইটো গ্ৰহণ কৰি লয়, আমাক withdraw কৰাৰ কাৰণে নকৈ, আমি এটা greater interest ত আবেদন দিছো আৰু তাত লগে লগে যদি সম্ভৱ হয় এই পবিত্ৰ সদনৰ পৰা ৩ জন গৰাকী সদস্যক লোৱা হয়, যাতে আমাৰ সদনেও বোৰ্ডৰ বিভিন্ন সময়ত হৈ থকা অনিয়ম সমূহৰ ক্ষেত্ৰত চাব পৰা যায়।

গতিকে আমি ভাৱো যে শিক্ষামন্ত্ৰী ডাঙৰীয়াৰ এই সংশোধনীটো গ্ৰহণ কৰিব আৰু পৰবৰ্তী

যিখিনি sub-clause আছে, সেই মতে renew আৰু বাকী যিসমূহ দফা আছে, সেই দফাসমূহত এক মত।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী মনোৰঞ্জন তালুকদাৰ।

**শ্ৰীমনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ মাত্ৰ দুটাই সংশোধনী আছে। এটা দিশত মই Amendment দিছো সেইটো কৈ দিছো, সেইটো 6 ত আছে। The Chairman and the Vice Chairman of the boards shall be nominated by the Government for term of three years. মই এই গোটেই বাক্যটো উঠাই দিব কৈছো। উঠাই দি মই suggest কৰিছিলো নতুন এটা বাক্য লিখা হওঁক। The Chairman and the Vice-Chairman of the board shall be nominated for three years on the basis of the recommendation of 3 members Search Committee headed by a working or former Vice-Chancellor to be constituted by the Government. চৰকাৰে প্ৰত্যেক্ষভাৱে Chairman, Vice-Chairman appointment দিয়াৰ মই বিৰোধিতা কৰিছো, সেইটো সংশোধনী দিছো। এইকাৰণেই দিছো। বিগত দিনত চেবা হওঁক বা কাউঞ্চিল হওঁক, ইয়াত Chairman appointment কৰাক লৈ যথেষ্ট বিতৰ্ক হৈছে। যোৱা বছৰ যেতিয়া পেপাৰ লিক হৈছিল সেই সময়ত এই সদনতে চেবাৰ চেয়াৰমেন জনক আজি ১৬-১৭ চনৰ পৰা এতিয়ালৈকে একেখন আসনতে বহুৱাই ৰখাৰ কি ধৰণৰ interest চৰকাৰৰ আছে বা কি উদ্দেশ্য আছে সেই বিষয়ে আমি প্ৰশ্ন কৰিছিলো। তাৰপিছত CID য়ে enquiry দিলে,কিন্তু কোনো ব্যৱস্থা আমি গ্ৰহণ কৰা নুশুনিলো। এনেক্ষেত্ৰত এই দুটা সংস্থা বিলোপ কৰি এটা সংস্থা কৰিব বিচাৰিছে তাৰো Category 1, Category 2 কৰিছে দুজন দুজন Vice-Chairman, দুজন দুজন Secretary থাকিব। কিন্তু Chairman আৰু Vice-Chairman এই দুটা important post ইয়াত যাতে political appointment নহয় আৰু যাতে আমাৰ অসমৰ প্ৰখ্যাত কোনো এজন শিক্ষাবিদক Chairman হিচাপে Vice-Chairman হিচাপে দুজন Vice-Chairman থাকিব। তেওঁলোকক appointment দিয়াৰ কাৰণে এখন Search Committee গঠন কাৰ দৰকাৰ। চৰকাৰে কৰক Search Committee খন। কিন্তু it should be headed by the Vice-Chancellor or retired Vice-Chancellor আৰু বাকী দুজন member নিশ্চিতভাৱে চৰকাৰে দিব আৰু তেতিয়াহ'লে মানুহৰ মাজত এটা বিশ্বাস আহিব সেই Chairman ৰ post ত ৰাজনৈতিকভাৱে appointment টো হোৱা নাই আৰু ৰাজনীতি প্ৰশ্ৰয় নাপাব আৰু এইটো 3 years থাকিব আৰু 3 years ৰ পাছত তেওঁলোকৰ প্ৰয়োজন হয় নিশ্চিতভাৱে extension হয়তো এবছৰ দিব পাৰিব কিন্তু একেবাৰে ৭ বছৰ ৮ বছৰ ধৰি post পুতি বহি থাকিব chairman আৰু চৰকাৰী পৃষ্ঠপোষকতাত তাৰ ফলতে আমাৰ ছেবা গেলি হৈ গৈছে, কাউঞ্চিলো গেলি গৈছে। বহুত সমস্যাই আমাক দেখা দিছে। এইবোৰো আমি পৰীক্ষা ভালকৈ পাতিব নোৱাৰিম। এই যিটো ব্যৰ্থতা, এই ব্যৰ্থতা কাটিব লাগিলে মানুহে যোগ্য আৰু মানুহে বিশ্বাস স্থাপন কৰিব পৰা চেয়াৰমেন বাচনি হোৱা দৰকাৰ আৰু এইটো চৰকাৰে বাচনি কৰাতকৈ এখন Search Committee য়ে কৰিব লাগিব। এই বিষয়টোত মই বিষয়টোত সংশোধনী আনিছো। Clause -9 (2) ত এটা লিখা আছে মই এইটো পঢ়ি দিছো। অদ্ভুত কথা কিছুমান কৈছে যে misbehaviour ৰ কাৰণে The Chairman or Vice-Chairman shall be removed from his office by

order of the State Government only on the grounds of prove misbehaviour. In capacity টো আছে। Misbehavoiur টো এইটো যিকোনো মূহুৰ্ত্তে হ'ব পৰা কথা আৰু তাক প্ৰমাণ কৰাটো অসুবিধা। মই misbehaviour কথাটো উঠাই দি misconduct কৰিব খুজিছো। তেওঁ যদি পৰীক্ষা চলোৱাত ব্যৰ্থ হৈছে, তেওঁৰ দিনত যদি পেপাৰ লিক হৈছে তেওঁ গোটেই পৰিচালনাত ব্যৰ্থ হৈছে misconduct হ'ব, misbehavour টো ৰাখি misconduct টো অলপ shadow কৰি দিয়া হৈছে। সেই কাৰণে মই misbehaviour ৰ ঠাইত misconduct কৰিব বিচাৰিছো। এটা panel provision ৰাখিছো মই। Panel Provision ত যাতে malpractice যেতিয়া হয়, A malpractice shall be punished for a term of 5 years. এইটো যোগ কৰিব লাগে। এইকেইটা মই amendment দিছো কিন্তু agitation সম্পৰ্কত বহুত কথা ক'বলৈ আছে। ইমান confined নহ'ব। আমি বহু আলোচনা কৰিছো Tet Tutor Teacher ৰ কথা এতিয়া সদ্যহতে যিবিলাক আমাৰ contractual teacher আছিল তেওঁলোকক permanent কৰিব গৈছে। Recent period টো ধৰি তেওঁলোকক permanent কৰিব ১০-১২ টা বছৰে তেওঁলোকে স্কুলত কাম কৰিলে payment লৈয়ে কৰিছে, salary লৈয়ে কৰিছে। তেওঁলোকক সেই বছৰবিলাক cover নকৰিব তাৰ benefit টো তেওঁলোকে নাপাব। বহুত লষ্ট হ'ব ১০-১২ বছৰ কৰাৰ পিছত। এনেকুৱা সমস্যাবিলাক সমাধান হোৱা নাই আৰু মোৰ দৃষ্টিভংগীত এইটো এটা পদক্ষেপ গ্ৰহণ কৰিছে। চোৱা যাওঁক কি হয়। মই বেছি আশাবাদী নহয়। কাৰণ ছেবা আৰু কাউঞ্চিল থাকোতে আমি failure ৰ পিছত failure হৈছো। এতিয়া এখন কৰিলেই যে সাংঘাতিক হ'ব এইটো মই নাভাবো। কিন্তু অন্যান্য যিসমূহ শিক্ষাত আছে, মই আজি আৰু আলোচনা কৰিব খোজা নাই। কিন্তু অন্যান্য সমস্যা যিহেতু বিলৰ লগত যুক্ত নহয়, মই বিলৰ ক্ষেত্ৰত এইখিনি কথা ক'লো। কিন্তু বাকী সমস্যা বিলাকক আওকান নকৰি শিক্ষা বিভাগটোক পৰ্বতসম সমস্যা, এই পৰ্বতসম সমস্যা যি দক্ষতাৰে সমাধান কৰিব লাগিছিল, আমাৰ চৰকাৰ বা শিক্ষা বিভাগ যি ব্যৰ্থ হৈছে বুলি অনুভৱ কৰি মোৰ বক্তব্য এইখিনি amandment ৰ ওপৰত কৈছো।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। শ্ৰীকমলাক্ষ দে পুৰকায়স্থ। আপোনাৰ সংশোধনী কেইটা আনক। তাৰ ওপৰত বক্তব্য দিব। গোটেইকেইটা সংশোধনী একেলগে আপুনি কৈ দিব।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, The Assam State School Education Board Bill, 2024. বিলত ইমানখিনি ক'ব নোৱাৰি। কথাটো হৈছে যে তাতে 6 to 9 আৰু 11, 12 অৰ্থাৎ ছেবা আৰু কাউঞ্চিল এক কৰি বোৰ্ড বনোৱা হৈছে। এইটো ক্ষেত্ৰত বিলাখন চালো যদিও Education Department ৰ কথাটো কোৱা হৈছে, এটা clause আছে যে, বোৰ্ডখন constitute কৰিবৰ কাৰণে। তাত বহুখিনি member লোৱা হৈছে। তাত আমি দেখা পালো যে one principal of higher Secondary school, One Head master of the higher Secondary school, one representative এনেকুৱা বহুখিনি আছে। মন্ত্ৰী মহোদয়ৰ ওচৰত মোৰ এটা অনুৰোধ থাকিব কথাটো হৈছে যে বেংগলী মিডিয়ামৰ বহুকেইখন স্কুল আছে, বৰাকভেলীৰ ফালৰ পৰা যেতিয়া Head Master বা Principal বা one representative লোৱা হয়, বৰাকভেলীৰ ফালৰ পৰা যাতে এজন লোৱা হয়, নহ'লে বঙ্গভাষীৰ পৰা এজন representative থাকে, এইখিনিৰ এটা খেলিমেলি হৈ থাকে। এইখিনিৰ ক্ষেত্ৰত যাতে তেখেত concern হয়। এটা কথা যে, আমি শিক্ষা বিভাগৰ

কথা যি কৈ থাকো, এইটো এটা এনেকৰা বিভাগ, তাত কৰিবলগীয়া বহুখিনি আছে আৰু চৰকাৰৰ highest focus হৈছে আমাৰ শিক্ষা বিভাগ। অৰ্থাৎ এখন ৰাজ্যৰ কিমানখিনি উন্নতি হয় সেইটো শিক্ষাৰ ক্ষেত্ৰত কিমানখিনি আগবাঢ়িছে তাৰ ওপৰত মেইন focus থাকে। শিক্ষাৰ ওপৰত আমাৰ ৰাজ্য কিমানখিনি আগবাঢ়িব পাৰিছো, আমাৰ ৰাজ্যখন কেনেকৈ চলি আছে, আমাৰ চিন্তা-চৰ্চা কেনেকুৰা সেইটো শিক্ষাৰ ওপৰত নিৰ্ভৰ কৰে। মোৰ যিটো ক'বলগা আছিল মই ২০১১ চনৰ পৰা বিধায়ক হৈ আছো। তাৰ আগতে আমি বহুখিনি কথা দেখিছো। জানো যে শিক্ষাৰ ব্যৱস্থাটো কেনেকুৰা আছিল। আমাৰ এনেকুৰা এটা অৱস্থা আছিল যে চতুৰ্থ বৰ্গৰ staff নাই. আমাৰ head master গৈ ঘণ্টা বজাব লগা হৈছিল। এনেকুৰা অৱস্থা আমি পাইছিলো। আমাৰ স্কুলবোৰত শিক্ষক নাছিল। Maximum স্কুল এনেকুৰা আছিল। আজি যদি এটা attachment হয় কালি arttachment withdraw কৰা হয়, তাৰ পাছত বেলেগত attachment হয়। এনেকুৰা এটা বাতাবৰণ আছিল। এই অৱস্থা যেতিয়া আমি দেখা পালো যে বৰ্তমান চৰকাৰে আমাৰ বহুতখিনি Seba Setu Portel টো আৰম্ভ কৰিছে। ইতিমধ্যে যে গোটেই teacher সকলে আন্দোলন কৰিছিল। প্ৰথমতে বৰ্তমান দেখিলে যে আমাৰ 80%, 90% attendance হয়, এই যিটো এটা পৰিবেশ সৃষ্টি হৈছে মই ভাৱো যে আমাৰ অসমৰ ইতিহাসত এনে এটা বাতাবৰণৰ সৃষ্টি হৈছে। মই বিশেষকৈ মাননীয়া মন্ত্ৰীক ধন্যবাদ জনাইছো আমাৰ এনে এটা পৰিবেশ আছিল য'ত নেকি এটা শিক্ষা বুলি ক'ব লগা হয় যেতিয়া শিক্ষিত বাতাবৰণ বুলি ক'ব লাগে আমাৰ impression টো এনেকুৰা আছিল। অসমৰ impression টো বেয়া আছিল. কিন্তু আজিৰ দিনত আমাৰ impression টো সলনি হৈছে, আজিৰ দিনত আমি দেখিছো যে এনেকুৰা হয় আমাৰ কৰিব লগা আছে। আমি এনেকৈ নকওঁ যে শিক্ষা বিভাগত আমাৰ কৰিবলগা নাই। আমি শিক্ষা বিভাগত আৰু বহুখিনি কৰিব লগা আছে। কিন্তু বৰ্তমান চৰকাৰে যিটো focus দিছে, শিক্ষা বিভাগৰ ওপৰত সেইটো আমি কেতিয়াও ভাবিব পৰা নাই। আজি প্ৰত্যেকখন স্কুল Sub-category হোৱাৰ চিন্তা-চৰ্চা কৰিছে। আগতে midday meal কেনেকুৰা আছিল। মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম আজি প্ৰায় ২১৪ খন হাইচেকেণ্ডাৰী স্কুল কৰা হৈছে। হাইস্কুলৰ পৰা হাইচেকেণ্ডাৰীলৈ কৰা হৈছে। মাননীয় উপাধ্যক্ষ মহোদয়, যোৱাকালি কিছু প্ৰধান শিক্ষক আপগ্ৰেশ্যেনৰ কাৰণে মোৰ ওচৰলৈ আহিছিল। তেওঁলোকে পাব লগা আছে আৰু ইয়াৰ ফাইল ইতিমধ্যে গৈছে। মই ভাৱো যে মাননীয় মন্ত্ৰী মহোদয় ইয়াক লৈ যথেষ্ট সচেতন। ইয়াৰ লগতে আমাৰ যিখিনি সমস্যা আছে, সেইখিনি আলোচনা কৰি সমাধান কৰিব লাগে। আমি ৰাজনীতি কৰিম আৰু আমাৰ ৰাজনৈতিক চিন্তাধাৰা থাকিব। কিন্তু শিক্ষাৰ ক্ষেত্ৰত ৰাজনৈতিক চিন্তাধাৰা এৰি এনে এটা বাতাবৰণৰ সৃষ্টি কৰিব লাগে যে আমাৰ শিক্ষা ব্যৱস্থাৰ এটা আমূল পৰিৱৰ্তন হ'ব লাগে। আমি দেখিছো বৰ্তমান চৰকাৰৰ এই মানসিকতা আছে। আজিতকৈ ২০-২৫ বছৰ আগতে কি হৈছিল, সেইটো ক'বলৈ নাযাওঁ। কিন্তু বৰ্তমান চৰকাৰৰ যিখিনি কণচাৰ্ণ আছে, সেই ক্ষেত্ৰত প্ৰত্যেকজন বিধায়কে আগবাঢ়ি আহি সহায় কৰিব লাগে। আজি প্ৰত্যেখন স্কুলতে পুথিভঁড়াল বনোৱাৰ কাৰণে চিন্তা কৰা হৈছে। আমি যিখিনি আসোঁৱাহ আছে, সেই ক্ষেত্ৰত চিন্তা-চৰ্চ্চা কৰি সমাধান কৰি শিক্ষাৰ ক্ষেত্ৰত এটা যোগান্তকাৰী পদক্ষেপ গ্ৰহণ কৰিব লাগে। বৰ্তমান চৰকাৰে যিখিনি পদক্ষেপ গ্ৰহণ কৰি আছে, তাৰ প্ৰতি মই ধন্যবাদ জনাই মই মোৰ বক্তব্য সামৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়া, আপুনি আপোনাৰ সকলোখিনি সংশোধনী ৰাখি নিজৰ বক্তব্য দাঙি ধৰক।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এইখন এখন খুব দৰকাৰী বিল, কাৰণ ষষ্ঠ শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ গোটেই শৈক্ষিক ব্যৱস্থাটোৰ কাৰিকুলাম, চিলেবাচ, কোৰ্চ, পৰীক্ষা, পাঠ্যপুথিকে আদি কৰি সকলোখিনি কাম এই নতুন বোৰ্ডৰ হাতত দিয়া হৈছে। এইটো বৰ ডাঙৰ দায়িত্ব। কিন্তু এই দায়িত্ব পালন কৰাৰ কাৰণে যিজন মূল মানুহ, সেইজনক আকৌ মন্ত্ৰী সকলে নিজৰ সমষ্টিৰ পৰা ভোটাৰ এজনক আনি বহুৱাই দিয়ে। ষষ্ঠ শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ ইমান ডাঙৰ শিক্ষাৰ ব্যৱস্থা এটাৰ নিয়ন্ত্ৰণ কৰাৰ দায়িত্ব নিজৰ স্বাৰ্থৰ বাবে নিজৰ সমষ্টিৰ বিষয়টোৰ ওপৰত জ্ঞান থকা নথকা, শিক্ষাগত অৰ্হতা থকা বা নথকা ম ানুহ এজনক ৰাজনৈতিকভাৱে যদি আনি বহুৱাই দিয়ে, তেতিয়াহ'লে এই শিক্ষা ব্যৱস্থাটো কেতিয়াও ঠিক হ'ব নোৱাৰে। মই মাননীয় সদস্য মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াই যিটো প্ৰস্তাৱ উত্থাপন কৰিছে, সেইটোতে গুৰুত্ব দি ক'ব খুজো যে আটাইতকৈ গুৰত্ব দিবলগীয়া বিষয়টো হ'ল চেয়াৰমেন আৰু ভাইচ-চেয়াৰমেন কোন হ'ব ? আৰু তেওঁলোকক কেনেকৈ নিৰ্বাচিত কৰা হ'ব ? মই ভাৱো এই সমিতিখনৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া, শিক্ষামন্ত্ৰী ডাঙৰীয়া, বিৰোধী দলৰ দলপতি এই তিনিজনৰ শ্বেয়াৰ থাকিব লাগে আৰু লগতে আটাইকেইখন বিশ্ববিদ্যালয়ৰ ভাইচ-চেঞ্চলৰ সকলে মেম্বাৰ হৈ সকলোৰে মিলি চেয়াৰমেন জনক নিৰ্বাচিত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে যাতে আমাৰ বিদ্যালয় শিক্ষাটোৰে প্ৰকৃতাৰ্থত এটা মানদণ্ড ৰাখিব পাৰে। মই যদি কালি মন্ত্ৰী হওঁ আৰু অন্য কোনোবা কালিলৈ মন্ত্ৰী হয়, নিজৰ সমষ্টিৰ মানুহ এজনক বহুৱাই দিওঁ বা বহুৱাই দিয়ে, এইটো কেতিয়াওঁ ভাল হ'ব নোৱাৰে।

দ্বিতীয় কথাটো হ'ল যে কোনোবা এজনে বোৰ্ডৰ চেয়াৰমেন হৈ নিজৰ মতে কোনো বিষয়া-কৰ্মচাৰীক বহুৱাই লোৱাৰ ব্যৱস্থাটো আঁতৰাই দিব লাগে আৰু চৰকাৰে সম্পূৰ্ণৰূপে নিজৰ ফালৰ পৰা নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে। এই খিনি আচলতে ইয়াত অন্তৰ্ভূক্ত কৰিব লাগে। তেতিয়াহে প্ৰকৃতাৰ্থত এই বোৰ্ডখনে শৈক্ষিকভাৱে কাম কৰাত সফল হ'ব। প্ৰকৃতাৰ্থত অসমৰ মানুহে চিনি-জানি পোৱা শিক্ষাবিদ এজনক নিৰ্ব্বাচিত কৰিব লাগে, যিয়ে আমাক শিক্ষা ব্যৱস্থাটোক আগুৱাই নিব পাৰে। সকলোৰে শিক্ষা ব্যৱস্থাৰ কথা কৈ আছে। আমাৰ এল পি স্কুল সমূহত পাঁচ টা বা ছয়টা শ্ৰেণী থাকে আৰু তাত কেৱল এজন বা দুজন শিক্ষক থাকে। তাত কেনেকুৱা ধৰণৰ শিক্ষা ব্যৱস্থা থাকিব পাৰে? এল পি স্কুলৰ ডাঙৰ কোঠা এটাত চাৰি-পাঁচটা ক্লাছ থাকে। তাত তেওঁলোকে নেওঁতাও গাই থাকে, অংকও কৰে আৰু সাহিত্যও পঢ়ি থাকে। খুব দুৰ্ভাগ্যজনক শিক্ষা ব্যৱস্থাৰ মাজেৰে আমি আগবাঢ়ি গৈ আছো। আজিকালি ল'ৰা-ছোৱালীয়ে জন্মৰ দুই বছৰ পিছতেই মোবাইল টিপি আমেৰিকাৰ শিক্ষা ব্যৱস্থা চাই থাকে। তেনে ক্ষেত্ৰত এনেকুৱা অংগনৱাড়ী কেন্দ্ৰত কেনেকৈ পঢ়া-শুনা কৰিব ?

**মাননীয় উপাধ্যক্ষ ঃ** ল'ৰা-ছোৱালীয়ে নেওঁতা স্কুলৰ ভিতৰত পঢ়ে নেকি ? আমিতো স্কুলৰ বাহিৰত গছৰ তলত পঢ়িছিলো।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজিকালি কোনোধৰণৰ ফিল্ড নাই। বৰ্তমান শিক্ষা ব্যৱস্থাৰ অৱস্থা একেবাৰে বেয়া। বৰ্তমান চৰকাৰৰ শিক্ষাৰ ক্ষেত্ৰত কোনো গুৰুত্ব নাই। কেৱল হিন্দু-মুছলিম লৈ ৰাজনীতি কৰি থাকে। .... Interruption........শেষত আমাৰ যিখিনি ঠিকাভিত্তি শিক্ষক আছে, তেওঁলোকক নিয়মীয়ীকৰণ কৰিবৰ বাবে লোৱা হৈছে বা কৰি থকা হৈছে। কিন্তু তেওঁলোকৰ দৰমহাসমূহ কমাই দিয়া হৈছে। এইটো একেবাৰে শিক্ষকসকলৰ প্ৰতি অপমান আৰু এইয়াই তেওঁলোকক কামৰ পৰা বিতাড়িত কৰি আন্দোলন কৰাৰ বাবে উৎসাহিত কৰিব। লগতে যিখিনি ভেঞ্চাৰ স্কুল আছে, সেইবোৰৰ শিক্ষকসকলক নিয়মীয়াকৰণ বন্ধ কৰি দিয়া

হৈছে। সেইখিনি উঠাই লৈ তাৰ স্কুলসমূহ নিয়মীয়ীকৰণ কৰিবলৈ আইন সংশোধন কৰিব লাগে। মোৰ এইখিনিয়েই ক'বলগীয়া। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য ডাঃ আচিফ মঃ নজৰ ডাঙৰীয়াই কওঁক।

**ডাঃ আচিফ মঃ নজৰ, (লাহৰীঘাট) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, "আসাম ষ্টেট স্কুল এডুকেশ্যন বোৰ্ড বিল, ২০২৪"ৰ ৪ নং পৃষ্ঠাৰ Constitution of the Board ৰ শিতানত যিসকল Co-opted মেম্বাৰ আছে, বিশিষ্ট শিক্ষকসকলৰ সদস্যৰ সংখ্যা ৩ ৰ পৰা ৫ জন কৰিব লাগে। শিক্ষা জাতিৰ মেৰুদণ্ডস্বৰূপ। নেলশ্যন মেণ্ডেলাই কৈছিল যে Education is the powerfull weapon which we can use to change the world. কিন্তু দুৰ্ভাগ্যজনক বিষয়টো হৈছে যে আমি চৰকাৰে যিমানেই ঢোল-ডগৰ নবযাওঁক কিয় শিক্ষাৰ ক্ষেত্ৰত আমাৰ ৰাজ্যখনৰ পশ্চাদপদতাৰ কথা কোনেও নুই কৰিব নোৱাৰে। পণ্ডিতসকলে কোৱাৰ দৰে কোনো এটা জাতি ধ্বংস কৰিবলৈ হ'লে তাৰ দুৰ্ব্বল শিক্ষা ব্যৱস্থা বা আসোঁৱাহপূৰ্ণ পৰীক্ষা পদ্ধতিয়েই যথেষ্ট। চৰকাৰে পৰীক্ষাসমূহৰ ক্ষেত্ৰত প্ৰশ্ন কাকত ফাদিল কৰাৰ যি আইন উলিয়াইছিল, তাৰ পিছতো যোৱাবাৰৰ দৰে এইবাৰো মেট্ৰিক বা উচ্চতৰ মাধ্যমিকৰ পৰীক্ষাত এক ঘণ্টা নহওঁতেই প্ৰশ্ন কাকত ফাদিল হয়। আকৌ কোনো পৰীক্ষাত নিৰ্দ্দিষ্ট বিষয়ৰ সলনি বেলেগ বিষয়ৰ প্ৰশ্ন কাকত দিয়া হৈছিল। ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ গুৰুত্বপূৰ্ণ পৰীক্ষা এখন চৰকাৰে যদি সুচাৰু-ৰূপে পালন কৰিব নোৱাৰে, তেন্তে আমি এখন চৰকাৰৰ পৰা শিক্ষা বিকাশৰ নামত আৰু কি আশা কৰিব পাৰো। মানৱতাৰ কথা বৰকৈ কোৱা এই চৰকাৰখনে যিবোৰ ভেঞ্চাৰ স্কুল আছে, তাৰ প্ৰাদেশীকিকৰণৰ কথা কেতিয়াওঁ নকয়। মানৱ সম্পদ দিয়া এই শিক্ষকসকলৰ অৱস্থা কি হ'ব এই চৰকাৰখনে ভাৱিছেনে? অসমৰ প্ৰাদেশীকৃত মহাবিদ্যালয় সমূহত নন চেংচন পোষ্টত বহুত শিক্ষক আছে। চৰকাৰে এটা কাট অফ ডেট দিছিল। কিন্তু তাৰ বেছি সংখ্যক পদ নিয়মীয়া কৰা হৈছে যদিও একে সময়তে জইন কৰা ৮৩ জন শিক্ষক এতিয়াও ন্যায় দিয়া হোৱা নাই। এইক্ষেত্ৰত যি আবেদনকাৰী সমূহৰ সমিতি আছে, সেই সমিতিয়ে চৰকাৰক বাৰে বাৰে মনত পেলাই দিয়াৰ পিছতো ডি এইছ চিয়ে কলেজ শিক্ষক সকলৰ নথি-পত্ৰসমূহ ভেৰীফিকেশ্যনৰ ক্ষেত্ৰত এতিয়ালৈকে ডেৰ বছৰ হ'ল, কিন্তু কোনো ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। চৰকাৰে খবৰ ৰাখিছেনে, ২০০৪ বা তাৰ আগতে যিসকল শিক্ষক আছিল, তেখেতসকলৰ বহুতেই বিনা বেতনত কাম কৰি অৱসৰ ল'লে। কিন্তু তেখেতসকলৰ কোনো ব্যৱস্থা চৰকাৰে নকৰিলে। মাননীয় উপাধ্যক্ষ মহোদয়, অসম টেট শিক্ষাত যিমান শিক্ষক নিযুক্তি পাইছে, তাৰ পিছতো যিবোৰ প্ৰাথমিক বিদ্যালয় আছে, সেইবোৰত শিক্ষকৰ অভাৱ আছে। কিছুমান শিক্ষকে বাৰে বাৰে নিযুক্তি পাই আছে। কেতিয়াবা নিম্ন প্ৰাথমিকত, কেতিয়াবা উচ্চ প্ৰাথমিকত আৰু কেতিয়াবা উচ্চ মাধ্যমিক বিদ্যালয়ত। যিসকল ঠিকাভিত্তিক শিক্ষক আছে, তেওঁলোকে নিযুক্তি পোৱাৰ পিছত যেতিয়া তেওঁলোকৰ পদটো নিয়মীয়া হৈ যায়, তেতিয়া তেওঁলোকে ... interruptions...

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী, পৰ্য্যটন ইত্যাদি)ঃ** উপাধ্যক্ষ মহোদয়, Cut Motion ৰ আলোচনা নে সংশোধনী?

**মাননীয় উপাধ্যক্ষঃ** শিক্ষাৰ ওপৰত যিটো সংশোধনী দিছিল, লগতে ... interruptions...

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী, পৰ্য্যটন ইত্যাদি)ঃ** সংশোধনীৰ কথা পাতক। ইয়াত গোটেই বিভাগৰ ওপৰত আলোচনা চলি আছে..... interruptions...

**মাননীয় উপাধ্যক্ষঃ** সংশোধনীৰ লগতে দুই ঘণ্টা সময় আলোচনা হ'ব বুলি আমাৰ BACত

সিদ্ধান্ত লোৱা হৈছিল।

**ড° আছিফ মহম্মদ নাজাৰ (লাহৰীঘাট)ঃ** মন্ত্ৰী মহোদয়, অধ্যক্ষ ডাঙৰীয়াই কৈছিল যে overall আলোচনা কৰিব পাৰিব ...... interruptions...

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী, পৰ্যটন ইত্যাদি)ঃ** বিলখনৰ ওপৰত আলোচনা কৰক ... interruptions...

**ড° আছিফ মহম্মদ নাজাৰ (লাহৰীঘাট)ঃ** বিলখনৰ ওপৰতে কৈ আছো ... interruptions...

**মাননীয় উপাধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া, BACত সিদ্ধান্ত হৈছিল যে শিক্ষাৰ ওপৰত দুই ঘণ্টা আলোচনা হ'ব গতিকে সংশোধনী অনাৰ লগে লগে তেওঁলোকক ক'বলৈও সুবিধা দিয়া হৈছে যাতে একেলগেই হৈ যায়। গতিকে ইয়াত কোনো সুবিধা নাই। তেওঁ ঠিকেই কৈ আছে।

**ড° আছিফ মহম্মদ নাজাৰ (লাহৰীঘাট)ঃ** চাৰ, ঠিকাভিত্তিক শিক্ষক নিযুক্তি দিয়াৰ পিছত তেওঁলোকক আন বিদ্যালয়লৈ লৈ যোৱাৰ ফলত উক্ত বিদ্যালয়ত পুনৰ শিক্ষকৰ অভাৱ হৈছে। এনেকৈ দিয়া নিয়া কৰি থকাৰ ফলত কিছুমান বিদ্যালয়ত শিক্ষক বাঢ়ি গৈছে আৰু কিছুমান বিদ্যালয়ত মাত্ৰ এজন বা দুজন শিক্ষকহে আছে। উপাধ্যক্ষ মহোদয়, Rationalization প্ৰক্ৰিয়াৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষক দিয়াৰ কথা আছিল। কিন্তু এতিয়ালৈকে সেই কাম কাৰ্যকৰী হৈ উঠা নাই। শিক্ষকসকলৰ যিবোৰ অশৈক্ষিক দায়িত্ব যেনে এন.আৰ.চি.ৰ কাম, নিৰ্বাচনী দায়িত্ব এইবোৰৰ পৰা তেওঁলোকক ৰেহাই দিব লাগে। একত্ৰীকৰণ প্ৰক্ৰিয়াৰে চৰকাৰী বিদ্যালয়ৰ সংখ্যা হ্ৰাস কৰাৰ এক অঘোষিত প্ৰতিযোগিতাত চৰকাৰখন যেন ব্ৰতী হৈছে। ২০২১-২২ বৰ্ষত এই চৰকাৰে ৩০৮ খন এল.পি. স্কুল, ৩০৮ খন এম.ই. স্কুল, ৬৫০ খন হাইস্কুল একত্ৰীকৰণ কৰি ৬৩১ খন বিদ্যালয় হ্ৰাস কৰিছে। তাৰ পিছত ২০২২-২৩ বৰ্ষত ৬৫৩ খন বিদ্যালয়ৰ একত্ৰীকৰণ কৰি ৫২৪খন বিদ্যালয় বিলুপ্ত কৰিছে। ২০২৩-২৪ বৰ্ষত ১,১১২ খন বিদ্যালয় একত্ৰীকৰণ কৰি ৮৬৮ খন বিদ্যালয় হ্ৰাস কৰিছে। হ্ৰাসৰ সংখ্যা বাঢ়িছে কিন্তু ইয়াৰ তুলনাত এখনো নতুন বিদ্যালয় হোৱা নাই। উপাধ্যক্ষ মহোদয়, প্ৰতি বছৰে গুণোৎসৱৰ যোগেৰে ৰাজ্যখনত যিমান শিক্ষানুষ্ঠান হৈছে সেইবোৰে এক মূল্যায়ন দাঙি ধৰে। কিন্তু আচৰিত কথা যে এজন শিক্ষকেৰে চলি থকা বিদ্যালয় এতিয়াও আছে। আজিৰ দিনত ৰাজ্যখনত boy's toilet নথকা বিদ্যালয়ৰ সংখ্যা ১৭৪৭ খন, girls' toilet নথকা বিদ্যালয়ৰ সংখ্যা ৭৪১ খন, drinking water নথকা বিদ্যালয়ৰ সংখ্যা ৭৩৫ খন, দিব্যাংগৰ ৰেম্প নথকা বিদ্যালয়ৰ সংখ্যা ১৪৬০ খন, বিজুলী যোগান নধৰা বিদ্যালয়ৰ সংখ্যা ৫৯০খন, solar light নথকা বিদ্যালয়ৰ সংখ্যা ৩০ খন, boundary wall নথকা বিদ্যালয়ৰ সংখ্যা ২১,৪৩০ খন, খেল-পথাৰ নথকা বিদ্যালয়ৰ সংখ্যা ১৪,৩৯২খন, পুথিভঁৰাল নথকা বিদ্যালয়ৰ সংখ্যা ৫৫৬৭ খন, book bank, নথকা বিদ্যালয়ৰ সংখ্যা ৬০১ খন। গতিকে, নিঃশকটীয়া আন্তঃগাঁথনি আৰু শিক্ষকৰ অভাৱ থকাৰ পিছতো এই গুণোৎসৱে যি ভেকো-ভাওঁনা কৰি আছে, তাৰ প্ৰতি মাননীয় মন্ত্ৰী মহোদয় অৱগত হয় নে নহয়? যদি অৱগত নহয়, তেন্তে ইয়াৰ প্ৰতি মই তেওঁৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ। মাননীয় সদস্য শ্ৰী জাকিৰ হুছেইন সিকদাৰ। তেখেত অনুপস্থিত। এতিয়া মাননীয় মন্ত্ৰী।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী, শিক্ষা ইত্যাদি)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যদিও শিক্ষাৰ বিভিন্ন বিষয়ৰ ওপৰত মাননীয় সদস্যসকলে বক্তব্য ৰাখিছে কিন্তু বিলখন পাছ কৰিব লাগিব। বিলৰ যিখিনি সংশোধনী আছে, সেই সংশোধনীৰ ওপৰত গুৰুত্ব আৰোপ কৰি মূল কথা কেইটামান ক'ব

বিচাৰিছো। আমি ইতিমধ্যে ৰাষ্ট্ৰীয় শিক্ষা নীতি, ২০২০ ৰূপায়ণ কৰিছো। Assam State School Education Board, পূৰ্বৰ ছেবা আৰু Assam Higher Secondary Education Council এই দুয়োখনকে একেলগ কৰি এখন বোৰ্ড গঠন কৰাৰ বাবে এই বিলখন অনা হৈছে। ৰাষ্ট্ৰীয় শিক্ষা নীতি মতে বিদ্যালয় শিক্ষাত যিখিনি পৰিৱৰ্তন আহিছে, তাৰ মই কেইটামান কথা মাননীয় সদস্যসকলক জনাই দিব বিচাৰিছো। পূৰ্বে State Council of Educational Research and Training (SCERT) য়ে অৰ্থাৎ নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক, অষ্টম শ্ৰেণীলৈকে ছাত্ৰ-ছাত্ৰীৰ curriculum, textbook, বিদ্যায়তনিক কথা বতৰা চাইছিল। কিন্তু ৰাষ্ট্ৰীয় শিক্ষা নীতি, ২০২০ হোৱাৰ পিছত SCERT ৰ কামৰ পৰিসৰ বঢ়াই ইয়াক দ্বাদশ শ্ৰেণীলৈকে লৈ যোৱা হৈছে। পূৰ্বে নৱম আৰু দশম শ্ৰেণীৰ পাঠ্যপুথিৰ প্ৰণয়ন আৰু তাৰ প্ৰস্তুতকৰণ ছেবাই কৰিছিল। একাদশ আৰু দ্বাদশ শ্ৰেণীৰ পাঠ্যপুথি, academic কামখিনি Assam Higher Secondary Education Council য়ে কৰিছিল। ৰাষ্ট্ৰীয় শিক্ষা নীতি হোৱাৰ পিছত এইখিনি কামখিনি ছেবা বা AHSECৰ দায়িত্বত নাথাকে। Academic কাম-কাজ, curriculum প্ৰস্তুত কৰা, এইখিনি সম্পূৰ্ণৰূপে SCERT ৰ অধীনলৈ যাব আৰু NCERT য়ে যি গাইডলাইন বা curriculum দিয়ে, সেই পাঠ্যপুথিয়েই আমাৰ বিদ্যালয়ত বৰ্তমান চলে। এতিয়া যিখন Assam State School Education Board হ'ব তেওঁলোকৰ হাতত কোনো academic দায়িত্ব নাথাকে। এই বোৰ্ডখনে syllabus, curriculum প্ৰস্তুত নকৰে। এই কাম-কাজখিনি SCERTয়ে কৰিব ।

দ্বিতীয় কথাটো হ'ল, বিদ্যালয়সমূহৰ মানদণ্ড উন্নত হ'ব লাগে আৰু মানদণ্ডক নিৰবিচ্ছিন্ন প্ৰক্ৰিয়াৰ মাজত নিৰীক্ষণ কৰিব লাগে। আমাৰ উচ্চ শিক্ষাত U.G.C. ৰ অধীনত National Assessment and Accreditation Council (NAAC) আছে। NAACয়ে মহাবিদ্যালয়সমূহৰ grading কৰে, academic infrastructureৰ ওপৰত assessment কৰি accreditation কৰে। একেধৰণে, ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ অধীনত প্ৰস্তাৱ কৰা হৈছে যে প্ৰত্যেকখন ৰাজ্যত এখন State School Standard Authority (SSSA) থাকিব। এই SSSA য়ে বিদ্যালয়সমূহৰ যি গুণগত দিশ, মানদণ্ড, আন্তঃগাঁথনি থাকিব লাগে, পৰিচালনাৰ ক্ষেত্ৰত যিখিনি নীতি-নিয়ম তেওঁলোকে পালন কৰিব লাগে, ইয়াৰ ওপৰত assessment কৰিব। অৰ্থাৎ বিদ্যালয় এখনৰ quality control কৰাৰ ক্ষেত্ৰত নতুনকৈ যিখন State School Education Board গঠন কৰা হ'ব, এই বোৰ্ডখনৰ তাত কোনো ভূমিকা নাথাকে। সেইটো SSSAয়ে কৰিব। তেতিয়াহ'লে এই বোৰ্ডখনৰ মূল দায়িত্বটো কি হ'ব? এই বোৰ্ডখনৰ মূল দায়িত্ব হ'ব পৰীক্ষা অনুষ্ঠিত কৰা আৰু চাৰ্টিফিকেট প্ৰদান কৰা যিটো মূলতঃ এটা প্ৰশাসনিক কাম-কাজ। ইয়াত এটা সংশোধনী প্ৰস্তাৱ দিয়া হৈছে যে Vice Chancellor বা its equivalent এজনহে ইয়াৰ সভাপতি হ'ব লাগে আৰু তেওঁ অসমৰ স্থানীয় বাসিন্দা হ'ব লাগে। কিয় অসমৰ স্থানীয় বাসিন্দা হ'ব লাগে বুলি আনিছে তাৰ প্ৰসংগত মই ক'ব বিচাৰিছো যে আমাৰ ছেবাত এতিয়ালৈকে ২৪ জন সভাপতি হৈছে আৰু কোনো দিনেই কোনো বিশ্ববিদ্যালয়ৰ Vice Chancellor বা Retired Vice Chancellor ছেবাৰ সভাপতি হোৱা নাই। কোনো প্ৰফেচাৰ সভাপতি হৈছে আৰু সৰহ সংখ্যকেই Assam Education Service, Assam Civil Service, Indian Administrative Service ৰ বিষয়া ইয়াৰ সভাপতি হৈছে। মাজতে পৰীক্ষাক লৈ যেতিয়া কিছু বিতৰ্কৰ সৃষ্টি হৈছিল, এচাম সংবাদ মাধ্যমে অহৰ্নিশে বাতৰি

পৰিবেশন কৰিছিল যে এজন অনা অসমীয়া বহিৰাগত সভাপতিৰ দ্বাৰা ছেবা পৰিচালনা কৰাৰ বাবে এইটো হৈছিল। যিটো আচলতে সম্পূৰ্ণৰূপে এটা অপপ্ৰচাৰ আছিল। ৰমেশ চান্দ জৈনক অনা অসমীয়া বহিৰাগত বুলি উল্লেখ কৰা হৈছিল কিন্তু ৰমেশ চান্দ জৈন কোন হয়? চিনি নোপোৱাকৈ , নজনাকৈ সেই অভিযোগ আনিছিল। ৰমেশ চান্দ জৈন এজন অসম সন্তান। তেওঁ নলবাৰীত জন্মগ্ৰহন কিৰছিল। তেওঁ নলাবাৰীৰ দেৱীৰাম পাঠশালা নামৰ এখন অসমীয়া বিদ্যালয়ত পঢ়ি, অসমীয়া মাধ্যমত মেট্ৰিক পাচ কৰা এজন ব্যক্তি। যিজন IAS বিষয়া হৈছে আৰু সেই ব্যক্তিজনক একাংশই প্ৰচাৰ চলাইছে যে এজন অনা অসমীয়াৰ হাতত SEBA টো গতাই দিয়া বুলি। এইটো বৰ দুখৰ কথা। ইয়াত মই পূৰ্বৰ সভাপতি সকলৰ নামো যদি গাই দিওঁ, এই গোটেই সভাপতিসকলৰ ভিতৰত কেইবাগৰাকী IAS officer আছিল, কেইবাগৰাকী ACS বিষয়া আছিল, কেইবাগৰাকী AES বিষয়া আছিল, যিসকলে সুকলমে কাৰ্য্যনিৰ্বাহ কৰি আজি ভাৰতবৰ্ষৰ ভিতৰত বিভিন্ন ৰাজ্যৰ এটা আগশাৰীৰ বহু ক্ষেত্ৰত প্ৰথম স্থান লাভ কৰা এটা Education Board হিচাপে SEBA ক তেওঁলোকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। আমি এতিয়া NEP ৰ কাৰণে দুইখন Board ক একেলগ কৰিম। ক'ত ক'ত সফলতা আছে, এইটো মই জনাই দিব বিচাৰো। ১৯৬৪ চনৰ পৰাই এতিয়ালৈকে আমাৰ SEBA ত যিমান পৰীক্ষা হৈ গ'ল তাৰ সকলো নথি পত্ৰৰ digitization succesfully SEBA ই সম্পূৰ্ণ কৰিছে। SEBA ভাৰতবৰ্ষৰ একমাত্ৰ School Education Board, যিটো Board য়ে মোবাইল App দিছে, যিটো App ত ২০১৬ চনৰ পৰা যিকোনো মেট্ৰিক পৰীক্ষাৰ মাৰ্কশ্বিট, চাৰ্টিফিকেট duplicate উলিয়াবলৈ অফিচলৈ যাব নালাগে। App ৰ পৰা ডাউনলোড কৰিব পাৰে। এই ক্ষেত্ৰত SEBA ভাৰতবৰ্ষৰ একমাত্ৰ Board। App ৰ জৰিয়তে ৰিজাল্ট সকলোৰে দিছে, কিন্তু পুৰণি হৈ যোৱা পৰীক্ষাবিলাকৰ document download কৰাৰ ব্যৱস্থা দিয়াটো SEBA হ'ল একমাত্ৰ সংস্থা। SEBAই একাডেমিকেলিও খুব ভাল কাম কৰি গৈছে। আজিকালি Spoken English ৰ কাৰণে ১০ নম্বৰৰ পৰীক্ষা লোৱা হয়। Spoken English ৰ কাৰণে SEBA ই নিজস্ব App দিছে। যিটো Google ত মাজে মাজে দেখুৱাই থাকে যে World ৰ top ten free education App ৰ ভিতৰত SEBAৰ Spoken English ৰ App টো তাত অন্তৰ্ভুক্ত হৈ পৰে। Assam Higher Secondary Education Council য়ে সফলতাৰে তেওঁলোকৰ দৰ্পণ App ৰ digital portal ৰ জৰিয়তে centralized addmission ৰ ব্যৱস্থা কৰিছে আৰু তেওঁলোকেও গোটেই concil খন সম্পূৰ্ণৰূপে digitalized কৰি পেলাইছে। গতিকে আমাৰ এই দুয়োটাই সফলতাৰে কাম কৰিছে আৰু আমি জনা উচিত ভাৰতবৰ্ষত বিভিন্ন ধৰণৰ পৰীক্ষা, বিভিন্ন সংস্থাই পাতিবলগা হয়। আমাৰ JEE পাতিব লাগে, NEET পাতিব লাগে আৰু ইয়াৰ কাৰণে এটা National পৰীক্ষাৰ কাৰণে এটা agency লাগে। যিটোক আমি National Testing Agency বুলি কওঁ। NTA হ'ল এটা National Board, যিখন Boadr য়ে অন্য বিভিন্ন পৰীক্ষাবিলাক পাতে। আমাৰ State ৰ কাৰণে বেলেগ NTA জাতীয় কোনো agency নাই। সেই কাৰণে SEBA ক আমি সেই দায়িত্বখিনি দিওঁ। Direct Recruitment পৰীক্ষা, পুলিচৰ Recruitment পৰীক্ষা SEBA ই অতি সফলতাৰে পালন কৰিবলৈ সক্ষম হৈছে। ইয়াৰ কাৰণে আমি SEBA ক ধন্যবাদ জনাব লাগিব। আৰু সেই SEBA আৰু Assam Higher Secondary Education Council merge হ'ব। Retired Vice chancellor এজন দিব লাগে বুলি কৈছে। SEBA ৰ বয়সৰ উৰ্দ্ধ সীমাৰ কথা কতো

আগতে আগৰ Act খনত উল্লেখ নাছিল।

----- Interruption----

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, সৰভোগ ঃ** Sub-Committee কৰি headed by Chancellor বা retired officer ক

---- Interruption----

**माननीय উপাধ্যক্ষ ঃ** মাননীয় সদস্য আপুনি বহক। Reply টো complete কৰিব দিয়ক। Nothing will go on record.Please sit down.

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী, শিক্ষা ইত্যাদি)ঃ** গতিকে ইয়াক যি restrict কৰিব বিচৰা হৈছে যে SEBA ৰ সভাপতিজন IAS ৰ পৰাও আহিব পাৰে, ACS ৰ পৰাও আহিব পাৰে,Academic field ৰ পৰাও আহিব পাৰে। আপোনালোকে restrict কৰিব বিচাৰিছে, আমি restrict কৰিব বিচৰা নাই। সেইকাৰণে মই amendment টো গ্ৰহন কৰা নাই। বিষয়টো আমাৰ চৰকাৰৰ হাততে থাকিব।

এতিয়া আমি Clause -5 টো লৈ আহোঁ- Director of Minority Welfare and Development and Director of Char Areas Development আৰু বিধান সভাৰ তিনিজন সদস্যক এই বোৰ্ডৰ সদস্য কৰিব লাগে। বোৰ্ডৰ সদস্য কৰাৰ ক্ষেত্ৰত আমাৰ Director of Secondary Education নিশ্চিতভাৱে এই বোৰ্ডৰ সদস্য হিচাপে থাকিব, Director of Bodo and other Tribal Languages নিশ্চিতভাৱে এই বোৰ্ডৰ সদস্য হিচাপে থাকিব কাৰণ তেওঁলোকে শিক্ষাৰ লগত জড়িত medium ৰ লগত জড়িত। Tea Welfare Board কো ৰখা হৈছে। তেওঁলোকক এইকাৰণে ৰখা হৈছে যে Tea Welfare Board directly Tea Garden Model School ৰ লগত জড়িত। যিহেতু Director of Minority Welfare and Development and Director of Char Areas Development directly কোনো স্কুলৰ লগত জড়িত নহয়, সেইকাৰণে তেওঁলোকক আমি ইয়াতে সদস্য হিচাপে ৰখা নাই বা ৰখাৰ প্ৰাসঙ্গিকতা অহা নাই। যিহেতু ই এটা পৰীক্ষা পতা অনুষ্ঠান বা বোৰ্ড গতিকে মই ভাবো ইয়াত বিধায়কসকল সদস্য হিচাপে থকাটো উচিত নহয়। সেয়েহে এই সংশোধনীটো মই গ্ৰহন কৰা নাই।

ইয়াৰ পাছত Clause No-6 ত যিটো পূৰ্বৰ দৰে চৰকাৰে ৰাখিব। যিহেতু Government is a collective wisdom, a system, it is a continuous process, সেই process অনুসৰি চৰকাৰে ইয়াৰ সভাপতি nomination কৰে আৰু এই ব্যৱস্থা আমি তেনে ধৰণেই ৰাখিব বিচাৰিছো। University ৰ কথাটো বেলেগ। কাৰণ University ৰ লগত একাডেমিক কথাটো জড়িত হৈ থাকে। সেইবাবে University ৰ pattern ত 3 Member Search Committee আমি ইয়াত গঠন কৰাৰ প্ৰয়োজনীয়তা অনুভৱ কৰা নাই। বয়সৰ উৰ্দ্ধ সীমা ৭০ ৰাখিছো। কাৰণ আজিকালি মানুহৰ life expectency বাঢ়িছে। আমাৰ যিসকল professor, তেওঁলোকৰ বয়সৰ উৰ্দ্ধসীমা ৬৫ লৈকে বঢ়াই দিয়া হৈছে। গতিকে কোনো retired ব্যক্তিক আপোনালোকৰ পৰামৰ্শমতে যদি কেতিয়াবা কোনোবা retired VC ও আহে তেখেতক ৭০ বছৰলৈকে extension টো লাগিব।

মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াই এটা প্ৰস্তাৱ দিছে- আমি লিখিছিলো misbehaviour তেখেতে কৈছে misconduct. Clause No. 9 ত তালুকদাৰ ডাঙৰীয়াই misbehaviour

ৰ ঠাইত misconduct হ'ব লাগে বুলি কৈছে আৰু এই প্ৰস্তাৱটো মই গ্ৰহন কৰিছো। শব্দটো আমি replace কৰি দিম।

অখিল গগৈ ডাঙৰীয়াই কৈছে board ৰ meeting বছৰত ৪ বাৰ হ'ব লাগে। আমি লিখিছিলো ৩ বাৰ হ'ব। আমি তিনিবাৰ কিয় লিখিছিলো সেইটো আপোনাক জনাই দিব বিচাৰিছো। এটা বছৰত চাৰিটা quarter থাকে আৰু চাৰিটা quarter ৰ এটা quarter সম্পূৰ্ণৰূপে পৰীক্ষাৰ বাবে ব্যস্ত থাকিব লাগে। গতিকে সেই quarter টোত বোৰ্ডৰ মিটিং অনুষ্ঠিত কৰিব পৰাটো সম্ভৱ নহয়। গতিকে বাকী থকা তিনিটা quarter ত প্ৰতিটো quarter তেই তিনিখন মিটিং আমি ৰাখিছো।

Academic excellence ৰ কথা ক'লো। এইটো evaluate কৰা দায়িত্ব বোৰ্ডৰ নহয়। এইটো evaluate কৰাৰ কাৰণে State School standard Authority আমি ৰাখিছো।

ইয়াৰ পিছত এটা সংশোধনী আনিছে অখিল গগৈ ডাঙৰীয়াই। আমাৰ ইয়াত clause ত আছে পূৰ্বৰে পৰাই যে যিকোনো donation from private or indivisual association ৰ পৰা বোৰ্ডে ল'ব পাৰে। এতিয়া আমাৰ বহু NRI বা প্ৰাক্তন allumni যিসকলে বাহিৰলৈ গ'ল, তেওঁলোকে জীৱনত সফলতা অৰ্জন কৰিছে আৰু তেওঁলোকে নিজৰ বোৰ্ডখনলৈ দান বৰঙণি যদি আগবঢ়াব বিচাৰে তেনেহ'লে সেইটো ল'ব পৰা ব্যৱস্থা আইনখনত ৰখা হৈছে। সেইটো পূৰ্বে SEBA ৰ আইনখনতো আছিল আৰু এতিয়াও আমি সেইটো ৰাখিছো।

কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই Clause No-18 ত এটা সংশোধনী আনি কৈছে - Provided that the Publising text book and curriculum should be made by the Board.মই ইতিমধ্যে ঘোষণা কৰিছো যে বোৰ্ডে আৰু text book প্ৰস্তুত নকৰে। SCERT য়ে text book প্ৰস্তুত কৰিব। Board ৰ কাম পৰীক্ষা পতাত সীমাবদ্ধ থাকিব, Academic কাম-কাজ খিনি SCERT ৰ হাতলৈ যাব গৈ। অখিল গগৈ ডাঙৰীয়াই Clause-21 ত কৈছে Assam Co-operative Apex Bank Limited ইয়াৰ পৰা delete কৰিব লাগে Assam Co-operative Apex bank আৰু State Bank of India এই দুয়োটা bankয়ে দীৰ্ঘদিন ধৰি SEBA আৰু Council ক সেৱা আগবঢ়াই আহিছে। তেওঁলোকৰ লগত দীৰ্ঘদিনীয়া ঐক্য ঐতিহাসিক সম্পৰ্ক আছে আৰু বহুত legacy issues আছে, গতিকে এই মুহূৰ্তত নতুন বোৰ্ড এখন যেতিয়া গঠন হ'ব তেওঁলোকৰ লগত সম্পৰ্কতো banking যিটো সম্পৰ্ক আছে সম্পৰ্কটো এই মুহূৰ্তত এইটো বিচ্ছিন্ন কৰিব পৰা নাযাব। বাকী যি disciplinary actionৰ যেনে পৰীক্ষাত কোনোবাই নকল ধৰা বা অসৎ উপায় অৱলম্বন কৰা বা শিক্ষক কৰ্মচাৰীয়ে তেনে কাৰ্যত লিপ্ত হোৱা সেই বিলাকৰ ক্ষেত্ৰতো penal প্ৰভিজনৰ কথা কৈছে, এইটো কাম boardৰ নহয়, এইটো কাম policeৰ। এইখন এখন law document নহয়, এইখন এখন criminal law নহয়, গতিকে আমাৰ ইতিমধ্যে criminal law আছে যে কোনো লোকে যদি সেই অসৎ উপায় অৱলম্বন কৰে, তাৰ কাৰণে আমাৰ penal provision ইতিমধ্যে IPC ত আছে। সেই মতে ব্যৱস্থা গ্ৰহণ কৰিব। বাকী যদি বিষয়া কৰ্মচাৰী ইয়াত জড়িত হয়, তাৰ কাৰণে আমাৰ Service Rule আছে, সেই মতে তেওঁলোকৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰিব। ইয়াত তাৰ কাৰণে বিশেষ বেলেগ ব্যৱস্থা থকাৰ কোনো প্ৰয়োজনীয়তা নাই। মাননীয় অধ্যক্ষয় মহোদয়, বিদ্যালয় শিক্ষাৰ বহুত পুতৌ লগা অৱস্থা বুলি মাননীয় সদস্য সকলে উত্থাপন কৰিছে। শিক্ষকৰ নিযুক্তিৰ

পৰা আৰম্ভ কৰি আন্তগাঠনিলৈকে, মই সদনত দুটা কথা জনাব বিচাৰো। মাত্ৰ দুমাহৰ ভিতৰত ৫০০ কোটি টকা ব্যয় সাপেক্ষে আমি ২৬০০ বিদ্যালয়ত library আৰু এটা digital শ্ৰেণী কোঠা, এইটো বনাই সম্পূৰ্ণ কৰাৰ পথত আমি অগ্ৰসৰ হৈছো আৰু কেইটামান দিনৰ পিছতে ইয়াৰ আনুষ্ঠানিক উদ্‌ঘাটন কৰিম। একেলগে দুটা মাহৰ ভিতৰত এক বৃহৎ মিছনত ২৬০০ বিদ্যালয়ত library আৰু শ্ৰেণীকোঠা নিৰ্মাণ হৈ যাব। ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত বিকাশ যাত্ৰা আৰম্ভ হৈছে। বিকাশ যাত্ৰাত বিদ্যালয় শিক্ষাৰ কি আছে মই কথাটো জনাই দিব বিচাৰিছো। ২৫০০০ কোটি টকাৰ বিভিন্ন আঁচনি অসমৰ বিভিন্ন প্ৰান্তত হয় ভূমি পূজন হৈছে, নহয় শিলান্যাস হৈছে, নহয় তেওঁৰ দুৱাৰ মুকলি হৈছে। ইয়াৰ ভিতৰত বিদ্যালয় শিক্ষাৰ অধীনত মাধ্যমিক বিদ্যালয় ৪৫২ খন অন্তৰ্ভুক্ত আছে যাৰ ব্যয় হ'ব ২৭০০ কোটি টকা। এই এক মাৰ্চৰ পৰা আৰম্ভ হ'ব। ইয়াত শাসক বিৰোধী বুলি কোনো কথা নাই। প্ৰত্যেকটো সমষ্টিতে বিদ্যালয় আছে, প্ৰত্যেকটো সমষ্টিতে যি বিলাক ডাঙৰ পুৰণি secondary school জহি খহি গৈছে, সেই বিলাক পুনৰ নিৰ্মাণ প্ৰায় ৭/৮ কোটি টকা ব্যয় সাপেক্ষে এই ৪৫২ খন স্কুল পুনৰ নিৰ্মাণ হ'ব। মাধ্যমিক শিক্ষাৰ ক্ষেত্ৰত বা প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত শিক্ষকৰ নিযুক্তি প্ৰক্ৰিয়া এটা চলি আছে আৰু কিছু দিনৰ ভিতৰত নিযুক্তি প্ৰক্ৰিয়া সম্পূৰ্ণ হ'ব। এই নিযুক্তি প্ৰক্ৰিয়াত পুনৰবাৰ ১৩ হাজাৰ শিক্ষক নিযুক্তি দিম। এই ১৩ হাজাৰৰ ভিতৰত মাধ্যমিকতে প্ৰায় ৮ হাজাৰ শিক্ষক-শিক্ষয়িত্ৰী আছে। গতিকে শিক্ষক সকল বাচনি হৈ যোৱাৰ পিছত আমি বহু বিদ্যালয়ত শিক্ষকৰ যি নাটনি আছে সেইকিনি দূৰ কৰিব পাৰিম। এই কথা কেইটা কৈ এক মাত্ৰ মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াই যিটো misbehaviour misconduct হিচাপে লিখিব লাগে বুলি যিটো সংশোধনী আগবঢ়াইছিল সেইখিনি আমি গ্ৰহণ কৰিছো আৰু বাকী সংশোধনী আমি গ্ৰহণ কৰিব নোৱাৰো বুলি মাননীয় উপাধ্যক্ষ মহোদয় আপোনাক অৱগত কৰিছো, ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য দেৱব্ৰত শইকীয়া আৰু আপোনালোকৰ সদস্য সকলৰ যি সংশোধনী প্ৰস্তাৱ আনিছি এইটো উঠাই লবনে ?

**শ্ৰীআব্দুৰ ৰশিদ মণ্ডল, (পশ্চিম গোৱালপাৰা) ঃ** উপাধ্যক্ষ ডাঙৰীয়া, আমিটো withdraw কৰিবই লাগিব, কিন্তু আমি কোৱা কথাৰ যুক্তি এনেকুৱা আছিল যে আমি ইতিমধ্যে গম পাইছো অসমত কেইবাখনো বিশ্ববিদ্যালয়ৰ Vice Chancellor বহিঃ ৰাজ্যৰ পৰা আনি ইয়াত সংস্থাপিত কৰিছে। সেই কাৰণে আমাৰ কেতিয়াবা সন্দেহ হয় যে আমাৰ School Board তে আপোনালোকে তেনেকৈ বাহিৰৰ মানুহ আমদানি কৰি ইয়াত সংস্থাপিত কৰে নেকি যাৰ কাৰণে আমি কৈছিলো যে অসমৰ স্থানীয় বাসিন্দাক এই Board ৰ Chairman কৰা হওঁক আৰু Retired Vice Chancellor ৰ কথা এই কাৰণে কৈছিলো Vice Chancellor সকল শৈক্ষিক ভাৱে উপযুক্ত হোৱাৰ লগে লগে তেওঁলোক প্ৰশাসনিক ভাৱেও উপযুক্ত। যিহেতু মন্ত্ৰী মহোদয়ে কৈছে যে এই Board exclusively for conducting the examination আৰু Vice Chancellor বা College Principal সকলে এই বিষয়ত তেওঁলোকতকৈ বেছি অভিজ্ঞ হ'ব পাৰে। সেই কাৰণে Chairmanৰ কাৰণে Retired Vice Chancellor, আৰু Vice-Chairman ৰ কাৰণে Retired Principal or equivalent এই প্ৰস্তাৱ আমি ৰাখিছিলো, next আমাৰ আৰু এটা সংশোধনী আছিল Clause-17.

**মাননীয় উপাধ্যক্ষ ঃ** আপোনালোকে সংশোধনী ক'লেতো, এতিয়া আপুনি উঠাই ল'বনে নলয়, সেইটো কওক।

**শ্ৰীআব্দুৰ ৰশিদ মণ্ডল, (গোৱালপাৰা পশ্চিম)** ঃ এতিয়া evaluationৰ কথাটো মন্ত্ৰী মহোদয়ে একো নকলে যে time to time evaluation কৰাৰ যি কথা সেই কথা নকলে।

**ডাঃ ৰনোজ পেগু, (শিক্ষামন্ত্ৰী)** ঃ মই ইতিমধ্যে জনাইছো evaluationৰ দায়িত্ব দিয়া হ'ব SSSA ক, State School Standard Authorityক।

**শ্ৰীআব্দুৰ ৰশিদ মণ্ডল,(গোৱালপাৰা পশ্চিম)** ঃ হয়, thank you. যিহেতু মন্ত্ৰী মহোদয়ে আশ্বস্থ কৰিছে স্থানীয় মানুহক ইয়াত Chairman দিয়া হ'ব, Vice-Chairman দিয়া হ'ব মন্ত্ৰী মহোদয়ৰ আস্বাশত আমি বিশ্বাস ৰাখি আমি অনা সংশোধনী প্ৰস্তাৱ আমি উঠাই লৈছো।

**ডাঃ ৰনোজ পেগু, (শিক্ষামন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, তেখেতে কৈছে যে বিগত সময়ছোৱাত বহু কেইজন বাহিৰৰ মানুহ আহি অসমৰ বিশ্ববিদ্যালয়ত উপাচাৰ্য্য হৈছে। মই তেখেতৰ জ্ঞাতাৰ্থে এইটোৱে জনাব বিচাৰিছো বিগত সময়ছোৱাত অসমৰ মানুহো গৈ বহিৰাজ্যত Vice Chancellor হৈছে। অসমৰ সমূদ্ৰ গুপ্ত কাশ্যপ গৈ নাগালেণ্ড বিশ্ববিদ্যালয়ৰ Chancellor হৈছে, দিবাকৰ ডেকা Mizoram Central University ৰVice Chancellor হৈছে, Kiron Hazarika Indira Gandhi National Open Universityৰ Vice Chancellor হৈছে। গতিকে এখন ভাৰতত অসমৰ মানুহো গৈ বাহিৰত Vice Chancellor হৈছে, বাহিৰৰ মানুহো আহি কেতিয়াবা উপযুক্ত বিবেচিত হ'লে Vice Chancellor হ'ব। আজি যি বীৰাঙ্গনা সতি সাধিনী বিশ্ববিদ্যালয়ত যি গৰাকী ব্যক্তি Vice Chancellor হৈছে, তেওঁ কৰ পৰা Vice Chancellor হ'ল, তেওঁ Tezpur Universityৰ এজন প্ৰবক্তা। তেজপুৰ ইউনিভাৰচিটিত দীৰ্ঘদিন শিক্ষকতা কৰাৰ পিছত আবেদন কৰি তেওঁ আজি সতিসাধিনী বিশ্ববিদ্যালয়ৰ Vice Chancellor হৈছে। কথাবিলাক এনেকুৱা কৰি University মানে Universal. গতিকে আমি এটা universal approach লৈ University বা এই শিক্ষা প্ৰতিষ্ঠান সমূহক আগবঢ়াই লৈ যাব লাগে। অসমৰ অহিত চিন্তা কৰা কোনো ব্যক্তিক কোনো চৰকাৰে কেতিয়াও এই boardৰ চেয়াৰমেন নাপাতে। কিন্তু অসমৰ হিত চিন্তা কৰা কোনোবা আই এ এচ বিষয়া কোনোবা Academician নিশ্চিত ভাৱে আমি মুকলি কৰি ৰাখিছো গোটেই কথাটো restrict কৰিব বিচৰা নাই Chairman হ'ব পাৰিব।

**মাননীয় উপাধ্যক্ষ** ঃ আপোনাৰ উত্তৰত আশ্বস্থ হৈছে সেইকাৰণে withdraw কৰিছে তেখেত সকলে। এতিয়া মাননীয় সদস্য হাফিজ বছিৰ আহমেদ আপোনালোকৰ প্ৰস্তাৱটো উঠাই লব নে?

**শ্ৰীআশ্ৰাফুল হুছেইন, (চেঙা)** ঃ উপাধ্যক্ষ মহোদয়, উঠাই লম তাৰ পূৰ্বে দুটামান clarification কৰিব মন্ত্ৰী মহোদয়ৰ বক্তব্যত যিখিনি নাহিল। যে আজি ৰাজ্যত মেট্ৰিক পৰীক্ষা চলি আছে চাৰিওফালে সম্ভৱত এই Board হলে Annual Exam হ'লে এইটো পৰ্যঘোষিত হ'ব। কিন্তু এইটোৰ ফলত দুটা মান দিশ আমাৰ চকুত আহিছে, যি বিলাক Junior College বুলি আছিল আৰু সেই বিলাকত নাইন টেন এতিয়ালৈকে যোগ কৰা হোৱা নাই। সেই Senior Secondary School বাJunior College সমূহৰ এতিয়া কি হ'ব? সেই বিলাকত হয় High School Section টো নাইন টেন এড কৰিব লাগিব otherwise সেইটো কোনোবা এটা স্কুলৰ লগত লৈ যাব লাগিব। কাৰণ এই Board টো আজিৰ পৰা যদি execute হৈ অহাবাৰৰ পৰা যদি কাৰ্যক্ষম হৈ যায় তেনেহলে এইখিনি কাম ততাতৈয়াকৈ সমাপ্ত কৰিব লাগিব। কিছুমান কলেজত এতিয়াও একাদশ, দ্বাদশ চলি আছে, সেই বিলাক আঁতৰাব লাগিব আৰু সেইখিনি কৰিবলৈ এতিয়ালৈকে infrastructure develop কৰা নাই। যদি সেইটো কৰা নহয় তেনেহলে

টেনত যেতিয়া বোৰ্ড পৰীক্ষা নহ'ব তেতিয়া একাদশ আৰু দ্বাদশত যেতিয়া বেলেগ হায়াৰ চেকেণ্ডাৰী, বেলেগ Senior Secondary বা বেলেগ কলেজত admission ল'বলৈ যাব লাগিব, তেতিয়া এটা আঁসোৱাহৰ সৃষ্টি হ'ব। আৰু এটা বিৰাট চিন্তাৰ বিষয় যে ক্লাছ নাইনত আমাৰ যিমান ছাত্ৰ-ছাত্ৰীয়ে আজিৰ দিনত নামভৰ্ত্তি কৰে, তেওঁলোকৰ 12th যাওতে চাৰিভাগৰ এভাগহে ছাত্ৰ-ছাত্ৰী বাচি থাকে বা তাতোকৈ অকমান বেছি। অৰ্থাৎ এই board হোৱাৰ পিছত যেতিয়া Matric exam টো নতুন শিক্ষানীতিৰ আধাৰত আমি যেতিয়া নাইকিয়া কৰি দিম তেতিয়া আমাৰ certificate প্ৰায় drop out হোৱাৰ সংখ্যাটো বাঢ়ি যাব নেকি? এই সংখ্যাটো আমাৰ মনত দেখা দিছে। তাৰপিছত মহোদয়, এইটো কৰিবলৈ যোৱাৰ লগতে আন কিছুমান স্কুলৰ আভ্যন্তৰিণ দিশতো কিছুমান সমস্যা আহি পৰে। আজিৰ সময়তো অসমত এনেকুৱা শত সহস্ৰ স্কুল অনুষ্ঠান আছে যিবিলাক campusত M.E School and High School একেলগে আছে কিন্তু High School টো 2021 yearত post provicialised হোৱাৰ কাৰণে এইটো এটা স্কুল amalgamate কৰি দিব পৰা নাই। যাৰ কাৰণে দুয়োটা স্কুলে suffer কৰি আছে, as well as 2013 yearত যি বিলাক স্কুল provincialised কৰা হৈছিল সেই স্কুল সমূহত নতুন শিক্ষক post সহকাৰে নি তাত নিযুক্তি দিব পৰা হোৱা নাই। এই সমূহ সমস্যা যদি দূৰ নকৰে Board এখন বনাই SEBAৰ গুনাণুকীৰ্তন কৰিলে এই অনুষ্ঠানটো SEBA তকৈ ভাল হলে আমাৰ কোনো লাভ নহব আৰু এটা কথা মহোদয় ছেবাই ইমান ভাল কৰিছে এইবাৰৰ মেট্ৰিকৰ পৰীক্ষা আমি চাই আছো। ছেবাই ভাল কাম কৰিছে ছেবা আমাৰ কাৰণে আবেগ ডাঙৰ এটা অনুষ্ঠান। কিন্তু মহোদয় এই বছৰ ছেবোই পৰীক্ষা পাতিবৰ কাৰণে বহু পৰিমানে ফেইল হৈছে। মেট্ৰিকত এপিয়াৰ হোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বহু পৰিমাণে বেছি। এইবাৰ বহু স্কুলত এনেকুৱা হৈ গ'ল য'ত ৩০০-৪০০ ছাত্ৰ-ছাত্ৰী কেপাচিটি আছে পৰীক্ষা দিব পৰা তাতে ৬৫০ লৈকে সোমাই দিছে। মোৰ সমষ্টি নগাওঁ বিদ্যা মন্দিৰত ৬৫০ ল'ৰা-ছোৱালী ঠাইয়ে নাটে, বেলেগ স্কুল আমি ল'ব লগা হৈছে এনেকুৱা পৰিস্থিতি হৈছে। গতিকে এইবিলাক গুৰুত্ব দিব লাগে।

**ডাঃ ৰনোজ পেগু, (শিক্ষামন্ত্ৰী)** ঃ Center Committee ৰ প্ৰতিবেদন সাপেক্ষেহে Center হয়, জাপি দিয়া নহয় আৰু Center Committee থাকে। Center Committee ৰ দায়িত্ব তাৰোপৰি জিলা পৰ্য্যায়তো আমি কমিটি গঠন কৰিছো। মই নিৰ্দ্দিষ্ট ভাবে কেইটামান প্ৰশ্নৰ উত্তৰ দিব বিচাৰো।২০১৩ চনত যি সমূহ বিদ্যালয় প্ৰভিঞ্চিয়েলাইজেশ্যন হৈছিল সেই বিদ্যালয় সমূহৰ যিবিলাক পোষ্ট, সেই পোষ্ট বিলাকৰ পাৰমাণে ৰিটেনশ্যনৰ বিষয়টো চৰকাৰে Actively consider কৰি আছে। ২০১৩ চনত প্ৰভিঞ্চিয়েলাইজেশ্যন হোৱা বিদ্যালয়ৰ পোষ্টৰ সমস্যাটো আমি খুব সোনকালে সমাধান কৰি দিম। ২য় কথা হ'ল একাদশ আৰু দ্বাদশ শ্ৰেণীৰ আজিৰ তাৰিখত কলেজটো আছে, জুনিয়ৰ কলেজ বুলিও আছে। ছিনিয়ৰ ছেকেণ্ডাৰী বুলিও আছে। কিন্তু সকলোৱে affiliation টো ল'ব লাগে। Assam Higher Secondary Education Council ৰ পৰা । কলেজেও affiliation টো ল'ব লাগে। ইয়াৰ কাৰণে মই যে এই মুহুৰ্তত ঘোষণা কৰিলো, যে ২৭০০ কোটি ব্যয় সাপেক্ষে ৪৫২ খন বিদ্যালয় বনাম। এই ৪৫২ খন বিদ্যালয় চেঙা সমষ্টিটো আছে। এই ৪৫২ খন বিদ্যালয়ে হ'ল Secondary স্কুল। তাৰমানে এই গোটেইখিনিয়েই Higher Secondary স্কুল হ'ব। যিবিলাক বিদ্যালয় ছিনিয়ৰ ছেকেণ্ডাৰী, জুনিয়ৰ কলেজ বুলি আমি নকওঁ। ছিনিয়ৰ ছেকেণ্ডাৰী বিদ্যালয় অকল একাদশ আৰু দ্বাদশ শ্ৰেণী তেওঁলোকৰ যদি Sustainable number of enrollment থাকে, তেনেহ'লে তেনে ছিনিয়ৰ

ছেকেণ্ডাৰী বিদ্যালয়ক state alone হিচাপেও ৰাখিছো। কিন্তু আমাৰ এডভাইচ যে তাত নৱম, দশম শ্ৰেণীটো খুলি , তাতে নবম, দশম , একাদশ আৰু দ্বাদশ চাৰিটা শ্ৰেণী হ'ব পৰা এখন Secondary স্কুল হিচাপে গঢ়ি তুলিব লাগে আৰু গঢ়ি তুলিলে কামটো হৈ যাব। বাকী যি আপুনি এমালগেমেশ্যনৰ কথা কৈছে, ২০২১ চনত আমি হাইস্কুলৰ শিক্ষক শিক্ষয়ত্ৰী সকলক প্ৰভিঞ্চিয়েলাইজেচ কৰিলো। একেটা কেম্পাচতে এম পি য়ে এম ই স্কুল এখন আছে। এতিয়া হাইস্কুল খনৰ লগত কেনেকৈ এম ই স্কুল খন কেনেকৈ এমালগেমেট হ'ব। ইয়াৰ সমাধানটো হ'ল তেনে পৰিস্থিতিত আমি এম ই স্কুল খনক হাইস্কুল লৈ প্ৰথমে আপদেট কৰো। তাৰ পাছত এই হাইস্কুলখনক ইয়াতে আমি বেষ্ট স্কুল হিচাপে দিওঁ। আপুনি নিৰ্দ্দিষ্ট ভাবে ক'ত আপোনাৰ সমস্যা আছে লিখি দিলে মই ব্যক্তিগত ভাবে সেই সমস্যাৰ সমাধান কৰি দিম বুলি প্ৰতিশ্ৰুতি ৰাখিছো।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি উইড্ৰ কৰিব নে?

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা) ঃ** হয় চাৰ, মই উইড্ৰ কৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** যিহেতু সংশোধনী প্ৰস্তাৱটো উইড্ৰ কৰিছে। এতিয়া প্ৰশ্নটো হ'ল দফা নং - ৫ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সদস্য - সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক হয় আৰু

যি সকল সদস্য- সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক নহয়।

মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ৫ নং দফাটো বিধেয়কখনৰ অংশ হ'ল। এতিয়া দফা নং -৬ ত মনোৰঞ্জন তালুকদাৰ আৰু অখিল গগৈ ডাঙৰীয়া আপোনালোকৰ সংশোধনী প্ৰস্তাৱ দুটা উঠাই ল'ব নে?

**শ্ৰীমনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** উঠাই লোৱাত মোৰ আপত্তি নাই। কিন্তু যিটো কথা মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছিলো amendment দিছিলো যে আমাৰ এইটো পদ স্থাপিত ব্যৱস্থা বিশ্ব বিদ্যালয়ৰ Vice Chancellor বাচনি কৰিব লাগিলে বা বহু ক্ষেত্ৰতে Search Committee ৰ ব্যৱস্থা আছে। মই সেইটোতে গুৰুত্ব দিছিলো। চৰকাৰে প্ৰত্যক্ষ ভাবে ছোৱাৰ প্ৰতিষ্ঠানত Chairman, Vice Chairman নিয়োগ নকৰি Search Committee গঠন কৰক। মই কৈছিলো Search Committee must be headed by the Vice Chancellor or retired Vice Chancellor,মই Vice Chancellor ক SEBA President হোৱাৰ কথা কোৱা নাই Vice Chancellor বা retired Vice Chancellor ৰৰ নেতৃত্বত এখন Search Committee গঠন কৰক। Search Committee ৰ Other member বোৰ চৰকাৰে পচন্দ কৰক মোৰ ক'ব লগা নাই। কিন্তু Search Committee য়ে যদি Vice Chairman জন বাচনি কৰি দিয়ে, panel কৰক, panel কৰাৰ পাছত চৰকাৰে সিদ্ধান্ত ল'ব । Directly Government য়ে কৰিলে বিভিন্ন প্ৰশ্ন উত্থাপিত হৈ থাকে। এইটো বিগত দিনত হৈছে। তেখেতে যি দুখ প্ৰকাশ কৰিছে ময়ো দুখ প্ৰকাশ কৰিছো। ৰমেশ জৈনক এই ধৰণে কোনোবাই যদি কৈছে, তেওঁ বাহিৰৰ, অমুক, তমুক, অনা অসমীয়া এনেকুৱা নিকৃষ্ট কথা অন্তত আমি নকওঁ। মইতো নকওৱে। যিয়ে কৈছে, তাক মই নিন্দাও কৰিছো। কিন্তু কথাটো হৈছে পদ্ধতিটো আৰু বেছি transparent কৰাৰ কাৰণে আৰু বেছি সঠিক কৰাৰ কাৰণে Search Committee ৰ জৰিয়তে যদি বাচনি কৰিব পাৰে চেয়াৰমেন, এইটো ভাল হ'ল হেতেন। সেই হিচাবে মই সংশোধনীটো দিছিলো।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ।

**ডাঃ ৰনোজ পেগু, (শিক্ষা মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, এইখন বিশ্ববিদ্যালয় নহয়। এইখন এখন School Education Board ইয়াৰ মুল কাম পৰীক্ষা পাতা। ইয়াৰ Academic কাম SCERT য়ে কৰিব। search Committee বিশ্ববিদ্যালয়ৰ ক্ষেত্ৰত কিয় হয়? বিশ্ববিদ্যালয়ৰ ক্ষেত্ৰত search Committee এই কাৰণে হয় যে এজন ব্যক্তিৰ তেখেতৰ Academic Excellence access কৰিব লগা হয়. এজন ব্যক্তিৰ তেখেতৰ Academic Excellence ৰ ওপৰত নিৰ্ভৰ কৰি বিশ্ববিদ্যালয়ৰ ভি চি নিৰ্ব্বাচন কৰা হয়। যিটো কাম চৰকাৰে কৰাত অসুবিধা আছে, কিন্তু ইয়াত আমি সেই কৰিব লগাটো নাই। ইয়াত আমি Academic Excellence নাচাওঁ আমি administrative excellence চাওঁ। ইয়াত আমাৰ Academic ক কোনো কাম কাজেই নাই আমি administrative excellence চাম আৰু এতিয়ালৈকে অসম চৰকাৰে যি সমূহ ব্যক্তিক মই এতিয়া চাই আছো ইয়াতে চেয়াৰমেন হিচাপে দায়িত্ব দিছে, উপযুক্ত মানুহকে দায়িত্ব দিছে। আৰু উপযুক্ত ভাবে , সঠিক ভাবে ছেবা আহি আহি এই অৱস্থা পাইছে। ইয়াতে search Committee ৰ কোনো প্ৰয়োজন নাই।

**মাননীয় উপাধ্যক্ষ** ঃ আপুনি উইড্ৰ কৰিব নে?

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ)** ঃ উইড্ৰ কৰিম মই, কিন্তু অলপমান মোৰ সুধিব লগা আছে যদি search Committee ৰ প্ৰয়োজন নাই administrative capability য়ে চাব আমি বিগত দিনত ছেবাৰ বহুতো শিক্ষাবিদক চেয়াৰমেন হোৱা দেখা পাইছো। তেওঁলোকৰ administrative capability টো কোনে judge কৰিলে ? তাৰ কাৰণে মই কৈছো যে search Committee থাকিলে এইটো judge কৰাৰ কাৰণে সুবিধা।

**মাননীয় উপাধ্যক্ষ** ঃ তেখেতেটো directly কৈছে, search Committee ইয়াত প্ৰয়োজন নাই আপুনি এতিয়া উইড্ৰ কৰিব নে নকৰে?

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ)** ঃ উইড্ৰ কৰিছো।

**মাননীয় উপাধ্যক্ষ** ঃ মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়া আপোনাৰ সংশোধনী প্ৰস্তাৱ কেইবাটাও আছে আপুনি উইড্ৰ কৰিবনে নাই?

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয় মই প্ৰথমতে এটা কথা মন্ত্ৰী মহোদয়ক ক'ব বিচাৰো যদিও মন্ত্ৰী মহোদয়ে কৈ আছে যে অকল পৰীক্ষাটোহে পাতিব Power and the duties of the Board বুলি কৈ প্ৰথম ১ নং তে দিছে যে to prescribe curriculum, syllabus and course of instruction for grade -4 to grade -12 এইটো ৬ হ'ব লাগিছিল চাগে। ৪ আহিছে মই নাজানো কেনেকৈ ৪ হৈ গ'ল। এইটো শুদ্ধ কৰিব লাগিব চাগে। তাৰ পাছত আকৌ কৈছে, যে To prescribe and select Text book and supplementary book, text book ও select কৰিব লাগিব। কোনখন Text book পঢ়াম syllabus টো কি হ'ব? সেইটোও কিন্তু prescribe কৰিব লাগিব। অকল Administrative কাম পৰীক্ষাটো পাতিব এনে নহয়। যদি মন্ত্ৰী মহোদয়ে কথাটো কৈ আছে, গতিকে search Committee ৰ যিটো পৰামৰ্শ আহিছে সদনৰ পৰা মই ভাবো যে সেইটো প্ৰথমতে মানি লোৱা উচিত। ২য় তে শিক্ষা মন্ত্ৰী ডাঙৰীয়াই এটা কথা কৈছে ভাল পাইচো আমি যে স্কুল বনাবৰ বাবে প্ৰত্যেকটো সমষ্টিত পইচা দিয়া হৈছে। কিন্তু এটা এটা সমষ্টি, মোৰ সমষ্টি ২৮৮ খন স্কুলত পানী পৰে। ৪ খন স্কুল দিছে খুব ভাল হৈছে। যেনেকৈ স্কুল বিলাক construction ৰ কাৰণে পইচা দিছে, ঠিক তেনেদৰে প্ৰত্যেকখন স্কুলতে মেৰামতি কৰি এটা minimum stan-

dard ৰ কাৰণে সকলো স্কুল বিলাকৰ hall বিলাকৰ ঠাইত এটা এটা কোঠা নিৰ্মাণ কৰিবৰ কাৰণে আৰু এটা শ্ৰেণীত অন্তত এজন শিক্ষক আৰু এটা বিষয়ত এজন শিক্ষক হায়াৰ ছেকেণ্ডাৰী বিলাকৰ কাৰণে। সেই কামটো কৰিব লাগে।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, মাননীয় মন্ত্ৰী

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ৭০ বছৰে যি নহ'ল সেইটো এনিশাত নহয়। আজিলৈকে অসমৰ ইতিহাসত মোক এটা instate দেখুৱাই দিয়ক যে এটা বিত্তীয় বৰ্ষতে ২৭০০ কোটি আৰু মই যদি বাকীখিনি তাৰ লগত যোগ কৰো, অলপ আগতে কোৱা লাইব্ৰেৰী খিনি যোগ কৰো তেনেহ'লে ৩ হাজাৰ কোটিতকৈ অধিক টকা একেটা বিত্তীয় বৰ্ষতে অসমত কেতিয়া invest হৈছিল? কেতিয়াও হোৱা নাই। প্ৰথম বাৰৰ কাৰণে এনেকুৱা এটা investment ৪৫২ খন স্কুলত এইটো আমি কৰিছো।

**শ্ৰী অখিল গগৈ ঃ** .......

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী অখিল গগৈ ডাঙৰীয়া আপুনি বহক। আপোনাৰ এইখিনি কথা ৰেকৰ্ডত নাহে।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী) ঃ** মই আপোনাক কেৱল ধৈৰ্য্য ধৰিবলৈ আহ্বান জনাইছো। অসনৰ শিক্ষাৰ ৰূপান্তৰ কেনেধৰণে হৈ আছে আপুনি চাই থাকক। প্ৰত্যেকখন বিদ্যালয়লৈ আমি যাম। প্ৰত্যেকখন বিদ্যালয়ৰে আন্তঃগাথনিৰ সমস্যা আমি পৰ্য্যায়ক্ৰমে সমাধান কৰিম।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী অখিল গগৈ ডাঙৰীয়া আপুনি উইদ্ৰ কৰিব নে?

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই উইদ্ৰ নকৰো।

**মাননীয় উপাধ্যক্ষ ঃ** তেতিয়াহ'লে আপোনাৰ discussion ৰ scope নাই। মাননীয় সদস্য শ্ৰী অখিল গগৈ ডাঙৰীয়াই এই সংশোধনী প্ৰস্তাৱটো উইদ্ৰ কৰা নাই গতিকে সংশোধনীটো গৃহীত কৰা হওঁক।

যিসকল সদস্য/সদস্যা সপক্ষে আছে কওক হয়,
যিসকল সদস্য/সদস্যা বিপক্ষে আছে কওক নহয়
মই ভাবো 'নহয়'ৰ সপক্ষে, 'নহয়'ৰ সপক্ষে, 'নহয়'ৰ সপক্ষে,
সংশোধনীটো নাকচ কৰা হ'ল।

**মাননীয় উপাধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল যে দফা নং ৬ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে কওক 'হয়'
যিসকল বিপক্ষে আছে কওক 'নহয়'
মই ভাবোঁ 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।
দফা নং ৬ বিধেয়কখনৰ অংশ হ'ল।

দফা নং ৭ আৰু ৮ ত কোনো সংশোধনী নাই।
এতিয়া মই দফা ৭ আৰু ৮ সদনত ভোটদানৰ বাবে দাঙি ধৰিলো।
প্ৰশ্নটো হ'ল দফা ৭ আৰু ৮ বিধেয়কখনৰ অংশ হ'ব।
যিসকল সপক্ষে আছে কওক 'হয়'
যিসকল বিপক্ষে আছে কওক 'নহয়'

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে
দফা ৭ আৰু ৮ বিধেয়কখনৰ অংশ হ'ল।

দফা নং ৯ ত সন্মানীয় সদস্য শ্ৰীমনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াই এটা সংশোধনীৰ প্ৰস্তাৱ আনিছিল আৰু মাননীয় মন্ত্ৰী মহোদয়ে সংশোধনীটো accept কৰিছে। গতিকে দফা নং ৯ সংশোধনী মতে বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে কওক 'হয়'
যিসকল বিপক্ষে আছে কওক 'নহয়'
মই ভাবোঁ 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।
দফা নং ৯ বিধেয়কখনৰ অংশ হ'ল।

এতিয়া দফা নং ১০ ৰ পৰা ১৩ লৈ কোনো সংশোধনী নাই। এতিয়া মই দফা ১০ ৰ পৰা ১৩ লৈ সদনত ভোটদানৰ বাবে দাঙি ধৰিলো।

প্ৰশ্নটো হ'ল দফা ১০ ৰ পৰা ১৩ লৈ বিধেয়কখনৰ অংশ হ'ব।
যিসকল সপক্ষে আছে কওক 'হয়'
যিসকল বিপক্ষে আছে কওক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে
দফা ১০ ৰ পৰা ১৩ লৈ বিধেয়কখনৰ অংশ হ'ব।

দফা নং ১৪দফা নং ১৪ ত সন্মানীয় সদস্য শ্ৰীঅখিল গগৈৰ এটা সংশোধনী আছে। তেখেতে এইটো উইদ্ৰ নকৰো বুলি কৈছে। গতিকে প্ৰশ্নটো হ'ল যে মাননীয় সদস্য শ্ৰী অখিল গগৈ ডাঙৰীয়াই উত্থাপন কৰা সংশোধনীটো গৃহীত কৰা হওঁক।

যিসকল সদস্য সপক্ষে আছে কওক 'হয়'
যিসকল বিপক্ষে আছে কওক 'নহয়'
মই ভাবোঁ 'নহয়'ৰ সপক্ষে, 'নহয়'ৰ সপক্ষে, 'নহয়'ৰ সপক্ষে
সংশোধনীটো নাকচ হ'ল।
প্ৰশ্নটো হ'ল যে দফা নং ১৪ বিধেয়কখনৰ অংশ হ'ব।
যিসকল সপক্ষে আছে কওক 'হয়'
যিসকল বিপক্ষে আছে কওক 'নহয়'
মই ভাবোঁ 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।
দফা নং ১৪ বিধেয়কখনৰ অংশ হ'ল।

এতিয়া দফা নং ১৫ আৰু ১৬ তকোনো সংশোধনী নাই। এতিয়া মই দফা ১৫ আৰু ১৬ সদনত ভোটদানৰ বাবে দাঙি ধৰিলো।

প্ৰশ্নটো হ'ল যে দফা ১৫ আৰু ১৬ বিধেয়কখনৰ অংশ হ'ব।
যিসকল সপক্ষে আছে কওক 'হয়'
যিসকল বিপক্ষে আছে কওক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে
দফা ১৫ আৰু ১৬ বিধেয়কখনৰ অংশ হ'ল।

দফা নং ১৭ ত সন্মানীয় সদস্য শ্ৰীদেৱব্ৰত শইকীয়া, তেখেতৰ সহযোগী সকলৰ সংশোধনী প্ৰস্তাৱ আছিল । আৰু মাননীয় সদস্য শ্ৰীঅখিল গগৈ ডাঙৰীয়াই যিহেতু প্ৰস্তাৱটো উঠাই লোৱা নাই সেইকাৰণে মই এই প্ৰস্তাৱটো গৃহীত কৰাৰ কাৰণে

যিসকল সপক্ষে আছে কওক 'হয়'
যিসকল বিপক্ষে আছে কওক 'নহয়'
মই ভাবো 'নহয়'ৰ সপক্ষে, 'নহয়'ৰ সপক্ষে, 'নহয়'ৰ সপক্ষে
সংশোধনীকেইটা নাকচ কৰা হ'ল।

প্ৰশ্নটো হ'ল যে দফা নং ১৭ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে কওক 'হয়'
যিসকল বিপক্ষে আছে কওক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে
১৭ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

দফা নং ১৮ ত সন্মানীয় সদস্য শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াৰ এটা সংশোধনী আছিল। আপুনি সংশোধনী প্ৰস্তাৱটো উইদ্ৰ কৰিবনে?

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই সংশোধনী প্ৰস্তাৱটো উইদ্ৰ কৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** যিহেতু সংশোধনী প্ৰস্তাৱটো উইদ্ৰ কৰা হৈছে। প্ৰশ্নটো হৈছে। দফা নং ১৮ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে কওক 'হয়'
যিসকল বিপক্ষে আছে কওক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে
১৮ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

দফা নং ১৯ আৰু ২০ ত কোনো সংশোধনী নাই। এতিয়া মই দফা ১৯ আৰু ২০ ভোটদানৰ বাবে দাঙি ধৰিলো। প্ৰশ্নটো হ'ল দফা ১৯ আৰু ২০ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে কওক 'হয়'
যিসকল বিপক্ষে আছে কওক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে
১৯ আৰু ২০ নং দফাটো বিধেয়কখনৰ অংশ হ'ব।

এতিয়া দফা নং ২১ ত মাননীয় বিধায়ক শ্ৰী অখিল গগৈ ডাঙৰীয়াৰ সংশোধনী আছে। তেখেতে সংশোধনীটো উইদ্ৰ কৰা নাই। এতিয়া প্ৰশ্নটো হ'ল মাননীয় বিধায়ক শ্ৰী অখিল গগৈ ডাঙৰীয়াই উত্থাপন কৰা সংশোধনীটো গৃহীত কৰা হওঁক।

যিসকল সপক্ষে আছে কওক 'হয়'
যিসকল বিপক্ষে আছে কওক 'নহয়'
মই ভাবো 'নহয়'ৰ সপক্ষে, 'নহয়'ৰ সপক্ষে, 'নহয়'ৰ সপক্ষে
সংশোধনীকেইটা নাকচ কৰা হ'ল।

প্ৰশ্নটো হ'ল যে দফা নং ২১ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে তেওঁলোকে কওঁক 'হয়'

যিসকল বিপক্ষে আছে তেওঁলোকে কওক ‘নহয়’
মই ভাবোঁ ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে।

দফা নং ২১ বিধেয়কখনৰ অংশ হ’ল।

দফা নং ২২ ৰ পৰা ২৯ লৈ কোনো সংশোধনী নাই। এতিয়া মই দফা ২২ ৰ পৰা ২৯ লৈ সদনত ভোটদানৰ বাবে দাঙি ধৰিলো। প্ৰশ্নটো হ’ল দফা ২২ ৰ পৰা ২৯ লৈ বিধেয়কখনৰ অংশ হ’ব।

যিসকল সদস্য সপক্ষে আছে কওক ‘হয়’
যিসকল সদস্য বিপক্ষে আছে কওক ‘নহয়’
মই ভাবো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে
দফা ২২ ৰ পৰা ২৯ লৈ বিধেয়কখনৰ অংশ হ’ল।

দফা নং ৩০ ত সন্মানীয় সদস্য শ্ৰীকমলাক্ষ দে পুৰকায়স্থৰ এটা সংশোধনী আছিল। তেখেতে যিহেতু সংশোধনী প্ৰস্তাৱটো উঠাই লৈছে গতিকে দফা নং ৩০ বিধেয়কখনৰ অংশ হ’ব। প্ৰশ্নটো হ’ল যে দফা নং ৩০ বিধেয়কখনৰ অংশ হ’ব।

যিসকল সদস্য সপক্ষে আছে কওক ‘হয়’
যিসকল বিপক্ষে আছে কওক ‘নহয়’
মই ভাবোঁ ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে
দফা নং ৩০ বিধেয়কখনৰ অংশ হ’ব।

দফা নং ৩১ আৰু ৩২ ত কোনো সংশোধনী নাই। এতিয়া মই দফা ৩১ আৰু ৩২ সদনত ভোটদানৰ বাবে দাঙি ধৰিলো।

প্ৰশ্নটো হ’ল দফা ৩১ আৰু ৩২ বিধেয়কখনৰ অংশ হ’ব।
যিসকল সদস্য সপক্ষে আছে কওক ‘হয়’
যিসকল বিপক্ষে আছে কওক ‘নহয়’
মই ভাবো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে
দফা ৩১ আৰু ৩২ বিধেয়কখনৰ অংশ হ’ল।

দফা নং ৩৩ ত সন্মানীয় সদস্য শ্ৰীমনোৰঞ্জন তালুকদাৰৰ এটা সংশোধনী আছিল। যিহেতু তেওঁ সংশোধনীটো উঠাই লৈছে গতিকে প্ৰশ্নটো হ’ল যে দফা নং ৩৩ বিধেয়কখনৰ অংশ হ’ব।

যিসকল সদস্য সপক্ষে আছে কওক ‘হয়’
যিসকল বিপক্ষে আছে কওক ‘নহয়’
মই ভাবোঁ ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে
দফা নং ৩৩ বিধেয়কখনৰ অংশ হ’ব।

দফা নং ৩৪ আৰু ৩৫ ত কোনো সংশোধনী নাই। এতিয়া মই দফা ৩৪ আৰু ৩৫ সদনত ভোটদানৰ বাবে দাঙি ধৰিলো।

প্ৰশ্নটো হ’ল দফা ৩৪ আৰু ৩৫ বিধেয়কখনৰ অংশ হ’ব।
যিসকল সপক্ষে আছে কওক ‘হয়’
যিসকল বিপক্ষে আছে কওক ‘নহয়’
মই ভাবো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে
দফা ৩৪ আৰু ৩৫ বিধেয়কখনৰ অংশ হ’ব।

দফা নং 1, পৰিসৰ, আৰম্ভণ আৰু শিৰোনামত সংশোধনী নাই। এতিয়া দফা নং 1, পৰিসৰ, আৰম্ভণ আৰু শিৰোনাম সদনত ভোটদানৰ বাবে দাঙি ধৰিলো।

প্ৰশ্নটো হ'ল দফা নং 1, পৰিসৰ, আৰম্ভণ আৰু শিৰোনাম বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে কওক 'হয়'
যিসকল বিপক্ষে আছে কওক 'নহয়'
মই ভাবোঁ 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।
দফা নং 1, পৰিসৰ, আৰম্ভণ আৰু শিৰোনাম বিধেয়কখনৰ অংশ হ'ল।

মাননীয় শিক্ষা মন্ত্ৰীয়ে এতিয়া বিধেয়কখন পাৰিত কৰিবলৈ প্ৰস্তাৱ উত্থাপন কৰিব।

**ডাঃ ৰণোজ পেগু, (শিক্ষা মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এতিয়া মই "The Assam State School Education Board Bill, 2024" পাৰিত কৰাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মই মন্ত্ৰী ডাঙৰীয়াৰ দ্বাৰা বিধেয়কক পাৰিত কৰাৰ প্ৰস্তাৱটো সদনৰ ভোটদানৰ বাবে দাঙি ধৰিলো। প্ৰশ্নটো হ'ল যে, "The Assam State School Education Board Bill, 2024" খন পাৰিত কৰা হওঁক।

যিসকল সপক্ষে আছে, কওক 'হয়',
যিসকল বিপক্ষে আছে, কওক 'নহয়',
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
প্ৰস্তাৱটো গৃহীত হ'ল আৰু বিধেয়কখন পাৰিত হ'ল।

<u>কাৰ্যসূচী নং ১৪</u>

এতিয়া মাননীয় মন্ত্ৰী শ্ৰীজয়ন্ত মল্ল বৰুৱা ডাঙৰীয়াই **"The Assam Tourism (Development and Registration) Bill, 2024"**খন বিবেচনাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিব।

**শ্ৰী জয়ন্তমল্ল বৰুৱা, (মন্ত্ৰী)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে "The Assam Tourism (Development and Registration) Bill, 2024" খন বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো বিবেচনাৰ বাবে সদনত ভোটদানৰ বাবে দাঙি ধৰিলো। প্ৰশ্নটো হ'ল- "The Assam Tourism (Development and Registration) Bill, 2024" খন বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল সপক্ষে আছে, কওক 'হয়',
যিসকল বিপক্ষে আছে, কওক 'নহয়',
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
প্ৰস্তাৱটো গৃহীত হ'ল।

এতিয়া বিধেয়কখন সদনত দফা দফাই বিবেচনাৰ বাবে লোৱা হ'ল। দফা নং ২ ত মাননীয় সদস্য শ্ৰীমতী নন্দিতা দাস আৰু তেখেতৰ সহযোগী সকলৰ এটা আৰু মাননীয় বিধায়ক শ্ৰী অখিল গগৈ ডাঙৰীয়াৰ তিনিটা সংশোধনী প্ৰস্তাৱ আছে। এতিয়া মাননীয়া সদস্যা শ্ৰীমতী নন্দিতা দাস ডাঙৰীয়াণী আপোনাৰ বক্তব্য আৰম্ভ কৰক।

**শ্ৰীমতী নন্দিতা দাস (বকো)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, The Assam Tourism (De-

velopment and Registration) Bill, 2024, এই বিলখনত মই কেইটামান সংশোধনী দিছিলো।

প্রথম Clause 2, ত এটা সংশোধনী আছিল - in line 2, two words "whether registered as such or not" subsitute by "must be registered."

ইয়াৰ পিছত সংশোধনী আছিল, Clause 3, 5, 16,17,18। মই গোটেই কেইটা উঠাইছো বুলিলে কলো মাননীয় উপাধ্যক্ষ মহোদয়।

মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ প্ৰথম যিটো আছিল সংশোধনী ২, service provider, চৰকাৰে এখন তালিকা দিছে। তালিকা খন বহুত দীঘলীয়া আছে যে হোটেল heritage, bungalow, resort, home stay, tent accommodation, camping facility, restaurant, dhaba, Guest House, cafeteria, bus, water support ইত্যাদি যিখিনি service provider আছিল, আমি সংশোধনীটো এই কাৰণে দিছো যে শেষৰ যিটো section 2 (P) vii ত আছে যে "and similar service providerm providing service to the tourist whether register as such or not। এই যে as such or not, আমি ইয়াত কৈছো যে registration টো must কৰিব লাগে। কাৰণ যিখিনি পৰ্য্যটক বিভিন্ন ৰাজ্যৰ পৰা বা বিভিন্ন দেশৰ পৰা হওঁক, আমাৰ অসমলৈ আহিব, তেওঁলোকক পোন প্ৰথমতে service provider সকলে লগ পাব, বিভিন্ন মাধ্যমৰে, যিখিনি তালিকা আমি পালো।

এই service provider সকলৰ যাতে কোনো ঠগ, প্ৰৱঞ্চনা, misguide বা অন্য কোনো বিপদত পৰা activity নহয়, এই ক্ষেত্ৰত চৰকাৰৰ হাতত সকলো ধৰণৰ তথ্য থকাৰ প্ৰয়োজন আছে। সেই কাৰণে আমি কৈছো যে registration must হ'ব লাগে। কাৰণ registration নাথাকিলে, তেওঁলোকে দায়বদ্ধ হৈ নাথাকিব। গতিকে মই ভাৱো যে মন্ত্ৰী মহোদয়ে এই কথাটো প্ৰয়োজন বুলি ভাৰি সংশোধনীটো মোৰ মানি ল'ব।

লগতে মই section 16 ত যিটো সংশোধনী আনিছিলো যে যিখিনি Appellate Authority যিখিনি কৰা হৈছে। Appellate Authority ৰ কাম হ'ব যে যিজন Tourism ৰ Director, তেওঁ হ'ল Authority, তেখেতৰ যদি কিবা হুকুম, কিবা বিসংগতি থাকে, ভুল থাকে, কাৰোবাৰ কাৰণে এইটো ক্ষতিকাৰক হয়, এই গোটেই খিনি চোৱাৰ চিতাৰ কাৰণে Appellate Authority বুলি এখন Authority গঠন কৰা হৈছে। এই Appellate Authority খনৰ গৰাকী কাক দিয়া হ'ব, কোনসকল দায়িত্বশীল ব্যক্তি থাকিব, সেই কথাটো ইয়াতে উল্লেখ নাই। সেই কাৰণে মই মন্ত্ৰী মহোদয়ৰ পৰা এইটো clear হ'ব বিচাৰিছো, কাৰণ এই Appellate Authority খনৰ যথেষ্টখিনি ক্ষমতা আছে, section viii ত লিখা আছে, an order passed by appellate authority under this Act shall be executable by the authority as a degree of civil court and for this purpose the appellate authority shall have all the powers of a civil court. যিহেতু power খিনি যথেষ্ট দিয়া আছে, সেই কাৰণে কোন সকল ব্যক্তি appellate authority ৰ যিখন সমিতি হ'ব , তাত কাক দিয়া হ'ব। সেই কথাটো ইয়াত উল্লেখ নাই। এই কথাটো ইয়াত উল্লেখ থাকিলে ভাল আছিল। আমি এইটো মন্ত্ৰী মহোদয়ৰ পৰা clear হ'ব

বিচাৰিছো।

লগতে section 17 ত "Revisional Authority" উল্লেখ কৰা আছে যে appellate authority যদি কোনো চৰকাৰী উচ্চ পৰ্য্যায়ৰ বিষয়া থাকে, Secretary or Principal Secretary level ৰ, authority ৰ কোনো ভুল হুকুম তেওঁলোকে বিবেচনা কৰি নতুন হুকুম জাৰি কৰিব আৰু এই হুকুম authority য়ে মানিব লাগিব। Appellate Authority থকাৰ পিছত কি কাৰণে Revisional Authority ৰ প্ৰয়োজন হয়, সেই কথাটো আমি প্ৰয়োজন বুলি ভৰা নাই, সেই কাৰণে Appellate Authority থকাৰ পিছত Revisional Authority ৰ প্ৰয়োজন নাই, সেই কথাটোকে আমি ইয়াত উল্লেখ কৰিছো। সেই কাৰণে Revisional Authority শব্দটো delete কৰিব দিছো, থাকিব নালাগে।

ইয়াৰ পিছত statistically information, ইয়াতো আমি এটা সংশোধনী আনিছো যে clause 18, sub clause (2) আছে, in the event that a person who is subject to providing the statistical information under this Act, fails to provide such statistical information within the period as may be prescribed, he shall on non-compliance be subject to penalty imposed by the said authority as per the provision of the Act or Rules thereof . ইয়াত এটা penalty ৰ কথা আছে, যিহেতু penalty কিমান হ'ব, কি হ'ব। সেই কথাটো ইয়াত উল্লেখ নাই।

আমি বহুখিনি কথাত clear হ'ব পৰা নাই, Appellate Authority কোন থাকিব, Revisional Authority প্ৰয়োজন কিয় আছে, যিহেতু Appellate authority এখন আছে আৰু penalty ত কি ধৰা হৈছে, কিমান টকা ধাৰ্য্য কৰা হৈছে, কেনেধৰণৰ দোষত, এই কথাবিলাক যদি বিলখনত উল্লেখ নাথাকে, মই ভাৰো যে আমি clear নহম।

মাননীয় অধ্যক্ষ মহোদয়, মই সংশোধনী সমূহৰ বাহিৰে দুষাৰমান ক'ব বিচাৰিছো যে Tourism department এটা গুৰুত্বপূৰ্ণ বিভাগ। যিটো বিভাগৰ পৰা আমি ৰাজহ সংগ্ৰহ কৰি ৰাজ্যৰ GDP টনকীয়াল কৰিব পাৰো।

আমাৰ অসমত ২০২২-২৩ বিত্তীয় বৰ্ষত তাত মাত্ৰ ২.৬৫ কোটি টকা সংগ্ৰহ কৰিবলৈ চৰকাৰে সক্ষম হৈছে পৰ্যটন বিভাগৰ পৰা। আমাৰ অসম এখন এনেকুৱা ৰাজ্য যিখন ৰাজ্য tourism ৰ ক্ষেত্ৰত যিখিনি potentiallity ৰ প্ৰয়োজন আছে, গোটেইখিনি আমাৰ আছে। আমি যদি কওঁ যে আমাৰ ধৰ্মীয় স্থান, মঠ-মন্দিৰ, লগতে ৰজাদিনীয়া কৃতীচিহ্ন, অসমৰ সেউজীয়া পাহাৰ পৰ্বত, বন বিভাগৰ national park, wild life sanctuary, tea garden এনেকুৱা বহুত ধৰণৰ আছে, যিবোৰক আমি আকৰ্ষিত কৰি বাহিৰৰ পৰা পৰ্য্যাটক আনি আমাৰ ৰাজহ বৃদ্ধি কৰিব পাৰো। কিন্তু আমি দেখিছো যে অন্যান্য ৰাজ্যবিলাকৰ তুলনাত যেনে মহাৰাষ্ট্ৰ, উত্তৰ প্ৰদেশ, গুজৰাট, কেৰেলা, তামিলনাডু, জন্মু-কাশ্মিৰ আৰু বহুতো এনেকুৱা ৰাজ্য আছে, যিবোৰ ৰাজ্যত tourism ৰ পৰা যথেষ্টখিনি ৰাজহ সংগ্ৰহ হৈছে। কিন্তু আমাৰ ৰাজ্যত আমি বহুত পিছপৰি আছো, টকা পইচা বছৰি যথেষ্টখিনি দিয়া গৈছে, কিন্তু কি কাৰণে ইমানখিনি পিছ পৰি আছো, মাননীয় উপাধ্যক্ষ মহোদয় চিন্তনীয় বিষয়।

কাৰণ আমাৰ চুবুৰীয়া ৰাজ্য মেঘালয়, তাত ৭ শতাংশ ৰাজহ tourism ৰ পৰা আহে। আমি যি পাইছো ২.৬৫ কোটি টকা, সেইখিনি আমাৰ ০.১ শতাংশও নহয়। আমি বহুত পিছ পৰি

আছো। সেই কাৰণে আমি ভাৱো যে মন্ত্ৰী মহোদয়ে এই বিভাগটোক যথেষ্ট শক্তিশালী কৰিব, কাৰণ tourism ৰ জৰিয়তেও ৰাজহ সংগ্ৰহ কৰি ৰাজ্যৰ অৰ্থনীতি বৃদ্ধি কৰিব পাৰো। মই ভাৱো যে Tourism ৰ ক্ষেত্ৰত অসম পিছপৰি থকা নহয়,আমাৰ যথেষ্টখিনি প্ৰকৃতিক সম্পদ বা অন্যান্য সম্পদ আছে।

মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ শিৱসাগৰ এখন hostorical জিলা। এই জিলাখনত বহুত খিনি ঠাই আছে, যিবোৰ tourism ৰ উন্নয়ন কৰি ৰাজহ আহৰণ কৰিব পাৰো। ইয়াৰ লগতে আৰু কিছুমান জিলা আছে, সেই নাম সমূহ মই উল্লেখ কৰিব বিচাৰিছো নাজিৰা অসমৰ এক ঐতিহাসিক ঠাই। বিশ্ব ঐতিহ্যৰে আৰৰা চৰাইদেউ মৈদাম নাজিৰাত অৱস্থিত। আহোম ৰাজত্ব কালত গৌৰৱোজ্বল ইতিহাসৰ সাক্ষ্য বহন কৰি নাজিৰাতে বৃটিছ শাসনৰ অসম কোম্পানী লিমিটেডৰ কাৰ্য্যালয় আছিল। আহোম ৰাজত্ব কালত ১৯৪ টা ঐতিহাসিক স্থান নাজিৰাত আছে। এই ঐতিহাসিক স্থানৰ ভিতৰত মোগল সাম্ৰাজ্যৰ তাজমহলতকৈও পুৰণি গৰখীয়া দৌলটো যিটো যুগতুলী মৌজাৰ নাওখৰীয়া গাওঁত অৱস্থিত। স্বৰ্গদেউ প্ৰতাপ সিংহই নিৰ্মাণ কৰা ঐতিহাসিক ক্ষেত্ৰখনলৈ পৰ্য্যটকৰ কিছু নতুন সম্ভাৱনীয়তাৰ কথা চিন্তা কৰিব পৰা যায় নেকি? ভাৰতৰ স্বাধীনতা আন্দোলনৰ এক যাত্ৰা আৰম্ভ হৈছিল নাজিৰাৰ পৰা ডিগবৈ গোলাঘাটতে এক গণবিদ্ৰোহৰ ৰূপ লৈছিল। পিয়লি ফুকনৰ নামেৰে আহোম ৰাজত্ব কালত নাজিৰাৰ আটখেল মৌজাৰ এটি দৌল নিৰ্মাণ কৰা হৈছিল। অসমৰ পৰ্য্যটকৰ মানচিত্ৰত ঐতিহাসিক স্থান সমূহৰ সংলগ্ন কৰাৰ থল আছে নাজিৰাৰ বৰশিলৰ পৰ্য্যটকৰ বাৰে এক অতি মনোৰম ঠাই। এই স্থানত প্ৰণালীবদ্ধ ভাৱে উন্নীতকৰণৰ থল আছে. অসম পথ নিৰ্মাণৰ কাম পোন প্ৰথমবাৰলৈ আহোম সকলে কৰিছিল। এই লিষ্টখন মই চাবমিট কৰি দিম। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ খুৱ ওচৰতে আৰু গুৱাহাটীৰ খুৱ ওচৰতে আমাৰ খুৱ মনোমোহা ঠাই আছে। মই কেইবাবাৰো বিধান সভাত উত্থাপন যে আমাৰ লাংপি অঞ্চলত যথেষ্ট প্ৰতিচ্ছবিতে আছে মিনি চিলং বুলিও ক'লেও ভূল নহ'ব। য'ত নেকি প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভৰপূৰ এটা অঞ্চল যিটো অঞ্চলকো আমি উন্নত কৰি পৰ্য্যটকক আৰ্কষণ কৰাৰ কাৰণে সেইখিনি কাম কৰিব পাৰো। সেইখিনি যিহেতু reserve forest হয়, নিশ্চয়কৈ PWD বা আইন কানুনত কিছু বাধা আছে। আমি বিচাৰো যে মন্ত্ৰী মহোদয়ে সেই অঞ্চলবিলাকত forest যিহেতু এলেকা আছে, forest ৰ fund ৰ জৰিয়তে যদি পৰ্য্যটকৰ কাৰণে IB তৈয়াৰ কৰি বা অন্যান্য কিছু তেওঁলোকক থকাৰ কাৰণে ব্যৱস্থা কৰি সেই অঞ্চলবিলাক পৰিদৰ্শন কৰি পৰ্য্যটক সকলক সুবিধা কৰি দিয়ে মই ভাৱো যে এনেকুৱা অঞ্চল যে গুৱাহাটীত বাহিৰৰ পৰা পৰ্য্যটক আহিয়েই খুব ওচৰৰ অঞ্চল এটাত গৈ মনোমোহা দৃশ্য প্ৰাকৃতিক সৌন্দৰ্য্য তেওঁলোকে দেখা পাব। ঠিক তেনেধৰণে উকিয়াম অঞ্চল আছে। মোৰ যিকেইটা Amendment আছে।

**মাননীয় অধ্যক্ষ ঃ** Amendment পিছত দিব।

**শ্ৰীমতী নন্দিতা দাস, বকো ঃ** মই ভাবো যে এইকেইটা clear হওঁ, নিশ্চয় ভাল পাম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰীআমিনুল ইছলাম, আপুনি ক'ব।

**শ্ৰীআমিনুল ইছলাম, (জ্যেষ্ঠ) ধিং ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Tourism (Development & Registration) Bill, 2024 এই সংক্ৰান্তত বিলত আমি দুটা amendment দিছো, কিন্তু কিছু প্ৰাসংগিতকা অলপ কৈ ল'ব বিচাৰিছো। তাৰ আগতে মন্ত্ৰী মহোদয়ক মই এটা কথা ক'ব বিচাৰিছো যে তেখেত যিহেতু BAC meeting ত নাছিল, BAC meeting ত এইটো সিদ্ধান্ত হৈছিল যে বিলৰ আলোচনা কৰোতে সাধাৰণতে সামগ্ৰিকভাৱে

যিটো বিষয়ৰ বিল হয়, সেইটোৰ ওপৰত বিভিন্ন যি খুটিনাতিবিলাক আলোচনা কৰিব পৰা যাব সাধাৰণ আলোচনাত অলপ আগতে মন্ত্ৰী মহোদয়ে কৈছিল যে এইটো Cut Motion নহয়, BAC meeting আমাৰ decision হৈছিল যে cut motion নহ'লেও মাননীয় অধ্যক্ষ মহোদয়, এই কথাটো দুবছৰৰ পৰাই কৈ আছে। যিটো বিষয়ৰ ওপৰত বিল থাকে, সেই বিষয়টোৰ ওপৰত সামগ্ৰিকভাৱে কিছু আলোচনা সাধাৰণ আলোচনাত আহিব লাগে। অসমত পৰ্য্যটন উদ্যোগ বিকাশৰ ক্ষেত্ৰত এই বিলখনে কিমানখিনি অৰিহণা যোগাব এই কথাটোলৈ মই পিছত আহি আছো। সামগ্ৰিকভাৱে অসমৰ পৰ্য্যটন ক্ষেত্ৰৰ চিত্ৰখন অলপ মই দাঙি ধৰিব বিচাৰিছো যে অসমত আমি জানো যে কাজিৰঙা বা যিখিনি অভয়াৰণ্য আছে বা দুই এখন ঠাই আছে য'ত বাহিৰৰ পৰা পৰ্য্যটন আহে বেছিকৈ আকৰ্ষিত হয়। কিন্তু আমাৰ যিখিনি ঐতিহাসিক কৃতি চিহ্ন আছে লগতে এটা কথা বাৰে বাৰে অসম বিধান সভাত কৈছিলো যে water base tourism sector টো develop কৰাৰ কাৰণে অসমত যথেষ্ঠ থল আছে. কিন্তু এইটো অসমত আমি খুব শোচনীয়ভাৱে ব্যৰ্থ হ'লো। আমি কেৰেলাত দেখিছো, তামিলনাডুত আৰু মধ্য প্ৰদেশত তেওঁলোকে back water যিটো tourism development কৰে। কেৰেলাত আটাইতকৈ বেছি tourist তেওঁলোকে কৈৰালা হওঁক, আলাপ্পি হওঁক বিভিন্ন ঠাইত back water development কৰি গাওঁৰ মাজেদি এটা সূতিৰ নিচিনাকৈ নিছে। তাত বহুত পৰ্য্যটক যায়। কিন্তু অসমত জলাশয়ৰ অভাৱ নাই। জলাশয় যথেষ্ট পৰিমাণে আছে। কিন্তু জলাশয় বিলাকক অলপ tourist sector ৰলৈ develop কৰি tourist সকলক আকৰ্ষিত কৰিব পৰাকৈ চৰকাৰৰ একো পৰিকল্পনাটো দেখা নাই। এই বিষয়টো বাৰে বাৰে দৃষ্টিগোচৰ কৰি আছো। কাৰণ অসমত বহুকেইখন নদী তাৰপিছত বিল, হ্ৰদ, সূতি, উপনদী যথেষ্ট পৰিমাণে আছে আৰু বহুক্ষেত্ৰত আমি দেখিছো প্ৰাকৃকিত সৌন্দ্যা স্বাভাৱিকভাৱে আছে. কেৰল তাত আমি অলপ বৈজ্ঞানিক ভাৱে উন্নত কৰিলে পৰ্য্যটক সকলক আকৰ্ষিত কৰিব পাৰো। বাহিৰৰ ৰাজ্যৰ পৰা গুৱাহাটীলৈ যিবিলাক Assembley Team আহে, তেওঁলোকে আমাক হোটেলত লগ পাই চিনাকী হৈ কয় যে আমি ক'ত যাম, আমি গুৱাহাটীৰ কিবা চাব বিচাৰো। তেতিয়া আমি ব্ৰহ্মপুত্ৰ, উমানন্দৰ কথা কওঁ। তেওঁলোকে যিটো বিচাৰে যে গুৱাহাটী ৰাজধানীৰ ওচৰত enjoy কৰিব পৰাকৈ ভাল tourism ৰ কিবা ঠাই আছে নেকি ? যেতিয়া কওঁ কাজিৰঙাৰ কথা, তেতিয়া কয় যে সেইখন বহুত দূৰত আছে আমি পিছত যাম। দুঘণ্টা বা তিনিঘণ্টাৰ ভিতৰত চাবলৈ কি আছে? গতিকে সেই কথাটো বহুবাৰ বৰ্হিৰাজ্যৰ পৰা অহা বিধায়ক সকলে লগ পাই চিনাকি হ'লে এই কথাটো কয়। আমি তেতিয়া লাজ পাওঁ। ইয়াত যিখিনিৰ কথা কওঁ যে Accoland বা তেনেকুৱা ঠাইত যাব পাৰে। সেইসমূহ private sector Government ৰ ফালৰ পৰা একো কৰিব পৰা নাই আৰু এটা কথা ব্ৰহ্মপুত্ৰ নদীৰ যিটো উমানন্দ পাহাৰ বা কামাখ্যা মন্দিৰৰ এইখিনিত কিন্তু Tourism Sector development কৰাৰ কাৰণে যথেষ্ট থল আছে। ইয়াত যিহেতু উমানন্দ পাহাৰৰ যিটো সৌৰ্ন্দয্য নদীৰ বা যিটো ইয়াত সুঁতি তাত যিটো প্ৰাকৃতিক সৌৰ্ন্দয্য আছে এই ক্ষেত্ৰত আমি মন্ত্ৰী মহোদয়ক এটা কথা আপোনাৰ জৰিয়তে ক'ব বিচাৰো যে ইয়াত মাজতে Ropway ৰ এটা চৰকাৰে ব্যৱস্থা কৰিছিল যে Ropway ত যিহেতু দেখা গ'ল 2nd day, 3rd day, 4th day ৰ পৰাই সেইটো বিকল হৈ গ'ল। তেওঁলোকৰ নিৰাপত্তাৰ কথা আহি গ'ল। প্ৰায়ে এনেকুৱা হয়, কিছুদিন চলি এমাহ বন্ধ হ'ল। অলপ Scientificway ত অলপ ভালকৈ কৰিলে গুৱাহাটীৰ ওচৰৰ ব্ৰহ্মপুত্ৰ নদীকেন্দ্ৰীক আৰু পাহাৰ কেন্দ্ৰীক tourist sector development কৰা যায় যিহেতু গুৱাহাটীখন উত্তৰ পূৰ্বাঞ্চলৰ প্ৰবেশ দ্বাৰ হয়। গতিকে

গুৱাহাটীত tourism sector develop কৰিলে নিশ্চয় পৰ্য্যটক যথেষ্টখিনি বৃদ্ধি হ'ব। চলিত বাজটত নহ'লেও পৰৱৰ্তী বাজেটত গুৱাহাটীৰ ওচৰত ব্ৰহ্মপুত্ৰৰ ব্ৰীজত water tourism sector এটা development কৰাৰ কাৰণে কাম কৰে তাৰ কাৰণে যাতে ব্যৱস্থা গ্ৰহণ কৰে। এইখিনি কথা আপোনাৰ জৰিয়তে অনুৰোধ জনালো। তাৰ লগে লগে এই বিলখনত যিখিনি criteria দিয়া হৈছে tourist sector ত যিখিনি tourism ৰ কাৰণে আগবাঢ়ি আছে, তেওঁলোকৰ ব্যৱস্থাপনাৰ কাৰণে বা যিকেইখন কমিটি বনোৱা বা তেওঁলোকক empower কৰাৰ কাৰণে। কথাখিনি ঠিকেই আছে। আমি গোটেইখিনি চালো। Clause-15 ত আমি আৰু এটা amandment বিচাৰিছো। আমাৰ এই committee খনে tourist sector ত যিসকলে in based কৰে, উদ্যোগী সকলক যাতে proper প্ৰশিক্ষণ দিয়ে আৰু report তেওঁলোকে যাতে দিয়ে ইয়াত safty measure ত যিখিনি provision আমাৰ এই আইনখনে দিছে সেই safty meassure খিনি কেনেকৈ তেওঁলোকে implement কৰিব এই বিষয়ে তেওঁলোকক এটা প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগে আৰু এইখিনি যাতে ensure কৰে safty measure গোটেইখিনি লৈছে নে নাই এইক্ষেত্ৰত অতি কমেও ৬ মাহত এবাৰ যাতে চৰকাৰক report কৰে যাতে দুৰ্ঘটনাত পতিত নহয়। বিশেষকৈ water tourism ৰ ক্ষেত্ৰত ইয়াত যিখিনি জাহাজ থাকিব বা নাওঁ থাকিব তাত তেওঁলোকৰ কাৰণে life boat, যিটো life jacket ৰ ব্যৱস্থা থাকিব। যিসকলে খুলিব তেওঁলোকক কমিটিয়ে প্ৰশিক্ষণ দিব লাগিব আৰু safty measure টো ensure কৰিববলৈ তেওঁলোকক ৬ মাহৰ পিছে পিছে report দি থাকিব। এই বিষয়টো অন্তৰ্ভূক্ত কৰিলে ভাল হয় তেতিয়া safty টো ভাল হয়। আমি তেতিয়া ভয় কৰিব নালাগে। এই আইনখনত আমি দেখিছো যে tourism sector টোৰ কাৰণে এটা controlling ৰ ব্যৱস্থা কৰাৰ কাৰণে প্ৰয়াস কৰা হৈছে সেইক্ষেত্ৰত আমি ধন্যবাদ জনাইছো। কিন্তু তাৰ লগে লগে tourism sector ৰ ব্যাপক development ৰ কাৰণে বেছি এটা কৰা নাই ভৱিষ্যতে যাতে এইখিনি চৰকাৰে কৰে তাৰ কাৰণে আশা ৰাখি মোৰ বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় সদস্য শ্ৰীগোবিন্দ বসুমতাৰী।

**শ্ৰীগোবিন্দ বসুমতাৰী, (পানেৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি Tourism Department ৰ মাননীয় মন্ত্ৰী মহোদয়ে যিখিনি tourism সম্পৰ্কে registration bill উত্থাপন কৰিছে। Tourism অসমৰ বিত্তীয় এটা source হয়, সেই কাৰণে ইয়াৰ বিকাশ কৰাৰ কাৰণে প্ৰয়োজন আছে আৰু বহুতত দেখা যায় যে tourism ৰ নামত বহুত মানুহে resort, tourism guest house খুলিছে, তেওঁলোকক regulation ৰ ক্ষেত্ৰত অনা অসুবিধাত আমি দেখিবলৈ পাও। পৰ্যটনৰ উন্নয়ণৰ কাৰণে যি বিল আনিছে, সেই বিলৰ জৰিয়তে আমাৰ পৰ্যটন বিভাগৰ ব্যক্তিগত পৰিচালনাৰ যিখিনি গেষ্ট হাউচ আছে, সেইখিনি নিয়ন্ত্ৰণ আৰু সংশোধনৰ প্ৰয়োজন আছে। তেওঁলোকক এটা নিয়মৰ মাজেৰে পৰিচালনা কৰাৰ প্ৰয়োজন আছে। পৰ্য্যটন যিহেতু অসমৰ উপাৰ্জনৰ এটা উৎস, সেই উৎসখিনি আমি চৰকাৰী প্ৰক্ৰিয়াৰ মাজেদি এটা শৃঙ্খলাবদ্ধতা, নিয়মৰ মাজত আনি যদি পৰিচালনা কৰা নাযায়, তেতিয়াহ'লে পৰ্যটন উন্নয়ণ কৰাৰ যি সম্ভাৱনীয়তা আছে বা আমাৰ বিভিন্ন ঠাইৰ পৰা অসমত আহি থকা পৰ্য্যটকসকলৰ কাৰণে যিখিনি আকৰ্ষণীয় পৰিৱেশ আছে, সেইখিনি নষ্ট হোৱাৰ সম্ভাৱনা দেখা যায়। সেইকাৰণে আজি এই বিভাগৰ মাননীয় মন্ত্ৰী মহোদয়ে যিখিনি বিল উত্থাপন কৰিছে আৰু পৰ্য্যটন বিভাগৰ কাৰণে যিখিনি চিন্তা-চৰ্চা কৰি অসমৰ আৰ্থিক দিশত ৰাজহ উপাৰ্জন কৰাৰ যিহেতু ইয়াত উৎস আছে, সেইখিনি উন্নয়ণ কৰাৰ

প্ৰচেষ্টা হাতত লৈছে তাৰ কাৰণে আমি খুব ভাল পাইছো। বিশেষকৈ আমাৰ অসমৰ বিভিন্ন ঠাইৰ যিখিনি পৰ্য্যটনৰ সম্ভাৱনাপূৰ্ণ ঠাই আছে, বি টি চি অঞ্চলৰ ভূটান বোৰ্ডাৰ এলেকাত পৰ্য্যটনৰ বিকাশ কৰাৰ স্থল আছে। পৰ্য্যটন বিকাশৰ যি আইন আনিছে, তাৰ আওতাত আনি সেই অঞ্চলটো পৰ্য্যটকসকলক আকৰ্ষণ কৰিব পৰাকৈ পৰ্য্যটন স্থলী হিচাবে গঢ়ি তোলাৰ বাবে ব্যৱস্থা ল'বলৈ মাননীয় মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে আহ্বান কৰিব বিচাৰিছো। ভূটান বোৰ্ডাৰ এলেকাত ব্যক্তিগতভাৱে পৰিচালিত বহুতো গেষ্ট হাউচ আছে, য'ত নেকি কোনো নিয়ম-নীতি নাই আৰু য'ত বহু সময়ত কিছুমান অনাকাংক্ষিত ঘটনাও ঘটে। চৰকাৰ এইবোৰৰ ক্ষেত্ৰত দৃষ্টিগোচৰ নহয় আৰু নিজৰ খেয়াল খুচি মতে কাম কৰে। তাত কোনো নিয়ম-নীতি নচলে আৰু ইয়াৰ ফলত পৰ্য্যটকসকলক আকৰ্ষিত কৰাৰ বিপৰীতে তেওঁলোকক নিৰাশ কৰে। ইয়াৰোপৰিও অসমৰ বাহিৰৰ পৰা অহা পৰ্য্যটকসকলক যিখিনি সা-সুবিধা দিব লাগে, তেওঁলোকৰ সেই সা-সুবিধাখিনিও নাপায়। এনেকুৱা গেষ্ট হাউচ সমূহ এইখন বিলৰ জৰিয়তে নিয়মৰ মাজত আনি নিয়ন্ত্ৰণ কৰাৰ খুব প্ৰয়োজন অনুভৱ কৰো। সেইকাৰণে আজি যি বিল উত্থাপন কৰিছে, ইয়াত আমাৰ সম্পূৰ্ণ সমৰ্থন আছে। আশা কৰো এই বিলৰ জৰিয়তে অসমৰ পৰ্য্যটনৰ উন্নয়নৰ ক্ষেত্ৰত যথেষ্ট সহায়ক হ'ব আৰু অসমত পৰ্য্যটনে গঢ় লৈ উঠিব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই কওঁক।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়নী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, "আসাম ট্যুৰিজিম (ডেভেলপমেণ্ট এণ্ড ৰেজিষ্ট্ৰেশ্যন) বিল, ২০২৪" এইখন খুব সুন্দৰ বিল আৰু ইয়াত বহু গুৰুত্বপূৰ্ণ বিষয় বিশেষকৈ হেৰিটেজৰ বিষয়টো সন্নিবিষ্ট কৰিছে আৰু সংৰক্ষণৰ বাবে মাননীয় মন্ত্ৰী মহোদয়ে উদ্যোগ লৈছে। ইয়াৰ বাবে মাননীয় মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। কোনোবা এজন পৰ্য্যটকে যদি ৱেবচাইটত চাই যোৰহাটত কি কি পৰ্য্যটনস্থলী আছে, যাব বিচাৰে তাত মই ক'ব বিচাৰিছো যে বহু গুৰুত্বপূৰ্ণ স্থান এতিয়াও ৱেবচাইটত উল্লেখ কৰা নাই। এই বিলখনৰ ওপৰত সমস্ত পৰ্য্যটন আৰু পৰ্য্যটকৰ ভৱিষ্যত নিৰ্ভৰ কৰিব। বৃটিছৰ বিৰুদ্ধে প্ৰথম বিদ্ৰোহ ঘোষণা কৰা গোমধৰ কোঁৱৰৰ সমাধি ক্ষেত্ৰ আমাৰ মৰিয়নীত আছে। কিন্তু আজিও সেই স্থানখন ৱেবচাইটত আপলোড কৰা হোৱা নাই। গীবন ওৱাল্ড লাইফ চেঞ্চুৰী যিখন হলৌবান্দৰৰ কাৰণে এছিয়াৰ ভিতৰত বিখ্যাত সেইখনো এতিয়াও চৰকাৰী ৱেবচাইটত সন্নিৱিষ্ট হোৱা নাই। সেয়েহে এইখিনি চৰকাৰী ৱেবচাইটত অন্তৰ্ভূক্ত কৰিবৰ বাবে অনুৰোধ জনালো। দ্বিতীয় কথাটো হৈছে- মই মোৰ পৰিয়ালক লৈ বছৰত এবাৰ হ'লেও বছৰেকীয়া পৰীক্ষা শেষ হোৱাৰ পিছত বাহিৰলৈ ফুৰিবলৈ যাবলৈ চেষ্টা কৰো। মই এতিয়ালৈ বিদেশলৈ গৈ পোৱা নাই। মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ লগতে এবাৰ বাংলাদেশলৈ যোৱাৰ সৌভাগ্য হৈছিল। তেতিয়াহে মই পাছপোৰ্ট বনাইছিলো। তাৰ আগতে মোৰ পাছপোৰ্ট নাছিল। পৰ্য্যটকৰ বাবে ক'ত কি সুবিধা-অসুবিধা আছে, সেইখিনি চাওঁতে আমি দেখিছো যে-Road side Ammenities সমূহ পৰ্য্যটকসকলৰ বাবে অতি দৰকাৰী। য'ত টয়লেট, খোৱা পানী আৰু জিৰণী লোৱাৰ বাবে বহাৰ ব্যৱস্থা থাকে। এই বিলৰ ক্ষেত্ৰত যিসকল পৰ্য্যটকৰ বাবে বিভিন্ন হোটেল, মোটেলৰ পৰা আদি কৰি ট্যুৰিষ্ট চাইট খুলিবৰ বাবে ৰেজিষ্ট্ৰেশ্যন কৰিব, তেওঁলোকে যেন Road side Ammenities ৰ ব্যৱস্থা ও সুনিশ্চিত কৰে। যিসকলে পৰ্য্যটনৰ লগত জড়িত হৈ আছে বা ভৱিষ্যত দিনত তেওঁলোকে জড়িত হ'ব, তেওঁলোকক এইখিনি কৰিবলৈ এই বিলৰ লগতে যাতে এটা নিৰ্দ্দেশনা যায়। কিছুদিন আগতে মোৰ ডিমা হাচাও যোৱাৰ সৌভাগ্য হৈছিল। ডিমাহাচাও ওমৰাংচু লেক খন অতি সুন্দৰ আৰু বিশ্বৰ পৰ্য্যটকক আকৰ্ষণ কৰিব পৰা এটা স্থল আছে। তাত মই

ডিমাহাচওৰ লোকৰ আদৰ-মৰম খুব সুন্দৰভাৱে পাইছিলো। কিন্তু সেই লেক খনত পৰ্য্যটকৰ বাবে যিখিনি নিম্নতম সুবিধা থাকিব লাগিছিল তাত নাই। পৰ্য্যটক সকল বিশেষকৈ বয়োজ্যেষ্ঠ লোকৰ বাবে বহাৰ ব্যৱস্থা, টয়লেটৰ ব্যৱস্থা, অলপ খোৱা বস্তুৰ সুবিধা আৰু সৰু ল'ৰা-ছোৱালীৰ খেলাৰ বাবে কিছু ব্যৱস্থা তাত কৰিলে ভাল হ'ব। মই আৰু এটা প্ৰসংগ কৈ সামৰিব বিচাৰিম। মই দেখা পাইছো যে আমাৰ Hospitality ৰ খুব প্ৰায়োজন আছে। আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই দায়িত্ব লোৱাৰ পিছত অসমৰ পৰ্য্যটনৰ বাবে খুব সুন্দৰ পৰিৱেশএটা আহি পৰিছে। বিশেষকৈ বিভিন্ন শান্তি চুক্তি হোৱাৰ পিছত যেনে-বড়ো শান্তি চুক্তি, ডিমাচা শান্তি চুক্তি, আদিবাসী শান্তি চুক্তি আৰু শেহতীয়াকৈ আলফা শান্তি চুক্তি হোৱাৰ পিছত অসত পৰ্য্যটন প্ৰসাৰ হোৱাৰ খুব সুন্দৰ বাতাবৰণ এটা আহিছে আৰু গুলী, বোমা নুফুটা এখন অসম হৈছে। আমি যদি Hospitality ৰ ক্ষেত্ৰত আৰু কিছু প্ৰশিক্ষণ দিব পাৰো যেনে-সুন্দৰকৈ নমস্কাৰ দিয়া, ভালকৈ কথা পাতি আদৰ-সাদৰ কৰি সম্ভষণ জনাই বহিবলৈ দিয়া, মই ভাৱো ইয়ে আৰু বেছি পৰ্য্যটন বৃদ্ধি হ'ব। এবাৰ মই দিল্লীৰ পৰা আহোতে বিমানৰ পৰা নমাৰ পিছত বিমানবন্দৰৰ পৰা আহিবলৈ মোৰ গাড়ী নাছিল আৰু এখন গাড়ী ভাড়া কৰি আহিবলগীয়া হৈছিল। মোৰ লগত নগাওঁৰ বিধায়ক ৰূপক শৰ্মা ডাঙৰীয়া আছিল, তেওঁ সাক্ষী আছে। তেখেত তিৰা স্বায়ত্ব পৰিষদৰ CMO ৰ গাড়ীত গুছি আহিল। বিমান বন্দৰৰ বাহিৰত বহুত বেছি ড্ৰাইভাৰ থাকে আৰু তেওঁলোকে যাত্ৰীসকলক মতাৰ যিটো পদ্ধতি সেইটো অলপ সুকীয়া হ'লে ভাল হয়। তেওঁলোকৰ এজনে যদি যাত্ৰীক ৰিচিভ কৰি যাত্ৰীসকলক যদি সোধে, তেওঁৰ কি অসুবিধা আছে, তেখেত ক'লৈ যাব, কেনেকৈ যাব আৰু তেওঁলোকে ক'লৈ গৈ টেক্সি বুক কৰিব পাৰিব এই কথাখিনি যদি ভালকৈ বুজাই দিয়ে তেতিয়া পৰ্য্যটক সকল খুব আকৰ্ষিত হ'ব আৰু পুনৰ আহিবালৈ বিচাৰিব। এই বিলখন ভৱিষ্যতে আমাৰ পৰ্য্যটন ক্ষেত্ৰৰ বিকাশ আৰু নতুন প্ৰজন্মক পৰ্য্যটন ক্ষেত্ৰত জড়িত হ'বৰ বাবে উৎসাহিত কৰিব। এই বিলখন আনাৰ বাবে মাননীয় মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাই মই মোৰ বক্তব্য সামৰিলো।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, ( গোৱালপাৰা পশ্চিম)ঃ** অধ্যক্ষ মহোদয়, মই প্ৰথমে ধন্যবাদ জনাইছো যে প্ৰথমবাৰৰ বাবে BAC ত লোৱা সিদ্ধান্ত মৰ্মে সংশোধনীৰ লগে লগে বিভাগৰ ওপৰত যথেষ্ট সময় আলোচনা কৰাৰ বাবে সুবিধা দিছে। আজিৰ "The Assam Tourism Development and Registration Bill, 2024" ৰ ওপৰত আমাৰ দলৰ পৰা ৭ টা সংশোধনী আহিছে। মোৰ সতীৰ্থ বিধায়ক নন্দিতা দাস বাইদেউয়ে ইতিমধ্যে গোটেই কেইটাৰ ওপৰত থূলমূলকৈ কৈছে। কেৱল এটা বস্তু ৰৈ গৈছিল বুলি মোৰ অনুভৱ হয়। Clause 3 ত উল্লেখিত service provider বোৰ permanent resident of Assam হ'ব লাগে বুলি আমি সংশোধনী দিছিলো। অধ্যক্ষ মহোদয়, এই বিষয়টো তিনিটা ভাগত ভগাব পাৰো যেনে পৰ্য্যটনৰ প্ৰয়োজনীয়তা, সম্ভাৱনীয়তা আৰু প্ৰত্যাহ্বান। চৰকাৰৰ লগত আমি সকলোৱে একমত যে দ্ৰুতভাৱে বিকাশ লাভ কৰা, আটাইতকৈ ডাঙৰ আৰু আটাইতকৈ বেছি ৰাজহ আৰু কৰ্ম সংস্থাপন দিব পৰা উদ্যোগেই হৈছে পৰ্যটন আৰু ইয়াৰ যথেষ্ট পৰিমাণৰ সম্ভাৱনা আমাৰ অসমত আছে। অসমত এশিঙীয়া গঁড়, কিছুমান বিৰল প্ৰজাতি, ইয়াৰ প্ৰাকৃতিক সৌন্দৰ্য্য, eco-tourism বা বাৰেৰহনীয়া সাংস্কৃতিক বৈশিষ্ট্য সকলোখিনি আছে। আনকি, ১৮২৩ খ্ৰীষ্টাব্দত অসমত চাহৰ আৱিষ্কাৰ হোৱাৰ পিছত চাহ-বাগিচাৰে ভৰি পৰে। বৰ্তমান গুৱাহাটী উত্তৰ-পূৰ্বাঞ্চলৰ গোটেইকেইখন ৰাজ্যৰ বাবে চিকিৎসাৰ হাব হৈ আছে। গতিকে, পৰ্য্যটকক আকৰ্ষণ কৰিব পৰাকৈ যথেষ্টখিনি কৰিব পৰাৰ আমাৰ সম্ভাৱনা আছে। কিন্তু, এই ক্ষেত্ৰত আমি কিছুমান প্ৰত্যাহ্বানো দেখা পাওঁ। দেখা গৈছে

এইবাৰ চৰকাৰে পৰ্যটন খণ্ডত বাজেটত মাত্ৰ ১০০ কোটি টকা ধৰিছে। যদিও কামাখ্যা ধামৰ বিকাশৰ বাবে, শিৱসাগৰৰ উন্নয়নৰ বাবে কিছুমান আঁচনি লৈছে কিন্তু মই ভাৱো যে এইখিনি যথেষ্ট নহয়। আমাৰ সন্মানীয় বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে ডিমা-হাচাওৰ কথা কৈছে। মোৰ নিজৰো সৌভাগ্য হৈছিল ডিমা-হাচাওখন চোৱাৰ। ইয়াক অসমৰ কাশ্মীৰ বুলিও ক'ব পাৰি। ইয়াৰ ক্ষেত্ৰত আমি অলপ চেষ্টা কৰিলে ভাৰতৰ লগতে বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰ্যটকক আকৰ্ষণ কৰিব পাৰিম। কিন্তু, তাত চৰকাৰে যি ধৰণে পদক্ষেপ ল'ব লাগিছিল সেইধৰণে পদক্ষেপ লোৱা আমি দেখা নাই। ইমানখিনি প্ৰচুৰ সম্ভাৱনা থকাৰ পিছতো ৰাজ্যৰ অৰ্থনৈতিক ভেটি সবল কৰাৰ লগতে যথেষ্ট সংখ্যক কৰ্ম সংস্থাপন দিব পৰা খণ্ডটোত পৰ্যটন বিভাগে বিশেষ কোনো উল্লেখযোগ্য পৰিৱৰ্তনশীল কাৰ্য্যসূচী লোৱা আমাৰ চকুত পৰা নাই। ১৯৮৭ত wildlife ৰ ক্ষেত্ৰত পৰ্যটনে প্ৰস্তুত কৰা নীতিৰ এতিয়ালৈকে সঠিক ৰূপায়ণ হোৱা নাই। ১৯৫৫ ত Restricted Area Permit ৰ concept উত্তৰ-পূৰ্বাঞ্চলত ৰূপায়ণ কৰা হৈছিল আৰু ইয়াক ১৯৯৯ত withdraw কৰা হৈছিল যদিও এতিয়াও কিছুমান আন্তঃৰাষ্ট্ৰীয় নাগৰিকৰ মাজত শংকা আছে যে উত্তৰ-পূৰ্বাঞ্চল বা আমাৰ এই নিৰ্দিষ্ট এলেকাবোৰ Restricted Area ত অন্তৰ্ভুক্ত হৈ আছে। আমাৰ ইয়াত সন্ত্ৰাসবাদী সংগঠন, আন্দোলন বা অপহৰণৰ কিছুমান rumour আছে। কিন্তু, এই rumour খিনি আমি overcome কৰিব পৰাকৈ ব্যাপক প্ৰচাৰ কৰাত ব্যৰ্থ হৈছো। ইতিমধ্যে আকৰ্ষণৰ কেন্দ্ৰ স্থলসমূহত পৰ্য্যটকৰ বাবে থকাৰ কাৰণেই হওঁক, খোৱাৰ কাৰণেই হওঁক বা পানীৰ বাবেই হওঁক, কিছুমান basic facility ৰ অভাৱ দেখা গৈছে। ইয়াৰোপৰি, অসমত পৰ্য্যটনক ৰাষ্ট্ৰীয় বা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত আকৰ্ষণীয় কৰি তোলাৰ বাবে research paper, journal, youtube বা অন্যান্য সামাজিক মাধ্যমত ফটোসহ upload কৰি যি ধৰণে প্ৰচাৰ কৰিব লাগিছিল সেইধৰণে কৰা আমি দেখা নাই। ই অত্যন্ত জৰুৰী। আমাৰ কিছুমান সু-সংহত প্ৰচেষ্টাৰ অভাৱো দেখা যায়। জনসাধাৰণ, উদ্যোগী আৰু চৰকাৰৰ মাজত আমাৰ সু-সংহত পৰিকল্পনা আৰু প্ৰচেষ্টাৰ প্ৰয়োজন আছে। আমাৰ কিছুমান অঞ্চলত সৰু সৰু অপৰাধ বা traffickingৰ সমস্যা দেখা যায়। সেইবোৰ স্থানীয় সমস্যা হোৱাৰ লগতে ইয়ে পৰ্য্যটক অহাৰ ক্ষেত্ৰতো প্ৰভাৱ পেলায়। গতিকে এইবোৰ সমস্যা সমাধান কৰাৰ বাবে আমাৰ সু-সংহত পৰিকল্পনা লাগিব। আমাৰ প্ৰশিক্ষণপ্ৰাপ্ত Guideও নাই। পৰ্য্যটকক guide কৰাৰ বাবে Guide জনক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা আমাৰ চকুত পৰা নাই। গতিকে, পৰ্যাপ্ত পুঁজি, সু-সংহত পৰিকল্পনা বা গৱেষণা বা সাহিত্যৰ জৰিয়তে আমাৰ পৰ্য্যটন স্থলসমূহক আন্তৰ্জাতিক বা ৰাষ্ট্ৰীয় পৰ্যায়ত বহল ভাৱে প্ৰচাৰ কৰাৰ যি পৰিকল্পনা বা নীতি চৰকাৰৰ হাতত থাকিব লাগিছিল সেইখিনি দেখিবলৈ পোৱা নাই। মই ভাৱো চৰকাৰে এইখিনি পদক্ষেপ ল'লে পৰ্যটন বিভাগ উন্নত হ'ব।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, ধন্যবাদ। এতিয়া শ্ৰী অখিল গগৈ।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** সন্মানীয় অধ্যক্ষ ডাঙৰীয়া, "The Assam Tourism Development and Registration Bill, 2024" খন অনা হৈছে। মই যদি প্ৰথম বাক্যটো কওঁ তেন্তে ক'ম যে খুব বেয়া সময়ত এখন দৰকাৰী বিল অনা হৈছে। আমাৰ পৰ্য্যটন বিভাগটো এতিয়া declining stage ত গৈ আছে। আগতে খুব পৰ্য্যটক আহিছিল অসমত। মই এটা এটাকৈ দেখুৱাই দিব পাৰো ৰংঘৰ, তলাতল ঘৰ, কাজিৰঙাত পৰ্যটক কিমান কমিছে। পৰ্য্যটন ব্যৱসায়ীৰ লগত জড়িত থকা যিকোনো মানুহক সোধক, পৰ্য্যটনৰ অৱস্থা কেনেকুৱা। পৰ্য্যটনৰ নামত যিসকলে ৰিজৰ্টত বিয়া, সাংস্কৃতিক অনুষ্ঠান পাতি আছে, তেওঁলোকৰ বাবে কেইখনমান

ৰিজৰ্ট ভালদৰে চলি আছে। তাৰ বাহিৰে tourism business সাংঘাটিকভাৱে বেয়া। এই বেয়া সময়খিনিত যিখিনি মানুহে পৰ্য্যটনৰ লগত লাগি আছে যাৰ political backing নাই, তেওঁলোকে এই বিলখন দেখিলে ভয় খায়। এতিয়া এনেকুৱা হ'ল যে- এই বিধেয়কখনৰ জৰিয়তে কি কৰিব বিচাৰিছে? এই বিধেয়কখন আচলতে "Himachal Pradesh Tourism Development and Regulation Act, 2002 " ৰ পৰা directly নকল কৰিছে। নকল মাৰোতে বহুত বস্তু ইয়াত থাকি গৈছে। আগতে Tourism ৰ District Officer বোৰে পৰ্য্যটন ক্ষেত্ৰবোৰক creatively নিৰীক্ষণ কৰিছিল কিন্তু এতিয়া এই বিধেয়কখনৰ জৰিয়তে তেওঁলোকক সেই কামটোৰ পৰা নি Enforcement Officer পাতি দিছে যাতে কোনখন হোটেলত গৈ চাপ মাৰিব পাৰে আৰু দুই-এক টকা খাব পাৰে। এই বিধেয়খনৰ জৰিয়তে Tourism Department ত license permitraj আনি দিব বিচৰা হৈছে।। এই বিধেয়কখনৰ মূল বস্তুটো মই পঢ়া-শুনা কৰি আৰু মই নিজেই যিহেতু পৰ্য্যটন ক্ষেত্ৰৰ লগত জড়িত, দেখিছো যে এই বিধেয়কখনৰ মূল বস্তু এইটোৱেই হ'ব। এইটো license raj এটালৈ যাব আৰু registration কৰিব লাগিব। আমাৰ ১০০-২০০ সৰু সৰু ল'ৰাই guiding কৰাই থাকে। বিদেশৰ পৰা এজন মানুহ আহে। তেওঁলোকক অসমৰ বিভিন্ন ঠাইলৈ লৈ গৈ দেখুৱায়। তেওঁলোকে এদিন ১৫০০,২০০০, ৫০০০ টকা পায়। সকলোকে কৈছে যে তেওঁলোকে ৰেজিষ্টাৰ কৰিব লাগিব। তাৰ বাবে পইচা দিব লাগিব। এই গোটেই registration টো কৰাই দিছে, এইবিলাক কৰি অলপ ভয় খুৱাই tourism টো আৰু অকণমান বেয়া কৰিবৰ বাবে বুদ্ধি উলিয়াইছে। এই আদানী বোলা মানুহজনক যেতিয়া এই airport টো দি দিলে আমাৰ গোটেই flight ৰ খৰচটো বাঢ়ি গ'ল অসমত ।এতিয়া বোম্বেৰ পৰা এজন মানুহ গুৱাহাটীলৈ আহিবলৈ যিমান টকা লাগে তাতকৈ -Vietnam লৈ যাবলৈ বোম্বেৰ পৰা কম টকা লাগে ।অৱস্থা বেয়া ।এইকাৰণে মানুহবিলাক চব ভিয়েটনামলৈ গৈছে । দেশ বিলাক চা বলৈ গৈছে ,বিদেশ ফুৰিবলৈ গৈছে । ভাৰতলৈ অহা মানুহৰ বাবে North-east টো 3rd option হয় ।এবাৰ আহিলে প্ৰথমতে বেলেগ এটা চালে। দ্বিতীয়টো আহিলে কাশ্মীৰলৈ গ'ল । তৃতীয় বাৰ আমাৰ north-east লৈ আহে। কাৰণ ইমান খৰছী হৈ গৈছে airport ৰ charge টো বহুত বেছি হৈ গ'ল আমাৰ flight ৰ । সেইটো কিবা এটা নকৰিলে tourism ৰ অৱস্থা বেয়া হৈ যায়। তাৰ পিছত আগতে কি হৈছিল north-east লৈ অহা মানুহবিলাক গুৱাহাটী airport ত নামিছিল। এতিয়া গুৱাহাটী airport ত নানামে নহয়। নাগালেণ্ডলৈ যাবলৈ হ'লে ডিমাপুৰত নামিব। এতিয়া অৰুণাচললৈ যাবলৈ অৰুণাচলৰ airport ৰ হৈ গ'ল। শ্বিলংলৈ যাবলৈ হ'লে বৰাপানীত -airport হৈ গ'ল । গতিকে আমাৰ এইফালেদি গৈছিলে আগতে, সেইটোও মুধা মৰিলে এতিয়া ।সেই যিটো tourism ৰ বেলেগ ধৰণৰ কিছুমান প্ৰব্লেম আহি আছে যিবিলাক বস্তু চৰকাৰে চাব খোজা নাই, বুজিব খোজা নাই আৰু বুজি লৈ কিবা এটা কৰিবৰ বাবে ব্যৱস্থা নকৰি কি কৰিব খুজিছে, registration ৰ নামত আৰু এটা license rate আনি আমাৰ tourism টো আগতকৈ আৰু বেয়া কৰিবৰ কাৰণে এই আইনখন চৰকাৰে আনিছে, এইটো দুৰ্ভাগ্যজনক কথা ।

অধ্যক্ষ ডাঙৰীয়া, আচলতে tourism এ আমাৰ গোটেই অৰ্থনীতিটো একদম বদলাই দিব পাৰে । আজি আপুনি চাওক আজি আমাৰ ওচৰতে থকা চিকিম । চিকিমখনৰ এজন মানুহৰ এবছৰৰ আয় ৫ লাখ ২০ হাজাৰ টকা ২০২২-২০২৩ বৰ্ষত । আমাৰ কিমান এইবাৰ চৰকাৰে

দেখুৱালে ৰিজাৰ্ভ বেংকে দেখুৱাইছিলে ১ লাখ ১৮ হাজাৰ টকা এবছৰত আমাৰ per capita income কিন্তু চিকিমত সেই সময়ত ৫ লাখ ২০ হাজাৰ আৰু গোৱাৰ এইবিলাকৰ বেলেগৰ একো income নাই অকল tourism ৰ পৰা পইচা আহে তেওঁলোকৰ গোৱাৰ পৰা ৫লাখ ৫০ হাজাৰ টকা আহে । আমাৰ এতিয়া এবছৰৰ income মানে ১লাখ ২০ হাজাৰ টকা । এই tourism টোক আমি বিকাশ কৰি সাংঘাতিক ধৰণে আমাৰ per capita income বঢ়াব পাৰো । কিন্তু তাত কৰিব নোৱাৰো। মোক যদি আপুনি কয় তই tourism টোক কেনেকৈ বিকাশ কৰিবি ? মোক যদি কয় মই অকল ব্ৰহ্মপুত্ৰ নদীখনক লৈ tourismটো বদলাই পেলাম। বেলেগ একো কৰিব নালাগে। কেৰেলা আমি যেনেকৈ চাবলৈ যাওঁ নহয়, অকল ব্ৰহ্মপুত্ৰক লৈ মই গোটেই এটা এটাকৈ বদলাই দিম। মোক মাত্ৰ ৫ মিনিট সময় দিয়ক। এতিয়া আপোনালোকৰ সন্মুখতে বুজাই দিম কেনেকৈ tourism টো বদলি যাব ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে ।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মোক মাত্ৰ ২ মিনিট দিয়ক ছাৰ ।

**মাননীয় অধ্যক্ষ ঃ** Thank you, আপুনি suggestion দিলে হ'ল, মন্ত্ৰী ডাঙৰীয়াই শুনি আছে।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মই গোটেই Bodo culture টো গোৱালপাৰাত দেখাই দিম। Rabha culture টো গোৱালপাৰাত, গাৰো কালচাৰটো দেখুৱাই দিম ।

**মাননীয় অধ্যক্ষ ঃ** Thank you হ'ব । আপোনাৰ ৬ মিনিট সময় পাৰ হৈ গল।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ**অধ্যক্ষ মহোদয় , অকণমান ক'বলৈ দিলে ভাল হয় ।

**মাননীয় অধ্যক্ষ ঃ** Thank you , নাই হৈ গ'ল ।

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এইখিনিতে এক মিনিটৰ বাবে participate কৰিম। সন্মানীয় সদস্য গৰাকীয়ে আজিৰ পৰা কেইদিনমান ধৰি অসমৰ GDP, per capita ৰ ওপৰত ভাষণ দি থকা শুনিবলৈ পাইছো। ছাৰ, আপুনি যদি এতিয়া NITI Aayog ৰ report চায়, কেৰেলা খুব progressed state বুলি কয়। কেৰেলাৰ per capita income 151,74,214 সেইটো মই মানি লৈছো, আমাৰ যিটো latest survey হ'ল ২০২২-২৩ ত। তেখেতে যিটো কৈছে সেইটোৰে হয়। অসমৰ per capita income 1,19,000. সেইটো মই আন এটা কাৰণতহে ক'ব খুজিছো। ২০২১-২২ ৰ পৰা ২০২২-২৩ লৈকে অসমে 15% আৰু ছাৰ কেৰেলাই jump কৰিছে only 6.06%. ছাৰ। কথাটো আপুনি গম পাইছে GDP কেতিয়া কমি গ'ল, ১৯৪৭ চনত অসমৰ GDP per capita income ভাৰতবৰ্ষৰ প্ৰথম চাৰিখন state আছিল । তাৰ পিছত আহি গ'ল last ৰ চাৰিখনলৈ । তলৰ পৰা চাৰিখনলৈ। তেতিয়া চৰকাৰ কোনে বনাই আছিল। তেখেতে যেতিয়া দেখে যে বিধানসভা work-out কৰে তেখেতৰ লগে লগে যিসকল গুচি যায় তেওঁলোকে চৰকাৰ চলায় আছিল। এতিয়া আমাৰ চৰকাৰ আহিল, আমাৰ চৰকাৰে এবছৰত GDP per capita jump কৰিছো ১৬ শতাংশ আৰু তেখেতৰ অন্যতম role model ১৫ শতাংশ আমি jump কৰো আৰু তেখেতলোকেই example দিয়ে, কেৰেলাত তেওঁলোকে jump কৰে ৬ শতাংশ। গতিকে তেখেতে এইকেইদিন কৈ ফুৰিছে GDP per capita ৰ ওপৰত, সেই লেকচাৰটো যে অসত্য। হয়, আমি পিছুৱাই আছো। ছাৰ, আমি historically পিছুৱাই আছো।

-------interruption-----

ছাৰ, মই যি কওঁ, নিজে কওঁ, তেখেতৰ নিচিনা লিখি নানো। এতিয়া wiki pedia ত চাওঁক, এতিয়াই পাই যাব। ছাৰ, আমি ঐতিহাসিকভাৱে এবছৰত jump কৰিছো ১৫ শতাংশ আৰু কেৰেলাই jump কৰিছে ৬ শতাংশ। এইটোৱে আমাৰ চৰকাৰৰ উল্লেখযোগ্য সফলতা।

**মাননীয় অধ্যক্ষ ঃ** হ'ব। এতিয়া শ্ৰী কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (কৰিমগঞ্জ উত্তৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, The Assam Tourism Development Registration Bill আজি সদনত উত্থাপন কৰা হ'ল। অধ্যক্ষ মহোদয়, অখিল গগৈ ডাঙৰীয়াই বক্তব্য দিলে আমিও বক্তব্য দিলো। সকলো শুনিলো। তেখেত তিনি বছৰ ধৰি বিধায়ক হয়, মই ১৩ বছৰ ধৰি বিধায়ক হয়। এটা বস্তু ক'বলগা হৈছে যে স্বাধীনতাৰ পিছত কাৰ চৰকাৰ আছিল, এইখিনি আমি সকলোৱে জানো। এইখিনি অধ্যয়ণ কৰিলে জানিব পাৰি। মাননীয় অধ্যক্ষ মহোদয়, কথাটো হৈছে যে ১৮৬৭ চনত শৰাই Act বুলি tourism ৰ ওপৰত এখন Act আছিল। তাৰ পিছতে কোনো চৰকাৰে tourism ৰ ওপৰত কোনো Act অনা নাই। 1st time এইখন চৰকাৰে আনিছে আমি ধন্যবাদ দিবই লাগিব। এতিয়া কথা হৈছে যে আমি এই Act ৰ ওপৰত ক'ব বিচাৰিছো, কৈছিলো যে এই Clause টো আপোনালোকে change কৰক যে আমি কেনেকৈ tourism টো promote কৰিব পাৰি, ৰাজহ source কেনেকৈ বঢ়াব পাৰি। প্ৰত্যেকে কৈছে যে GDP ৰ ক্ষেত্ৰত tourism ৰ এটা ভূমিকা থাকে, সেইটো অস্বীকাৰ কৰিব নোৱাৰি। কিন্তু বিগত চৰকাৰে এনেকুৱা কোনো কাম কৰা নাই। Tourism promote কৰাৰ কাৰণে আজি home stay ৰ কথা কোৱা হৈছে। বিশেষকৈ আমি যদি চাওঁ অধ্যক্ষ মহোদয়, মোৰ বন্ধু ৰূপজ্যোতি কূৰ্মীয়ে কৈছে যে আমাৰ আছিল উগ্ৰপন্থীৰ সমস্যা, এটা বিভিষিকাময় পৰিৱেশ আছিল অসমত। Tourism ৰ কোনো বাতাৱৰণ নাছিল অসমত। আজি বাতাৱৰণ হৈছে অসম দৰ্শণ আদি কৰি। আমি যদি চাওঁ দেখা পাম যে Manas National Park, Kaziranga National park,কামাখ্যা মন্দিৰ, দ্বীপৰ বিল, শংকৰদেৱ কলাক্ষেত্ৰ, হাফলং লেক, চানডুবি লেক এই সকলোবোৰ যদি চাওঁ ১০০ ৰ পৰা ৫০০ কোটি টকালৈকে দিয়া হৈছে। এটা অভুতপূৰ্ণ এটা সলনি লৈছে সেইটো আমি মানিবই লাগিব। আমি বিধায়ক হয় গতিকে আমি সমালোচনা কৰিব লাগিব। চৰকাৰে যিবোৰ কাম কৰিলে আজি tourism ৰ ক্ষেত্ৰত বৈপ্লৱিক এটা পৰিৱৰ্তন কৰিলে। এই ক্ষেত্ৰত চৰকাৰৰ যি চিন্তা-ধাৰা তাক আমি সন্মান জনাব লাগিব। আজি মই ভাৱো প্ৰত্যেকজনে এই বিলক সমৰ্থন জনাব লাগে যিহেতু প্ৰথম বাৰৰ বাবে এনেকুৱা tourism ৰ ওপৰত বিল আনিছে। দ্বিতীয়তে, বৰাক ভেলীৰ দুই চাৰিটা কথা ক'ব বিচাৰিছো। আজি বিশেষকৈ মালেগৰ টিলা, মোৰ সমষ্টিতে আছে। 1st Independence movement তাতেই হৈছিল। এই ঠাইখিনিও উন্নয়ন কৰিব লাগে। অধ্যক্ষ মহোদয়, আমাৰ বিধায়ক তাতে বিশেষকৈ বিজয় মালাকাৰ ডাঙৰীয়া আছে। আমি ভালকৈ জানো কথাটো। কেন্দ্ৰীয় ড'নাৰ মিনিষ্ট্ৰি অসম ইউনিভাৰ্চিটি যৌথ উদ্যোগত দেৰদুৱাৰ বান্ধ সন্মিলনত বিশেষকৈ চনবিল উৎসৱ হৈছে। আমাৰ Asia second largest Wetland হয়, ইমান ধুনীয়া ঠাই হয় আমাৰ অসমৰ এনেকুৱা এটা natural beauty এটা আছে। আমি ভাৰতবৰ্ষৰ প্ৰক্ষাপতত যদি অকমান আমি আলোচনা কৰো তেতিয়াহলে প্ৰত্যেকে কব যে হয়, ভাৰতবৰ্ষৰ প্ৰেক্ষাপতত অসমৰ আটাইতকৈ ধুনীয়া natural beauty এটা আছে। আমি এইখিনি বস্তুক কামত লগাব লাগে। আজি চৰকাৰে কামত লগোৱাৰ বাবে বিল এখন আনিছে। এই বিলখনক কেনেকৈ এইটো promote কৰা যায়, tourism টো কেনেকৈ আজি প্ৰমোচন কৰাৰ ব্যৰস্থা হয় সেইটোৰ কাৰণে মই

ভাৰো এই যে Son Beel যিটো আছে আজি বিশেষকৈ ২০২৪ ৰ পৰা ২০২৬ আমাৰ চনবিল উৎসৱ হৈছে, বহুত মানুহ তাত আহিছে it a tourism এই tourism place টো আমি promote কৰিব লাগে তাৰ কাৰণে চৰকাৰে যিটো পদক্ষেপ লৈছে আমি ধন্যবাদ জনাইছো। আমি আজিৰ দিনত এনেকুৱা বিল অনাৰ কাৰণে ভাল পাইছো। আগন্তুক দিনত যদি বিলত কিবা rectify কৰিব লাগে সেইটো বেলেগ কথা, কিন্তু কথা হ'ল এইটো আমি প্ৰত্যেকজন বিধায়কে চৰকাৰক আৰু মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাব লাগে, এই বিলখন অনাৰ কাৰণে। আগন্তুক দিনত এই বিলখন সুদূৰপ্ৰসাৰী হয় এই কথাখিনি কৈ মোৰ বক্তব্য সামৰণি মাৰিছো। নমস্কাৰ, ধন্যবাদ, জয়।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শিবামণি বৰা।

**শ্ৰীমতী শিবামণি বৰা, (বটদ্ৰবা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Tourism (Development & Registration) Bill, 2024"ত development শব্দটো এনেই লগাই দিয়া হৈছে, developmentৰ বিষয়ে কোনো কথাই নাই। বিলখনো অসমৰ পৰ্যটনৰ কোনো উন্নয়ন নকৰে আৰু বিলখনত সেই বিষয়ে কোনো ধৰণৰ উল্লেখ নাই। বিল খন অনাৰ একমাত্ৰ উদ্দেশ্য হ'ল পৰ্যটন বিভাগে registration বা licencingৰ যোগেদি অতিৰিক্ত কৰ সংগ্ৰহ কৰা। সেই কাৰণে বিলখনত fees, cost, penalty আদি শব্দবিলাকে প্ৰাধন্য পাইছে। বিলখনে service providerক সামৰি লৈছে। বিলখনে definitionত কৈছে service provider means a person who provide services to a tourist. Hotel, Dhaba, Restaurant, Homestay, Guest House, Cafeteria, Bar, Handicraft taxi, guide resort westside, amenities আদি সকলো চাৰ্ভিছক এই bill খনে সামৰি ল'ব। বিল খন অনুমোদিত হলে এই বিলাক চাৰ্ভিছ দিয়া সকলে পৰ্যটন বিভাগতো registration কৰি আকৌ এটা অতিৰিক্ত কৰ দিবলৈ বাধ্য হ'ব। এই service providerৰ বেছি সংখ্যকেই ইতিমধ্যে GSTৰ মাৰত ককাল বেকা হৈয়ে আছে। বহুতে local authorityৰ পৰা বছৰেকীয়া কৰ দি licence লব লাগে, বহুতে fire safetyৰ কাৰণে registration কৰিব লাগে। এনেকুৱা বহুত ধৰণৰ Transport Department ত কৰ দিব লাগে। তাৰউপৰিও local tax দি আছে আৰু দি আছে। দিব লাগে দি আছে। গতিকে bill খন যদি গৃহীত হয় অসংখ্য service provider য়ে পৰ্যটন বিভাগক কৰ জমা দি registration কৰিব লাগিব। বৰ্তমান service provider কৰি থকা সকলেও কৰ জমা দি registration কৰিব লাগিব। ৩ মাহৰ ভিতৰত নকৰিলে penalty ভৰিব লাগিব, registration কৰাৰ পিছত renewal কথাটো আকৌ আহিবই। অসমত পৰ্যটনৰ অপাৰ সম্ভাৱনা থকাৰ পিছতো আমি আমাৰ ৰজ্যখনক পৰ্য্যটন উৎসলৈ পৰিণত কৰিব পৰা নাই। কাৰণ আন্তঃগাথনিৰ অভাৱ, service providerৰ অভাৱ, যেতিয়া আমি incentive দিব লাগে, তেতিয়া আমি অতিৰিক্ত কৰ লগাব বিচাৰিছো। এই ধৰণেই break মাৰিব, bill খনৰ নামটোতে development শব্দটো আছে ভিতৰত কোনো উল্লেখে নাই। অতিৰিক্ত কৰ সংগ্ৰহৰ লক্ষ্যৰে stakeholder সকলৰ লগত আলোচনা বিলোচনা নকৰাকৈ অতি খৰতকীয়া ভাৱে bill খন উপস্থাপন হ'ল যেন অনুমান হৈছে। মই মাজতে দুষাৰ মান কথা কওঁ, যে আমাৰ যি tourism sector টো এই কাৰণে কৈছো যে মই উদাহৰণ হিচাপে কৈছো আমাৰ বটদ্ৰবা সমষ্টিৰ বটদ্ৰবা থান খনৰ হয় ১৮৮ কোটি টকা দি নিৰ্মাণ কৰি থকা হৈছে, খুব ভাল কথা, সেইটো আমি বহুত ভাল পাইছো, সেইটো আদৰণীয়

পদক্ষেপ। কিন্তু কথাটো হ'ল tourism sector টো development কৰিবৰ কাৰণে বা tourist সকলক আকৰ্ষিত কৰিবৰ কাৰণে সেই থানলৈ ভক্তপ্ৰাণ ৰাইজ সকল আহে কিন্তু তেওঁলোকক যিখিনি সা-সুবিধা দিব লাগে এটা tourist lodge নাই, তেওঁলোকে আহি ভৰিহাত ধুবলৈ তেনেকুৱা সুবিধা নাই আৰু যিহেতু বটদ্ৰবা থানৰ আশে পাশে আৰু ৪০ খন থান আছে। গতিকে আমি tourist spot হিচাপে সেই ঠাইটো নিশ্চয় গঢ়ি তুলিব পাৰো। তাৰ কাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ক চিন্তা চৰ্চা কৰিবলৈ দিছো। দ্বিতীয়তে আৰু এটা কথা যে যেতিয়া বাহিৰৰ পৰা মানুহ সকল আহে তেতিয়া ভাৰো tourist ঠাই মানে কেৱল কাজিৰঙা খনে চিনি পায়। গুৱাহাটীত অলপতে লগ পাইছিলো এটা বিদেশী টিম আহিছিল, গুৱাহাটীৰ পৰা তেওঁলোকে কাজিৰঙালৈ গৈ আছে তেওঁলোকে নগাঁৱৰ মাজেৰে যাব লগীয়া হৈছে। কিন্তু তেওঁলোকে নগাঁৱখনত এনেকুৱা হৈছে যে fresh n up হ'বলৈ এটুকুৰা ঠাই পোৱা নাই। গতিকে আমাৰ নগাঁৱখনতো পৰ্যটনৰ কিবা ব্যৱস্থা ল'ব লাগে, যিহেতু ধুনীয়া এখন নদী কলং খন প্ৰভাবিত হৈ আছে। মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰো যে বিলখনৰ নামটোৰ লগত ৰজিতা খোৱাকৈ আৰু অসম পৰ্যটনৰ উন্নতিৰ প্ৰতি লক্ষ্য ৰাখি সকলোৰে লগত বিচাৰ বিবেচনা কৰি সংশোধন কৰি অহা অধিবেশনত উত্থাপন কৰিলে বেছি আকৰ্ষণীয় হ'ব।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে, thank you.

**শ্ৰীৰূপক শৰ্মা, (নগাঁও) ঃ** অধ্যক্ষ মহোদয়, এটা কথা কব বিচাৰিছো, তেখেতে যিটো বটদ্ৰবা থানৰ বিষয়ে কলে আচলতে বটদ্ৰবা থানত জিৰণী গৃহৰ কাৰণে যি সকল ভকত-বৈষ্ণৱ তাত যাব তাত ২০০ জন একেলগে থাকিব পৰা এটা জিৰণী গৃহ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ইতিমধ্যে মুকলি কৰি থৈ আহিছে। ইতিমধ্যে কলং খন খান্দিবলৈ তিনি কোটি টকা আৱন্টন কৰা হৈছে। গতিকে তেখেতে এই যিখিনি কথা কৈছে শুদ্ধ কথা নহয় আৰু ৰাস্তাৰ কাষতে ইতিমধ্যে শৌচালয় নিৰ্মাণ কৰা হৈছে।

**মাননীয় অধ্যক্ষ** ঃ হ'ব। এতিয়া ড০ ৰফিকুল ইছলাম।

**ড° ৰফিকুল ইছলাম, (জনিয়া)** ঃ মাননীয় অধ্যক্ষ মহোদয়, "The Assam Tourism (Development & Registration) Bill, 2024" আলোচনা চলি আছে, চৰকাৰে যদি intention হয় যে revenue collection হ'ব registration ৰ যোগেদি বা বিভিন্ন serviceৰ পৰা এটা revenue পাম আমাৰ department ত ৰাজহৰ কালেক্চনটো বেছিকৈ দেখুৱাব পাৰিম, কিন্তু ইয়াৰ কাৰণে সকলোতকৈ prime কাম হ'ব সুবিধা খিনি provide কৰা। tourism sector আমাৰ ওচৰত যিমান খিনি আছে ইয়াত সুবিধা provide কৰি যদি মানুহৰ পকেটৰ পৰা দুটকা উলিয়াও কোনেও বেয়া নাপায়। কিন্তু সুবিধা নিদিয়াকৈ যদি আমি তাত কৰ সংগ্ৰহ কৰাৰ intention থাকে তেতিয়াহলে তাত পৰ্যটন নাহিবই। দুইনম্বৰ কথা যিমানখিনি আছে আমাৰ সেইখিনি যথেষ্ট নহয়, ইতিমধ্যে আলোচনা হৈছে, অসম খন ইমান ধুনীয়া এখন ৰাজ্য, বিভিন্ন জাতি , জনগোষ্ঠী, ভাষা-ভাষী, ধৰ্মাৱলম্বী, কৃষ্টি culture গোটেই ভাৰতৰ mini India Assam. অসমৰ এই culture, civilization আমাৰ এইখিনিও চাবলৈ বহুত মানুহ ভাৰতৰ আগ্ৰহী হ'ব কিন্তু আমি তেনেকৈ উপস্থাপন কৰিব পৰা নাই আমাৰ ৰাজ্য খনক। ইমান ধুনীয়া এখন state আৰু ইয়াৰ civilization, culture. আমাৰ কিছুমান মাননীয় সদস্যই কৈছে যে river front যদি আমি develop কৰো, ধুবুৰী ব্ৰহ্মপুত্ৰৰ পাৰত, ধুবুৰীৰ নদীখন আমি develop কৰিব পাৰো। ব্ৰহ্মপুত্ৰ নদীখন গোৱালপাৰাৰ মাজেদি বৈ গৈছে চহৰৰ মাজেৰে,

পাহাৰ আছে আমি তাত উন্নয়ন কৰিব পাৰো, বাঘবৰ পাহাৰ মোৰ মন্দিয়া সমষ্টিত। চাৰিও ফালে নদী মাজুলীৰ নিচিনা মাজত সৰু পাহাৰ গোটেই জিলাত পাহাৰ নাই। বৰপেটা জিলাত একমাত্ৰ পাহাৰ, ব্ৰহ্মপুত্ৰৰ কাষত আছে। গতিকে সেইখিনি যদি আমি উন্নয়ন কৰিব পাৰো, Guwahati river front, একেবাৰে ৰাজভৱনৰ পৰা জালুকবাৰীলৈকে develop কৰিব পাৰো এনেকুৱা নহয় যে ২০০ মিটাৰ উন্নয়ন কৰিলো, তাত attraction নহ'ব। আজি লক্ষ্ণৌত যেনেকৈ ৰিভাৰ ফ্ৰন্ট, Gujratত যেনেকৈ ৰিভাৰ ফ্ৰন্ট, এটলিষ্ট গুজৰাটৰ idea লৈ মাননীয় মন্ত্ৰী ডাঙৰীয়াই গুৱাহাটী ৰিভাৰ ফ্ৰন্ট ১০/২০ কি.মিটাৰ target লওঁক, চাব আপুনি কিমান লাখ লাখ tourism ইয়াত আহিব। আমাৰ religion place tourism place হয় যেনেকৈ বটদ্ৰবা থানৰ সত্ৰৰ কথা কৈছে, বটদ্ৰবাৰ ৰাস্তাটো চাওঁক অসম মালাৰ পৰা আৰম্ভ হৈছিল ৫/৭/৮ বছৰ হ'ল এতিয়ালৈকে complete হোৱা নাই। গতিকে বাহিৰৰ পৰা পৰ্যটক আহিলে ৰাস্তাটো যদি ঠিক ঠাক নহয়, মোৰ বৰপেটা সত্ৰ গোটেই অসম বা ভাৰতৰ এই সকলে বিচাৰে বৰপেটা সত্ৰত আহিবলৈ। আমিনগাওঁৰ পৰা বৰপেটালৈকে ফোৰলেণ্ড নাই। এই টুৰিষ্ট সকলে বিচাৰিব এটা ভাল ৰাস্তা। তাতে ইমান জাম এই ৰাস্তাটোত। গোটেই অসমত চাৰিলেণ্ডযুক্ত ৰাস্তা হৈ গ'ল। বৰপেটা আমিন গাৱৰ পৰা দৌলাশাল হৈ জনিয়ালৈ এই ৰাস্তাটো চাৰিলেণ্ডযুক্ত হোৱাৰ কোনো পৰিকল্পনা নাই। গতিকে টুৰিজিম বিভাগৰ মন্ত্ৰী মহোদয়ে মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগত আলোচনা কৰি Infrastructure development ৰ ব্যৱস্থা কৰক। আপোনালোকে হিচাব দিছে যে আজি ৰাম মন্দিৰত, কাশী বিশ্ব ধামত ইমান মানুহ গৈছে। গতিকে আপোনালোকে প্ৰতিদিনে কাম্যাখ্যা মন্দিৰত ১০ হাজাৰ মানুহে ভাৰতবৰ্ষৰ বিভিন্ন কোনৰ পৰা আহি দৰ্শন কৰাৰ ব্যৱস্থা কৰক। —Being a Muslim I believe in Allah, Sobhan Allah, But I respect Kamakhya. But being a Muslim I worship in Mosque, Mosque is my holly place but I respect Kamakhya also.আজি যদি ১০ হাজাৰ মানুহে কাম্যাখ্যা দৰ্শন কৰিবলৈ আহে তেওঁলোকৰ মন মগজু ভাল হ'ব, আৰু আমাৰ টুৰিজিম চেক্তৰটো মজবুট হ'ব। কিন্তু তাৰ কাৰণে জানো আমি উন্নয়ন কৰিছো। আপোনালোকে যিহেতু বিভিন্ন ধৰণৰ পৰিকল্পনা হাতত লৈছে। গতিকে আজানপিৰৰ দৰগাহ উন্নয়ন কৰক। যিহেতু গোটেই ভাৰতবৰ্ষই জানিব বিচাৰে যে আজানপিৰ কোন আছিল? তেখেতৰ কি অৱদান আছিল? কিন্তু আজি আজানপিৰৰ দৰগাহ neglected হৈ আছে। আজানপিৰৰ দৰগাহলৈ যোৱা ৰাস্তা, থকামেলাৰ ব্যৱস্থা ইত্যাদি উন্নয়ন কৰিলে মুছলিম relegious person বিলাক গোটেই ভাৰতবৰ্ষৰ পৰা আহিব আৰু অসমলৈ আহিলে আমাৰ টুৰিজিম চেক্তৰৰ উন্নয়ন হ'ব। হাজো পোৱামক্কা পাহাৰৰ ওপৰৰ অঞ্চলবিলাকৰ আপোনালোকে উন্নয়ন কৰক। মাননীয় অধ্যক্ষ মহোদয়, ওৰাং, মানাহ, বি টি এ ডি ৰ বগামাটি আদি পাহাৰৰ মাজে মাজে ইমান সুন্দৰ পৰিবেশ কিন্তু তাত infrastructure development হোৱা নাই বাবে আমি উপস্থাপন কৰিব পৰা নাই। গতিকে আমি যদি কৰ কাটল লগাও, registration কৰো relegious place ৰ যদি communication develop কৰো তেতিয়া নিশ্চয় কৰ কাটল লগালে দুই চাৰি টকা আহিব বুলি মই বিশ্বাস কৰো। গতিকে মই ভাবো বিভাগে এই বিলাক বিষয়ত অলপ গুৰুত্ব দিব।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া বিজয় মালাকাৰ .

**শ্ৰী বিজয় মালাকাৰ(বিধায়ক, ৰাতাবাড়ি সমষ্টি)**ঃ-- ধন্যবাদ মাননীয় অধ্যক্ষ মহোদয়। আমি মাননীয় মন্ত্ৰীকে সমৰ্থন জানিয়ে ধন্যবাদ জানাচ্ছি এই বিল আনাৰ জন্য এবং সঙে ছোট একটি

অনুরোধ আপনার মাধ্যমে আমি মন্ত্রী মহোদয়ের কাছে রাখব। আপনি জানেন কিছু সময় আগে আমাদের উত্তর করিমগঞ্জের বিধায়ক ভাই কমলাক্ষ দে পুরকায়স্থ বলে গিয়েছেন ২৪ থেকে ২৬ তারিখ ডোনার মন্ত্রালয় এবং আসাম ইউনিভার্সিটির দ্বারা শনবিল উৎসব পালিত হয়েছে। খুব সুন্দর ভাবে সফল হয়েছে এই উৎসব। তাই আমি ডোনার মন্ত্রালয় এবং আসাম ইউনিভার্সিটিকে ধন্যবাদ জানাচ্ছি এবং কৃতজ্ঞতা প্রকাশ করছি। আপনারা জানেন যে ভারতবর্ষের মধ্যে নয়, এশিয়ার মধ্যে দ্বিতীয় বৃহত্তম বিল হচ্ছে এই শনবিল। আর স্বাধীনতার ৭৫ বছর পরও এই শনবিল অঞ্চলকে নিয়ে আগে কখনও কেউ এভাবে ভাবেনি। এই শনবিল অঞ্চলের রাস্তা ঘাটের যে পরিবর্তন হয়েছে তা আমাদের মুখ্যমন্ত্রী ড হিমন্ত বিশ্ব শর্মা দায়িত্ব নেওয়ার পর সম্ভব হয়েছে। তাই আপনার মাধ্যমে মাননীয় মন্ত্রীর কাছে আমি ছোট একটি অনুরোধ জানাব, যেভাবে আমাদের 'দীপরবিল' এই বাজেটে মাননীয় মুখ্যমন্ত্রী ১০০ কোটি টাকা বরাদ্দ করেছেন পর্যটনের ক্ষেত্রে উন্নতির জন্য ঠিক সেভাবে 'শনবিল' যেহেতু নর্থ- ইষ্টের মধ্যে দ্বিতীয় বৃহত্তম বিল তাই এই বিলের জন্য এবারের বাজেটে যদিও হয়নি আগামী বাজেটে যাতে ৩০০ থেকে ৪০০ কোটি টাকা বরাদ্দ করা হয়। যাহাতে এই শনবিল এশিয়া নয় পুরো পৃথিবীর মধ্যে একটি পর্যটন কেন্দ্র হিসাবে উপনীত করা যায়। তার জন্য আমি মাননীয় মন্ত্রী মহোদয়ের কাছে আহ্বান রাখব। আপনারা জানেন এখানের অনেক সদস্যরা এই শনবিলে ঘুরতে গিয়েছিলেন। শনবিল দেখার পর ওনারা বলেছিলেন এত সুন্দর একটি সম্পদ আপনার সমষ্টিতে আছে ওইটাকে আপনি কাজে লাগান। আজ থেকে এক বছর আগে আমাদের মাননীয় মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মা এবং মাননীয় মন্ত্রী জয়ন্ত মল্ল বরুয়াও শনবিলে গিয়ে বলেছিলন শনবিল শুধু রাতাবাড়ি সমষ্টির সম্পদ নয় এই শনবিল পুরো ভারতবর্ষের সম্পদ। আমি মাননীয় মুখ্যমন্ত্রীকে এখান থেকে ধন্যবাদ জানাচ্ছি আপনার মাধ্যমে কারণ এই প্রথম কোন মুখ্যমন্ত্রী স্বাধীনতার ৭৫ বছর পর শনবিলে গিয়েছেন তার আগে কোন মুখ্যমন্ত্রী শনবিলে যাননি। আমাদের রাতাবাড়ি সমষ্টি তফসিলি জাতি সমাজের জ ন্য রিজার্ভ। এই সমষ্টির জন্য প্রথম কোন মুখ্যমন্ত্রী যে সমষ্টি ১২৬ টি সমষ্টির মধ্যে আমার সমষ্টি ১নং সমষ্টি, সত্যিকার অর্থে ১নং ছিল কিন্তু কংগ্রেসের আমলে এই সমষ্টি সবচেয়ে পিছিয়ে পড়া সমষ্টি ছিল। মাননীয় মুখ্যমন্ত্রী আগামী মার্চ মাসের ১ তারিখ আমার সমষ্টিতে গিয়ে ৫.৫ কোটি টাকা ব্যয়ের মেডিক্যাল কলেজের শিলান্যাস করবেন। তাই আপনার মাধ্যমে মাননীয় মুখ্যমন্ত্রীকে ধন্যবাদ জানাচ্ছি। এই রাতাবাড়ি সমষ্টিতে ইলেকশনের সময় অনেক নেতারা গিয়ে বলতেন এই রাতাবাড়িকে সোনার রাতাবাড়ি বানাব বলে স্বপ্ন দেখাতেন। কিন্তু সত্যিকার অর্থে এই স্বাধীনতার ৭৫ বছর পর এই প্রথম কোন মুখ্যমন্ত্রী পেলাম যে মুখ্যমন্ত্রী আমাদের স্বপ্ন দেখিয়েছেন কিন্তু এই স্বপ্নকে বাস্তব রূপ দেওয়ার জন্য আগামী ১ তারিখ যাচ্ছেন মেডিক্যাল কলেজ শিল্যন্যাস করার জন্য। মাননীয় অধ্যক্ষ মহোদয়, শুধু মেডিক্যাল কলেজ শিল্যন্যাস নয় সঙে ১০০ কোটি আসাম মালার মাধ্যমে রাস্তার শিলান্যাস করবেন আরও ৫০ থেকে ৬০ কোটি টাকার শিলান্যাস করবেন। তাই আমি আপনার মাধ্যমে মাননীয় মুখ্যমন্ত্রীকে ধন্যবাদ এবং কৃতজ্ঞতা প্রকাশ করছি। আমি মাননীয় মন্ত্রীকে আবারও অনুরোধ করছি আগামী বাজেটে এই শনবিলের জন্য বড় টাকার এলটম্যান্ট দেওয়া হয় যাতে ভারতবর্ষ নয় পুরো পৃথিবীর মানুষ যাতে এই শনবিলে আসতে পারে। আগে রাস্তাঘাটের জন্য এই শনবিল সম্বন্ধে মানুষ বিশেষ জানত না। কিন্তু এই রাস্তাঘাট আমাদের মাননীয় মুখ্যমন্ত্রী হওয়ার পর হয়েছে। আজকের দিনে এমন কোন ব্যবস্থা নেই এই শনবিলে তারপরও হাজার হাজার মানুষ শনবিলে

পর্যটনের ক্ষেত্রে যায়। আমাদের মাননীয় মন্ত্রী বলেছিলেন গেষ্ট হাউসের কথা। তাই আমি মানননীয় মন্ত্রীকে বলব এই বছরই শনবিলের জন্য ভালো একটি গেষ্ট হাউস হয়। কারণ কোন গেষ্ট হাউস না থাকার জন্য এখানে পর্যটকরা থাকতে পারেন না। তাই আমি অনুরোধ করব যাতে শীঘ্রই একটি গেষ্ট হাউসের ব্যবস্থা করে দেওয়া হয়। কারণ খুব শীঘ্রই এখানে মেডিক্যাল কলেজ হচ্ছে ৫ থেকে ৭ কিলোমিটারের ভিতরে। ধন্যবাদ মাননীয় অধ্যক্ষ মহোদয় আমাকে কিছু বলার সুযোগ দেওয়ার জন্য।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী দিগন্ত বৰ্মণ।

**শ্ৰী দিগন্ত বৰ্মণ, (বৰক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা calling attention আছিল ২৬ নম্বৰত। এইটো মই উইদ্ৰ কৰিছো। তাৰ সলনি এইখিনি ক'ব দিয়াৰ বাবে ধন্যবাদ জনাইছো। পৰ্য্যটনৰ ক্ষেত্ৰত ইতিমধ্যে আমাৰ বক্তা সকলে কৈছে। মাননীয় বিধায়ক শ্ৰী অখিল গগৈ ডাঙৰীয়াই কৈছে যে পৰ্য্যটক আহিলে বাহিৰৰ পৰা আহিব লাগিব। বিশেষকৈ দিল্লী, বাংগালোৰ, মুম্বাই, চেন্নাই আদি ঠাইবোৰৰ পৰা পৰ্য্যটক সকল আহে। কিন্তু এইটো কথা সঁচা যে আজিকালি এজেঞ্চীবোৰে খুব কম ভাৰাত বাহিৰৰ দেশলৈ যাবলৈ সুবিধা কৰি দিছে। ইয়াৰ air fare টো মুম্বাই-গুৱাহাটীতকৈ থাইলেণ্ড, কোৱালালামপুৰ দেশবোৰত কম হয়। সেয়েহে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে কোৱালালামপুৰ, ভিয়েটনাম, কম্বোদিয়া এনেকুৱা ১৫ খন মান দেশৰ ভিছা free কৰি দিছে। তাত ভিছা এপ্লাই কৰিব নালাগে। পাচপৰ্টখন থাকিলেই যাব পাৰি। কিন্তু আমাৰ গুৱাহাটীলৈ অহাৰ লগে লগে সমস্যাটো হয় যে ইয়াত air fare টো বহুত বেছি। এই air fare টো যদি কমাব লাগে তেতিয়াহ'লে আমাৰ অসম চৰকাৰৰ যিটো aviation fuel আছে, সেই fuel ৰ vat টো কমাই দিব লাগিব। ইয়াত GST নাথাকে, vat থাকে। গতিকে aviation fuel ৰ যিটো vat থাকে সেইটো যদি কমাই দিয়ে তেতিয়াহ'লে air fare ৰ টিকিটৰ দামটো কমি যাব। ইতিমধ্যে home stay ৰ কথা কৈছে সেইটো ঠিকে আছে। আমাৰ চাহ বাগানবোৰ আছে। বিশ্বৰ আটাইতকৈ বেছি ৫ টা মানদণ্ডৰ ভিতৰত পঞ্চম মানদণ্ডটো অসমৰ চাহপাত। গতিকে পূৰণা ATC ৰ যিবোৰ বাংলো আছে তাৰ ১৩-১৪ খন মান যি বাগিচা আছে সেই বাগিচাৰ বাংলো বোৰক যদি উন্নয়ণ কৰি home stay ৰ ব্যৱস্থা কৰিব পাৰো তেতিয়া হ'লে নিশ্চিত ভাৱে ভাল হ'ব। ইয়াৰ উপৰিও আমাৰ গ্ৰাম্য অৰ্থনীতি ভাল কৰাৰ কাৰণে আমাৰ কামাখ্যা, ৰংঘৰ, কাৰেংঘৰ, পবিতৰা আদিতো আছেই। ইয়াৰ উপৰিও আমাৰ যিবোৰ অন্যান্য ধৰ্মীয় অনুষ্ঠান আছে সেইবোৰো উন্নয়ণ কৰিব লাগে। গুৱাহাটীৰ উমানন্দ, কাম্যাখ্যা দেৱালয়, উগ্ৰতাৰা আদিতো আছেই ইয়াৰ উপৰিও মাদন কামদেৱ, নলবাৰীৰ বালিলেছা কালি দেৱালয়, বিলেশ্বৰ দেৱালয় আদিবোৰো উন্নয়ণ কৰিব লাগে। তেতিয়াহে আমাৰ পৰ্য্যটকবোৰ যাব। এমাহৰ আগতে এটা বাতৰি ওলাইছিল যে এইক্ষেত্ৰত মই এটা ৩০১ আনিছিলো। কিন্তু ইয়াত নাহিল যদিও তাত কোৱা হৈছিল যে বিনা অমানতত Apex য়ে ৩০ কোটি দিছিল আৰু ৫০০ কোটি টকাৰ ৰাজ সাহাৰ্য্য লৈ flybig গাইব হৈ গ'ল। অসমৰ পৰ্য্যটন উন্নয়ণ নিগমে Flybig ৰ পৰা Big charter Private Limited ৰ লগত চুক্তি কৰিছিল আৰু এই চুক্তি কৰি ৩০ কোটি টকাৰ ৰাজ সাহাৰ্য্য দিছিল। কিন্তু সেই flight বোৰে যোৱা ৭ নৱেম্বৰৰ পৰা তেওঁলোকৰ সেৱা সমূহ বন্ধ কৰি দিলে। এইটো উড়াণ আঁচনিৰ আছিল। ATC য়ে এইটো non-udan ত আনিছিল। তেতিয়া সেইবোৰ শিলচৰ, ধুবুৰী, ডিব্ৰুগড়, গুৱাহাটী, লখিমপুৰ আদি ঠাইবোৰলৈ গৈছিল। কিন্তু বন্ধ হৈ যোৱাৰ ফলত এতিয়া যাত্ৰীবোৰৰ বহুত বিপদ হৈছে। গতিকে

এইক্ষেত্রত মাননীয় মন্ত্ৰী মহোদয়ে অলপ অধ্যয়ন কৰি কওঁক। এই বাতৰিটো আমাৰ অসম বাতৰি কাকতত ওলাইছিল। ইয়াত ৩০ কোটি টকাৰ কথা আছে। কেন্দ্ৰীয় চৰকাৰৰ এনেকুৱা এটা নিয়ম আছিল যে যেতিয়া প্লেইনখন শিলচৰ বা ডিব্ৰুগড়লৈ যাব তেতিয়া তাত যিকেইটা চিট ৰৈ যায় সেইকেইটা চিটৰ পইচা কেন্দ্ৰীয় চৰকাৰে দিব। ৰাজ সাহাৰ্য্য সেইটোৱেই আছিল। গতিকে আমি গম পোৱা নাই কি কাৰণে ফ্লাইট কেইখন বন্ধ হৈ গ'ল বা ফ্লাইট অসমত চলিব নে নাই। কাৰণ অৰ্থনীতিটো ভাল হ'বলৈ হ'লে পৰ্য্যটক আহিব লাগিব আৰু বিদেশৰ পৰ্য্যটকে প্ৰায় ফ্লাইটেই বিচাৰে। গতিকে এই ক্ষেত্ৰত মই ভাবো তেখেত সকলে এটা ব্যৱস্থা গ্ৰহণ কবি আৰু আমাৰ মাননীয় বিধায়ক শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থই Sarais Act ৰ কথা কৈছিল আৰু এই এক্টখন ১৮৬৭ চনত হৈছিল আৰু সেই এক্টখন তেতিয়াৰ পৰাই চলি আহিছে। ইয়াৰ উদ্দেশ্য হৈছে আমাৰ যিবোৰ district head quarter বা sub division head quarter আছে তাত চাৰ্কোল অফিচাৰ বা মেজিষ্ট্ৰেট সকলে হোটেল বোৰত সকলো সা-সুবিধা ঠিকে আছে নে নাই চাব লাগে। এই এক্টখন এতিয়াও চলি আছে। এই এক্টখনৰ লগত কি মিল আছে মই ভিতৰত পঢ়ি চোৱা নাই। চাৰ্কোল অফিচাৰ, food inspector বা মেজিষ্ট্ৰেট সকলক আমাৰ হোটেল বোৰ চেক কৰাৰ ব্যৱস্থা কৰিব লাগে। বাহিৰৰ পৰা পৰ্য্যটক আহিলে যাতে তেওঁলোক ভাল মনোভাৱ লৈ ঘূৰি যাব পাৰে। গতিকে এইখিনি কথা মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিবৰ কাৰণে মই অনৰোধ জনালো। ইয়াৰ উপৰিও tourist guide ৰ কাৰণে কিবা এটা কোৰ্চৰ ব্যৱস্থা কৰিব পাৰি নেকি? আমি যাতে ৩ বা ৬ মাহৰ বাবে tourist guide ৰ কোৰ্চ এটা দি ল'ৰা-ছোৱালীবোৰক শিকাব পাৰো যাতে পৰ্য্যটকবোৰ আহিলে তেওঁলোকক ভালদৰে কথাবোৰ উপস্থাপন কৰিব পাৰে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় বিধায়ক শ্ৰী ৰেকিবুদ্দিন আহমেদ ডাঙৰীয়া। আপুনি ২ মিনিটত কথাখিনি ক'ব।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ, (ছয়গাঁও) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Assam Tourism Development and Registration Bill ৰ ওপৰত দুআষাৰ ক'ব বিচাৰিছো। মাননীয় মন্ত্ৰী মহোদয়ে ছয়াগাওঁৰ উকিয়াম অঞ্চলটোৰ বিষয়ে ভালকৈ জানে। উকিয়ামত মেঘালয়ৰ দুখন জিলা আৰু কামৰূপৰ এখন জিলাই আগুৰি থকা এটা সুন্দৰ অঞ্চল। এই উকিয়ামত ২৭ কিলোমিটাৰ দৈৰ্ঘ্য এটা ৰাস্তা ১০০ কোটি টকাৰে হ'বলৈ গৈ আছে। এই উকিয়াম খন পৰ্য্যটক সকলৰ বাবে অতি আকষৰ্ণীয় স্থান। তালৈ পিকনিকৰ বাবে বহুত মানুহ যায়। মই মাননীয় মন্ত্ৰী মহোদয়ক এই উকিয়ামৰ পৰ্যটনৰ স্থানটোৰ উন্নয়ণৰ কাৰণে এটা বৃহৎ প্ৰকল্প লবলৈ আহ্বান জনালো। লগতে চন্দিকা মন্দিৰত চিগনেচাৰ আঁচনিৰ জৰিয়তে আমাৰ বিধায়ক সকলক দিয়া ১০০ কোটি টকাৰ ফাণ্ডটো tourisim ৰ জৰিয়তে আমি প্ৰদান কৰিছো। লগতে চান্দো সদাগৰৰ ঘৰটো অন্তৰ্ভুক্ত আছিল আৰু সেইখিনি পইচাৰে আমি যেতিয়া funding কৰিছিলো এতিয়াও তাৰ কাম চলি আছে। কিন্তু এতিয়া আৰু তেতিয়াৰ মাজত যথেষ্ঠ পাৰ্থক্য আছে। মাননীয় অধ্যক্ষ মহোদয়, এই ফাণ্ডৰ পৰিমাণ বৃদ্ধি কৰিব লাগে। কিয়নো আমি এটা ফাণ্ডৰ টকাৰে চন্দিকা মন্দিৰৰ লগতে চান্দো সদাগৰৰ মেৰ ঘৰটোৰো কাম কৰি আছো। মই আৰু এটা অনুৰোধ কৰিব বিচাৰিছো যে দক্ষিণ কামৰূপৰ বৃহৎ সত্ৰ .হ'ল চমৰীয়া সত্ৰ। এই সত্ৰ খনৰ এটা দীঘলীয়া ইতিহাস আছে। সেয়েহে এই চমৰীয়া সত্ৰ খনৰ বাবে এটা বৃহৎ প্ৰকল্পৰ আঁচনি ল'ব লাগে। আমাৰ ছয়গাওঁ, পলাশবাৰী আৰু নতুনকৈ হোৱা চমৰীয়া সমষ্টিৰ লগতে বাতাহীদিয়া চৰ, পানীখাইতী চৰ, গৰৈমাৰী বিলৰ জান, চৰধোৱা, লতৰীয়া, চমৰীয়া এই বিভিন্ন চৰবোৰ লগলগাই পৰ্য্যটকৰ বাবে এটা প্ৰকল্প ল'ব লাগে।

কিয়নো আমি যিহেতু গ্ৰাম্য পৰ্য্যটন হোৱাটো বিচাৰিছো গতিকে এই অঞ্চল সমূহ যিহেতু দক্ষিণ কামৰূপৰ লগত লগলাগি থকা অঞ্চল। এই অঞ্চলবোৰলৈ যিহেতু পৰ্য্যটন মন্ত্ৰী মহোদয়ে অহা-যোৱা কৰি থাকে গতিকে মই ভাবো এই অঞ্চবোৰত তেখেতে বেছিকৈ মনোযোগ দিয়া উচিত। উকিয়ামত সোমাব লাগে আৰু চমৰীয়াক ধৰিব লাগে। চৰৰ কথা আমি কৈ থাকো যে এইটো হোৱা নাই সেইটো হোৱা নাই। গতিকে ব্ৰহ্মপুত্ৰৰ পৰা গলেই এই চৰ অঞ্চল সমূহ পায় আৰু এই চৰ অঞ্চল সমূহক বৃহৎ গ্ৰাম্য পৰ্য্যটন হিচাপে গঢ়ি তুলিবলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো।

**শ্ৰী সুশান্ত বুঢ়াগোহাঁই, (থাওৰা)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, tourism ৰ ওপৰত আলোচনা চলি আছে, আৰু বহুতে কৈছে যে tourism revenue earning ৰ ডাঙৰ এটা source। আমি যদি চাওঁ হিমাচল, উত্তৰাখণ্ড, ছিকিম এই বিলাকে tourism ৰ পৰা যথেষ্ট revenue earn কৰিছে।

আমাৰ অসমত tourism development কৰিবলৈ হ'লে, দুটা শ্ৰেণীৰ মানুহক গুৰুত্ব দিব লাগিব। এজন হ'ল backpacker, ডেকা লৰা-ছোৱালীয়ে backpack লৈ আহে। তেখেতসকলে যথেষ্ট সংখ্যক খৰছো কৰে আৰু ইয়াত থাকি যায় আৰু আনটো হ'ল high end tourist, তেখেতসকলক hotel লাগে, resort লাগে।

আমি যেতিয়া উত্তৰাখণ্ডলৈ যাওঁ, তাত Kumaon Mandal Vikash Nigam আছে, Garhwal Mandal Vikash Nigam, এনেকুৱা সৰু সৰু কিছুমান tourist lodge আছে, সেই বিলাকক আমি web site ত গলে চাব পাৰো আৰু তাৰ ক'ত থাকিলে সুবিধা হ'ব বা নহ'ব। অসমৰ ক্ষেত্ৰত যদি এনেধৰণৰ কিছু পৰিকল্পনা লোৱা যায় কাৰণ অসমত থকাৰ কিছুমান অসুবিধা আছে। এতিয়া আমি যদি এনেকুৱা ঠাইলৈ যাওঁ ধৰক ডিগবৈ তাত দিহিং পাটকাই আছে, দিহিং পাইকাই চোৱাৰ পিছত আমি ক'ত থাকিম। থকা ঠাই বিলাক যদি আমি গম পাই যাওঁ বা এনেকুৱা ধৰণৰ ব্যৱস্থা tourism ত কৰে। Tourism বিভাগত এটা বিষয় দেখা যায় য়ে Tourism Development corporation আৰু Tourism department ৰ কেতিয়াও তাল মিল নাথাকে, যাৰ কাৰণে tourist guest house আছে, সেই বিলাক পোৱাৰ ব্যৱস্থা নাথাকে। সেই কাৰণে আমি যদি out source কৰো বা এনেকুৱা ধৰণে থকাৰ ব্যৱস্থা কৰে, বাহিৰৰ পৰা অহা সকলক তেওঁলোকৰ প্ৰকল্পমতে যদি সুবিধা দিব পাৰ যায়, তেতিয়া হলে বহুতখিনি resource বঢ়াৰ সম্ভৱনা থাকে। এইখিনিকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, The Assam Tourism (Development and Registration ) Bill, 2024, এই বিলখন বিধান সভাত উত্থাপন কৰাৰ পিছত বিভিন্ন সংশোধনী প্ৰস্তাৱ আহিছে আৰু আপোনাৰ অনুমতি সাপেক্ষে সংশোধনী প্ৰস্তাৱৰ জৰিয়তে বিভিন্ন সদস্যই পৰ্যটনৰ কিছু গুৰুত্বপূৰ্ণ পৰামৰ্শ দিলে।

মই সকলোখিনি শুনাৰ পিছত যিকেইটা সংশোধনী আহিছে, সেইখিনি সংশোধনীলৈ অহাৰ আগতে সদস্য সকলে কোৱা কিছু কথাৰ আঁৰত কিছু কথা কবলৈ ওলাইছো।

মাননীয় অধ্যক্ষ মহোদয়, এজন পৰ্য্যটন মন্ত্ৰী হিচাপে মই ভাবো, আমাৰ কাৰণে গৌৰৱৰ বিষয় এইটো যে, অসমত ১৮৬৭ চনত, তাৰমানে স্বাধীনতাৰ আগত বৃটিছৰ দিনত এখন আইন চলি আছিল। যাক শ্বৰীয়া আইন বুলি কৈছিল। এই আইনৰ জৰিয়তে অসমত পৰ্য্যটন ক্ষেত্ৰ আজিও নিয়ন্ত্ৰিত হৈ আছে, কেইদিনমান আগলৈকে যেতিয়ালৈকে আমি ৰিপিল কৰা নাছিলো।

বৃটিছৰ দিনৰ এখন আইনে অসমৰ পৰ্য্যটন ক্ষেত্ৰ নিয়ন্ত্ৰিত কৰি আছিল আৰু স্বাধীনতাৰ অমৃত কালত আহি আমি সোমালো। আমি এবাৰো চিন্তা কৰা নাছিলো যে, অসমত ট্যুৰিজিমৰ কাৰণে এখন আইন লাগে।

আজি আমাৰ মাননীয় মুখ্যমন্ত্ৰীৰ দূৰদৰ্শী চিন্তাত এইটো আহিছে যে অসমত পৰ্য্যটনৰ ৰেজিষ্ট্ৰেশ্যন বা পৰ্য্যটনৰ উন্নয়নৰ কাৰণে এখন আইন লাগে। ১৮৬৮ চনৰ এখন আইনৰ ওপৰত চলি থকাৰ পিছতো আজি যদি বিধান সভাত সকলোৰে একে মুখে কব যে, এনেকুৱা এখন আইনৰ অত্যন্ত প্ৰয়োজন। সকলো কথাতে বিৰোধিতা কৰা অখিল গগৈ ডাঙৰীয়াই কৈছে যে, এইখন আইন অতি দৰকাৰী। বেয়া সময় বুলি ক'লেও দৰকাৰী বুলি কৈছে। তাতে ওলাই পৰে যে এই আইনৰ প্ৰাসংগিকতা কিমান আছে। বেয়া সময় বুলি অখিল গগৈ ডাঙৰীয়াই কৈছে আৰু কৈছে যে ট্যুৰিজিমটো পিছ পৰি গৈছে। ট্যুৰিজিমটো পিছ পৰি যোৱা নাই, ট্যুৰিজিমটো গ্ৰ'থ হৈ আছে। তেওঁৰ অৰ্কিড গাৰ্ডেনত ট্যুৰিষ্ট কমিছে কাৰণে তেওঁ কৈ আছে ট্যুৰিজিমৰ ডেভেলপমেণ্ট হোৱা নাই।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** এইবিলাক মিছা কথা কব নালাগে।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী)** ঃ তেখেতে কৈছে, এয়াৰপোৰ্ট আডানীয়ে লৈ লৈছে কাৰণে ফ্লাইটৰ টিকটৰ দাম বাঢ়িছে। আডানীয়ে এয়াৰপোৰ্ট মেনেজমেণ্ট কৰিব পাৰে কিন্তু তাৰ লগত বিমানৰ ভাড়া বঢ়াৰ কোনো প্ৰাসংগিকতা নাই। এনেকুৱা অদ্ভুত আৰু মিছা কথা আপুনিহে কয়।

**শ্ৰীআমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মিছা কথা, অসংসদীয় শব্দ কৰিব লাগে। অসত্য বুলি কব লাগে। মিছাতো এক্সপাঞ্জ কৰিব লাগে।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী)** ঃ ঠিক আছে। অসত্য। সেই কাৰণে সঁচা কথা শুনাৰ ধৈৰ্য্য ৰাখিব লাগে। আজি এই আইনখন কিয় অনা হৈছে যে ৯০ বছৰত ট্যুৰিজিমত একো হোৱা নাই। মাননীয় অধ্যক্ষ মহোদয়, তেখেতে কৰা কৰ্মৰ কাৰণে ট্যুৰিজিম নোহোৱা হৈছিল, তাৰ এটা উদাহৰণ মই কওঁ, অসমত ট্যুৰিজিম পিছ পৰি থকাৰ মূল কাৰণ আছিল ভণ্ড আন্দোলন, সত্যাগ্ৰহ বিলাক। যোৱা ডেৰ-আঢ়ৈ বছৰ আমাৰ চৰকাৰ অহাৰ পিছত আন্দোলন হোৱা নাই। ট্যুৰিজিম growth হ'ল ৫৬৩ শতাংশ, একমাত্ৰ আন্দোলন নোহোৱাৰ কাৰণে। অসমত আন্দোলনৰ কাৰণে ট্যুৰিজিমত কিমান লোকচান হয়। ডিব্ৰুগড় আৰু শিৱসাগৰ জিলাত ট্যুৰিজিমৰ ক্ষেত্ৰত আন্দোলন নোহোৱাৰ বাবে এক হাজাৰ কোটি টকাৰ ৰয়েল্টি বেছি পাইছে য'ত দুখনকৈ মেডিকেল কলেজ বনাব পাৰিম। তেলৰ ৰয়েল্টিও এক হাজাৰ কোটি টকা বেছিকৈ আহিছে অকল দুখন জিলাত আন্দোলন নোহোৱাৰ বাবে। আৰু আপুনি আন্দোলন কৰি অসমক কিমান ধ্বংস কৰিলে, আপুনি এবাৰ চিন্তা কৰক। আপোনাৰ আন্দোলনৰ কাৰণে জাপানৰ প্ৰধানমন্ত্ৰী আহিব নোৱাৰিলে। জাপানৰ প্ৰধানমন্ত্ৰী যদি আহিলেহেতেন তেনেহ'লে অসমত কিমান ডাঙৰ revolution হ'ল হেতেন। আপোনালোকে foreign investment বুজি নাপায়। আপুনি বুজে নক্সাল, আপুনি বুজে চাইনা, আপুনি যি বুজিব লাগে বুজক। আমাৰ দুই চাৰিজন বক্তাই কৈছে ভাল পৰামৰ্শ আমি মানি লোৱাত অসুবিধা নাই। আপুনি এই কথাটো স্বীকাৰ কৰিছে যে এইখন আইন দৰকাৰী আইন, তাৰ কাৰণে আপোনাক ধন্যবাদ দিছো। দৰকাৰী আইন কাৰণে ইয়াক আনিছো। আজি পৰ্য্যাটন ক্ষেত্ৰত যদি নিয়ন্ত্ৰণ নাথাকে, কোনো আইন যদি নাথাকে, tourism department য়ে কাক নিয়ন্ত্ৰণ কৰিব। Tourist development officer সকল, district officer যিসকল আছে, তেওঁলোকে control কৰিববলৈ তেওঁলোকৰ হাতত কি আইন আছে। গতিকে নিয়ন্ত্ৰণ আহিবৰ কাৰণে আইন লাগে আৰু

এই আইনখন এনেকুৰা আছিল, বৃটিছে যেনেকৈ চলাব আমি চলিব লাগিব, গতিকে ইয়াৰ প্ৰয়োজনীয়তাৰ কাৰণে এই আইনখন অনা হৈছে। নিয়ন্ত্ৰণ মানে কৰ কাটল নহয়। আপোনালোকে যিসকলে কৰ কাটলৰ কথা কৈছে, এই আইনখনত কোনো পৃষ্ঠাত কৰৰ কথা লিখা নাই। য'ত কৰৰ কথা এটাও লিখা নাই, তাত আপোনালোকে কৰ কাটলৰ কথা কেনেকৈ পালে। সন্মানীয় সদস্যা শ্ৰীমতী নন্দিতা দাস, শ্ৰীমতী শিৱামনি বৰা ডাঙৰীয়ানিয়ে কৰৰ কথা কৈছে। কাৰণ কংগ্ৰেছৰ দিনত যি আইন আহে তাত কৰৰ কথা আহে। বিভিন্ন সময়ত এনেকুৰা কথা আহে যে তেওঁলোকৰ সৰলীকৃত কৰাৰ ব্যৱস্থা নাই। আজি আমি কৈছো যে registration কৰিব লাগিব। আজি সদনত চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়া বহি আছে, তেখেতক সুধিলে হ'ল যে tourism department ত কিমানখন registration বা online কৰিছে যে আজি কালি DTO অফিচত কোনো যাব নালাগে।

কথাটো এনেকুৰা online registration ধুনীয়াকৈ কৰিব পাৰি। কোনো ধৰণৰ authority ল'ব নালাগে, ঘৰত বহি online ৰ যোগেদি lodge এখন ল'ব কাৰণে online Certificate খন online ত apply কৰি লৈ ল'ব। আমি এই পৰ্য্যন্ত চিন্তা কৰি এই বিলখন আনিছো। ইয়াত আপুনি আন কাৰোবাৰ ওচৰত বহি থাকিব নালাগে। এতিয়া আপুনি পৰ্যটন মন্ত্ৰীক যদি সোধে যে অসমত কিমান lodge আছে, কিমান হোটেল আছে, কিমান ধাবা আছে, অসমত কি কি tourism sector আছে। মই ক'ব পাৰিম নেকি, মোৰ ওচৰত তথ্য আছে নেকি? মই নাজানোৱেই। কোনো ব্যৱস্থাই নাই ক'ত কিমান আছে? এই আইনখন অনাৰ লগে লগে আমাৰ ওচৰত দাতা থাকিব। এতিয়া কেৱল 3 star and above hotel ৰ ওপৰত বাদ দি আমাৰ ওচৰত কোনো দাতা নাই। 3 star ৰ ওপৰৰ যিসমূহ হোটেল থাকে, তেওঁলোকে India tourism ত registration কৰিব লাগে সেই দাতা সমূহৰ বাহিৰে আমাৰ ওচৰত কোনো দাতা নাই। দাতাটো যদি থাকিব লাগে, তেতিয়াহ'লে আইন এখন থাকিব লাগিব। এতিয়া ৰাইজে tourism sector ত কিবা কাম কৰিব লাগিলে, সেয়া দৰকাৰ হ'লে হোটেল চলাওঁক, lodge চলাওঁক, rafting কৰক দৰকাৰ হ'লে parasailing কৰক, যিয়েই নকৰক তাৰ কাৰণে এটা registration কৰিব লাগিব। গতিকে registration কৰাৰ লগে লগে মই গম পাম মোক যদি আপোনালোকে সদনত সোধে যে অসমত water sports ক'ত কৰে মই ক'ব নোৱাৰিম। Water Sports ত Tourism কিমানে কৰে, Air Sports Tourism কিমানে কৰে, ক'ত কিমান lodge আছে, কাজিৰঙাত home stay কিমান আছে আমি একোৱেই নাজানো। গতিকে এই Act খনৰ জৰিয়তে সেই ধৰণৰ গোটেই তথ্যপাতিসমূহ tourism department ৰ লগত থাকে। সেই ব্যৱস্থাটো এই Act খনে আনিব। নহ'লে tourism department য়ে কোনো record য়ে দিব নোৱাৰিম। গতিকে এই record সমূহ যাতে ভালকৈ আনিব পাৰো আৰু এই record ৰ লগে লগে আমি কোনখিনি ঠাইত কি development কৰিব লগা আছে, ক'ত কি কৰিব লগা আছে আমি গম পাম যে আজি home stay ইমান grow কৰিছে। গতিকে home stay আৰু আমি বঢ়াব লাগে। আজি হোটেলৰ development এনেকুৰা হৈছে গতিকে সেইখিনি আমি বঢ়াব লাগে। আমি এইখিনি কৰিব লাগে, তেতিয়া আমি গম পাম কি tourism sector বঢ়াব লাগে। গতিকে tourism sector ক নিয়ন্ত্ৰিত কৰাৰ কাৰণে এই ধৰণৰ tourism ৰ সকলো তথ্য পাবৰ কাৰণে এই ধৰণৰ কামখিনি কৰা অত্যন্ত প্ৰয়োজন আৰু সেই কাৰণে সময়ৰ তাগিদা আৰু স্বাধীনতাৰ ৭৫ বছৰ পাৰ হোৱাৰ পিছতো বৃটিছৰ আইন এখন

চলি থকাৰ কাৰণে এই আইনখন আমি কিছুদিন আগত repeal কৰিছিলো। Repeal কৰাৰ পিছত আমি এখন নতুন আইন আনিছো যি আইনত কোনো কৰ কাটলৰ কথা কোৱা হোৱা নাই। আইন যেতিয়া আহিব তেতিয়া তাত penalty ৰ কথা থাকিব। সেইটো কৰ বুলি নকয়। আইনত কোনোবাই কাম নকৰিলে penalty তাৰ জৰিমনা, জেইল দিয়া, ফাঁচী দিয়া সেইসমূহ লিখা থাকিব আইনত। সেইটোতো আইনৰ কাম। আইনত কোনোবাই যদি registration নকৰে, তেওঁ কি penalty কৰিব সেইটো আইনত লিখা থাকিব। আইনত যদি কোনোবাই registration নকৰে, তেওঁ কি penalty ভৰিব সেইটো লিখা আছে। কিন্তু আইনত তেওঁ registration কৰিব লাগে, ফিজ লাগিব, সেইবোৰ Guideline ত আহিব কিন্তু আমি বিচাৰিছো যে সম্পূৰ্ণ সৰলীকৃত কৰি যাতে ঘৰতে বহি মানুহে সকলোখিনি কৰিব পাৰে। সেইধৰণে tourism sector ত আমি কাম কৰিব বিচাৰিছো। সেই কাৰণে ইয়াত কোনো ধৰণৰ কৰ কাটালৰ কথা কোৱা নাই আৰু কৰ কাটালৰ কাৰণে আইনখন বনোৱা হোৱা নাই। এই আইনখন আমাৰ গোটেই ব্যৱস্থাটো সৰলীকৃত আৰু ব্যৱস্থাটোক নিয়ন্ত্ৰন কৰাৰ কাৰণে লোৱা হৈছে। আপোনালোক সকলোৰে পৰামৰ্শ সঁচায়েই আদৰণীয়। কাৰণ মই পৰ্য্যটন মন্ত্ৰী হিচাপে বিশ্বাস কৰো যে অসমত এনেকুৱা এখন ঠাই নাই যিখন ঠাইক tourism destination বনাব পৰা নাযায়। প্ৰত্যেকে নিজৰ গাওঁখনতে tourism destination বনাব পাৰে, অসম তেনেকুৱা tourism ৰ সম্ভাৱনীয়তা থকা ঠাই। গতিকে সকলোৰে কয় যে, মোৰ এৰিয়াত কিয় tourism development নহ'ব। মোৰ এৰিয়াত কৰক, মোৰ পাহাৰ আছে আদি। অসমৰ এশ শতাংশ অঞ্চলে পৰ্য্যটন উন্নয়ন বা পৰ্য্যটনৰ destination কৰিব পৰা এখন ঠাই। কিন্তু অসমৰ পৰ্য্যটন ক্ষেত্ৰখন আগ নবঢ়াৰ আটাইতকৈ ডাঙৰ কথাটোৱেই হ'ল আপোনালোকৰ দৰে আন্দোলনকাৰীসকল। আপোনালোকৰ দৰে আন্দোলনকাৰী সকলে গোটেই অসমৰ পৰ্য্যটন ক্ষেত্ৰখনৰ কামিহাড় ভাঙি দিছে, ৰাজহাড় ভাঙি দিছে। যাৰ কাৰণে এই অৱস্থা হৈছে। এতিয়া লাহে লাহে পৰিৱেশ উন্নত হৈছে। আজি আপোনালোকে ভাৰতবৰ্ষৰ নহয়, বিশ্বৰ সকলো Development Country ৰ website খুলি লওঁক। তেওঁলোকৰ State website যিটো Home Department ৰ website থাকে, যেনে USA, UK বিভিন্ন ধৰণৰ যিমান ডাঙৰ দেশ আছে, website খুলক, তাত লিখা থাকে North-East Red Zone. একেবাৰে essential কাম নহ'লে তাত যাব নালাগে। ইয়াত Terrorist Actvities আছে, Insurgency আছে। এই ধৰণৰ কথাবিলাক সেই website সমূহত আজিও লিখা আছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে দায়িত্ব লোৱাৰ পাছতে, পৰ্য্যটন মন্ত্ৰী হিচাপে মই দায়িত্ব লোৱাৰ পিছতে আমি মাননীয় মুখ্যমন্ত্ৰীৰ জৰিয়তে প্ৰত্যেকটো Embassy লৈ আমি চিঠি লিখিছো যে এইবিলাক আমাৰ পৰাই আতৰাই দিয়ক যে এতিয়া অসমখন এইখন নহয়। অসমখন এতিয়া শান্তিৰ ঠাই। ইয়াত গণ্ডগোল নহয় আপোনালোকে আহিব কাৰণে লিখক। দুই এখন দেশে এতিয়া আতৰাইছে। গতিকে এই যে Road Zone বুলি লিখা আছে, এই অসুবিধাবিলাক লিখা আছে, যাব নালাগে বুলি লিখা থাকে, essential emergency নহ'লে তাত যাব নালাগে। কোনোবা এখন country ত যেতিয়া Home Department ৰ website ত লিখা থাকিব যে essential নহ'লে যাব নালাগে, তেতিয়া কোন দেশৰ মানুহ আহিব? কিয় আহিব? এই কথাবিলাক আমাৰ সমস্যা। আজি তাত মষিমূৰ কৰাৰ কাৰণে এই কথাবিলাক আছিল আমাৰ সমস্যা। আজি তাক মষিমূৰ কৰাৰ কাৰণে External Affairs Minister ৰ লগত আলোচনা কৰা হৈছে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দ্বাৰা Letter লিখা হৈছে সকলোতে। এই

ধৰণৰ কিছুমান আমাৰ কাম কৰা হৈছে যিবিলাক আপোনালোকৰ দৰে নকৰাকৈ আমি ঢোল পিতি নাথাকো। আজি বিধান সভাত কথাখিনি ওলাইছে কাৰণে কৈছো। এইবিলাক হৈছে আচল কাম। আন্দোলন নোহোৱা হ'ব লাগিব, website সমূহত ভালকৈ লিখা হ'ব লাগিব অসম সম্পৰ্কে। অসমত আপোনালোকে ভাল কথা লিখাব নোৱাৰে। আপোনালোকে আন্দোলন কৰে, জুই লগাই দিয়ে এইবিলাক কামহে কৰে। মানুহৰ গাত জুই লগাই দিলে কোনোবা ইয়ালৈ আহিব নেকি? আপোনালোকেতো অসমখন শেষ কৰি থৈছে। এই অসমখন গঢ়াৰ দায়িত্ব আমি লৈছো আৰু সুন্দৰভাৱে কৰিম, আপুনি মাত্ৰ দূৰৰ পৰা চাই থাকক। আন্দোলন নকৰিব, চিঞঁৰ বাখৰ নকৰিব, গঢ়াৰ দায়িত্ব আমাৰ ওপৰত এৰি দিয়ক। আপুনি যিবিলাক কথা কৈছে ভাল কথা ক'লে আমি মানি ল'ম। আপোনাৰ resort ত লষ্ট হ'ল বুলিয়েই tourism ৰ লষ্ট হ'ল নেকি? আপোনাৰ resort ত কি হৈছে, আপুনি জানে। আপোনাৰ resort ত ৫ শ টকা নিৰামিষ ভাত খাব নাযায় আমি কি কৰিম? আমিতো মানুহক ধৰি লৈ যাব নোৱাৰো। কিন্তু কাজিৰঙাৰ পৰ্যটকৰ সংখ্যা বাঢ়িছে। অসমৰ পৰ্য্যটক বাঢ়িছে record হৈছে। কাজিৰঙাৰ ক্ষেত্ৰত বন বিভাগৰ মন্ত্ৰীক সোধক তেওঁৰ ওচৰত দাতা থাকে যে কিমানজন পৰ্য্যটক ভিতৰলৈ যায়। অসমত এইবাৰ highest record কৰি কাজিৰঙাত পৰ্য্যটক গৈছে। All record break কৰিছে এইবাৰ চৰকাৰে। কাৰণ দাতা ক'ত থাকে, যিজনে sufari কৰে, যিজনে jypsy ত উঠে সেইসমূহ দাতা থাকে। সেই দাতাই all record break কৰিছে। Last কেইবাবছৰৰ record break কৰিছে। আপোনাৰ অৰ্কিড পাৰ্কত বা resort ত যোৱা নাই আমি কি কৰিম। মানুহেতো গৈছে, tourist বাঢ়িছে তাতকৈ ডাঙৰ কথাটো হ'ল অসমৰ বহুত বেলেগ বেলেগ পৰ্য্যটন ক্ষেত্ৰত উন্নত হৈছে। এতিয়া কাজিৰঙা কেন্দ্ৰীক পৰ্য্যটন অসমত হৈ থকা নাই। অসমত এতিয়া পৰ্য্যটনৰ ক্ষেত্ৰত বেলেগ বেলেগ উন্নতি হৈছে। কাৰণ আমি কাজিৰঙাত যদি Sustainable Tourism কৰিব লাগে, কাজিৰঙাত বেছি আৰু মানুহ আনিব নালাগে যি আহিছে ইমানেই enugh. হাইলেণ্ড লৈ যাব লাগে কাৰণ তাত জংঘলত বেছি মানুহ আহিলে সেই যিটো জৈৱ বৈচিত্ৰ নোহোৱা হৈ যাব। এতিয়া আৰু আমি অন্য ঠাই উন্নত কৰিব লাগে, যদি আপুনি ভাবিছে যে আপোনাৰ resort চলিবৰ কাৰণে কাজিৰঙা develop হ'ব লাগে, সেইটো আমাৰ লক্ষ্য নহয়। অসমৰ সকলো ঠাই উন্নত হ'ব লাগিব। কাজিৰঙা, মানাহ, পবিতৰা, দিহিং, পাটকাই, ডিব্ৰু- চৈখোৱা, দক্ষিণ কামৰূপ চন্দ্ৰিকা দেৱালয় সকলো হ'ব লাগিব। কথাটো হ'ল যে এই কথাখিনি সকলোৱে যদি উপলব্ধি কৰো যে হয়, আমাৰ পৰ্য্যটন ক্ষেত্ৰখন আগবাঢ়িব লাগিব আৰু আমাৰ চৰকাৰে পৰ্য্যটনৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্ব দিছে। মই পৰ্য্যটন মন্ত্ৰী হোৱা বেছি দিন হোৱা নাই। কিন্তু পৰ্য্যটন নিগমৰ অধ্যক্ষ আছিলো। মই যেতিয়া অধ্যক্ষ হৈছিলো মোৰ ওচৰত মানুহ কিয় আহিছিল কাৰণ যে আমাৰ মন্দিৰত দুটা লেট্ৰিন দিব লাগে, টয়লেট দিব লাগে। ৩ লাখ টকাৰ subsidy পোৱা অসম বিকাশ যোজনাৰ গাড়ী দিব লাগে সেয়া আছিল মোৰ প্ৰথম কাম। মই প্ৰথম চেয়াৰমেন হওঁতে ভাবিলো এইটো tourism department ৰ কাম নেকি যে টয়লেট বিচাৰি আহে, গাড়ী বিচাৰি আহে সেইটোৱেই কাম নেকি? আজি অসম পৰ্য্যটন উন্নয়ন নিগমে হেলিকপ্টাৰ চলায়, চাৰ্টাৰ চলায়। অসম পৰ্য্যটন নিগমৰ আজিৰ তাৰিখত অজস্ৰ lodge, যিবিলাক lodge যিটো সময়ত টয়লেট বনোৱাত ব্যস্ত আছিল পৰ্য্যটন নিগম, কিন্তু এতিয়া অসম পৰ্য্যটন নিগমে ৩০-৪০ কোটি, ৫০ কোটি টকাৰ ডাঙৰ ডাঙৰ lodge বনায়। ২ লাখ টকাৰ টয়লেট বনোৱাৰ অৱস্থাৰ পৰা ৩০ কোটি, আজিও কাজিৰঙাত চাই আহক পৰ্য্যটন নিগমৰ কাম চলি আছে আপোনাৰ ধাবাখনৰ ওচৰতে। কিমান টকাৰ কাম চলি আছে।

গতিকে ২ লাখ, দেৰ লাখ, ১ লাখ টকাৰ টয়লেট বনোৱা সেইবিলাক কংগ্ৰেছৰ দিনৰ কাম। আমাৰ দিনৰ কামবিলাক হ'ল ১০,২০, ৩০ কোটি টকাৰ lodge, এনেকুৱা ধৰণৰ কাম হৈছে। এই কথাবিলাক স্বীকাৰ কৰিব। এতিয়া এইটো নকওঁ যে অসমৰ পৰ্য্যটন ক্ষেত্ৰত কৰিবলগীয়া নাই এইটো নহয়। বহুত কৰিবলগীয়া আছে। অসমৰ পৰ্যটনৰ হিচাপবিলাক মাননীয়া সদস্যা শ্ৰীমতী নন্দিতা দাস বাইদেউৱে কৈছে যে অসমৰ পৰ্য্যটনৰ ২ কোটি ৬০ লাখ টকাৰ revenue আছে। এতিয়া মানুহে যদি বুজি নাপায় ২ কোটি ৬০ লাখ টকা হ'ল অসমৰ tourist lodge ৰ revenue. অসমৰ tourist lodge ৰ revenue টো tourismৰ income নহয়। আপুনি যদি কয় যে tourism ৰ income, ২ কোটি ৬০ লাখ টকাটো tourism ৰ income নেকি? অসমত পৰ্য্যটনৰ জি ডি পিত বৰঙণি কিমান? মাননীয় অখিল গগৈ ডাঙৰীয়া আপুনি বহুত জনা মানুহ বুলি ভাৱে। আপুনি কওঁক অসমত পৰ্য্যটনৰ জি ডি পিত বৰঙণি কিমান? আপুনি পৰ্যটন ক্ষেত্ৰত আছে আৰু পৰ্য্যটন ক্ষেত্ৰত থকা হিচাপে আপোনাকে সুধিছো। আপুনি মাননীয় মন্ত্ৰী পীযুষ হাজৰিকা ডাঙৰীয়াক বেলেগে লিখি নিদিলে ক'ব নোৱাৰে বুলি কৈছে। আপুনি ডিঙিত পাঁচখনমান জোলোঙা লৈ আহিলে নাভাৰিব যে আপুনি পঢ়া-শুনা কৰা মানুহ। আমি যেতিয়াৰ পৰা ৰাজনীতি কৰিছো তেতিয়াৰ পৰা কিতাপ পঢ়া কমি গৈছে কাৰণ পঢ়িবলৈ সময় নাপাওঁ। আপুনি যিমান কিতাপ পঢ়িছে মই ৰাজনীতি কৰাৰ আগত তাতকৈ তিনিগুণ বেছি কিতাপ পঢ়িছো। সেইকাৰণে আমি পঢ়া-শুনা নকৰা মানুহ বুলি নাভাবিব। আপুনি মাননীয় মন্ত্ৰী পীযুষ হাজৰিকা ডাঙৰীয়াক তেনেধৰণৰ কথা নক'ব। আমাক কি বেলেগে লিখি দিয়ে নেকি? আমাৰ ইমানখিনি মগজু আছে যে আমি ইণ্টাৰনেটত চাই ক'ব পাৰো, লিখিব পাৰো আৰু পঢ়িবও পাৰো। গতিকে আপুনি এক চাইজ ডাঙৰ চোলা পিন্ধিলে নিজকে খুব হোজা বুলি ভাৱে নেকি? এক চাইজ ডাঙৰ চোলা আৰু চেণ্ডেল পিন্ধি হোজা হ'ব নোৱাৰে। আপোনালোকে সেই ধাৰণা সমূহৰ পৰা আঁতৰি আহক।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোকো ক'ব দিব লাগিব। তেওঁ মোক ব্যক্তিগত ভাৱে গালি পাৰি আছে।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী, পৰ্য্যটন ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অখিল গগৈ ডাঙৰীয়াই অৰ্কিড পাৰ্ক চলাই উপাৰ্জন কৰে আৰু এক চাইজ ডাঙৰ চোলা পিন্ধি হোজাগিৰি দেখুৱালে নহ'ব। মানুহে সত্যতাটো জানিব লাগিব।

**শ্ৰী ভৰত নৰহ, (নাওবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ব্যক্তিগত ভাৱে আক্ৰমণ কৰিব নালাগে। কেৱল পলিচিৰ ওপৰত আলোচনা কৰিলে ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ** কেৱল বিলৰ ওপৰত আলোচনা কৰিব লাগে।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী, পৰ্য্যটন ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কেৱল বিলৰ ওপৰত আলোচনা কৰি কথাখিনি কম। আপোনালোকে কৈছে যে পৰ্য্যটন ক্ষেত্ৰখন বঢ়াব লাগে আৰু সেইকাৰণে আজি কামবোৰ আগবাঢ়িছে। আজি আপোনাৰ শিৱসাগৰৰ ৰংঘৰত কিমান টকাৰ কাম চলি আছে? আপোনাৰ সেইখিনি মনত আছেনে? তাত ১৪৮ কোটি টকাৰ কাম চলি আছে। অসমৰ জি ডি পিত পৰ্য্যটনৰ অৱদান হৈছে ৬.২৩ শতাংশ আৰু গোটেই ভাৰতবৰ্ষতে পৰ্য্যটনৰ জি ডি পিত অৱদান হৈছে ৫.০৮ শতাংশ। অৰ্থাৎ গোটেই ভাৰতবৰ্ষৰ তুলনাত অসমৰ পৰ্য্যটনৰ অবদান বেছি। গতিকে এনেকুৱা ধৰণৰ এটা ধাৰণা নিদিব যে অসমৰ পৰ্য্যটন একেবাৰে শেষ হৈ গৈছে। আপোনালোকে বহু অঞ্চল এতিয়ালৈকে ঘূৰা নাই। সেইকাৰণে গম পোৱা নাই।

যেনেকৈ বাইদেউৱে বহুদিন বটদ্ৰৱাত যোৱা নাই। গতিকে তাত কি হৈছে গম নাপায়। তাত যে ২০০ টা গেষ্ট হাউচ হৈছে, তেখেতে গমেই নাপায়।

**শ্ৰী শিৱামণি বৰা, (বটদ্ৰৱা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনালোকে তাত আমাক সোমাবই নিদিয়ে। আজিকালি এনেকুৱা হৈছে যে নিজৰ সমষ্টিত গ'লেও অনুমতি ল'ব লাগে।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী, পৰ্য্যটন ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি নলবাৰীত যি হ'লেও যাওঁ। তেখেতৰ সমষ্টিত ২০০ টা গেষ্ট হাউচ হৈ গ'ল আৰু তেখেতে গমেই নাপালে। অলপ আগতে ৰছিদ মণ্ডল ডাঙৰীয়াই Back Water Tourism ৰ কথা কৈছে। এবাৰ ডিব্ৰু-চৈখোৱালৈ গৈ তাত ব্যক্তিগত খণ্ডই চলাই থকা River Cruise, Back Water Tourism চাই আহিব। বগী বিলতো Water Tourism ৰ বহু কাম চলি আছে। অসমত কেৱল চৰকাৰী নহয়, ব্যক্তিগত খণ্ডত বহু Water Tourism ৰ কাম চলি আছে। আমি সকলো সময়তে ঘূৰি নাথাকো কাৰণে গম নাপাওঁ। মই পৰ্য্যটন মন্ত্ৰী কাৰণে এইবোৰত নিমন্ত্ৰণ কৰে আৰু বিভিন্ন ধৰণৰ কাগজ-পত্ৰ আহে আৰু সেই কাৰণে মই গম পাওঁ। আপোনালোকে সেই কথাবোৰ গমেই নাপায় আৰু গম নোপোৱাটো স্বাভাৱিক। কাৰণ ভাল কথাবোৰ ভালকৈ প্ৰচাৰ নহয়। আন্দোলনৰ কথা যেনেকৈ প্ৰচাৰ হয়, পৰ্য্যটনৰ ভাল কামবোৰ ভালকৈ প্ৰচাৰ নহয়। গতিকে এই কামবোৰ প্ৰচাৰ কৰিব লাগিব। অসমত পৰ্য্যটনৰ বহুত কাম হৈছে আৰু আমাৰ বহুত কৰিবলগীয়া আছে। অসমৰ প্ৰত্যেকখন ঠাইয়ে যিহেতু Tourism Destination হ'ব পাৰে, তাৰ মানে আমি পৰ্য্যটনৰ ক্ষেত্ৰত আৰু বহু কাম কৰিব পাৰো। আজি অসমত ৫০০ কোটি টকাৰে কামাখ্যাৰ কৰিড'ৰ নিৰ্মাণ কৰা হৈছে। এইখিনিতো পৰ্য্যটনৰে কাম। কামখ্যা মন্দিৰত কৰিড'ৰটো নিৰ্মাণ কৰা হ'ব আপুনি যি দহ হাজাৰ মানুহৰ কথা কৈছে, মই কৈছো যে পঞ্চাশ হাজাৰ মানুহ আহিলেও কোনো অসুবিধা নোহোৱাকৈ দৰ্শন কৰিব পাৰিব। বৰদোৱাত ১৬৮ কোটি টকাৰ Tourism ৰ প্ৰজেক্ট কৰা হৈছে। Tourism ৰ আন্তঃগাঁথনিৰ বাবে ৰংঘৰৰ পৰা আদি কৰি সকলোতে পৰ্য্যটনৰ উন্নয়ণৰ কাৰণে কাম কৰা হৈছে। এইটো কথাও ঠিক যে পৰ্য্যটনৰ কাৰণে যিখিনি প্ৰচাৰৰ কাম হয়, সেইখিনি আমি বহিঃৰাজ্যত কৰো। কাৰণ অসমৰ মানুহৰ মাজত অসমৰ প্ৰচাৰ কৰি লাভ নহ'ব। দিল্লীৰ মেট্ৰ' ট্ৰেইনত, মুম্বাইত হৰ্ডিং লাগিলে আপুনি নেদেখিব। জি বাংলাত আমাৰ প্ৰচাৰ চলিলে আপুনি নেদেখিব। কিন্তু নেদেখা কথাবিলাক নচলা বুলি নাভাৰিব। এইটো নহয় যে নাই দেখা কাৰণে একো কাম হোৱা নাই। আমি বাহিৰত য'ত প্ৰচাৰ কৰিব লাগে তাত প্ৰচাৰ কৰি আছো। কাৰণ বাহিৰৰ পৰা মানুহ আহিব লাগে। এতিয়া পৰ্য্যটকসকল কোন ৰাজ্যৰ কোন জিলাৰ পৰা আহিছে, এই সকলোখিনি তথ্য থাকে আৰু যোৱা ৫-১০ বছৰৰ তথ্যৰ লগত তুলনা কৰি চাব। যদি প্ৰয়োজন হয় আমি আপোনালোকক তথ্যখিনি দি দিম। আপোনালোকে তুলনা কৰি চাব পাৰিব যে আজিৰ পৰা তিনি-চাৰি বছৰ আগতে গুজৰাট, মধ্যপ্ৰদেশ আদিৰ পৰা কিমান মানুহ আহিছিল আৰু আজি কিমান আহে? আমি এতিয়া অলপমান High-end Tourism ৰ কাৰণে যাব খুজিছো। কাৰণ অসমৰ বিশেষকৈ ৰাষ্ট্ৰীয় উদ্যান সমূহ খিনি Mass Tourism ৰ কাৰণে নহয়। Mass Tourism কৰিলে আমাৰ ৰাষ্ট্ৰীয় উদ্যানসমূহৰ ভৱিষ্যতৰ কাৰণে ভাল নহ'ব। সেইকাৰণে ৰাষ্ট্ৰীয় উদ্যানসমূহ অলপ High-end Tourism হওঁক আৰু ধৰ্মীয় স্থান আৰু বাকী পৰ্য্যটন স্থলীসমূহত Mass Tourism হওঁক। কামাখ্যালৈ নিতৌ ৫০,০০০ মানুহ আহক তাত অসুবিধা নাই। কিন্তু কাজিৰঙালৈ যদি নিতৌ ১০,০০০ মানুহ আহে, তেতিয়া কাজিৰঙা কাজিৰঙা হৈ নাথাকিব। কাজিৰঙাত কিমানখিনি মানুহ আহিব সেইটো সীমিত কৰি ৰাখিব লাগিব। সেই কথাবোৰ

আজি বিজ্ঞানসন্মতভাৱে চিন্তা কৰা হৈছে। সেই ধৰণে পৰ্য্যটন ক্ষেত্ৰত কাম কৰিবৰ বাবে ব্যৱস্থা কৰিব লাগিব। আজি পৰ্য্যটন ক্ষেত্ৰত এইধৰণৰ বিনিয়োগ কিয় হৈছে? কাৰণ আপোনালোকে জানে যে কেইদিনমান আগতে পৰ্য্যটনক আমি উদ্যোগ হিচাবে ঘোষণা কৰিছো। উদ্যোগ হোৱাৰ লগে লগে অসমত যিকোনো বিনিয়োগ কৰিলে ৩০ শতাংশ চাবচিডি পাব। আজি ল'জ এটা খুলিলেও কেপিটেল চাবচিডি পাব আৰু River Cruise আনিলেও কেপিটেল চাবচিডি পাব। তাৰ মাজত আপোনালোকে এটা এমেণ্ডমেণ্ট দিছে যে অসমত চাৰ্ভিচ প্ৰভাইডাৰ সকল অসমৰ হ'ব লাগিব। মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়াই দিছে যে মুখ্য কাৰ্য্যালয় অসমত থাকিব লাগিব। তাৰ মানে অসমত বাহিৰৰ বিনিয়োগ হ'ব নালাগে নেকি? আপোনালোকে যি এমেণ্ডমেণ্ট দিলে সেই এমেণ্ডমেণ্ট শুনিলে বাহিৰৰ মানুহে অসমত বিনিয়োগ বন্ধ কৰি দিব। আজি তাজ, হাইয়াটে হোটেল বনাইছে। তেওঁলোকে অসমত হোটেল বনাব নালাগে নেকি? আপোনালোকে যিখিনি এমেণ্ডমেণ্ট দিছে, সেই মতে হ'লে অসমত পৰ্য্যটনৰ কেনেকৈ উন্নয়ণ হ'ব? এতিয়া পৰ্য্যটনৰ উন্নয়ণৰ কথা কয়। দীঘলী পুখুৰী ২০০৯ চনৰ পৰা লীজত চলি আছে। অসমৰ এজন মানুহ, পানেৰীত তেখেতৰ কেইবাখনো চাহবাগান আছে। তেওঁ বাহিৰত সাৱৰমতী কলিকতা আদি ৰিভাৰ ফ্ৰণ্ট বিলাক চলাই আছে। তেওঁ ভাল ৰিভাৰ মেনেজমেণ্ট কৰে কাৰণে দীঘলী পুখুৰীৰ কণ্ট্ৰেকটো তেওঁক দিলো যাতে তেওঁ ভালকৈ ডেভ্‌লপ কৰি তাত সুন্দৰভাৱে পৰ্য্যটকৰ সা-সুবিধাসমূহ দিব। ইয়াৰে বিধায়ক, সদস্য বহুতে ক'লে যে আমি দীঘলী পুখুৰীটো বিক্ৰী কৰি দিলো। দীঘলী পুখুৰীৰৰ ২০০৯ চনৰ পৰা লীজত চলি আছে আৰু কোনোবা স্থানীয় মানুহে চলাই আছিল। সেইজনো স্থানীয় লোক, বাহিৰৰ নহয়।তেখেত পানেৰীত চাহ বাগিচা থকা মানুহ যাৰ দুই-তিনিটা জেনেৰেশ্যন অসমত বাগিচা চলাই আছে। এইটো হয় যে তেওঁৰ যিটো অফিচ, সেইটো মুম্বাইত আছে। তেওঁ অসমত দীঘলী পুখুৰীটো ভালকৈ চলাবলৈ আহিল আৰু ইয়াত এনেকৈ হৈ-চৈ লগাই দিলে যে অসম চৰকাৰে দীঘলী পুখুৰীটো বিক্ৰী কৰি দিলে। মানুহৰ এই আবেগৰ কাৰণে ক'বলগীয়া হ'ল যে দীঘলী পুখুৰীটো আমি লীজত নিদিওঁ, নিজে চলাম। পৰ্য্যটন ক্ষেত্ৰত ব্যক্তিগত বিনিয়োগ লাগিব তেতিয়াহে পৰ্য্যটনৰ উন্নয়ণ হ'ব। এই কথাখিনি বুজিও মানুহ নুবুজা হয়। কাৰণ অসমত এটা অশান্তিকৰ পৰিৱেশ কৰি ৰাখিব বিচাৰে। এই বাস্তৱ সত্যবোৰৰ মাজেৰে পৰ্য্যটন বিভাগ আগবঢ়াব লাগিব আৰু তাকো আমি চেলেঞ্জ হিচাপে ল'ম। সেই চেলেঞ্জেৰে পৰ্য্যটন আগবাঢ়ি যাব আৰু তাৰো নিশ্চয়তা আপোনালোকক দিব বিচাৰো যে আমি আগবঢ়াই নিম। আমি সুবিধা দিম আৰু আন্তঃগাঁথনি বঢ়াম, ব্যক্তিগত বিনিয়োগ বঢ়াম। আমি বিনিয়োগকাৰীসকলক সা-সুবিধা দিম আৰু তাৰ জৰিয়তে পৰ্য্যটন বিভাগক আগবঢ়াই নিম। আপোনালোকৰ পৰামৰ্শবোৰ যদি তেনেকুৱা হয়, আমাৰ ক'বলগীয়া একো নাই। আমি আজি বিলখন একমাত্ৰ পৰ্য্যটন ক্ষেত্ৰক ৰেগুলেশ্যন কৰিবৰ বাবে আনিছো যাতে আমি সকলোখিনি নিয়ন্ত্ৰিত কৰি পৰ্য্যটন ক্ষেত্ৰক ষ্টেপ বাই ষ্টেপ আগবঢ়াই নিব পাৰো। এতিয়া মই আপোনালোকৰ এমেণ্ডমেণ্টকেইটাৰ ওপৰত ক'ব বিচাৰিছো। আপোনালোক বিভিন্ন জনে এমেণ্ডমেণ্ট দিছে। এতিয়া প্ৰথম amendment টো নন্দিতা দাস আৰু তেখেতৰ সহযোগীসকলে Clause 2 ত দিছিল যে service provider বিলাকৰ ক্ষেত্ৰত must be registered হ'ব লাগে। তাত definitionত আমি লিখিছো যে hotel ইত্যাদিবোৰ service provider. তাৰ লগত লিখিছো যে এইখিনি register কৰাই হওঁক বা নহওঁক, সকলোকে service provider বুলি ধৰিম। Register নকৰা সকলকো service provider বুলি ধৰিলেহে তেওঁলোকৰ ওপৰত আইনগত ব্যৱস্থা আনিব পাৰিম। নহ'লে

যিয়ে register নকৰিব, তাৰ ওপৰত কোনো আইনগত ব্যৱস্থা ল'ব পৰা নাযাব । কিন্তু, Registration টো compulsory বুলি আমি লিখিছো। তেওঁ যদি ৩ মাহৰ ভিতৰত registration নকৰে, তেন্তে পেনাল্টি হ'ব। আপুনি বিচৰা amendment অনুসৰি - "whether registered as such or not" ৰ সলনি "must be registered" কৰাত কোনো অৰ্থ নাই। কাৰণ আমি service provider ৰ definition লিখিছো।

তাৰ পিছত অখিল গগৈ ডাঙৰীয়াই Clause 2 ত এটা amendment আনিছে যে Aerosports ৰ লগত Rafting, Heli-skiing and bungee jumping লগাই দিব লাগে। Raftingটো আপুনি ভাল পৰামৰ্শ দিছে কিয়নো অসমত Rafting চলে। কিবা কাৰণত তাত Rafting টো উল্লেখ কৰা হোৱা নাছিল। গতিকে আমি Rafting টো সোমাই দিম। Heli-skiing and bungee jumping যিহেতু আমাৰ ইয়াত নচলে, গতিকে সেই দুটাৰ সলনি আমি "and similar activities" বুলি accept কৰি লৈছো। Rafting and similar activities বুলি ক'লে সকলো সোমাই যাব। আজিৰ তাৰিখত Heli-skiing and bungee jumping আমাৰ ইয়াত নাই। ভৱিষ্যতে যদি আহে, ইয়াৰ আওতাত আহি যাব। গতিকে আপোনাৰ ভাল পৰামৰ্শটো লোৱাত আমাৰ কোনো আপত্তি নাই। কিন্তু ওলোটা কথা ক'লে নুশুনো। আপুনি আকৌ Clause 2 ত লিখিলে যে 'means' ৰ ঠাইত 'include' কৰিব লাগে। ঠিক আছে, দুবাৰ 'include' হৈ যাব, এটা 'include' লিখিলে হ'ল। আপুনি যিটো amendment দিছে সেই হিচাপে বাক্যটোৰ পৰা 'means'টো আঁতৰালে include include দুবাৰ হৈ যাব। কোনো অসুবিধা নাই। একে অৰ্থই বুজাব। আপুনি আন এটা amendment দিছিল- "Touting means and includes"। Touting বুলি ক'লে ঠগবাজি বুজায়। তাত আৰু ইমান ধৰণৰ কথা নিলিখিলেও হয়। পৰ্যটন ক্ষেত্ৰত Touting বুলিলে তেনেকৈয়ে ব্যৱহাৰ হয়। এই meaning টোতে সকলো স্পষ্ট আছে। গতিকে ইয়াত এই amendment টোৰ বহুত বেছি প্ৰয়োজন নাই। অখিল গগৈ ডাঙৰীয়াই আৰু এটা amendment দিছে যে- 'person and operating'। আপুনি আৰু এটা include কৰিব বিচাৰিছে যে 'or Entity owing or proposed to operate' -এইটো ভাল। আমি অকল operate কৰি থকা লোকক include কৰিব বিচাৰিছো। কিন্তু আপুনি ক'লে যে Entity owing মানে মালিকজনকো include কৰিব লাগে। সেইটোৰেই নহয় জানো, আৰু proposed to operate, মানে যিয়ে কৰিব বিচাৰে তেওঁকো include কৰিব লাগে। হয়, আপোনাৰ এই পৰামৰ্শটো মই মানি লৈছো। আপোনাৰ দুটা সংশোধনীত মোৰ কোনো অসুবিধা নাই, মানি ল'ব পাৰি আৰু দিব পাৰি। ইয়াৰ পিছত আপুনি যিখিনি লিখিলে, যি সম্পৰ্কে কংগ্ৰেছেও সংশোধনী আনিছে যে অসমত ৰেজিষ্টাৰ হ'ব লাগে, অসমৰ মানুহ হ'ব লাগে, অসমৰ ভোটাৰ তালিকাত নাম থাকিব লাগে, এই ক্ষেত্ৰত মই একে আষাৰে ক'লো যে এই কথাটো সম্ভৱ নহয়। কাৰণ service provider সকল যদি অকল অসমৰেই হয়, তেন্তে TATA ক'ৰ পৰা আহিব? তেতিয়া হায়াত হোটেল ক'ৰ পৰা আহিব? ভাৰতৰ ডাঙৰ ডাঙৰ এজেন্সিবিলাক, যিবিলাক international level ৰ ভাল ভাল investor আছে, তেওঁলোক অসমত কেনেকৈ আহিব? গতিকে এইটো মানি ল'ব পৰা বিধৰ নহয়। ইয়াৰোপৰি, অখিল গগৈ ডাঙৰীয়াই Head Office ৰ কথা কৈছে। কিন্তু, Head Office টো ইয়াত থাকিব লাগিলে বাহিৰৰ investment নাহিবই। গতিকে এইটোও মানি ল'ব পৰা বিধৰ নহয়। তাৰ পিছত আপুনি Clause 5 ত লিখিছে- 'and a fee worth minimal'.

আমি fees ৰ কথা লিখাই নাই। গতিকে, minimal feesৰ কথা কোৱাৰ কোনো যুক্তিয়েই নাই। আমাৰ যিখিনি Operational Guideline আহিব, তাত সেইবোৰ লিখা থাকিব আৰু মই মন্ত্ৰী হিচাপে বিধান সভাত আপোনাক স্পষ্টভাৱে কৈ দিছো যে এইখিনি একেবাৰে সৰলীকৃত প্ৰক্ৰিয়া হ'ব। মানুহে ঘৰতে বহি অনলাইন registration কৰিব পাৰিব আৰু অনলাইনতে চাৰ্টিফিকেট ল'ব আৰু তাৰ বাবে একেবাৰে nominal fees দিব লাগিব। আমি কোনো ধৰণৰ fees বা tax লগোৱাৰ বাবে এই বিলখন অনা নাই। নিয়মমাফিক যি nominal fee দিব লাগে সেইটো অনলাইনতে দি প্ৰক্ৰিয়াটো সমাপন কৰিব পাৰিব যাৰ বাবে তেওঁলোকৰ বেলেগ বেলেগ অফিচত গৈ সময় নষ্ট নহয়। আমি লিখিয়েই দিছো আবেদনবোৰ দুমাহৰ ভিতৰত dispose কৰিব লাগিব। দুমাহৰ ভিতৰত dispose নকৰাজনৰ ক্ষেত্ৰত আমি পেনাল্টি বা official step ল'ব পাৰিম। গতিকে যিয়ে এপ্লাই কৰিব তেওঁ দুমাহৰ ভিতৰত হয়তো accept হ'ব নাইবা reject হ'ব। কিন্তু সময়সীমা দুমাহেহে। এই ক্ষেত্ৰত আন এটা সংশোধনী আহিছিল যে এই সময়সীমাটো দুমাহৰ ঠাইত একমাহ কৰিব লাগে। যিহেতু কেন্দ্ৰীয় চৰকাৰৰ আইন বিলাকত এই ধৰণৰ বিষয়বোৰত দুমাহ সময়েই দিয়া থাকে, সেইকাৰণে আমি এইটোকে follow কৰিছিলো। যিহেতু এইটো এটা প্ৰক্ৰিয়াৰ মাজেৰে হয়, এমাহ সময় দিলে কেতিয়াবা কেতিয়াবা অসুবিধা হয় । সেইকাৰণে আমি ৬০ দিন ৰাখিছো আৰু সাধাৰণতে এনেকুৱা ক্ষেত্ৰত ৬০ দিনেই থাকে। তাৰ পিছত, renewalৰ ক্ষেত্ৰত আপোনালোকে ৩ বছৰৰ সলনি ৬ বছৰ propose কৰিছে। কিন্তু, মই ভাৱো যে ৬ বছৰটো বেছি দীঘলীয়া সময়, সেই সময়খিনিত বেলেগ ধৰণে develop হৈ যাব পাৰে। গতিকে ৩ বছৰটো ঠিক আছে। ৬ বছৰটো আমি মানিব খোজা নাই।

আপোনালোকে Adventure Safety Audit Committee ৰ ক্ষেত্ৰত লিখিছে যে- any five or four members of the respective adventure tour activities and respective tourism bodies such as Tour Operator of Assam, Hotel Restaurant Association of Assam এনেকুৱা ধৰণে দিছে। কিন্তু এনেকৈ কেইটামান Association ক আমি যদি specifically এখন Act ত লিখি দিওঁ, সেইটো বৰ ঠিক কথা নহয়। আমি লিখিছোৱেই যে- any two or one member of the respective adventure tour activities. এই activities থকা যিকোনো দুজন মানুহ ল'ম। তাৰ কাৰণে Tour Operator Assam বা আন কিবা হ'ব নালাগে। কিয়নো অসমৰ পৰ্যটন খণ্ডত ১০০% মানুহ এইকেইটা Association ত জড়িত হৈ থকা নাই। গতিকে এনেধৰণৰ কথা মানি ল'ব নোৱাৰি। Technical Committeৰ ক্ষেত্ৰত A.I.U.D.F. ৰ যি সংশোধনী আছিল সেই ক্ষেত্ৰত আপোনালোকে নিজেই ক'লে গতিকে ইয়াত মই প্ৰয়োজনীয়তা দেখা নাই। আনহাতে, ইয়াত Appellate Committe ৰ revision ৰ যি কথা কোৱা হৈছে, সেই ক্ষেত্ৰত কওঁ যে Appellate Authority ৰ মূল মানুহজন হ'ল Director of Tourism. তাৰ ওপৰত revision ৰ কাৰণে আমাৰ Principal Secretaryয়েই হওঁক বা Additional Chief Secretaryয়েই হওঁক, ক'ৰবাত কিবা revision ৰ প্ৰয়োজন হ'লে কৰিব পাৰিব। Appellate ৰ ওপৰত Appellate নালাগে। গতিকে, Appellate ৰ ওপৰত আমাৰ এখন Revisional Committe ৰখা হৈছে। সেয়েহে ইয়াত বিশেষ সংশোধনী কৰিবলগীয়া কথা নাই। Statistical Information ত আপোনালোকে ১০,০০০ টকাৰ পেনাল্টিৰ কথাটো দিব দিছে। আমি তাত সেইটো লিখা নাই। কোনোবাই Statistical Information নিদিলে

পেনাল্টি কি হ'ব সেই সম্পৰ্কত আমাৰ Operational Guideline ত লিখা আছে। আমি ১০,০০০ লিখিব বিচৰা নাই। আমি Operational Guideline ত ১০০০ ৰাখিম বুলি ভাৰিছো। তাৰোপৰি, Penalty for default in registration ৰ ক্ষেত্ৰত আপোনালোকে ১০,০০০ টো ৫০০০ কৰিব দিছিল আৰু সেইটো যদি continuing হয় তেন্তে ২০০ টো ১০০ কৰিব দিছিল। এইটো আচলতে পেনাল্টি, fee নহয়। পেনাল্টি যদি বেছিকৈ নলওঁ তেন্তে মানুহৰ ভয়টো নাথাকিব। সেইকাৰণে আমি পেনাল্টিৰ পৰিমাণটো সলনি কৰিব বিচৰা নাই। আপোনালোকে ৫০% কমাই দিব দিছে, কিন্তু আমি ইতিমধ্যে যি ৰাখিছো, সেইটোৱে ৰাখিব বিচাৰিছো। ইয়াৰোপৰি, আপোনালোকে Regulating টো Developing কৰিব দিছে। কিন্তু শব্দটো Regulating হ'লে বেছি খাপ খাব। আপোনালোকৰ major amendment এইকেইটাই আছিল। আপোনালোকে যিমান সংশোধনী দিছিল তাৰে অখিল গগৈ ডাঙৰীয়াৰ দুটা সংশোধনী মই নিজেই মানি লৈছো। বাকী সংশোধনীকেইটা দিব পৰা বিধৰ নহয়। অন্য যিয়েই নহওঁক, অন্ততঃ Tourism Act খন আনোতে মই পুংখানুপুংখভাৱে চাই আনিছো। এই Act খনেৰে কেনেকৈ পৰ্যটন খণ্ডটো সামৰি ল'ব পাৰি আৰু ইয়াৰ জৰিয়তে কেনেকৈ পৰ্যটন খণ্ডটোৰ উন্নয়ন কৰিব পাৰি, তাৰ বাবে যিমান পাৰো চেষ্টা কৰিম। আজি কেইদিনমান আগতে আমি Assam Tourism Policy 2023 কৰিলো। Policy এটা কৰিলো। যদি Act এখন নাথাকে তেতিয়াহ'লে পলিচিখন implement কৰিবৰ কাৰণে কিছুমান techincal অসুবিধা আহে। সেইকাৰণে আমি পলিচিও কৰিলো, Industry ও declare কৰিলো আৰু Tourism Act টো কৰিলো। ইয়াৰ বাবে আপোনালোকে সহযোগীতা কৰিব Tourism বাঢ়ি যাব। Tourism বঢ়াই নিয়াৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত যিখিনি কাম আমি সুন্দৰভাৱে কৰি আছো কেৱল অসমত ধৰ্ণা আন্দোলন, বাহিৰত অসমৰ image টো বেয়াকৈ দেখুওৱা আদিৰ পৰিৱেশটো নোহোৱা হ'লে অসম Tourism ৰ ক্ষেত্ৰত দোপোদদোপে আগুৱাই যাব। অসম এনেকুৱা এখন ৰাজ্য য'ত প্ৰতিটো অঞ্চল, প্ৰতিখন গাওঁ Tourism destination হ'ব পাৰে। ৰমেন দাই দ্বীপৰ বিলৰ কথা কৈ থাকে। এইবাৰ দ্বীপৰ বিলত তেওঁ ১০০ কোটি টকা পালে। এতিয়া দ্বীপৰ বিল হৈ যাব। ঠিক সেইধৰণে আজি বিজয় মলাকাৰ ডাঙৰীয়াই সোন বিলৰ কথা কৈছে। এইটো এছিয়াৰ second largest water body.এইটো develop কৰিবৰ কাৰণে কাম আৰম্ভ কৰা হৈছে। আজি সোনবিলত ১০০০ মেগাৱাট চোলাৰ production ৰ কাৰণে সোনবিলৰ কথা কোৱা হৈছে। তাত tourism automatically বাঢ়ি যাব। গতিকে আপোনালোকৰ যিখিনি amendment আৰু suggestion আছিল, এতিয়া যেনেকৈ অখিল গগৈ ডাঙৰীয়াই অদ্ভুত যুক্তি দিলে যে আদানিয়ে ললে কাৰণে টিকটক ফিচ বাঢ়ি গ'ল সেইটো নহয়। যদি aviation ৰ fuel ৰ পইচা বাঢ়িছে তাত আমি কথা পাতিব লাগে। আমাৰ চৰকাৰ তাৰ বাবেও ৰাজী আছে। কিন্তু অখিল গগৈ ডাঙৰীয়াই কোৱাৰ পাছত আমাৰ উৎপল বৰুৱা ডাঙৰীয়া তেখেতৰো চিনাকি আছে তেখেতক মই এতিয়া data দিবলৈ কৈছো যে যোৱা তিনি মাহত অন্য sector ৰ লগতে আমাৰ sector ৰ flight ৰ ভাড়া বাঢ়িছে নেকি, তাৰ এটা comparative statement দিবলৈ কৈছো। দুই এদিনৰ ভিতৰত statement আহিব আৰু মই চাম। যদি আমাৰ ইয়াতে তেনেদৰে flight ৰ ভাড়া বাঢ়িছে তাক কেনেকৈ নিয়ন্ত্ৰণ কৰিব পাৰি বা আমাৰ চৰকাৰৰ যদি কিবা কৰণীয় আছে, যাৰ দ্বাৰা সেইটো আমি কমাব পাৰো তেনেহ'লে আমি চাম। কিন্তু তেওঁলোকে অস্বীকাৰ কৰিছে। কৈছে যে এনেকুৱা হোৱা নাই। আমাৰ গুৱাহাটীৰ Airport টো হৈছে India ৰ tenth busiest

airport. যেতিয়া মানুহে শেষৰ ফালে টিকট কাটে তেতিয়া সেই টিকটৰ দাম high rate হয়। এতিয়া যদি সেই high rate টো ধৰি কোনোবাই কয় যে অসমত দিল্লীৰ পৰা অহা flight ৰ টিকটৰ দাম ২০,০০০ টকা হৈছে, মুম্বাইৰ পৰা অহা টিকটৰ দাম ২৫,০০০ টকা হৈছে। সেই আগদিনাখন কটা বা দুঘন্টা আগত কটা টিকটৰ দাম ২০,০০০ ৰ পৰা ২৫,০০০ লৈ হ'ব। প্ৰথমতে কটা টিকটৰ দাম ৩০০০-৪০০০ টকা। সেইকাৰণে তেওঁলোকে accept কৰিছে যে busiest airport হোৱাৰ কাৰণে টিকটৰ দাম শেষৰ ফালে বাঢ়ি যায়। গতিকে সেইটো benchmark নহয়। এই Statisticts বিলাকে এইটোৱে বুজায় যে অসমলৈ tourist আহিছে। যিবিলাক positive কথা, সেইবিলাক আমি মানিবলৈ ৰাজী। সুশান্ত বৰগোহাঁঞিঃ ডাঙৰীয়াই কৈছে যে kumaon regiment আছে বা তেনেকুৱা ধৰণৰ regiment আছে, আমি অসমৰ Forest Department ৰ আলোচনা চলাই আছো যে Forest Bungalow বিলাকত আমি এটা coorporation কৰি Forest and Tourism Department য়ে এই Bungalow বিলাকৰ joint operation maintain কৰি তাত আমি মানুহ ৰাখিব পাৰো নেকি। কাৰণ Forest Bungalow নিচিনা ধুনীয়া Tourist Destination নায়েই। কিন্তু তাত কিছুমান technical অসুবিধা আছে, Forest Act ৰ কথা আছে। সেইবিলাক আমি কেনেকৈ সমাধান কৰিব পাৰো। এইবাৰ আমি cluster basis ত home stay দিছো। একেখন ঠাইত একেলগে ১০ টা home stay দিছো কাৰণ কেতিয়াৰা single home stay হ'লে booking ত অসুবিধা হয়। এই cluster home stay এটা group ত কেনেকৈ কৰিব পাৰি যে কাৰোবাৰ home stay ত যদি মানুহ কমো আছে, তেওঁলোকে এটা পইচা যাতে এটা cooperative বা group হিচাপে লৈ সেই টকাখিনিৰে সেই এৰিয়া বা অঞ্চলটো চাফ চিকুনতা ৰাখিব পাৰে। এইধৰণৰ মডেল কিছুমান আমি home stay ত আনিব বিচাৰিছো। এইবাৰ আমি তেনেকুৱা ৫ টা cluster ত home stay ৰাখিব বিচাৰিছো। য'ত সাধাৰণতে হোটেল বা ল'জ নাই। তেনেকুৱা ঠাই বিলাকত cluster ত ১০টা ১০ টা কৈ থকা home stay কৰিব বিচাৰিছো। এইবাৰ আমি ৫০ টা home stay বনাম ৫ টা cluster ত। তাত ১০ টা home stay থাকিব । তেওঁলোকৰ operation যো যাতে jointly কৰাৰ সুবিধা পায়। আমাৰ বিভাগে যাতে তেওঁলোকৰ promotion টো কৰি দিব পাৰে। Home stay policy ও আহিব। আপোনালোকৰ যিখিনি ভাল পৰামৰ্শ সেইখিনি আমাৰ লোৱাত কোনো আপত্তি নাই। Tourism Act খনে এই গোটেই কথাখিনি নিয়ন্ত্ৰণ কৰিব। এই গোটেই কথাখিনি আমি এটা regulating authority হিচাপে নিয়ন্ত্ৰণ কৰিব পাৰিম। আগতে TIA বুলি ক'লে Tourism Information Officer বুলি কৈছিল। আজি কালি আমি তেখেতসকলক Tourism Developmemnt Officer বুলি rename কৰিছো।তেওঁলোকৰ এটা authority দিব খুজিছো যাতে তেওঁলোকে এই কথাবিলাক চাব পাৰে আৰু কাম কৰিব পাৰে। আজি ৰূপজ্যোতি কূৰ্মী ডাঙৰীয়াও web site ৰ কথা কৈছে। হয়তো web site বিলাক daily develop হৈ থাকে। তেওঁ গিবনৰ কথা কৈছে। গিবন সম্পৰ্কে আমাৰ web site ত আছে। কেতিয়াৰা আমি development বিলাক চাই নাথাকো। কোনোবাই ক'লে নতুন destination আমি tourism ৰ web site ত upload কৰো। গতিকে পাঁচ বছৰ আগতে আপুনি চাই থোৱা কথাটো আজি ক'লে নহ'ব যে আজি web site টো এনেকুৱা চলি আছে। আমি আৰু ভাল কৰিব লাগিব। আপোনালোকৰ পৰামৰ্শ থাকিব পাৰে। তাত আমাৰ কোনো আপত্তি নাই। Tourism এনেকুৱা এটা sector য'ত highest

employment scope  আছে। Highest Self employment ৰ scope আছে। ৰূপজ্যোতি কুৰ্মীয়ে যেনেকৈ driver  ৰ কথা কৈছে, Skill Development Minister হিচাপে মই গুৱাহাটী Airport  ৰ ২০০ driver ক আমি দুটা  batch  ত বিভিন্ন ধৰণৰ training  দিছো যে কেনেকৈ tourist  সকলৰ লগত contact  কৰিব। কিদৰে তেওঁলোকৰ গাড়ীখন চাফ-চিকুনকৈ ৰাখিব, তাৰবাবে তেওঁলোকক voucher  দিছো, dress  দিছো, তেওঁলোকক leaflet  দিয়া হৈছে। কাজিৰঙাৰ tourist guide কো Skill Development ৰ ফালৰ পৰা training  দিয়া হৈছে। গুৱাহাটীৰ পল্টন বজাৰ আৰু কামাখ্যাৰ হোটেলৰ কাম কৰা মানুহক Skill Development ৰ ফালৰ পৰা up skilling  ৰ কাৰণে training দিয়া হৈছে। এই কথাবিলাক হয়তো বেচি প্ৰচাৰ হোৱা নাই। সেইবাবে আপোনালোকে গম নোপোৱাটো স্বাভাৱিক।গতিকে যিকেইটা amendment  মানিব পাৰি সেই কেইটা ক'লো আৰু যিকেইটা মানিব নোৱাৰি সেই কেইটাও ক'লো। চণ্ডিকা দেৱালয়ৰ কামো চলি আছে আৰু প্ৰয়োজন হ'লে আৰু টকা চণ্ডিকা দেৱালয়ত দিয়া হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰীমতী নন্দিতা দাস।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, The Assam Tourism (development and registration) Bill, 2024  ত বিভিন্ন সংশোধনী অনা হৈছিল আৰু মন্ত্ৰী মহোদয়ে আলোচনাৰ সমাধানখিনি দিছে। আমাৰ সদস্য সকলৰ যিখিনি সমস্যা আছিল ভৰিষ্যৎ সময়ত যিহেতু নতুন পলিচি আনিছে আৰু নতুন Registration Act আহিব সেইখিনি অদূৰ ভৰিষ্যতে সমাধান হ'ব। এই আশা কৰি আমি আমাৰ সংশোধনীখিনি উঠাই  লৈছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰী অখিল গগৈ।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰথমবাৰৰ কাৰণে আজি মোৰ যি সংশোধনী আনিছিলো সেইখিনি উঠাই লম। তেওঁলোকে এটা good gesture দেখুৱাইছে যে কেইবাটাও বস্তু তেখেতসকলে সংশোধন কৰিছে আৰু incorporate  কৰাৰ চেষ্টা কৰিছে। গতিকে মই চাগে জীৱনত প্ৰথম এইটো উঠাই লৈছো। মই ব্যক্তিগত একো নকওঁ মোক গালিচালি পাৰিছে বহুত, সেই বিলাক বাৰু  সদায় চলি থাকে, মোক গালি পৰাটোও নিয়ম, গতিকে কেৱল দুটা মান কথা। অধ্যক্ষ ডাঙৰীয়া, actually আমাৰ যিটো  tourism এই tourismটো সচাঁকৈ এতিয়া Forest Departmentয়ে চলাই আছে। অক্টোবৰ মাহত যেতিয়া কাজিৰঙা খোলে, মানাহ খোলে তেতিয়াহে tourism start হয় তাৰ পিছত যেতিয়া Kaziranga বন্ধ হৈ যায় আমাৰ পৰ্যটন বন্ধ। তেতিয়া তেওঁলোকে কয় পৰ্যটন বিভাগে কয় আমাৰটো religious tourism আছে, আমাৰ কামাখ্যালৈ অহা মানুহ বিলাক আছে। কামাখ্যালৈ অহা মানুহ বিলাকক সব তেওঁলোকক ফ্ৰিটে খুওৱাব লাগে। কিমান কেইটা আমাৰ ডাঙৰ ডাঙৰ উৎসব আছে নহয়, থাকিবলৈও কিবা কিবি বনাই দিয়ে আৰু খোৱাও দিয়ে, আমাৰ হোটেল বিলাকত যি ধৰণৰ ব্যৱসায় হ'ব লাগে সেইধৰণৰ ব্যৱসায়টো নহয়, religious tourism টোকো আমি ঠিক মতে অকল কামাখ্যাতো বাৰু আছে তাৰপিছত গোটেই অসমৰ religious tourismটোক আমি বিকশিত কৰিব পৰা নাই। ৩ নং অসমৰ important যিটো tourism সেইটো হ'ল Archeological Heritage Tourism, Archeology Departmentৰ মন্ত্ৰী ডাঙৰীয়ানী আছে। তেখেতৰ বিভাগে কিছু কাম কৰিছে আৰু এই  চাই কিছু কাম কৰিছে, কিন্তু tourism department য়ে

এই তিনিওটা চেক্টৰত যি বিলাক কৰিব লাগে এতিয়ালৈকে আমি কৰা দেখা নাই। তাৰ পিছত পৰ্যটন বিভাগে নিজাকৈ কৰিব পৰা ব্ৰহ্মপুত্ৰ আছে, মই অথনি কব খুজিছিলো যে গোৱালপাৰাত নমাই বড়োৰ খাদ্য খুৱালো, ৰাভাৰ খাদ্য খুৱালো, ৰাভা নৃত্য দেখুৱালো, গাৰো নৃত্য দেখুৱালো তাৰ পৰা আৰম্ভ কৰি একেবাৰে শদিয়ালৈ যদি দেখুৱাই দিও এইটো অসম মানে একদম Head-quarter Tourism যিটো আছে Kerala ত তাতকৈ বহুত বেছি ওপৰলৈ যাব। তাৰ লগত মানে আমাৰ গোটেই experience টো আজি অসমৰ মানুহে ইমান ধুনীয়া খেতি কৰে সেই খেতি কৰাৰ অভিজ্ঞতাটো আজি কালি অসমত 97 tribes আছে, 97 tribes ৰ প্ৰত্যেকটো way of life বুলি যাক কোৱা হয়। সেই way of life টোক দেখুওৱাটো কাৰোবাৰ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰীঅখিল গগৈ ঃ** শেষত মাত্ৰ এটা বাক্য কৈ শেষ কৰো, তেখেতে কেৰল এটা ভুল ধাৰণা দিছে যে Kaziranga Orchid Parkত ৫০০ টকা ভাতত নলয়। এইটো ভুলকৈ তথ্য দিছে। এইটোত ২০০ টকা লয় আৰু ২০০ টকাত ২০ টা আইটেম খুৱাও। সেইটো খাৰৰ কাৰণে মানুহ দূৰৰ পৰা যায় অসমৰ খাদ্যৰ খোৱাদ লবলৈ, পৰ্যটন মন্ত্ৰী এজনৰ এনেকুৱা insulting বক্তব্য, তাৰ পৰা প্ৰমাণিত হয় যে তেওঁ আচলতে tourism বুজি পোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** হৈছে। হৈছে।

**শ্ৰীঅখিল গগৈ ঃ** তেওঁ পৰ্য্যটনটো এতিয়ালৈকে হৃদয়ংগম কৰিব পৰা নাই। ইয়াৰ আগতে যি পৰ্য্যটন মন্ত্ৰী আছিল তেতিয়া তেওঁ পৰ্য্যটনৰ বিকাশৰ কাৰণে অকমান কাম কৰিছিল, ইয়াৰ আগৰ বাৰ দে। এইবাৰ কেলেই কৰা নাই, এইবাৰ তেওঁ যিটো বিভাগ পালে সেইটোত কমিচনটো বেছি, সেইটোত বেছিকৈ মন, এইটোত মন নাই। পৰ্যটনটোত গুৰুত্ব দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** নাই নাই, ইয়ালৈ যাব নালাগে। ঠিক আছে, ধন্যবাদ।

**শ্ৰীজয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা কথা ভুল যাব কাৰণে মই কৈ থৈ দিও, তেখেতে যিটো কৈছে যে religion tourismৰ ক্ষেত্ৰত, কামাখ্যাত যি সকল মানুহ আহে আমি বিভাগে ভাত নুখুৱাও। ভক্ত সকলে খুৱাই, বিভিন্ন ভক্তই খুৱাই, এতিয়া ভক্তই খুৱালে আমি মাত্ৰ তেওলোকক থকা মিলাৰ যিটো ব্যৱস্থা যাতে যতে ততে পৰি নাথাকে যতে ততে মানুহ থাকি গুৱাহাটী খন লেটেৰা নকৰে তাৰ কাৰণে আমি toilet, বেৰিকেট বনাই দিও বা সুন্দৰ ব্যৱস্থা বনাই দিও তাত থাকিবৰ কাৰণে, খোৱা লোৱা খিনিত আমি চৰকাৰে এক টকাও খৰচ নকৰো। খোৱা-লোৱা বোৰ ভক্তই কৰে। গতিকে এনেকুৱা ভুল ধাৰণা নিদিব যে আমি পৰ্যটনে অসম চৰকাৰে এই বিলাক খুৱাই থাকো। এইটো ঠিক যে আপুনি আপোনাক বহুত ধন্যবাদ দিছো যে জীৱনত এবাৰ হলেও দুটামান মানি লৈছে যে আমাৰ, উঠাইটো লৈছে তাৰ কাৰণে ধন্যবাদ দিছো। আপোনাৰ তথ্যখিনি ৰূপজ্যোতি কুৰ্মীয়ে আহি লগে লগ দিছে। ৰূপজ্যোতি কুৰ্মীয়ে মাজে মাজে গৈ থাকে তাত। সেই কাৰণে কৈছে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, ধন্যবাদ।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** ছাৰ, এইটো প্ৰমাণ হ'ল যে আপুনি ফতকে লোকৰ কথা শুনিলে।

**মাননীয় অধ্যক্ষ ঃ** হৈছে আৰু, হ'ব। এতিয়া আমিনুল ইছলাম ডাঙৰীয়া।

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** ছাৰ, অখিল গগৈৰ অৰ্কিত পাৰ্ক খন চাব লগীয়া আৰু খাদ্যও সুলভ, মই গৈছো তাত কেইবা বাৰো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া আমিনুল ইছলাম ডাঙৰীয়া।

**শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি কবলৈ গলে অসম বিধান সভাত মোৰ শেষ দিন। হয়তো ইয়াৰ পিছত গৈ মই পাৰ্লিয়ামেন্টত গৈ বহিব লাগিব। গতিকে এতিয়া যিহেতু মন্ত্ৰী মহোদয়ে খুব দীঘলীয়া বক্তব্য দি যেনেকৈ কৈছে আমাক অনুৰোধ জনাইছে যে আমি amendment কেইটা উঠাই লব লাগে। যিহেতু অসম বিধান সভাত মোৰ শেষ দিন পিছত মই পাৰ্লিয়ামেন্টত যাব লাগিব গতিকে মই মন্ত্ৰী মহোদয়ৰ অনুৰোধ ৰক্ষা কৰি এই এমেণ্ডমেন্টটো withdraw কৰি আছো কিন্তু অসম চৰকাৰক যি খিনি ভাল পৰামৰ্শ দি গৈ আছো যাতে এইখিনি মনত ৰাখে আৰু billৰ জৰিয়তে অনাগত দিনত অসমৰ ৰাইজৰ কাৰণে চিন্তা কৰে তাৰ কাৰণে চৰকাৰক এইখিনি অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ** ঃ thank you, উঠাই ললে। এতিয়া যিমান এমেণ্ডমেন্ট আছিল, এতিয়া মই অখিল গগৈৰ লৈ আহো যে দুই নং দফাৰ Clause-2, Sub-clause C আৰু Sub-clause 5 ত মই প্ৰস্তাৱ দাঙি ধৰিছো, সংশোধনী প্ৰস্তাৱটো যি সকলে সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকলে বিপক্ষে আছে, তেখেত সকলে কওক নহয়, মই ভাৱো হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে সংশোধনী প্ৰস্তাৱটো গৃহীত হ'ল।

এতিয়া ২ নং দফা সংশোধনী বিধেয়ক খনৰ অংশ হ'ব। যি সকলে সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকলে বিপক্ষে আছে, তেখেত সকলে কওক নহয়, মই ভাৱো হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে দফা নং ২ সংশোধনী সহ বিধেয়ক খনৰ অংশ হ'ল।

এতিয়া দফা নং ৩ ত উঠাই লৈছে এমেণ্ডমেন্টটোৰ সেই কাৰণে দফা নং ৩ বিধেয়ক খনৰ অংশ হ'ব। যি সকলে সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকলে বিপক্ষে আছে, তেখেত সকলে কওক নহয়, মই ভাৱো হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে দফা নং ৩ বিধেয়ক খনৰ অংশ হ'ল।

৪ নং দফাত সংশোধনী নাই, ৪ নং দফা বিধেয়ক খনৰ অংশ হ'ব। যি সকলে সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকলে বিপক্ষে আছে, তেখেত সকলে কওক নহয়, মই ভাৱো হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে দফা নং ৪ বিধেয়ক খনৰ অংশ হ'ল।

৫ নং দফাৰ এমেণ্ডমেন্টটোত থক সংশোধনী উঠাই লোৱা হৈছে। সেইটোৰ কাৰণে ৫ নং দফা বিধেয়ক খনৰ অংশ হ'ব। যি সকলে সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকলে বিপক্ষে আছে, তেখেত সকলে কওক নহয়, মই ভাৱো হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে দফা নং ৫ বিধেয়ক খনৰ অংশ হ'ল।

দফা নং ৬ ৰ পৰা ১১ লৈকে সংশোধনী নাই। দফা নং ৬ ৰ পৰা ১১ লৈকে বিধেয়ক খনৰ অংশ হ'ব। যি সকলে সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকলে বিপক্ষে আছে, তেখেত সকলে কওক নহয়, মই ভাৱো হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে দফা নং ৬ ৰ পৰা ১১ লৈকে বিধেয়ক খনৰ অংশ হ'ল।

১২ নং দফাৰ সংশোধনী ইতিমধ্যে উঠাই লোৱা হৈছে। সেইটোৰ কাৰণে ১২ নং দফা বিধেয়ক খনৰ অংশ হ'ব। যি সকলে সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকলে বিপক্ষে আছে, তেখেত সকলে কওক নহয়, মই ভাৱো হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে দফা নং ১২ বিধেয়ক খনৰ অংশ হ'ল।

দফা নং ১৩ আৰু ১৪ ত সংশোধনী নাই। এতিয়া মই দফা ১৩ আৰু ১৪ সদনত ভোট দানৰ বাবে দাঙি ধৰিলো। যি সকলে সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকলে বিপক্ষে

আছে, তেখেত সকলে কওক নহয়, মই ভাৱো হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে দফা নং ১৩ আৰু ১৪ বিধেয়ক খনৰ অংশ হ'ল।

১৫ নং দফাৰ সংশোধনী ইতিমধ্যে উঠাই লোৱা হৈছে। সেইটোৰ কাৰণে ১৫ নং দফা বিধেয়ক খনৰ অংশ হ'ব। যি সকলে সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকলে বিপক্ষে আছে, তেখেত সকলে কওক নহয়, মই ভাৱো হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে দফা নং ১৫ বিধেয়ক খনৰ অংশ হ'ল।

দফা নং ১৬ ৰ সংশোধনী প্ৰস্তাৱটো উঠাই লোৱা হৈছে। সেইটোৰ কাৰণে ১৬ নং দফা বিধেয়ক খনৰ অংশ হ'ব। যি সকলে সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকলে বিপক্ষে আছে, তেখেত সকলে কওক নহয়, মই ভাৱো হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে দফা নং ১৬ বিধেয়ক খনৰ অংশ হ'ল।

১৭ নং দফাৰ সংশোধনী প্ৰস্তাৱ উঠাই ললে। সেইটোৰ কাৰণে ১৭ নং দফা বিধেয়ক খনৰ অংশ হ'ব। যি সকলে সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকলে বিপক্ষে আছে, তেখেত সকলে কওক নহয়, মই ভাৱো হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে দফা নং ১৭ বিধেয়ক খনৰ অংশ হ'ল।

১৮ নং দফাৰ সংশোধনী প্ৰস্তাৱ উঠাই ললে। সেইটোৰ কাৰণে ১৮ নং দফা বিধেয়ক খনৰ অংশ হ'ব। যি সকলে সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকলে বিপক্ষে আছে, তেখেত সকলে কওক নহয়, মই ভাৱো হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে দফা নং ১৮ বিধেয়ক খনৰ অংশ হ'ল।

১৯ নং দফাৰ সংশোধনী প্ৰস্তাৱ নাই। সেয়েহে১৯ নং দফা বিধেয়ক খনৰ অংশ হ'ব। যি সকলে সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকলে বিপক্ষে আছে, তেখেত সকলে কওক নহয়, মই ভাৱো হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে দফা নং ১৯ বিধেয়ক খনৰ অংশ হ'ল।

২০ নং দফাৰ সংশোধনী প্ৰস্তাৱ উঠাই ললে। সেইটোৰ কাৰণে ২০ নং দফা বিধেয়ক খনৰ অংশ হ'ব।

যি সকল সপক্ষে আছে তেখেত সকলে কওঁক হয় ,
আৰু যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়
মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে,
দফা নং ২০ বিধেয়কখনৰ অংশ হ'ল।
দফা নং ২১ সংশোধনী নাই, দফা নং ২১ বিধেয়খনৰ অংশ হ'ব।
যি সকল সপক্ষে আছে তেখেত সকলে কওঁক হয় ,
আৰু যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়
মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে,
দফা নং ২১ বিধেয়কখনৰ অংশ হ'ল।
দফা নং ২২ সংশোধনী উঠাই ললে, দফা নং ২২ বিধেয়খনৰ অংশ হ'ব।
যি সকল সপক্ষে আছে তেখেত সকলে কওঁক হয় ,
আৰু যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়
মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে,

দফা নং ২২ বিধেয়কখনৰ অংশ হ’ল।
দফা নং ২৩ সংশোধনী প্ৰস্তাৱ উঠাই ললে, দফা নং ২৩ বিধেয়খনৰ অংশ হ’ব।
যি সকল সপক্ষে আছে তেখেত সকলে কওঁক হয় ,
আৰু যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়
মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে,
দফা নং ২৩ বিধেয়কখনৰ অংশ হ’ল।
দফা নং ২৪ ৰ পৰা ২৬ লৈ কোনো সংশোধনী নাই, সেয়েহে **২৪** ৰ পৰা ২৬ লৈ বিধেয়খনৰ অংশ হ’ব।
যি সকল সপক্ষে আছে তেখেত সকলে কওঁক হয় ,
আৰু যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়
মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে,
দফা নং ২৪ ৰ পৰা ২৬ লৈ বিধেয়কখনৰ অংশ হ’ল।
দফা নং ২৭ৰ সংশোধনী উঠাই ললে, সেয়েহে দফা নং ২৭ বিধেয়খনৰ অংশ হ’ব।
যি সকল সপক্ষে আছে তেখেত সকলে কওঁক হয় ,
আৰু যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়
মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে,
দফা নং ২৭ বিধেয়কখনৰ অংশ হ’ল।

এতিয়া ২৮ ৰ পৰা ৩৭ লৈ সংশোধনীৰ প্ৰস্তাৱ নাই। সেয়ে ২৮ ৰ পৰা ৩৭ লৈ বিধেয়কখনৰ অংশ হ’ব।
যি সকল সপক্ষে আছে তেখেত সকলে কওঁক হয় ,
আৰু যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়
মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে,
দফা নং ২৮ ৰ পৰা ৩৭ লৈ বিধেয়কখনৰ অংশ হ’ল।
দফা নং **১** পৰিসৰ আৰম্ভন আৰু শিৰোনামাত সংশোধনী নাই ।
এতিয়া দফা নং **১** পৰিসৰ আৰম্ভন আৰু শিৰোনামা সদনত ভোট দানৰ বাবে দাঙি ধৰিলো।
প্ৰশ্নটো হ’ল, দফা নং **১** পৰিসৰ আৰম্ভন আৰু শিৰোনামা বিধেয়কখনৰ অংশ হ’ব।
যি সকল সপক্ষে আছে তেখেত সকলে কওঁক হয় ,
আৰু যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়
মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে,
দফা নং **১** পৰিসৰ আৰম্ভন আৰু শিৰোনামা বিধেয়কখনৰ অংশ হ’ল।
এতিয়া মাননীয় টুৰিজিম মন্ত্ৰী পাৰিত কৰণৰ বাবে সদনত উত্থাপন কৰিব

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয় মই The Assam Tourism (Development and Registration) Bill, 2024 পাৰিত কৰণৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া মই মন্ত্ৰী ডাঙৰীয়াৰ দ্বাৰা বিধেয়কখন পাৰিত কৰাৰ প্ৰস্তাৱটো সদনত ভোট দানৰ বাবে দাঙি ধৰিলো। প্ৰশ্নটো হ’ল -The Assam Tourism (Development

and Registration) Bill, 2024 বিধেয়ক খন পাৰিত কৰা হওঁক।
যি সকল সপক্ষে আছে তেখেত সকলে কওঁক হয় ,
আৰু যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়
মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে,
প্ৰস্তাৱটো গৃহীত হ'ল, আৰু বিধেয়কখন সংশোধনী সহ পাৰিত হ'ল।

এতিয়া মাননীয় শিক্ষামন্ত্ৰী আইটেম নং ১৫।
**ড° ৰনোজ পেগু, (শিক্ষামন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয় মই আপোনাৰ অনুমতি সাপেক্ষে The Swahid Kanaklata Barua State University Bill, 2024 বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।
**মাননীয় অধ্যক্ষ** ঃ আমাৰ সন্মানীয় ৰাজ্যপাল মহোদয়ৰ পৰা এটা বাণী আছে, সেই বাণীটো হ'ল যে -

## ORDER

RAJBHAVAN
GUWAHATI
31-01-2024

"Under the provision of Article 207 (3) of the Constitution of India, I, Shri Gulab Chand Kataria, Governor of Assam, recommend that 'The Swahid Kanaklata Barua State University Bill,2024' be taken into consideration by the Assam Legislative Assembly".

**Sd/–**
**(Sri Gulab Chand Kataria)**
**Governor of Assam**

এতিয়া মই মন্ত্ৰী ডাঙৰীয়াৰ প্ৰস্তাৱটো সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল, The Swahid Kanaklata Barua State University Bill, 2024 খন বিবেচনাৰ বাবে লোৱা হওঁক।
যি সকল সপক্ষে আছে তেখেত সকলে কওঁক হয় ,
আৰু যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়
মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে,
প্ৰস্তাৱটো গৃহীত হ'ল, এতিয়া বিধেয়কখন দফাই দফাই সদনত বিবেচনাৰ বাবে লোৱা হ'ব।
দফা নং ২
দফা নং ২ ত সন্মানীয় সদস্য দেৱব্ৰত শইকীয়া আৰু তেখেতৰ সহযোগি সকলৰ সংশোধনী আছে,

আপোনালোকৰ সংশোধনীটো উত্থাপন কৰিবনে ?

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, (নাওবৈচা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, The Swahid Kanaklata Barua State University Bill, 2024 আমি ঠিক আলোচনা কৰিব খোজা নাই । আমি মাত্ৰ দুটা Amendment আনিছো। তাৰে মাত্ৰ এটা স্পষ্টীকৰণ বিচাৰিছো। ইয়াত defination ত clause -2 আৰু Sub -clause (j) ত ইয়াত লিখিছে, patron of the University means a person who has made a donation of not less then Rs. 100 Lakh to the funds of the University and has been declared by the Chancellor to the Patron of the University. ১ কোটি টকা যোনে donation দিব, তেওঁ The Swahid Kanaklata Barua State Universityৰ Patron হ'ব। এইটো defination ত আছে, কিন্তু আমি ভিতৰত ক'তো clause, Sub-clause কতো বিচাৰি নাপালো। Patron ৰ ৰুল কি হ'ব, Patron ৰ ফাংশ্যন কি হ'ব এই বিষয়ে ইয়াত কোনো উল্লেখ নাই সেয়েহে মাননীয় মন্ত্ৰীৰ পৰা মই জানিব বিচাৰিছো। ইয়াৰ পিছত clause ২৩ ত The University code, Sub-clause 21 তাত যেনেকৈ আছে, 7 person elected by the Members of the Assam Legislative Assembly from amongst the themselves. এইটো ঠিকে আছে। কিন্তু চাৰ clause ২৬ আৰু Sub-clause ১৪ তাত চাৰ এটা কথা লিখা আছে The Executive Council shall be Executive body of the University and shall consists of following Members, তাত Sub-clause-14ত লিখা আছে, 3 person nominated by the Government. চৰকাৰে ৩ জন নমিনেট কৰিব। সেইটোত আমি বিচাৰিছো যে 3 person nominated by the Government. নহয় 3 person nominated by the Assam Legislative Assembly এইখিনি আমি জানিব বিচাৰিছো।

**শ্ৰী মজিবুৰ ৰহমান, (দলগাঁও)** ঃ মাননীয় অধ্যক্ষ মহোদয় আমাৰ amendment হৈছে Clause -3, after Sub-clause (4) a sub-clause shall be inserted namely the University shall be established at Batcha Shimalu under Dhekiajuli Revenue Circle in Sonitpur District. মাননীয় অধ্যক্ষ মহোদয় এই ৱিলখন
The Swahid Kanaklata Barua State University Bill, 2024 আনিছে। আমি ভাল পাইছো, আমি সমৰ্থনো কৰিছো। কিন্তু এই University খন কোনখিনি ঠাইত বনাব সেই কথাটো বিলখনৰ কোনো ঠাইত উল্লেখ নাই। গতিকে আমি আশাবাদী যিহেতুকে Swahid Kanaklata Barua un-divided দৰং জিলাৰ মানুহ আছিল আৰু তেখেত এজন indivisual Activist আছিল আৰু তেখেতৰ ঘৰ গহপুৰত আছিল। তেতিয়া গহপুৰ দৰং জিলাৰ অন্তৰ্ভক্ত আছিল এতিয়া শোনিতপুৰৰ অৰ্ন্তভুক্ত। সেয়েহে ঢেকীজুলিৰBatcha Shimaluত যদিহে সেই ইউনিভাৰচিটিখন স্থাপিত কৰে, মই ভাবো যথেষ্ট ভাল হ'ব আৰু তাত যথেষ্ট মাটিও আছে। গতিকে মই মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিম যিহেতুকে আপোনালোকে finalise কৰা নাই। গতিকে মই অনুৰোধ ৰাখিম সেই ঠাইত আমাৰ এই ইউনিভাৰচিটিখন ঢেকীয়াজুলিৰ Batcha Shimalu ত যাতে স্থাপিত কৰে।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ মাননীয় মন্ত্ৰী ডাঙৰীয়া। এক মিণিট তেখেতে কিবা ক'ব খুজিছে।

**শ্ৰী আশ্ৰফুল হুছেইন, (চেঙা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, নতুনকৈ আমি বিভিন্ন বিশ্ববিদ্যালয়

প্ৰতিষ্ঠা কৰি আছো, আইনো পাচ কৰি আছো, কিন্তু দুটামান observation বিশ্ববিদ্যালয়ৰ পৰা পাইছো। মোক যিহেতু এই সদনে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কোৰ্টৰ এজন মেম্বাৰ হিচাপে নিৰ্ব্বাচিত কৰি পঠিয়াইছিল। বিভিন্ন বিশ্ববিদ্যালয়ৰ পৰা দেখা গৈছে তেওঁলোকে চৰকাৰৰ তৰফৰ পৰা দিয়া grant সমূহ তেওঁলোকে সঠিক ভাবে ব্যৱহাৰ নকৰে, আৰু সময়ত UC নিদিয়ে যাৰ ফলত আমাৰ হায়াৰ এডুকেশ্যন বিভাগটো বহুত বেছি চাফাৰ কৰিব লগা হৈছে। সেয়েহে আমি ভাবো এই বিধেয়কখনৰ ভিতৰত এনেকুৱা কিছুমান দফা অৰ্ন্তভুক্ত কৰিব লাগে যাৰ জৰিয়তে তেওঁলোকে যাতে খুব কম সময়ৰ ভিতৰতে UC সমূহ দিয়ে আৰু চৰকাৰৰ লগত সম্পৰ্কটো যাতে maintain কৰে। তাৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। মহোদয়, এইখিনিতে যিহেতু সুযোগ পাইছো গুৱাহাটী বিশ্ববিদ্যালয়ে এই ক্ষেত্ৰত আটাইতকৈ বেছি negligency কৰি আছে। গুৱাহাটী বিশ্ববিদ্যালয়ে আমাৰ বিধান সভাৰ পৰা কোনো সদস্য মনোনিত কৰি পঠিওৱা নহয়। মন্ত্ৰী মহোদয়ে যাতে অনাগত সময়ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ বিধেয়কখন যাতে সংশোধনৰ জৰিয়তে, আইনখন সংশোধনৰ জৰিয়তে এই বিধান সভাৰ পৰা অতি কমেও ৭ জন সদস্য পঠিওৱাৰ ব্যৱস্থা কৰে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, মাননীয় মন্ত্ৰী।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বেছি সংশোধনী নাই। মই সদনক জনাব বিচাৰিছো বহু অসম সন্তান যিসকলে অসমত পঢ়া-শুনা কৰি এতিয়া প্ৰতিৰ্ষ্ঠিত হৈছে তেওঁলোকে অসমৰ অনুষ্ঠান-প্ৰতিষ্ঠানলৈ দান-বৰঙণি দিব বিচাৰে আৰু দান-বৰঙণি দিলে তাৰ এটা স্বীকৃতিও বিচাৰে। অসম সন্তান নহ'লেও বহু মানৰ দৰদী মানুহ আছে বা শিক্ষা ক্ষেত্ৰত উন্নয়ণ বিচৰা ব্যক্তি আছে যিসকলে এনে দান-বৰঙণি দিব বিচাৰে আৰু তাৰ বিনিময়ত এটা স্বীকৃতিও বিচাৰে। গতিকে Petron of the University এনেকুৱা এটা স্বীকৃতি। কিন্তু বিশ্ব বিদ্যালয়খনত ১ কোটি টকাৰ দান আগবঢ়ালেই বিশ্ব বিদ্যালয়ৰ কোনো কাৰ্য্য পৰিচালনা বা নিয়ন্ত্ৰণত তেওঁ কোনো অধিকাৰ বা ক্ষমতা নাপায়। তেখেতে বিশ্ব বিদ্যালয়খনৰ Petron হিচাপে এটা সন্মান পাব। তাৰ কাৰণে আমি এই প্ৰভিজনটো ৰাখিছো। দ্বিতীয় কথাটো হ'ল মাননীয় অধ্যক্ষ মহোদয়, এইটো হয় যে শ্বহীদ কনকলতা বৰুৱা অবিভক্ত শোণিতপুৰ জিলাৰেই সন্তান আছিল। কিন্তু এতিয়া যেতিয়া আমি বিশ্ব বিদ্যালয়খন প্ৰতিষ্ঠা কৰিবলৈ লৈছো আমি সকলোৱে জানো যে তেখেতৰ নামটো গহপুৰৰ লগত জড়িত। গতিকে গহপুৰ অৱশ্যেই এটা নেচাৰেল চিলেকশ্যন হয় আৰু খুব সোনকালে আমি খুব ভাল ঠাই নিৰ্ব্বাচন কৰিছো আৰু এই সম্পৰ্কত খুব সোনকালে আমি ঘোষণা কৰিম। গতিকে গহপুৰতেই বিশ্ববিদ্যালয়খন স্থাপন কৰা সিদ্ধান্ত প্ৰকৃতিগত ভাৱে আমি ইতিমধ্যে গ্ৰহণ কৰিছো। ইয়াৰ পিছত যিটো ঘটনা কৈছে যে চৰকাৰৰ ঠাইত তিনিজন সদস্য executive council লৈ অসম বিধান সভাৰ পৰা দিব লাগে, আংশিক ভাৱে প্ৰস্তাৱটো মই গ্ৰহণ কৰিছো। কেৱল তিনিৰ ঠাইত আমাৰ অন্যান্য বিশ্ব বিদ্যালয়ৰ ক্ষেত্ৰতো দুজন দিয়াৰ যি ব্যৱস্থা আছে গতিকে তিনিৰ ঠাইত আমি দুই কৰিব বিচাৰিছো আৰু অসম বিধান সভাই দুগৰকী সদস্য executive council লৈ মনোনীত কৰিব এইটো মই গ্ৰহণ কৰিছো। ইয়াৰ উপৰি অন্যান্য যি কেইটা সংশোধনী আছিল যদিও ইয়াত কোনেও উল্লেখ কৰা নাই। এটা হ'ল যে অসমৰ বিশ্ব বিদ্যালয়ৰ উপাচাৰ্য্য গৰাকী অসমৰ স্থায়ী বাসিন্দা হ'ব লাগে আৰু ভোটাৰ তালিকাত নাম থাকিব লাগে, মই আগতেই কৈ গৈছো যে University বিলাক universal হ'ব লাগে। জ্ঞান-বিজ্ঞান ই এক বিশ্বজনীন বস্তু। গতিকে তাক আমি কোনো ভৌগোলিক চাৰিসীমাৰ দ্বাৰা সীমিত কৰিব নালাগে। অসমৰ বহু ব্যক্তি গৈ অসমৰ বাহিৰৰ বিশ্ব বিদ্যালয়ৰ উপাচাৰ্য্য হৈছে। ঠিক তেনেকৈ অসমৰ বাহিৰৰ ব্যক্তিও

আহি অসমৰ বিশ্ব বিদ্যালয়ৰ উপাচাৰ্য্য হৈছে। আমি ইয়াৰ কাৰণে এখন চাৰ্জ কমিটি বা Advisory Committee ৰ ব্যৱস্থা ৰাখো। সেই চাৰ্জ কমিটি আৰু আমাৰ chancellor ৰ ওপৰত আমি আস্থা ৰাখিব লাগিব, তেওঁলোক যাতে উপযুক্ত ব্যক্তিক তেওঁলোকৰ vice chancellor হিচাপে নিৰ্ব্বাচিত কৰে। মাননীয় বিধায়ক শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াৰ এটা সংশোধনী আছিল। তেখেত অনুপস্থিত গতিকে মই এইটো উল্লেখ নকৰো। মাননীয় সদস্য শ্ৰী ভৰত চন্দ্ৰ নৰহ ডাঙৰীয়াই যিকেইটা স্পষ্টীকৰণ বিচাৰিলে, এই স্পষ্টীকৰণ কেইটা মই দাঙি ধৰিলো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া সংশোধনী কেইটা উঠাই লবনে?

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, (নাওঁবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে প্ৰতিশ্ৰুতি দিছে যে executive council লৈ তিনিজনৰ ঠাইত দুজন সদস্য বিধান সভাৰ পৰা মনোনীত কৰিব। গতিকে মই আমাৰ গোটেই সংশোধনী প্ৰস্তাৱ কেইটা উঠাই লৈছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় সদস্য শ্ৰী মজিবুৰ ৰহমান আপুনি আপোনালোকৰ সংশোধনী উঠাই লবনে?

**শ্ৰী মজিবুৰ ৰহমান, (দলগাঁও) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যিহেতু ক'লে, হয় আবেগ-অনুভুতিৰ কথা এটা আছে যে তেখেতৰ জন্ম যিহেতু গহপুৰত আছিল। তেখেতে কথাটো ক্লিয়াৰ কৰিলে যে গহপুৰতেই বিশ্ববিদ্যালয়খন স্থাপন কৰিব। গতিকে ঠিকে আছে। শোণিতপুৰ জিলাৰ অন্তৰ্গত ঢেকিয়াজুলি ও হয়। ঢেকিয়াজুলিত হ'লে বেছি ভাল আছিল। যদি তেখেতে গহপুৰতেই সিদ্ধান্ত ল'লে গতিকে আমি সংশোধনীটো উইদ্ৰ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। তেখেত সকলে clause no. -2 ৰ সংশোধনীটো উঠাই ল'লে। গতিকে clause-2 টো বিধেয়কৰ অংশ হ'ব।

যিসকল সপক্ষে আছে, কওঁক 'হয়',
যিসকল বিপক্ষে আছে, কওঁক 'নহয়',
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
দফা নং ২ বিধেয়কখনৰ অংশ হ'ল।

দফা নং ৩ ৰ সংশোধনী উঠাই ল'লে। গতিকে দফা নং ৩ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে, কওঁক 'হয়',
যিসকল বিপক্ষে আছে, কওঁক 'নহয়',
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
দফা নং ৩ বিধেয়কখনৰ অংশ হ'ল।

দফা নং ৪ ৰ পৰা ৯ লৈ কোনো সংশোধনী নাই। সেয়েহে দফা নং ৪ ৰ পৰা ৯ লৈ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে, কওঁক 'হয়',
যিসকল বিপক্ষে আছে, কওঁক 'নহয়',
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
দফা নং ৪ ৰ পৰা ৯ লৈ বিধেয়কখনৰ অংশ হ'ল।

দফা নং ১০ ৰ সংশোধনী উইদ্ৰ কৰিলে। সেয়েহে দফা নং ১০ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে, কওঁক 'হয়',
যিসকল বিপক্ষে আছে, কওঁক 'নহয়',

মই ভাবো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে,
দফা নং ১০ বিধেয়কখনৰ অংশ হ’ল।

দফা নং ১১ ৰ পৰা ২৫ লৈ কোনো সংশোধনী নাই। সেয়েহে দফা নং ১১ ৰ পৰা ২৫ লৈ বিধেয়কখনৰ অংশ হ’ব।

যিসকল সপক্ষে আছে, কওঁক ‘হয়’,
যিসকল বিপক্ষে আছে, কওঁক ‘নহয়’,
মই ভাবো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে,
দফা নং ১১ ৰ পৰা ২৫ লৈ বিধেয়কখনৰ অংশ হ’ল।

দফা নং ২৬ ত সন্মানীয় সদস্য শ্ৰী দেবব্ৰত শইকীয়া ডাঙৰীয়া আৰু তেখেতৰ সহযোগী সকলে যি সংশোধনী প্ৰস্তাৱ আনিছে, সংশোধনী প্ৰস্তাৱটো মই ইয়াত দাঙি ধৰিছো।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সংশোধনী সহ গ্ৰহণ কৰা হ’ল।

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া motion টো আনো। মই এই প্ৰস্তাৱটো উত্থাপন কৰিলো।

যিসকল সপক্ষে আছে, কওঁক ‘হয়’,
যিসকল বিপক্ষে আছে, কওঁক ‘নহয়’,
মই ভাবো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে,
সংশোধনী প্ৰস্তাৱটো গৃহীত হ’ল।

২৬ নং দফা বিধেয়কখনৰ সংশোধনী সহ অংশ হ’ব।

যিসকল সপক্ষে আছে, কওঁক ‘হয়’,
যিসকল বিপক্ষে আছে, কওঁক ‘নহয়’,
মই ভাবো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে,
দফা নং ২৬ সংশোধনী সহ বিধেয়কখনৰ অংশ হ’ল।

দফা নং ২৭ ৰ পৰা ৪০ লৈ কোনো সংশোধনী নাই। সেয়েহে দফা নং ২৭ ৰ পৰা ৪০ লৈ বিধেয়কখনৰ অংশ হ’ব।

যিসকল সপক্ষে আছে, কওঁক ‘হয়’,
যিসকল বিপক্ষে আছে, কওঁক ‘নহয়’,
মই ভাবো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে,
দফা নং ২৭ ৰ পৰা ৪০ লৈ বিধেয়কখনৰ অংশ হ’ল।

দফা ৪১ ৰ সংশোধনী অনা মাননীয় সদস্য গৰাকী সদনত উপস্থিত নাই। গতিকে দফা নং ৪১ বিধেয়কখনৰ অংশ হ’ব।

যিসকল সপক্ষে আছে, কওঁক ‘হয়’,
যিসকল বিপক্ষে আছে, কওঁক ‘নহয়’,
মই ভাবো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে,
দফা নং ৪১ বিধেয়কখনৰ অংশ হ’ল।

দফা নং ৪২ ৰ পৰা ৫৭ লৈ কোনো সংশোধনী নাই। সেয়েহে দফা নং ৪২ ৰ পৰা ৫৭ লৈ বিধেয়কখনৰ অংশ হ’ব।

যিসকল সপক্ষে আছে, কওঁক ‘হয়’,
যিসকল বিপক্ষে আছে, কওঁক ‘নহয়’,

মই ভাবো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে,
দফা নং ৪২ ৰ পৰা ৫৭ লৈ বিধেয়কখনৰ অংশ হ’ল।

দফা নং ১, পৰিসৰ আৰম্ভণ আৰু শিৰোনামটোত সংশোধনী নাই। এতিয়া দফা নং ১, পৰিসৰ আৰম্ভণ আৰু শিৰোনাম সদনত ভোটদানৰ বাবে দাঙি ধৰিলো। প্ৰশ্নটো হ’ল দফা নং ১, পৰিসৰ আৰম্ভণ আৰু শিৰোনাম বিধেয়কখনৰ অংশ হ’ব।

যিসকল সপক্ষে আছে, কওঁক ‘হয়’,
যিসকল বিপক্ষে আছে, কওঁক ‘নহয়’,
মই ভাবো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে,
দফা নং ১, পৰিসৰ, আৰম্ভণ আৰু শিৰোনাম বিধেয়কখনৰ অংশ হ’ল।

এতিয়া মাননীয় শিক্ষা মন্ত্ৰী ।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই "The Swahid Kanaklata Barua State University Bill,2024 পাৰিত কৰাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ দ্বাৰা বিধেয়কখন পাৰিত কৰাৰ প্ৰস্তাৱটো সদনত ভোটদানৰ বাবে দাঙি ধৰিলো। প্ৰস্তাৱটো হ’ল যে "The Swahid Kanaklata Barua State University Bill,2024 খন পাৰিত কৰা হওঁক।

যিসকল সপক্ষে আছে, কওঁক ‘হয়’,
যিসকল বিপক্ষে আছে, কওঁক ‘নহয়’,
মই ভাবো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে,
প্ৰস্তাৱটো গৃহীত হ’ল আৰু বিধেয়কখন সংশোধন সহ পাৰিত হ’ল।

**मानगोनां बुंथिगिरि** : हाबाफारि नं. 16

आं मानगोनां सोलोंथाइ मन्थ्रि डा: रन’ज पेगु गेदेमाखौ **‘The Kokrajhar University Bill, 2024’** बिखान्थिखौ नायबिजिरनो थाखाय थांखि दैखांनो खावलायनायनि सिगां, जथुमाव आं फोरायनो सानो दि, मानगोनां रायजो बेंगिरिया 05/02/2024 खालार खालि दैथाइनाय बिबुंथिनि गेजेरजों भारत संबिजिदनि फारि 207 नि खोन्दो नं (3) नि सिङाव बिखान्थिखौ नायबिजरिनायनि थाखाय सुबुरुन होदों ।

..................................

## ORDER

RAJBHAVAN
GUWAHATI
5-02-2024

"Under the provision of Article 207 (3) of the Constitution of India, I, Shri Gulab Chand Kataria, Governor of Assam, recommend that 'The Kokrajhar University Bill,2024' be taken into consideration by the Assam Legislative Assembly".

**Sd/–**
**(Sri Gulab Chand Kataria)**
**Governor of Assam**

..................................

दानिया मानगोनां डा: रनज पेगु गेदेमाया **'The Kokrajhar University Bill, 2024'** खौ नायबिजिरनायनि थाखाय दैखांगोन।
**( मन्थ्रिया थांखिखौ दैखांनायनि उनाव बिखान्थिनि सोमोन्दै बिबुंथि लाखिखांनायनि उनाव, गुबुन सोद्रोमाफोराबो बिबुंथि लाखिनायनि उनाव आरो मन्थ्रिया फिननाय होनायनि उनाव )**

**मानगोनां बुंथिगिरि :** आं दानिया थांखिखौ नायबिजिरनो थाखाय जथुमाव भट होनो दैखांबाय। सोंथिया जाबाय **'The Kokrajhar University Bill, 2024'** खौ नायबिजिरनो लानाय जाथों।

जायफ्रा गनायथि फार्से दं बिसोरो बुं, "नंगौ"
जायफ्रा गनायथि फार्से गैया बिसोरो बुं "नङा"
आं सानो "नंगौ" फार्से, "नंगौ" फार्से, "नंगौ" फार्से।
थांखिया आजाव जाबाय।
दानिया बिखान्थिखौ जथुमाव खोन्दोनि उनाव खोन्दो नायबिजिरनाय जागोन।

**मानगोना बुंथिगिरि :** खोन्दो नं 2 निफ्राय 8 सिम
खोन्दो नं 2 निफ्राय 8 सिम जेबो सोदांनाय गैया।
आं दानिया खोन्दो 2 निफ्राय 8 सिम जथुमाव भट होनो थाखाय दैखांबाय।

सोंथिया जाबाय खोन्दो 2 निफ्राय 8 सिमआ बिखान्थिनि बाहागो जागोन।
जायफ्रा गनायथि फार्से दं बिसोरो बुं, ''नंगौ''
जायफ्रा गनायथि फार्से गैया बिसोरो बुं ''नङा''
आं सानो ''नंगौ'' फार्से, ''नंगाौ'' फार्से, ''नंगौ'' फार्से।
खोन्दो 2 निफ्राय 8 सिमआ बिखान्थिनि बाहागो जाबाय।

**मानगोनां बुंथिगिरि :** खोन्दो नं 9
खोन्दो नं 9 आव मानगोनां सोद्रोमा मुस्त्रि लरेन्स इसलारिनि मोनसे सोदांनाय दं।
नोंथांनि सोदांथायखौ दैखांगोन नामा ?
**( जुदि सोद्रोमाया सोदांनायखौ दैखाङो आरो बोखांना लाफिनाब्ला )**

**मानगोनां बुंथिगिरि :** सोंथिया जाबाय मानगोनां सोद्रोमा मुस्त्रि लरेन्स इसलारिया दैखांनाय सोदांनायखौ आजावना लानाय जाथों।
जायफ्रा गनायथि फार्से दं बिसोरो बुं ''नंगौ''
जायफ्रा गनायथि फार्से गैया बिसोरो बुं ''नङा''
आं सानो ''नंगौ'' फार्से ''नंगौ'' फार्से ''नंगौ'' फार्से।
सोदांनायखौ आजावनाय जाबाय।

**मानगोनां बुंथिगिरि :** सोंथिया जाबाय खोन्दो नं 9 आ बिखान्थिनि बाहागो जागोन।
जायफ्रा गनायथि फार्से दं बिसोरो बुं ''नंगौ''
जायफ्रा गनायथि फार्से गैया बिसोरो बुं ''नङा''
आं सानो ''नंगौ'' फार्से, ''नंगौ'' फार्से, ''नंगौ'' फार्से।
खोन्दो नं 9 आ सोदांनायजों बिखान्थिनि बाहागो जाबाय।

**मानगोनां बुंथिगिरि :** खोन्दो नं 10 आरो 11

खोन्दो नं 10 आरो 11 आव जेबो सोदांनाय गैया।
आं दानयिा खोन्दो 10 आरो 11 खौ जथुमाव भ'ट होनो थाखाय दैखांबाय।
सोंथिया जाबाय खोन्दो 10 आरो 11 आ बिखान्थिनि बाहागो जागोन।
जायफ्रा गनायथि फार्से दं बिसोरो बुं ''नंगौ''
जायफ्रा गनायथि फार्से गैया बिसोरो बुं ''नङा''
आं सानो ''नंगौ'' फार्से, ''नंगौ'' फार्से, 'नंगौ'' फार्से।
खोन्दो 10 आरो 11 आ बिखान्थिनि बाहागो जाबाय।

**मानगोनां बुंथिगिरि :** खोन्दो नं 12

खोन्दो नं 12 आव मानगोनां सोद्रोमा मुस्त्रि देबब्रत सइकीया आरो बिथांनि हेफाजाबगिरिफोरनि मोनसे सोदांनाय दं।
नोंथांमोना सोदांनायखौ दैखांगोन नामा ?
**( जुदि सोद्रोमाया सोदांनायखौ दैखांङो आरो बोखांना लाफिनाब्ला )**

**मानगोना बुंथिगिरि :** सोंथिया जाबाय मुस्त्रि देबब्रत सइकीया आरो मददगिरिफोरा दैखांनाय सोदांनायखौ आजावना लानाय जाथों।
जायफ्रा गनायथि फार्से दं बिसोरो बुं ''नंगौ''
जायफ्रा गनायथि फार्से गैया बिसोरो बुं ''नङा''
आं सानो ''नङै'' फार्से, ''नङै'' फार्से, ''नङै'' फार्से।
सोदांनायखौ बोखारनाय जाबाय।

**मानगोनां बुंथिगिरि :** सोंथिया जाबाय खोन्दो नं 12 आ बिखान्थिनि बाहागो जागोन।
जायफ्रा गनायथि फार्से दं बिसोरो बुं ''नंगौ''
जायफ्रा गनायथि फार्से गैया बिसोरो बुं ''नङा''
आं सानो ''नंगौ'' फार्से, ''नंगौ'' फार्से, ''नंगौ'' फार्से।
खोन्दो नं 12 आ बिखान्थिनि बाहागो जाबाय।

**मानगोनां बुंथिगिरि :** खोन्दो नं 13 निफ्राय 24 सिम।

खोन्दो नं 13 निफ्राय 24 सिम जेबो सोदांनाय गैया।
आं दानिया खोन्दो 13 निफ्राय 24 सिम जथुमाव भ'ट होनो थाखाय दैखांनाय जाबाय।
सोंथिया जाबाय खोन्दो 13 निफ्राय 24 सिमआ बिखान्थिनि बाहागो जागोन।
जायफ्रा गनायथि फार्से दं बिसोरो बुं ''नंगौ''
जायफ्रा गनायथि फार्से गैया बिसोरो बुं ''नङा''
आं सानो ''नंगौ'' फार्से, ''नंगौ'' फार्से, ''नंगौ'' फार्से।
खोन्दो 13 निफ्राय 24 सिमआ बिखान्थिनि बाहागो जाबाय।

**मानगोनां बुंथिगिरि :** खोन्दो नं 25

खोन्दो नं 25 याव मानगोनां सोद्रोमा लरेन्स इसलारिनि मोनसे सोदांनाय दं।
नोंथांनि सोदांनायखौ दैखांगोन नामा ?
**( जुदि सोद्रोमाया सोदांनायखौ दैखांङोब्ला आरो बेखौ बोखांना लाफिनाब्ला )**

**मानगोनां बुंथिगिरि :** सोंथिया जाबाय मानगोनां सोद्रोमा मुस्त्रि लरेन्स इसलारिया दैखांनाय

सोदांनायखौ गनायथिनाय जाथों।

जायफ्रा गनायथि फार्से दं बिसोरो बुं ''नंगौ''
जायफ्रा गनायथि फार्से गैया बिसोरो बुं ''नङा''
आं सानो ''नंगौ'' फार्से, ''नंगौ'' फार्से, ''नंगौ'' फार्से।
सोदांनायखौ आजावनाय जाबाय।

**मानगोनां बुंथिगिरि :** सोंथिया जाबाय खोन्दो नं 25 या बिखान्थिनि बाहागो जाबाय।

जायफ्रा गनायथि फार्से दं बिसोरो बुं ''नंगौ''
जायफ्रा गनायथि फार्से गैया बिसोरो बुं गैया
आ सानो ''नंगौ'' फार्से, ''नंगौ'' फार्से, ''नंगौ'' फार्से।
खोन्दो नं 25 या सोदांनायजों बिखान्थिनि बाहागो जाबाय।

**मानगोनां बुंथिगिरि :** खोन्दो नं 26 आरो 27

खोन्दो नं 26 आरो 27 याव जेबो सोदांनाय गैया।
आं दानिया खोन्दो 26 आरो 27 खौ जथुमाव भ'ट होनो थाखाय दैखांनाय जाबाय।
सोंथिया जाबाय खोन्दो 26 आरो 27 आ बिखान्थिनि बाहागो जागोन।
जायफ्रा गनायथि फार्से दं बिसोरो बुं ''नंगौ''
जायफ्रा गनायथि फार्से गैया बिसोरो बुं ''नङा''
आं सानो ''नंगौ'' फार्से, ''नंगौ'' फार्से, ''नंगौ'' फार्से।
खोन्दो 26 आरो 27 आ बिखान्थिनि बाहागो जाबाय।

**मानगोनां बुंथिगिरि :** खोन्दो नं 28
खोन्दो नं 28 आव मानगोनां सोद्रोमा मुस्रि लरेन्स इसलारिनि मोनसे सोदांनाय दं।
नोंथांनि सोदांनायखौ दैखांगोन नामा ?
**( जुदि सोद्रोमाया सोदांनायखौ दैखांडेब्ला आरो बेखौ बोखांना लाफिनाब्ला )**

**मानगोनां बुंथिगिरि :** सोंथिया जाबाय मानगोनां सोद्रोमा मुस्रि लरेन्स इसलारिया दैखांनाय

सोदांनायखौ गनायथिनाय जाथों।
जायफ्रा गनायथि फार्से दं बिसोरो बुं ''नंगौ''
जायफ्रा गनायथि फार्से गैया बिसोरो बुं गैया
आं सानो ''नंगौ'' फार्से, ''नंगौ'' फार्से, ''नंगौ'' फार्से।
सोदांनायखौ आजावनाय जाबाय।

**मानगोनां बुंथिगिरि :** सोंथिया जाबाय खोन्दो नं 28 आ बिखान्थिनि बाहागो जागोन।

जायफ्रा गनायथि फार्से दं बिसोरो बुं ‘‘नंगौ’’
जायफ्रा गनायथि फार्से गैया बिसोरो बुं ‘‘नङा’’
आं सानो ‘‘नंगौ’’ फार्से, ‘‘नंगौ’’ फार्से, ‘‘नंगौ’’ फार्से।
खोन्दो नं 28 आ सोदांनायजों बिखान्थिनि बाहागो जाबाय।

**मानगोनां बुंथिगिरि :** खोन्दो नं 29

खोन्दो नं 29 आव जेबो सोदांनाय गैया।
आं दानिया खोन्दो नं 29 खौ जथुमाव भ’ट होनो थाखाय दैखांनाय जाबाय।
सोंथिया जाबाय खोन्दो नं 29 आ बिखान्थिनि बाहागो जागोन।
जायफ्रा गनायथि फार्से दं बिसोरो बुं ‘‘नंगौ’’
जायफ्रा गनायथि फार्से गैया बिसोरो बुं ‘‘नङा’’
आं सानो ‘‘नंगौ’’ फार्से, ‘‘नंगौ’’ फार्से, ‘‘नंगौ’’ फार्से।
खोन्दो नं 29 आ बिखान्थिनि बाहागो जाबाय।

**मानगोनां बुंथिगिरि :** खोन्दो नं 30
खोन्दो नं 30 आव मानगोनां सोद्रोमा मुस्त्रि लरेन्स इसलारिनि मोनसे सोदांनाय दं।
नोंथांनि सोदांनायखौ दैखांगोन नामा ?
**( जुदि सोद्रोमाया सोदांनायखौ दैखांङोब्ला आरो बेखौ बोखांना लाफिनाब्ला )**

**मानगोनां बुंथिगिरि :** सोंथिया जाबाय मानगोनां सोद्रोमा मुस्त्रि लरेन्स इसलारिया दैखांनाय

सोदांनायखौ गनायथिनाय जाथों।
जायफ्रा गनायथि फार्से दं बिसोरो बुं ‘‘नंगौ’’
जायफ्रा गनायथि फार्से गैया बिसोरो बुं ‘‘नङा’’
आं सानो ‘‘नंगौ’’ फार्से, ‘‘नंगौ’’ फार्से, ‘‘नंगौ’’ फार्से।
सोदांनायखौ आजावनाय जाबाय।

**मानगोनां बुंथिगिरि :** सोंथिया जाबाय खोन्दो नं 30 आ बिखान्थिनि बाहागो जागोन।

जायफ्रा गनायथि फार्से दं बिसोरो बुं ‘‘नंगौ’’
जायफ्रा गनायथि फार्से गैया बिसोरो बुं ‘‘नङा’’
आं सानो ‘‘नंगौ’’ फार्से, ‘‘नंगौ’’ फार्से, ‘‘नंगौ’’ फार्से।
खोन्दो नं 30 आ सोदांनायजों बिखान्थिनि बाहागो जाबाय।

**मानगोनां बुंथिगिरि :** खोन्दो नं 31 निफ्राय 42 सिम

खोन्दो नं 31 निफ्राय 41 सिम जेबो सोदांनाय गैया।
आं दानिया खोन्दो 31 निफ्राय 41 सिम जथुमाव भ'ट होनो थाखाय दैखांनाय जाबाय।
सोंथिया जाबाय खोन्दो 31 निफ्राय 41 सिमआ बिखान्थिनि बाहागो जागोन।
जायफ्रा गनायथि फार्से दं बिसोरो बुं "नंगौ"
जायफ्रा गनायथि फार्से गैया बिसोरो बुं "नङा"
आं सानो "नंगौ" फार्से, "नंगौ" फार्से, "नंगौ" फार्से।
खोन्दो 31 निफ्राय 41 सिम बिखान्थिनि बाहागो जाबाय।

**मानगोनां बुंथिगिरि :** खोन्दो नं 42

खोन्दो नं 42 आव मानगोनां सोद्रोमा मुस्रि लरेन्स इसलारिनि मोनसे सोदांनाय दं।
नोंथांनि सोदांनायखौ दैखांगोन नामा ?
(जुदि सोद्रोमाया सोदांनायखौ दैखाङोब्ला आरो बेखौ बोखांना लाफिनाब्ला)

**मानगोनां बुंथिगिरि :** सोंथिया जाबाय मानगोनां सोद्रोमा मुस्रि लरेन्स इसलारिया दैखांनाय

सोदांनायखौ गनायथिनाय जाथों।
जायफ्रा गनायथि फार्से दं बिसोरो बुं "नगौ"
जायफ्रा गनायथि फार्से गैया बिसोरो बुं "नङा"
आं सानो "नंगौ" फार्से, "नंगौ" फार्से, "नंगौ" फार्से।
सोदांनायखौ आजावनाय जाबाय।

**मानगोनां बुंथिगिरि :** सोंथिया जाबाय खोन्दो नं 42 आ बिखान्थिनि बाहागो जागोन।

जायफ्रा गनायथि फार्से दं बिसोरो बुं "नंगौ"
जायफ्रा गनायथि फार्से गैया बिसोरो बुं "नङा"
आं सानो "नंगौ" फार्से, "नंगौ" फार्से, "नंगौ" फार्से।
खोन्दो नं 42 आ सोदांनायजों बिखान्थिनि बाहागो जाबाय।

**मानगोनां बुंथिगिरि :** खोन्दो नं 43 निफ्राय 50 सिम
खोन्दो नं 43 निफ्राय 50 सिम देबो सोदांनाय गैया।
आं दानिया खोन्दो 43 निफ्राय 50 सिम जथुमाव भ'ट होनो थाखाय दैखांनाय जाबाय।
सोंथिया जाबाय खोन्दो 43 निफ्राय 50 सिमआ बिखान्थिनि बाहागो जागोन।
जायफ्रा गनायथि फार्से दं बिसोरो बुं "नंगौ"
जायफ्रा गनायथि फार्से गैया बिसोरो बुं "नङा"
आं सानो "नंगौ" फार्से, "नंगौ" फार्से, "नंगौ" फार्से।
खोन्दो 43 निफ्राय 50 सिमआ बिखान्थिनि बाहागो जाबाय।

**मानगोनां बुंथिगिरि :** खोन्दो नं 51

खोन्दो नं 51 आव मानगोनां सोद्रोमा मुस्त्रि कमलाक्ष दे पुरकायस्थनि मोनसे सोदांनाय दं।
नोंथांनि सोदांनायखौ दैखांगोन नामा ?
**( जुदि सोद्रोमाया सोदांनायखौ दैखाङोब्ला आरो बेखौ बोखांना लाफिनाब्ला )**

**मानगोनां बुंथिगिरि :** सोंथिया जाबाय मानगोनां सोद्रोमा मुस्त्रि कमलाक्ष दे पुरकायस्थ

बिथांनि सोदांनायखौ गनायथिनाय जाथों ।
जायफ्रा गनायथि फार्से दं बिसोरो बुं ''नंगौ''
जायफ्रा गनायथि फार्से गैया बिसोरो बुं ''नङा''
आं सानो ''नङै'' फार्से, ''नङै'' फार्से, ''नङै'' फार्से।
सोदांनायखौ बोखारनाय जाबाय।

**मानगोनां बुंथिगिरि :** सोंथिया जाबाय खोन्दो नं 51 आ बिखान्थिनि बाहागो जागोन।

जायफ्रा गनायथि फार्से दं बिसोरो बुं ''नंगौ''
जायफ्रा गनायथि फार्से गैया बिसोरो बुं ''नङा''
आं सानो ''नंगौ'' फार्से, ''नंगौ'' फार्से, ''नंगौ'' फार्से।
खोन्दो नं 51 आ बिखान्थिनि बाहागो जाबाय।

**मानगोनां बुंथिगिरि :** खोन्दो नं 52 निफ्राय 56 सिम

खोन्दो नं 52 निफ्राय 56 सिम जेबो सोदांनाय गैया।
आं दानिया खोन्दो 52 निफ्राय 56 सिम जथुमाव भ'ट होनो थाखाय दैखांनाय जाबाय।
सोंथिया जाबाय खोन्दो 52 निफ्राय 56 सिमआ बिखान्थिनि बाहागो जागोन।
जायफ्रा गनायथि फार्से दं बिसोरो बुं ''नंगौ''
जायफ्रा गनायथि फार्से गैया बिसोरो बुं ''नङा''
आं सानो ''नंगौ'' फार्से, ''नंगौ'' फार्से, ''नंगौ'' फार्से।
खोन्दो 52 निफ्राय 56 सिमआ बिखान्थिनि बाहागो जाबाय।

**मानगोनां बुंथिगिरि :** खोन्दो नं 57

खोन्दो नं 57 आव मानगोनां सोद्रोमा मुस्त्रि लरेन्स इसलारिनि मोनसे सोदांनाय दं।
नोंथांनि सोदांनायखौ दैखांगोन नामा ?
**( जुदि सोद्रोमाया सोदांनायखौ दैखाङोब्ला आरो बेखौ बोखांना लाफिनाब्ला )**

**मानगोनां बुंथिगिरि :** सोंथिया जाबाय मानगोनां सोद्रोमा मुस्त्रि लरेन्स इसलारिया दैखांनाय

सोदांनायखौ गनायथिनाय जाथों।
जायफ्रा गनायथि फार्से दं बिसोरो बुं "नंगौ"
जायफ्रा गनायथि फार्से गैया बिसोरो बुं "नंङा"
आं सानो "नंगौ" फार्से, "नंगौ" फार्से, "नंगौ" फार्से।
सोदांनायखौ आजावनाय जाबाय।

**मानगोनां बुंथिगिरि :** सोंथिया जाबाय खोन्दो नं 57 आ बिखान्थिनि बाहागो जागोन।

जायफ्रा गनायथि फार्से दं बिसोरो बुं "नंगौ"
जायफ्रा गनायथि फार्से गैया बिसोरो बुं "नंङा"
आं सानो "नंगौ" फार्से, "नंगौ" फार्से, "नंगौ" फार्से।
खोन्दो नं 57 आ सोदांनायजों बिखान्थिनि बाहागो जाबाय।

**मानगोनां बुंथिगिरि :** खोन्दो नं 58 आरो 59

खोन्दो नं 58 आरो 59 आव जेबो सोदांनाय गैया।
आं दानिया खोन्दो 58 खौ जथुमाव भ'ट होनो थाखाय दैखांनाय जाबाय।
सोंथिया जाबाय खोन्दो 58 आरो 59 आ बिखान्थिनि बाहागो जागोन।
जायफ्रा गनायथि फार्से दं बिसोरो बुं "नंगौ"
जायफ्रा गनायथि फार्से गैया बिसोरो बुं "नंङा"
आं सानो "नंगौ" फार्से, "नंगौ" फार्से, "नंगौ" फार्से।
खोन्दो 58 आरो 59 आ बिखान्थिनि बाहागो जाबाय।

**मानगोनां बुंथिगिरि :** खोन्दो नं 60

खोन्दो नं 60 आव मानगोनां सोद्रोमा मुस्त्रि इसलारिनि मोनसे सोदांनाय दं।
नोंथांनि सोदांनायखौ दैखांगोन नामा ?
**( जुदि सोद्रोमाया सोदांनायखौ दैखाङेब्ला आरो बेखौ बोखांना लाफिनाब्ला )**

**मानगोनां बुंथिगिरि :** सोंथिया जाबाय मानगोनां सोद्रोमा मुस्त्रि लरेन्स इसलारिया दैखांनाय
सोदांनायखौ गनायथिनाय जाथों।
जायफ्रा गनायथि फार्से दं बिसोरो बुं "नंगौ"

जायफ्रा गनायथि फार्से गैया बिसोरो बुं ‘‘नंङा’’
आं सानो ‘‘नंगौ’’ फार्से, ‘‘नंगौ’’ फार्से, ‘‘नंगौ’’ फार्से।
सोदांनायखौ आजावनाय जाबाय।

**मानगोनां बुंथिगिरि :** सोंथिया जाबाय खोन्दो 60 आ बिखान्थिनि बाहागो जागोन।

जायफ्रा गनायथि फार्से दं बिसोरो बुं ‘‘नंगौ’’
जायफ्रा गनायथि फार्से गैया बिसोरो बुं ‘‘नंङा’’
आं सानो ‘‘नंगौ’’ फार्से, ‘‘नंगौ’’ फार्से, ‘‘नंगौ’’ फार्से।
खोन्दो 60 आ बिखान्थिनि बाहागो जाबाय।

**मानगोनां बुंथिगिरि :** खोन्दो नं 61 निफ्राय 64 सिम

खोन्दो नं 61 निफ्राय 64 सिम जेबो सोदांनाय गैया।
आं दानिया खोन्दो 61 निफ्राय 64 सिम जथुमाव भ’ट होनो थाखाय दैखांनाय जाबाय।
सोंथिया जाबाय खोन्दो 61 निफ्राय 64 सिमआ बिखान्थिनि बाहागो जागोन।
जायफ्रा गनायथि फार्से दं बिसोरो बुं ‘‘नंगौ’’
जायफ्रा गनायथि फार्से गैया बिसोरो बुं ‘‘नंङा’’
आं सानो ‘‘नंगौ’’ फार्से, ‘‘नंगौ’’ फार्से, ‘‘नंगौ’’ फार्से।
खोन्दो 61 निफ्राय 64 सिमआ बिखान्थिनि बाहागो जाबाय।

**मानगोनां बुंथिगिरि :** खोन्दो नं 1, बिखान्थि बुंफुरलु, जागायजेननाय आरो बिमुंनि सायाव सोदांनाय गैया।

दायो खोन्दो नं 1, खान्थिनि बुंफुरलु, जागायजेननाय आरो बिमुंनि सायाव जथुमाव भ’ट होनो थाखाय दैखांनाय जाबाय।
सोंथिया जाबाय खोन्दो नं 1, खान्थिनि बुंफुरलु, जागायजेननाय आरो बिमुंआ बिखान्थिनि बाहागो जागोन।
जायफ्रा गनायथि फार्से दं बिसोरो बुं ‘‘नंगौ’’
जायफ्रा गनायथि फार्से गैया बिसोरो बुं ‘‘नंङा’’
आं सानो ‘‘नंगौ’’ फार्से, ‘‘नंगौ’’ फार्से, ‘‘नंगौ’’ फार्से।
खोन्दो नं 1, खान्थिनि बुंफुरलु, जागायजेननाय आरो बिमुंगोरा बिखान्थिनि बाहागो जाबाय।

**मानगोनां बुंथिगिरि :** मानगोनां सोलोंथाइ मन्थ्रिया दानिया बिखान्थिखौ गनायथि होनो थांखि दैखांगोन।

**( थांखिखौ गनायथिहोनो दैखांनायनि उनाव )**

**मानगोनां बुंथिगिरि :** आं दानिया बिखान्थिखौ जथुमाव गनायथि होनो थाखाय भ'ट होनो दैखांनाय।

सोंथिया जाबाय **'The Kokrajhar University Bill, 2024'** खौ गनायथिनाय जाथों।

जायफ्रा गनायथि फार्से दं बिसोरो बुं "नंगौ"

जायफ्रा गनायथि फार्से गैया बिसोरो बुं "नंङा"

आं सानो "नंगौ" फार्से, "नंगौ" फार्से, "नंगौ" फार्से।

थांखिखौ आजावनाय जाबाय आरो बिखान्थिया गनायथि जाबाय।

**শ্ৰী লৰেন্স ইছলাৰী, (পূৰ কোকৰাঝাৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়ক, The Kokrajhar University Bill, 2024 অনাৰ বাবে মই মাননীয় মন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো। আলোচনা বিচৰা নাই, অকল ৭ টা সংশোধনী বিচাৰিছোঁ।

মই এবাৰতে কৈ যাবলৈ বিচাৰিছো

In clause 9-after sub clause (ix) a sub-clause shall be added namely "(x) Deputy Registrar"

In Clause 25,- after sub-clause (1)(A)(xxi) a sub clause shall be added namely,- "(xxii) Director of Education BTC."

In Clasue 28,-after sub-clause (1)(A)(xii) two sub-clauses shall be added namely,-(xiii) Director of Education, BTC; (xiv) Two teachers to be elected from amongst the teachers of the University."

In Clause 30,- after sub-clause (1)(A)(xiii), a sub-clause shall be added namely,;-"(xiv) Director of Education, BTC"

In Clause 42,- in sub-clause (1) (i) in line 1 the word, "The University shall include the Faculty" substitute by words "The University shall include the schools"

In Clause 57,- in sub-clause (3) (i) in line 4 & 5, the words "(not through CAS)" shall be deleted.

In Clause 60,-in sub-clause (3),- (i) inline 4, the words, "Directorate of Higher Education" substitute by "The Accountant General, Assam"

**মাননীয় অধ্যক্ষ** ঃ এতিয়া সন্মানীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়া ডাঙৰীয়া আৰু সহযোগী সকলৰ সংশোধনী আছে, আপোনালোকে move কৰিব।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, (নাওঁবৈছা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যিটো সংশোধনী আছে, সেইটো খুব চমু, The Kokrajhar University Bill, 2024 ত Vice Chancellor টো কেনেকৈ দিব, সেই বিষয়ে in clause 12, ত লিখা আছে। ইয়াতে কৈছে যে advisory board এখন থাকিব আৰু advisory board য়ে তিনিজন মানুহক nominate কৰিব

আৰু তাৰ পৰা এজনক Vice Chancellor দিব।

মাননীয় অধ্যক্ষ মহোদয়, আমি কবলৈ গৈছে যে advisory board তিনিজন মানুহে tribal member হ'ব লাগে। যদি তিনিজন দিয়াৰ কাৰণে সম্ভৱ নহয়, তেতিয়া হলে অন্ততঃ এজন বা দুইজন tribal member থাকিব লাগে। এই advisory board য়ে গঠন কৰিব যে The Executive Council shall nominate one member, the State Government shall nominate one member and the vice chancellor shall nominate one member. কিন্তু ইয়াত tribal বুলি উল্লেখ নাই। গতিকে আমি ভাৱিছো ৩ জনৰ ভিতৰত advisory board ত এজন অন্ততঃ tribal member হ'ব লাগে। Advisory board যে এই ৩ জনৰ তালিকা বনাব to be appointed as a Vice Chancellor by the Chancellor এই তিনিজনৰ তালিকাত এজন tribal member হ'ব লাগিব। সেইটো আমি সংশোধনী আনিছো আৰু মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা স্পষ্টীকৰণ বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী মহোদয়।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, The Kokrajhar University Bill, আমি পূৰ্বে থকা কোকৰাঝাৰ চৰকাৰী মহাবিদ্যালয়খনক আমি বিশ্ববিদ্যালয়লৈ উন্নত কৰিছো আৰু ইয়াত যিকেইটা সংশোধনী আহিছে, কিছু গ্ৰহণ যোগ্য।

প্ৰথমে মই মাননীয় সদস্য শ্ৰী ভৰত চন্দ্ৰ নৰহ ডাঙৰীয়াই যি প্ৰস্তাৱ উত্থাপন কৰিছে যে যিখন advisory board থাকিব, Vice chancellor নিযুক্তি কৰাৰ কাৰণে, আটাই কেইজন tribal member হ'ব লাগে। এনেকুৱা ধৰণৰ কোনো restriction বিশ্ববিদ্যালয় এখনৰ ক্ষেত্ৰত থকাটো উচিত নহয় বুলি আমি বিবেচনা কৰো। কাৰণ বিশ্ববিদ্যালয় এখনত বিশ্ব শব্দ ইয়াৰ লগত জড়িত হৈ আছে। universal অৰ্থাৎ জ্ঞান বিজ্ঞান একাডেমিক কথা বতৰা ইয়াতে প্ৰধান আৰু নিশ্চিত ভাৱে এই তিনি গৰাকী ব্যক্তি এটা সংস্থাই নিৰ্বাচন কৰি নিদিয়ে। Chancellor ৰ কাৰ্য্যালয় এজন অসম চৰকাৰে এজন Unversity ৰ Executive Council য়ে এজন সদস্য নিৰ্বাচন কৰি দিব। গতিকে এই তিনিজনীয়া দিশটো Advisory Board, তেওঁলোকৰ ওপৰত আস্থা ৰাখিব লাগিব। সেই তিনিজন tribal member হ'ব লাগে, আমি গ্ৰহণ কৰি লবলৈ টান পাইছো।

বাকী মাননীয় বিধায়ক শ্ৰী লৰেন্স ইছলাৰী ডাঙৰীয়াই যিকেইটা উত্থাপন কৰিছে, এই কেইটা আমি গ্ৰহণ কৰিছো। বাকী ইয়াতে মোৰ এটা স্পষ্টীকৰণ আছে, in respect of In Clause 60,-in sub-clause (3),- (i) inline 4, the words, "Directorate of Higher Education" substitute by "The Accountant General, Assam" যিহেতু আমি কোকৰাঝাৰ মহাবিদ্যায়লখনক বিশ্ববিদ্যালয়লৈ উন্নীত কৰিছো। কোকৰাঝাৰ মহাবিদ্যালয়ত এতিয়া যিসকল কৰ্মৰত staff আছে, শিক্ষক - শিক্ষয়িত্ৰী আছে, non-teaching staff আছে, তেওঁলোকে দৰমহা লৈ আছে through treasury, under "Directorate of Higher Education" ।এতিয়া এই "Directorate of Higher Education" ৰ পৰা তেওঁলোকক বিশ্ববিদ্যালয়লৈ স্থানান্তৰিত কৰিলে কৰাৰ ক্ষেত্ৰত বহুখিনি কাৰিকৰী অসুবিধাৰ মুখামুখি হৈছে। গতিকে এতিয়া কৰ্মৰত যিসকল staff আছে, তেওঁলোকে তেওঁলোকৰ অৱসৰ পৰ্য্যন্ত এতিয়া যি ধৰণে দৰমহা পাই আছে, সেই ধৰণে দৰমহা পাই থাকিব। তেওঁলোকৰ অৱসৰৰ পিছত সেই পদসমূহ পুনৰ বিশ্ববিদ্যালৰ পৰ্য্যায়ত সৃষ্টি কৰা হ'ব, যাতে তেওঁলোকে বিশ্ববিদ্যালয় grant in aid ৰ জৰিয়তে তেওঁলোকে নিয়মিত ভাৱে দৰমহা পায়। দৰমহা

পোৰাৰ ক্ষেত্ৰত কোনো staff ৰ বৰ্তমান কোকৰাঝাৰ মহাবিদ্যালয়ত কৰ্মৰত staff, শিক্ষক-শিক্ষয়ত্ৰী তেওঁলোকে কোনোধৰণৰ অসুবিধাৰ সন্মুখীন নহয়, তাৰ কাৰণে এই ব্যৱস্থা কৰা হৈছে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া সংশোধনীটো উঠাই ল'ব।

**শ্ৰীভৰত চন্দ্ৰ নৰহ, (নাওবৈচা)** ঃ মাননীয় মন্ত্ৰী ডাঙৰীয়াই যিটো কৈছে যে তেনেকৈ reserve কৰিব নোৱাৰে। আপুনি ৩ জন reserve কৰিব নালাগে। মোৰ মতে তিনিজন মেম্বাৰৰ ভিতৰত এজন ট্ৰাইবেল ৰখাটো সংবিধান বিৰোধী বা গণতন্ত্ৰ বিৰোধী নহ'ব বা Education system টো বা University ৰ যিটো concept, এইটো চাৰ, Tribel, Schedule Cast reservation থাকেই বহু ঠাইত। সেই কাৰণে যি খন Advisory Board, Advisory Board ৰ এজন আৰু যিটো 3 Member ৰ যিটো Panel তাৰ এজন কাৰণ Finally ৩ জনৰ পৰা যিকোনো এজন Vice Chancellor য়ে Vice Chancellor হিচাপে নিয়োগ কৰিব। কিন্তু এজন Member Tribel দিয়াত মই জনামতেটো গণতন্ত্ৰ বিৰোধী নহ'ব, সংবিধান বিৰোধী নহ'ব।

**ডাঃ ৰণোজ পেগু, (শিক্ষা মন্ত্ৰী)**ঃ ইয়াত অসুবিধা এইটোৱে হ'ব যে বাকী সকলো বিশ্ব বিদ্যালয়ৰ পৰা এনেধৰণৰ demand আহিব। কাইলৈ বীৰাংগনা সতীসাধনী বিশ্ববিদ্যালয়ৰ ক্ষেত্ৰত হওঁক।

**শ্ৰীভৰত চন্দ্ৰ নৰহ, (নাওবৈচা)** ঃ চাৰ, এইটো মই BTAD এলেকাৰ কাৰণে কৈছো, কোকৰাঝাৰ গোটেই tribel এলেকাৰ কাৰণে কৈছো।

**ডাঃ ৰণোজ পেগু, (শিক্ষা মন্ত্ৰী)**ঃ প্ৰত্যেকখন বিশ্ববিদ্যালয়ত এনেধৰণৰ দাবী উত্থাপন কৰিব বিভিন্ন জনগোষ্ঠীৰ পৰা দাবী উত্থাপন কৰিব। গতিকে আমি আমাৰ Academic Highest Institution ৰ ক্ষেত্ৰত এইটো কৰাটো উচিত নহয়।

**মাননীয় অধ্যক্ষ** ঃ আপুনি move কৰিব।

**শ্ৰীভৰত চন্দ্ৰ নৰহ, (নাওবৈচা)** ঃ মাননীয় মন্ত্ৰী মহোদয়, সংশোধনীটো withdraw কৰিছো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। (বড়ো ভাষাত বক্তব্য দিয়ে) মাননীয় মন্ত্ৰী।

**ডাঃ ৰণোজ পেগু, (শিক্ষা মন্ত্ৰী)**ঃ মাননীয় অধ্যক্ষ মহোদয়, "The Kokrajhar University Bill, 2024 সংশোধনীসহ পাৰিত কৰাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ "The Kokrajhar University Bill, 2024 (বড়ো ভাষাত বক্তব্য দিয়ে)। এতিয়া মাননীয় মন্ত্ৰী ডাঃ ৰণোজ পেগু।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় মন্ত্ৰী ৰণোজ পেগু ডাঙৰীয়া। কাৰ্য্যসূচী নং-১৭।

**ডাঃ ৰণোজ পেগু, মাননীয় মন্ত্ৰী, শিক্ষা ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে "The Deuri Autonomous Council Amendment Bill, 2024," বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া প্ৰস্তাৱটো বিবেচনাৰ বাবে সদনত দাঙি ধৰিলো। প্ৰশ্নটো হ'ল "The Deuri Autonomous Council Amendment Bill, 2024," বিবেচনাৰ বাবে সদনত লোৱা হওঁক।

যিসকল মাননীয় সদস্য-সদস্যা
সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'

(সদনে সন্মতি প্ৰদান কৰে)।
মই ভাৱো 'হয়'ৰ সপক্ষে 'হয়'ৰ সপক্ষে
প্ৰস্তাৱটো গৃহীত কৰা হ'ল ।

এতিয়া বিধেয়কখন দফাই দফাই বিবেচনাৰ বাবে লোৱা হ'ব। সন্মানীয় সদন আমাৰ মুঠতে ৬ খনAutonomous Council ৰ বিল আছে আৰু আটাইকেইখনে একেধৰণৰ। সকলোৱে হয়তো অধ্যয়ণ কৰিছে। সেয়েহে আলোচনাৰ সময়ত যিখিনি কথা ৰখিব তাত ৬ খনAutonomous Council ৰ ওপৰত যদি মাননীয় মন্ত্ৰী মহোদয় বা সদনৰ দৃষ্টি আকৰ্ষণ কৰিবলগীয়া আছে, একেবাৰে ছয় খনৰ বিষয়ে ক'ব। আমি এখনৰ পিছত এখন পাচ কৰাৰ বাবে টেকআপ কৰিম। মাননীয় মন্ত্ৰী একেবাৰে উত্তৰ দিব।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী, শিক্ষা ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি কোৱা কথাটো সত্য যে ৬ খন Autonomous Council ৰ বিলত একেধৰণৰ এমেণ্ডমেণ্ট আহিছে। কেৱল ৰাভ হাচং Autonomous Council , ক্লজ-১৯ ত এটা অতিৰিক্ত সংশোধনী আছে।

**মাননীয় অধ্যক্ষ ঃ** আমি এখনৰ পিছত এখন বিল পাচ কৰিম। আপোনালোকৰ যদি কিবা দৃষ্টিগোচৰ কৰিবলগীয়া আছে, আপোনালোকে একেবাৰতে কৰিব।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, (নাওঁবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ দলৰ পৰা দুজন মাননীয় সদস্যই অতি চমুকৈ নিজৰ বক্তব্য ৰাখিব। গোটেই কেইখন Autonomous Council ৰ উদ্দেশ্য একেটাই। চৰকাৰে এই Autonomous Council ৰ আগত যি ভিলেজ কাউঞ্চিল আছিল, Shall be Omitted বুলি লিখা আছে। আমি ক'ব বিচাৰিছো যে Omitted, it shall be substituted by the word continue. আমি মাজতে গম পাইছিলো যে চৰকাৰে Mising Autonomous Council, Rabha Autonomous Council, Tiwa Autonomous Council, এই তিনিখন Autonomous Council ৰ সাংবিধানিক মৰ্য্যদা দিব লাগে বুলি কেন্দ্ৰীয় চৰকাৰলৈ প্ৰপোজেল পঠিয়াইছে আৰু তাত স্পেচিফিক একো লিখা নাই বুলি কৈছে। কেন্দ্ৰীয় চৰকাৰে যেতিয়ালৈকে আপোনালোকৰ প্ৰপোজেলৰ ওপৰত সাংবিধানিক মৰ্য্যদাৰ ওপৰত সিদ্ধান্ত তেতিয়ালৈকে ভিলেজ কাউঞ্চিলটো আইনত ৰাখিব পাৰো নেকি? কাৰণ ভিলেজ কাউঞ্চিলটো একেবাৰে আৰম্ভণিৰ পৰাই আছে। যদিও আপোনালোকে ইয়াত কৈছে যে Functioning of Panchayati Raj System at the grassroot level, another similar organization in the name of Village Council under this Act is not required due to the presence of Panchayati Raj System. এই এক্ট খন বনোৱাৰ বহুদিন আগৰ পৰাই Panchayati Raj System টো আছে। ইয়াৰ বাবে কোনো অসুবিধা হোৱা নাই। মই এইটো ক'ব বিচাৰিছো যে কেন্দ্ৰীয় চৰকাৰে সাংবিধানিক মৰ্য্যদাটো কি দিয়ে, তাৰ বাবে আপোনালোকে অপেক্ষা কৰিব নোৱাৰে নেকি? মই কেৱল মিচিং, ৰাভা আৰু তিৱা Autonomous Council ৰ কথা কৈছো, বাকীখিনিৰ কথা কোৱা নাই। কেন্দ্ৰীয় চৰকাৰে সিদ্ধান্ত লোৱাৰ পিছত ভিলেজ কাউঞ্চিলটো আঁতৰাই দিলে ভাল হ'ব। তেতিয়ালৈকে ৰাখি থোৱাটো ভাল হ'ব বুলি মই ভাৱো। কেন্দ্ৰীয় চৰকাৰে কি সাংবিধানিক মৰ্য্যদা দিয়ে আমি নাজানো। কিন্তু এনেকুৱা এটা সাংবিধানিক মৰ্য্যদা দিয়ে য'ত ভিলেজ কাউঞ্চিলটো আকৌ প্ৰয়োজন হয়। তাৰ বাবে পুনৰ এমেণ্ডমেণ্ট কৰিব লাগিব। সেয়েহে কেন্দ্ৰীয় চৰকাৰে কি সিদ্ধান্ত লয়, তাৰ বাবে অপেক্ষা কৰি ভিলেজ কাউঞ্চিলটো বাতিল নকৰি ৰাখি থলে ভাল হ'ব বুলি মই ভাৱো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী যাদৱ স্বৰ্গীয়াৰী, (দুধনৈ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যি Autonomous Council ৰ এমেণ্ডমেণ্ট আনিছে, মই থুলমূলকৈ চাইছো। যেতিয়া ১৯৯৫ চনত ৰাভা হাচং চুক্তি স্বাক্ষৰ হৈছিল আৰু সেই চুক্তিত যি আইন আছিল তাত উল্লেখ আছিল যে- The Assam Panchayati Act and the same Municipal Act, 1994 amendment shall not apply the areas of the village included in Rabha Hasong Autonomous Council. Rabha Hasong Autonomous ত অন্যান্য যিবোৰ Council আছে, সেইবোৰতকৈ Co-integrated area টো সৰ্বাধিক দেখা যায়। Rabha Hasong Autonomous Council ত ১৯৯৫ চনৰ পৰা ৰাভা জনগোষ্ঠীৰ লগতে অন্য জনগোষ্ঠীৰ ৰাইজে সেই অঞ্চলত দীৰ্ঘ দিনৰ পৰা Rabha Autonomous Council ৰ লগতে Sixth Schedule ৰ বাবেও দাবী কৰি আহিছে। অতি দুৰ্ভাগ্যজনক কথা যে যোৱা ২০১৩ চনত যেতিয়া পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰিছিল, সেই সময়ত ৰাভা সংগ্ৰামী মঞ্চ আৰু তাত জনগোষ্ঠীয় সংগঠনে ২০১৩ চনৰ ৰাভা হাচং অঞ্চলৰ পঞ্চায়ত নিৰ্বাচনত বাতিল কৰাৰ বাবে আন্দোলন কৰিছিল আৰু সেই আন্দোলন কৰাৰ সময়ত বিক্ষিপ্ত ঘটনাত ২০ জন আন্দোলনকাৰী শ্বহীদ হৈছিল। এই এমেণ্ডমেণ্টৰ জৰিয়তে ভিলেজ কাউঞ্চিলখন বাতিল কৰিছে। অসম চৰকাৰে ইতিমধ্যে কাউঞ্চিলক সাংবিধানিক মৰ্য্যদা দিয়াৰ কথা চিন্তা কৰিছে বা দিবলৈ কিছু পদক্ষেপ লৈছে, সেইটো আদৰণীয়। কিন্তু বৰ্তমানলৈ যিহেতু হোৱা নাই সেয়েহে গাওঁ পৰিষদ বা ভিলেজ কাউঞ্চিলটো বাহাল ৰাখিলে ভাল হ'ব। এইটো এইকাৰণে ভাল হ'ব কাৰণ গাওঁ পঞ্চায়ত আৰু পৰিষদৰ শাসন ব্যৱস্থা একেই। মই দেখিছো যে Rabha Hasong Autonomous Council ত ৰাভাৰ লগতে প্ৰায় ডেৰ লাখ গাৰো জনগোষ্ঠীৰ লোক আছে আৰু প্ৰায় ডেৰ লাখ বড়ো জনগোষ্ঠীৰ লোক আছে। ৰাভা কাউঞ্চিলত বহু জনগোষ্ঠী আছে যিসকলে প্ৰতিনিধিত্ব কৰিব নোৱাৰে। কিন্তু গাওঁ পৰিষদ বা ভিলেজ কাউঞ্চিল যদি নিৰ্বাচন কৰিলেহেঁতেন তাত সভাপতি, উপ-সভাপতি, সাধাৰণ সদস্য থাকিলেহেঁতেন। এই সংশোধনীৰ জৰিয়তে গাওঁ পৰিষদখন বাতিল কৰা হৈছে। অসম চৰকাৰে ইতিমধ্যে সাংবিধানিক মৰ্যাদা দিয়াৰ কথা চিন্তা কৰিছে বা দিবলৈ কিছু পদক্ষেপ লৈছে। সেইটো আদৰণীয়। কিন্তু বৰ্তমানলৈকে যিহেতু হোৱা নাই, গতিকে গাওঁ পৰিষদ বা Village Council continue কৰিলে ভাল হ'ব। কাৰণ গাওঁ পৰিষদ আৰু পঞ্চায়তৰ শাসন ব্যৱস্থা একেই। মই দেখিছো বৃহত্তৰ ৰাভা হাছং স্বায়ত্ব শাসিত অঞ্চলত ৰাভাৰ লগতে প্ৰায় ডেৰ লাখ গাৰো আৰু ডেৰ লাখ বড়ো জনগোষ্ঠী আছে। ৰাভা পৰিষদত এনে বহুত জনগোষ্ঠী আছে যিসকলে প্ৰতিনিধিত্ব কৰিব নোৱাৰে কিন্তু গাওঁ পৰিষদ বা Village Council ত যদি election কৰিলোহেঁতেন, তাত তেওঁলোকৰ সভাপতি, উপ-সভাপতি, সাধাৰণ সদস্য থাকিলেহেঁতেন। তেওঁলোকে পৰিষদখনৰ বা জনগোষ্ঠীসকলৰ যিখিনি আশা আকাংক্ষা আছিল, সেই আশা-আকাংক্ষাখিনি পূৰণ কৰিব পাৰিলেহেঁতেন। কিন্তু আজি এই সংশোধনীৰ জৰিয়তে সেই অঞ্চলৰ জনগোষ্ঠীসকলৰ যি আশা-আকাংক্ষা, সেই আশা-আকাংক্ষাখিনি বিলুপ্ত কৰা হ'ব। মহোদয়, বিশেষকৈ যি ৬ টা স্বায়ত্ত্ব শাসিত অঞ্চল আছে, সেইসমূহৰ তুলনাত ৰাভা হাছং স্বায়ত্ত্ব শাসিত অঞ্চলৰ contiguity সৰ্বাধিক বেছি আৰু সেই কাৰণে existing Rabha Hasong Autonomous Council খনে সীমিত পুঁজিৰে হাছংবাসীৰ উন্নয়ন সাধন কৰিব পৰা নাই। চৰকাৰে শেহতীয়াকৈ সাংবিধানিক মৰ্যাদা দিয়াৰ বাবে যি অগ্ৰসৰ হৈছে , সেইটো 6th Schedule পৰ্যায়লৈ উন্নীত কৰিব লাগে।

গাওঁ পৰিষদ বাতিল কৰাৰ বাবে সংশোধনী আনিছে, কিন্তু সেইটো continue ৰাখিব লাগে। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** এতিয়া শ্ৰী ৰমাকান্ত দেউৰী।

**শ্ৰী ৰমাকান্ত দেউৰী (মৰিগাওঁ)ঃ** উপাধ্যক্ষ মহোদয়, ৰাভা হাছঙ স্বায়ত্ব শাসিত পৰিষদৰ ক্ষেত্ৰত বিধায়ক ডাঙৰীয়াই কৈছে যে গাওঁ পৰিষদৰ বাবে ইতিমধ্যে সংশোধনী আছিল। কেইদিনমান আগত গাওঁ পৰিষদৰ সংশোধনী হৈ গৈছে। আজিৰ সংশোধনীটোৰ ক্ষেত্ৰত মই প্ৰস্তাৱ দিছিলো যে গোটেই কাউঞ্চিলবিলাকৰ ক্ষেত্ৰত যিখন মূল আইন তাৰ ৫৮ নং দফাটো বাতিল কৰিব লাগে আৰু সেইটো সংশোধনীহে আনিব লাগিছিল। ইতিমধ্যে Autonomous Council ৰ বিষয়ে যদি আলোচনা হৈছে, তেন্তে বেয়া কথা নহয়। ৬ খন Autonomous Council যেতিয়াৰ পৰা গঠন হ'ল, আজিলৈকে গাওঁ পৰিষদ হোৱা নাই। বৰঞ্চ যিকেইখন 6th Schedule আছিল, তাৰে ৩ খন 6th Schedule তো গাওঁ পৰিষদ হোৱা নাই। গতিকে আৱৰ্জনাবোৰ ৰাখি লাভ নাই ......interruptions...

**শ্ৰীমতী নন্দিতা দাস (বকো)ঃ** উপাধ্যক্ষ মহোদয়, Screen ত ৰমাকান্ত দেউৰী ডাঙৰীয়াৰ নামৰ সলনি জিতু গোস্বামী ডাঙৰীয়াৰ নাম আহি আছে। তেখেত নিজৰ Seat ত কোৱা নাই নেকি ?

**মাননীয় উপাধ্যক্ষঃ** এইটো কাৰিকৰী বিজুতিৰ বাবে হৈছে। Technical Officers, please correct it. আপুনি continue কৰক।

**শ্ৰী ৰমাকান্ত দেউৰী (মৰিগাওঁ)ঃ** উপাধ্যক্ষ মহোদয়, যি দুগৰাকী জ্যেষ্ঠ বিধায়কে Autonomous Council ৰ বাবে সংশোধনী আনিছে, মই ভাৱো আপোনালোকে এই প্ৰস্তাৱটো বাতিল কৰিব লাগে। মই ১২ বছৰ C.E.M. আছিলো। অথচ মই গাওঁ পৰিষদ পাতিব নোৱাৰিলো। গতিকে, এই আৱৰ্জনাবোৰ নাৰাখি সংশোধনী কৰি ল'লে আমাৰ শুদ্ধ হ'ব। য'ত গাওঁ পৰিষদ আৰু পঞ্চায়ত হৈ আছে, আমি দুই ফালৰ পৰা পাই আছো। গাওঁ পৰিষদ থাকিলেহে যে লাভ হ'ব তেনেকুৱা নহয়। মই ভাৱো গাওঁ পৰিষদৰ প্ৰয়োজন নাই। মই আজি আৰু এটা সংশোধনী আনিছিলো। সেইটো হ'ল মূল আইনখনৰ পৰা ৫৮ নং দফাটো বাদ দিব লাগে। আমি এজন নিৰ্বাচিত বিধায়ক। সেই কাউঞ্চিল এলেকাৰ বিধায়কসকলক Autonomous Council ত অধিকাৰ দিব লাগে। আমাৰ বিধায়কসকলৰ তাত অধিকাৰ নাথাকে। ৫৮ নং দফাটো বাদ দিলেই আমি যে সেই Autonomous Council ৰ নিৰ্বাচিত প্ৰতিনিধি, সেই মৰ্যাদাটো থাকিব। মই সমগ্ৰ Autonomous Council ৰ জনজাতিসকলৰ কথা নকওঁ। বিভিন্ন সময়ত মই সেই কথাবোৰ কৈ আহিছো । গতিকে সেই একেখিনি কথাকে সদনত কৈ লাভ নাই। বৰ্তমান আমি 6th Schedule বিচাৰি আছো। 6th Schedule ৰ বাবে ভাৰতীয় সংবিধানে কিদৰে মৰ্যাদা দিয়ে, তাৰ বাবে আমি অপেক্ষা কৰি আছো। সেয়েহে উপাধ্যক্ষ মহোদয়, আমাৰ বিভাগীয় মন্ত্ৰীৰ জৰিয়তে মুখ্যমন্ত্ৰীয়ে সোনকালে আমি বিচৰা Autonomous Council বোৰক 6th Schedule ত অন্তৰ্ভুক্ত কৰিব লাগে। সদনত যিমান অধিবেশন হৈছে, প্ৰত্যেকটো অধিবেশনত মই 6th Schedule সন্দৰ্ভত বাৰে বাৰে প্ৰস্তাৱ কৰি আহি আছো। কিন্তু উত্তৰ একো নাই। গালো বালো খোলাকতি তাল। কম সময়ৰ ভিতৰত কেবিনেটে এটা সিদ্ধান্ত কৰিছে যে জনজাতিসকলক আমি সাংবিধানিক মৰ্যাদা দিম। কি সাংবিধানিক মৰ্যাদা দিব তাৰৈ আমি অপেক্ষাৰত হৈ থাকিম। এইখিনিকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**माननीय উপাধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী দূৰ্গা দাস বড়ো (কলাইগাওঁ)ঃ** এক মিনিট চাৰ, মন্ত্ৰী ডাঙৰীয়াই কোৱাৰ আগতে মই অলপ ক'ব বিচাৰিছো। অনুমতি দিব নেকি?

**মাননীয় উপাধ্যক্ষঃ** এক মিনিটত কওঁক।

**শ্ৰী দূৰ্গা দাস বড়ো (কলাইগাওঁ)ঃ** উপাধ্যক্ষ মহোদয়, ৰাভা সকলক 6th Schedule ত অন্তৰ্ভুক্ত কৰাৰ কাৰণে যোৱা অধিবেশনত মই বিষয়টো মন্ত্ৰী ডাঙৰীয়াৰ আগত উত্থাপন কৰিছিলো আৰু মন্ত্ৰী ডাঙৰীয়াইও লগে লগে এটা positive উত্তৰ সেইদিনা দিছিল। ৰাভা কাউঞ্চিলখন 6th Schedule লৈ উন্নীতকৰণৰ কাৰণে যিটো contiguity লাগে, যিকেইটা criteria লাগে মই সেই criteria কেইটাও উল্লেখ কৰিছিলো আৰু মন্ত্ৰী মহোদয়ে exactly কৈছিল যে যি কেইটা জনগোষ্ঠীৰ মাজত সেই criteria সমূহ বিচৰা হৈছে তাৰে ভিতৰত একমাত্ৰ ৰাভা হাছঙৰে 6th Schedule পোৱাৰ criteria আছে। এতিয়া ...interruptions...

**মাননীয় উপাধ্যক্ষঃ** এতিয়া আকৌ দেউৰী-ৰাভাৰ মাজত কিয় কাজিয়া লগাই আপুনি?

**শ্ৰী দূৰ্গা দাস বড়ো (কলাইগাওঁ)ঃ** মই দেউৰী-ৰাভাৰ কাজিয়া লগাব খোজা নাই ......interruptions...

**মাননীয় উপাধ্যক্ষঃ**আপোনাৰ পইণ্টটো খোজা নাই। Don't take otherwise, তেওঁলোকে বেয়া পাব নহয় ...interruptions...

**শ্ৰী দূৰ্গা দাস বড়ো (কলাইগাওঁ)ঃ** মোৰ বক্তব্যটো দিবলৈ দিয়ক। মোৰ বক্তব্যটোত আপুনি কিয় contradict কৰিছে চাৰ......interruptions...

**মাননীয় উপাধ্যক্ষঃ** Contradict কৰিব লাগিব। সদনৰ পৰা বেয়া message যাব নালাগে।

**শ্ৰী দূৰ্গা দাস বড়ো (কলাইগাওঁ)ঃ**মই কৈছো যে ৰাভাসকলে 6th Schedule পোৱাৰ কাৰণে যি দাবী কৰিছিল সেই দাবীটোৰ ক্ষেত্ৰত মন্ত্ৰী ডাঙৰীয়াই কথাখিনি কৈছিল। তাৰ লগতে ৩ খন কাউঞ্চিলক সাংবিধানিক মৰ্যাদা দিয়াৰ কথা কৈছিল। গতিকে মই তেখেতে কোৱা কথাখিনিকে উল্লেখ কৰি থ'লো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী, জনজাতি পৰিক্ৰমা ইত্যাদি)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ বিধায়ক ভৰত নৰহ ডাঙৰীয়াও জনজাতি পৰিক্ৰমা বিভাগৰ মন্ত্ৰী আছিল। তেখেতে ভালকৈ জানে এই স্বায়ত্ব শাসিত পৰিষদ বিলাক গঠন কৰাৰ আগত Bhupinder Singh Committee বুলি Three Member Committee এখন গঠন হৈছিল আৰু এই Three Member Committee খনে এটা Three tier Autonomous Council মিচিংসকলৰ কাৰণে প্ৰথম অৱস্থাত প্ৰস্তাৱ কৰিছিল। ইয়াৰ পিছত ১৯৯৫ চনত ৩ খন Autonomous Council হ'ল- মিচিং স্বায়ত্ব শাষিত পৰিষদ, ৰাভা হাচং স্বায়ত্ব শাসিত পৰিষদ আৰু টিৱা স্বায়ত্ব শাসিত পৰিষদ। কিন্তু এই পৰিষদসমূহৰ কাম-কাজ সঠিক ভাৱে পৰিচালিত নোহোৱাৰ কাৰণে পুনৰ বাৰ Bhupinder Singhক দি এখন One Member Committee গঠন কৰা হৈছিল। এই One Member Committee খনে কৈছিল যে একেটা অঞ্চলত একেখিনি মানুহক লৈ পেলাই এটা পঞ্চায়তী ব্যৱস্থা আৰু village council system টো চলাৰ ক্ষেত্ৰত এটা conflict আছে। যি কি নহওক, ১৯৯৫ চনত যেতিয়া Autonomous Council বিলাক হ'ল, সেই Autonomous Council বিলাক two tier Autonomous Council গঠন কৰা হ'ল।

অৰ্থাৎ এখন Apex Council আৰু এখন Village Council. কিন্তু ১৯৯৫ চনৰ পৰা আজিলৈকে কেতিয়াও তদৰ্থ ভিত্তিক Village Council ও গঠন নহ'ল বা ইয়াৰ কোনো নিৰ্বাচনো অনুষ্ঠিত নহ'ল। ২০০৫ চনত আৰু তিনিখন Autonomous Council হ'ল, সোনোৱাল কছাৰী স্বায়ত্ব শাসিত পৰিষদ, দেউৰী স্বায়ত্ব শাসিত পৰিষদ আৰু ঠেঙাল কছাৰী স্বায়ত্ব শাসিত পৰিষদ। ইয়াতো এই second tier টো অৰ্থাৎ Village Council ৰ ব্যৱস্থাটো ৰখা হ'ল কিন্তু এই তিনিখন Council তো কোনোদিন Village Council ৰ নিৰ্বাচনো অনুষ্ঠিত নহ'ল, কোনো দিন ইয়াৰ তদৰ্থ সমিতিয়ো গঠন হোৱা নাই। বৰ্তমান চৰকাৰখনে এটা ব্যৱস্থা লৈছে যে যিবিলাক আইন কোনো ধৰণে আমাৰ ব্যৱহাৰত অহা নাই, সেই আইনবিলাক ৰিপিল কৰা হৈছে বা আইনৰ যিবিলাক ব্যৱস্থা কোনো ধৰণে ব্যৱহৃত হোৱা নাই, use হোৱা নাই, redundant হৈ আছে বা অনাৱশ্যক হৈ আছে, এই ব্যৱস্থাবিলাকো প্ৰত্যাহাৰ কৰাৰ এটা সিদ্ধান্ত গ্ৰহণ কৰিছিলে। সেই মৰ্মে আমি ৬ খনকৈ স্বায়ত্ব শাসিত পৰিষদত Village Council ৰ এটা ব্যৱস্থা তাত লিপিবদ্ধ আছে। মাজে মাজে কোৰ্টত কেচ মোকৰ্দ্দমা হ'লেও ওলায় কিন্তু Village Council বা গাওঁ পৰিষদ কেতিয়াও কোনোদিন গঠন হোৱা নাই। কেতিয়াও কোনো পুঁজি দিয়া হোৱা নাই, কোনোদিন তদৰ্থ সমিতিয়ো গঠন হোৱা নাই, ই যিহেতু অনাৱশ্যকভাৱে ওলমিআছে বা redundant হৈ আছে গতিকে Village Council ৰ ব্যৱস্থাটো আমি আটাইকেইখন Council ৰ পৰা প্ৰত্যাহাৰ কৰিব বিচাৰিছো। এই Councilবিলাকৰ ভিতৰত প্ৰথম অৱস্থাত মিছিং, ৰাভা, তিৱা স্বায়ত্ব শাষিত পৰিষদৰ যি ষষ্ঠ অনুসূচীৰ দাবী উত্থাপন হৈছিল, ইয়াত কেবিনেটে সিদ্ধান্ত গ্ৰহণ কৰিলে যে আমি এই Council কেইখনক সাংবিধানিক স্বীকৃতি দিয়াৰ, মৰ্য্যাদা দিয়াৰ বিষয়টো কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিলো। সেই মৰ্মে ইতিমধ্যে সেই Council খিনিৰ গাৱঁৰ তালিকা, ইয়াৰ সংশ্লিষ্ট যিখিনি আইন আছে, সকলোখিনি আমি ভাৰত চৰকাৰলৈ প্ৰেৰণ কৰিছো আৰু কেন্দ্ৰীয় চৰকাৰে ইয়াত এটা সিদ্ধান্ত গ্ৰহণ কৰিব। মাননীয় সদস্য দুৰ্গা দাস বড়ো ডাঙৰীয়াই কোৱাৰ দৰে sixth schedule পোৱাৰ আটাইতকৈ বেছি যোগ্যতা ৰাভা হাছঙৰ আছে। এনেধৰণৰ কথা মই কোৱা নাই। মই এইটোৱে কৈছিলো যে ৰাভা হাছং স্বায়ত্ব শাষিত পৰিষদ অঞ্চলটো one compact and contiguous area. ইয়াত core area আছে, satellite area নাই। কিন্তু মিছিং স্বায়ত্ব শাসিত পৰিষদ বা তিৱা স্বায়ত্ব শাসিত পৰিষদৰ ক্ষেত্ৰত core area আৰু satellite area আছে আৰু সোনোৱাল, ঠেঙাল আৰু দেউৰী এই তিনিখন স্বায়ত্ব শাসিত পৰিষদত core area নাই। কেৱল satellite area লৈ এই তিনিখন স্বায়ত্ব শাসিত পৰিষদ গঠন কৰা হৈছে। গতিকে যি কি নহওক, মই ভাৱো যে অনাৱশ্যকভাৱে দীৰ্ঘদিন ধৰি দুটা দশকৰ অধিক কাল ধৰি স্বায়ত্ব শাসিত পৰিষদত এটা ব্যৱহাৰ নোহোৱা বা redundant ব্যৱস্থা যিটো Village Council আছে, তাক আমি প্ৰত্যাহাৰ কৰাৰ কাৰণে এই আইনখন আনিছো।

দ্বিতীয়টো, Clause 14. এই amendment Act ত ১৪ নং clause ত আমি এই Village Council শব্দটো উঠোৱাৰ কাৰণে মূল আইনখনৰ ৫৮ নং section টোৰ কথা আহে, যিটো section ত কোৱা আছে যে এজন ব্যক্তি বিধান সভা আৰু Council এই দুখনতে থাকিব নোৱাৰে। অৰ্থ্যাৎ Council ত যদি জিকে, বিধানসভাৰ পদটো ত্যাগ কৰিব লাগিব। কিন্তু sixth schedule ৰ যিটো Autonomous Council আছে তাত এই ব্যৱস্থাটো নাই। আমাৰ মাজৰে মাননীয় সদস্য গোবিন্দ বসুমতাৰী ডাঙৰীয়া তেখেত BTC ৰ Deputy

Chief হৈ আছে। কিন্তু একেটা সময়তে আমাৰ সদনৰ সদস্য পদতো আছে। এই যিটো বাধা আছে, এই বাধাৰ ক্ষেত্ৰত মাননীয় সদস্য ৰমাকান্ত দেউৰী ডাঙৰীয়াই কৈছে যে এই clause টো delete কৰিব লাগে। মই সংশ্লিষ্ট সকলোৰে লগত আলোচনা কৰিছো আৰু কৰাৰ পাছত ৰমাকান্ত দেউৰী ডাঙৰীয়াই প্ৰস্তাৱ কৰা মূল আইনৰ ৫৮ নং দফাটোকেই, আমি সংশোধনীৰ প্ৰস্তাৱ কৰিছিলো, তেখেতে কৈছে গোটেই দফাটোকে delete কৰিব লাগে। এই প্ৰস্তাৱটো মই গ্ৰহণ কৰিছো।

**শ্ৰী ৰমাকান্ত দেউৰী, (মৰিগাওঁ) ঃ** ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া দফা নং ২ ৰ পৰা ৬ লৈ কোনো সংশোধনী নাই। মই দফা ২ ৰ পৰা ৬ লৈ সদনত ভোটদানৰ বাবে দাঙি ধৰিলো। প্ৰশ্নটো হ'ল দফা নং ২ ৰ পৰা ৬ লৈ বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য / সদস্যা সপক্ষে আছে, কওক 'হয়'

যিসকল বিপক্ষে আছে কওক 'নহয়'

মই ভাৱো 'হয়'ৰ সপক্ষে,'হয়'ৰ সপক্ষে,'হয়'ৰ সপক্ষে

দফা নং ২ ৰ পৰা ৬ লৈ বিধেয়কখনৰ অংশ হ'ল।

এতিয়া দফা নং ৭। মাননীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়া, আপোনালোকৰ প্ৰস্তাৱটো উঠাই ল'বনে?

**শ্ৰী ভৰত নৰহ, (নাওঁবৈচা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমি এইটো উঠাই লৈছো।

**মাননীয় উপাধ্যক্ষ ঃ** যিহেতু সংশোধনী প্ৰস্তাৱটো উঠাই লৈছে, প্ৰশ্নটো হ'লে যে দফা নং ৭ বিধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য / সদস্যা সপক্ষে আছে, কওক 'হয়'

যিসকল বিপক্ষে আছে কওক 'নহয়'

মই ভাৱো 'হয়'ৰ সপক্ষে,'হয়'ৰ সপক্ষে,'হয়'ৰ সপক্ষে

দফা নং ৭ বিধেয়কখনৰ অংশ হ'ল।

দফা নং ৮ ৰ পৰা ১৩ লৈ কোনো সংশোধনী নাই। এতিয়া মই দফা নং ৮ ৰ পৰা ১৩ লৈ সদনত ভোটদানৰ বাবে দাঙি ধৰিলো। প্ৰশ্নটো হ'ল দফা নং ৮ ৰ পৰা ১৩ লৈ বিধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য / সদস্যা সপক্ষে আছে, কওক 'হয়'

যিসকল বিপক্ষে আছে কওক 'নহয়'

মই ভাৱো 'হয়'ৰ সপক্ষে,'হয়'ৰ সপক্ষে,'হয়'ৰ সপক্ষে

দফা নং ৮ ৰ পৰা ১৩ লৈ বিধেয়কখনৰ অংশ হ'ল।

এতিয়া দফা নং ১৪ ত সন্মানীয় সদস্য ৰমাকান্ত দেউৰীৰ যিটো প্ৰস্তাৱ সেইটো গ্ৰহন কৰা হৈছে। এই সংশোধনী প্ৰস্তাৱটো যিহেতু গ্ৰহন কৰা হৈছে গতিকে বিধেয়কখনৰ ১৪ নং দফা সংশোধনী হিচাপে গৃহীত হ'ব।

যিসকল মাননীয় সদস্য / সদস্যা সপক্ষে আছে, কওক 'হয়'

যিসকল বিপক্ষে আছে কওক 'নহয়'

মই ভাৱো 'হয়'ৰ সপক্ষে,'হয়'ৰ সপক্ষে,'হয়'ৰ সপক্ষে

১৪ নং সংশোধনী প্ৰস্তাৱটো গৃহীত হ'ল।

এতিয়া দফা নং ১৫ ৰ পৰা ২৭ লৈকে কোনো সংশোধনী নাই। দফা নং ১৫ ৰ পৰা ২৭

লৈকে সদনত ভোটদানৰ বাবে দাঙি ধৰিলো। প্ৰশ্নটো হ'ল দফা নং ১৫ ৰ পৰা ২৭ লৈকে বিধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য / সদস্যা সপক্ষে আছে, কওক 'হয়'

যিসকল বিপক্ষে আছে কওক 'নহয়'

মই ভাৱো 'হয়'ৰ সপক্ষে,'হয়'ৰ সপক্ষে,'হয়'ৰ সপক্ষে

দফা নং ১৫ ৰ পৰা ২৭ লৈকে বিধেয়কখনৰ অংশ হ'ল।

দফা নং ১, পৰিসৰ, আৰম্ভণ আৰু শিৰোনামাত কোনো সংশোধনী নাই। এতিয়া মই দফা নং ১, পৰিসৰ, আৰম্ভণ আৰু শিৰোনামা সদনত ভোটদানৰ বাবে দাঙি ধৰিলো। প্ৰশ্নটো হ'ল যে দফা নং ১, পৰিসৰ, আৰম্ভণ আৰু শিৰোনামা বিধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য / সদস্যা সপক্ষে আছে, কওক 'হয়'

যিসকল বিপক্ষে আছে কওক 'নহয়'

মই ভাৱো 'হয়'ৰ সপক্ষে,'হয়'ৰ সপক্ষে,'হয়'ৰ সপক্ষে

দফা নং ১, পৰিসৰ, আৰম্ভণ আৰু শিৰোনামা বিধেয়কখনৰ অংশ হ'ল।

এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়াই বিধেয়কখন পাৰিত কৰিবৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিব।

**ড° ৰণোজ পেগু, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই The Deuri Autonomous Council(Amendment)Bill, 2024 সংশোধনীসহ পাৰিত কৰাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মই মন্ত্ৰী ডাঙৰীয়াৰ দ্বাৰা বিধেয়কখন পাৰিত কৰাৰ প্ৰস্তাৱটো সদনত ভোটদানৰ বাবে দাঙি ধৰিলো। প্ৰশ্নটো হ'ল The Deuri Autonomous Council(Amendment) Bill, 2024 খন পাৰিত কৰা হওক।

যিসকল মাননীয় সদস্য / সদস্যা সপক্ষে আছে, কওক 'হয়'

যিসকল বিপক্ষে আছে কওক 'নহয়'

মই ভাৱো 'হয়'ৰ সপক্ষে,'হয়'ৰ সপক্ষে,'হয়'ৰ সপক্ষে

প্ৰস্তাৱটো গৃহীত হ'ল আৰু বিধেয়কখন সংশোধনীসহ পাৰিত কৰা হ'ল।

এতিয়া The Sonowal Kachari Autonomous Council (Amendment) Bill, 2024. মই মাননীয় মন্ত্ৰী ড০ ৰণোজ পেগু ডাঙৰীয়াই বিবেচনাৰ বাবে প্ৰস্তাৱ কৰিব।

**ড° ৰণোজ পেগু, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে The Sonowal Kachari Autonomous Council (Amendment) Bill, 2024 বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া Amenedment খিনি যিহেতু ইয়াৰ আগতে গোটেইখিনি একেলগে কোৱা হ'ল গতিকে দফা নং ২ ৰ পৰা ৬ লৈ কোনো সংশোধনী নাই। দফা নং ২ ৰ পৰা ৬ লৈ ভোটদানৰ বাবে মই দাঙি ধৰিলো। প্ৰশ্নটো হ'ল দফা নং ২ ৰ পৰা ৬ লৈ বিধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য / সদস্যা সপক্ষে আছে, কওক 'হয়'

যিসকল বিপক্ষে আছে কওক 'নহয়'

মই ভাৱো 'হয়'ৰ সপক্ষে,'হয়'ৰ সপক্ষে,'হয়'ৰ সপক্ষে

দফা নং ২ ৰ পৰা ৬ লৈ বিধেয়কখনৰ অংশ হ’ল।

এতিয়া মাননীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়া আৰু তেখেতৰ সহযোগী সকলে দফা নং ৭ সংশোধনী দিছিলে। তেখেতসকলে উঠাই লৈছে। গতিকে প্ৰশ্নটো হ’ল যে গতিকে দফা নং ৭ বিধেয়কখনৰ অংশ হ’ব।

যিসকল মাননীয় সদস্য / সদস্যা সপক্ষে আছে, কওক ‘হয়’

যিসকল বিপক্ষে আছে কওক ‘নহয়’

মই ভাৱো ‘হয়’ৰ সপক্ষে,‘হয়’ৰ সপক্ষে,‘হয়’ৰ সপক্ষে

দফা নং ৭ বিধেয়কখনৰ অংশ হ’ল।

দফা নং ৮ ৰ পৰা ১৩ লৈ কোনো সংশোধনী নাই। এতিয়া মই দফা ৮ ৰ পৰা ১৩ লৈ সদনত ভোটদানৰ বাবে দাঙি ধৰিলো। প্ৰশ্নটো হ’ল দফা নং ৮ ৰ পৰা ১৩ লৈ বিধেয়কখনৰ অংশ হ’ব।

যিসকল মাননীয় সদস্য / সদস্যা সপক্ষে আছে, কওক ‘হয়’

যিসকল বিপক্ষে আছে কওক ‘নহয়’

মই ভাৱো ‘হয়’ৰ সপক্ষে,‘হয়’ৰ সপক্ষে,‘হয়’ৰ সপক্ষে

দফা ৮ ৰ পৰা ১৩ লৈ বিধেয়কখনৰ অংশ হ’ল।

এতিয়া ৰমাকান্ত দেউৰী ডাঙৰীয়াৰ এটা সংশোধনী আছিল সেইটো accept কৰা হৈছে। গতিকে বিধেয়ক খনৰ অংশ হ’ব সংশোধনী ৰূপত।

যি সকল সদস্য ইয়াৰ সপক্ষে আছে তেখেত সকলে কওক হয়,

যি সকল সদস্য বিপক্ষে আছে তেখেত সকলে কওক নহয়,

মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে

দফা নং ১৪ সংশোধনী ৰূপত বিধেয়ক খনৰ অংশ হ’ব।

এতিয়া দফা নং ১৫ ৰ পৰা ২৭ লৈ কোনো সংশোধনী নাই। এতিয়া দফা নং ১৫ ৰ পৰা ২৭ লৈ সদনত ভোটদানৰ বাবে দাঙি ধৰিলো প্ৰশ্নটো হ’ল দফা নং ১৫ ৰ পৰা ২৭ লৈ বিধেয়ক খনৰ অংশ হ’ব।

যি সকল সদস্য ইয়াৰ সপক্ষে আছে তেখেত সকলে কওক হয়,

যি সকল সদস্য বিপক্ষে আছে তেখেত সকলে কওক নহয়,

মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে

দফা নং ১৫ ৰ পৰা ২৭ লৈ বিধেয়ক খনৰ অংশ হ’ব।

দফা নং ১ পৰিসৰ আৰম্ভণ আৰু শিৰোনামাত সংশোধনী নাই, এতিয়া দফা নং ১ পৰিসৰ, আৰম্ভণ আৰু শিৰোনামা সদনত ভোটদানৰ বাবে দাঙি ধৰিলো। প্ৰশ্নটো হ’ল দফা নং ১ পৰিসৰ আৰম্ভণ আৰু শিৰোনামা বিধেয়ক খন অংশ হ’ব।

যি সকল সদস্য ইয়াৰ সপক্ষে আছে তেখেত সকলে কওক হয়,

যি সকল সদস্য বিপক্ষে আছে তেখেত সকলে কওক নহয়,

মই ভাৱো হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে

দফা নং ১ পৰিষৰ আৰম্ভণ আৰু শিৰোনামাত বিধেয়ক খনৰ অংশ হ’ব।

মাননীয় মন্ত্ৰী ডাঙৰীয়াক মই এতিয়া বিধেয়ক খন পাৰিত কৰিবলৈ প্ৰস্তাৱ কৰিলো।

**ডº ৰণোজ পেগু, (শিক্ষামন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই “The Sonowal Kachari

Autonomous Council (Amendment) Bill, 2024" সংশোধনী সহ পাৰিত কৰাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া মই মন্ত্ৰী ডাঙৰীয়াৰ দ্বাৰা বিধেয়ক খন পাৰিত কৰা প্ৰস্তাৱটো সদনত ভোট দানৰ বাবে দাঙি ধৰিলো। প্ৰশ্নটো হ'ল যে "The Sonowal Kachari Autonomous Council (Amendment) Bill, 2024" খন পাৰিত কৰা হওঁক। যি সকল সদস্য ইয়াৰ সপক্ষে আছে তেখেত সকলে কওক হয়, যি সকল সদস্য বিপক্ষে আছে তেখেত সকলে কওক নহয়, মই ভাৰো হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে প্ৰস্তাৱটো গৃহীত হ'ল আৰু বিধেয়ক খন সংশোধনী সহ পাৰিত হ'ল।

এতিয়া "The Tiwa Autonomous Council (Amendment) Bill, 2024" কাৰ্যসূচী নং ১৯। এতিয়া মাননীয় মন্ত্ৰী ড০ ৰণোজ পেগু ডাঙৰীয়াই "The Tiwa Autonomous Council (Amendment) Bill, 2024" খন বিবেচনাৰ বাবে প্ৰস্তাৱ কৰিব।

**ড° ৰণোজ পেগু, (শিক্ষামন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে "The Tiwa Autonomous Council (Amendment) Bill, 2024" বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া প্ৰস্তাৱটো বিবেচনাৰ বাবে সদনত ভোটদানৰ বাবে দাঙি ধৰিলো। প্ৰশ্নটো হ'ল "The Tiwa Autonomous Council (Amendment) Bill, 2024" খন বিবেচনাৰ বাবে লোৱা হওক,

যি সকল সদস্য ইয়াৰ সপক্ষে আছে তেখেত সকলে কওক হয়,

যি সকল সদস্য বিপক্ষে আছে তেখেত সকলে কওক নহয়,

মই ভাৰো হয়ৰ সাপেক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে

প্ৰস্তাৱটো গৃহীত হ'ল আৰু বিধেয়ক খন ইতিমধ্যে আলোচনা হৈছে আৰু তাৰ ২ নং ৰ পৰা ৬ নং দফালৈ কোনো সংশোধনী নাই, এতিয়া ২ নং ৰ পৰা ৬ লৈ সদনত ভোট দানৰ বাবে মই দাঙি ধৰিলো প্ৰশ্নটো হ'ল দফা নং ২ ৰ পৰা ৬ লৈ বিধেয়ক খনৰ অংশ হ'ব যি সকল সদস্য ইয়াৰ সপক্ষে আছে তেখেত সকলে কওক হয়,

যি সকল সদস্য বিপক্ষে আছে তেখেত সকলে কওক নহয়,

মই ভাৰো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সাপেক্ষে

২ নং দফাৰ পৰা ৬ লৈকে বিধেয়ক খনৰ অংশ হ'ল ।

এতিয়া ৭ নং দফাত সংশোধনী প্ৰস্তাৱ আছিলে যিহেতো উঠাই লৈছে, গতিকে প্ৰশ্নটো হ'ল যে দফা নং ৭ বিধেয়ক খনৰ অংশ হ'ব।

যি সকল সদস্য ইয়াৰ সপক্ষে আছে তেখেত সকলে কওক হয়,

যি সকল সদস্য বিপক্ষে আছে, তেখেত সকলে কওক নহয়,

মই ভাৰো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে

দফা নং ৭ বিধেয়ক খনৰ অংশ হ'ব।

দফা নং ৮ ৰ পৰা ১৩ লৈ কোনো সংশোধনী নাই, গতিকে মই দফা নং ৮ ৰ পৰা ১৩ লৈ সদনত ভোট দানৰ বাবে দাঙি ধৰিলো। প্ৰশ্নটো হ'ল যে দফা নং ৮ ৰ পৰা ১৩ লৈ বিধেয়ক খনৰ অংশ হ'ব।

যি সকল সদস্য ইয়াৰ সপক্ষে আছে তেখেত সকলে কওক হয়,
যি সকল সদস্য বিপক্ষে আছে তেখেত সকলে কওক নহয়,
মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে
দফা নং ৮ ৰ পৰা ১৩ লৈ বিধেয়ক খন অংশ হ'ল।

দফা নং ১৪ ত ৰমাকান্ত দেউৰী ডাঙৰীয়াৰ এটা amendment আছিল সেইটো accept কৰা হৈছে। গতিকে যিটো amendment ৰ ওপৰত ১৪ নং দফা বিধেয়ক খন অংশ হ'ব,
যি সকল সদস্য ইয়াৰ সপক্ষে আছে তেখেত সকলে কওক হয়,
যি সকল সদস্য বিপক্ষে আছে তেখেত সকলে কওক নহয়,
মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে
দফা নং ১৪ সংশোধনীৰ সৈতে বিধেয়ক খনৰ অংশ হ'ব।

দফা নং ১৫ ৰ পৰা ২৭ লৈ কোনো সংশোধনী নাই, গতিকে মই এতিয়া দফা নং ১৫ ৰ পৰা ২৭ লৈ সদনত ভোট দানৰ বাবে দাঙি ধৰিলো। প্ৰশ্নটো হ'ল যে দফা নং ১৫ ৰ পৰা ২৭ লৈ বিধেয়ক খনৰ অংশ হ'ব।
যি সকল সদস্য ইয়াৰ সপক্ষে আছে তেখেত সকলে কওক হয়,
যি সকল সদস্য বিপক্ষে আছে তেখেত সকলে কওক নহয়,
মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে
দফা নং ১৫ ৰ পৰা ২৭ লৈকে বিধেয়ক খনৰ অংশ হ'ব।

দফা নং ১ পৰিসৰ আৰম্ভণ আৰু শিৰোনামত সংশোধনী নাই, এতিয়া দফা নং ১ পৰিসৰ, আৰম্ভণ আৰু শিৰোনাম সদনত ভোটদানৰ বাবে দাঙি ধৰিলো। প্ৰশ্নটো হ'ল দফা নং ১ পৰিসৰ আৰম্ভণ আৰু শিৰোনামা বিধেয়ক খন অংশ হ'ব।
যি সকল সদস্য ইয়াৰ সপক্ষে আছে তেখেত সকলে কওক হয়,
যি সকল সদস্য বিপক্ষে আছে তেখেত সকলে কওক নহয়,
মই ভাৱো হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে
দফা নং ১ পৰিষৰ আৰম্ভণ আৰু শিৰোনামাত বিধেয়ক খনৰ অংশ হ'ব।

এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়াই বিধেয়ক খন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিব।

**ড০ ৰণোজ পেগু, শিক্ষামন্ত্ৰী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই "The Tiwa Autonomous Council (Amendment) Bill, 2024" সংশোধনী সহ পাৰিত কৰাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া মই মন্ত্ৰী ডাঙৰীয়াৰ দ্বাৰা বিধেয়ক খন পাৰিত কৰা প্ৰস্তাৱটো সদনত ভোট দানৰ বাবে দাঙি ধৰিলো। প্ৰশ্নটো হ'ল যে "The Tiwa Autonomous Council (Amendment) Bill, 2024" খন পাৰিত কৰা হওঁক। যি সকল সদস্য ইয়াৰ সপক্ষে আছে তেখেত সকলে কওক হয়, যি সকল সদস্য বিপক্ষে আছে তেখেত সকলে কওক নহয়, মই ভাৱো হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে প্ৰস্তাৱটো গৃহীত হ'ল আৰু বিধেয়ক খন সংশোধনী সহ পাৰিত হ'ল।

এতিয়া কাৰ্যসূচী নং ২০। "The Mising Autonomous Council (Amendment) Bill, 2024" মাননীয় মন্ত্ৰী ড° ৰণোজ পেগু ডাঙৰীয়াই "The Mising Autonomous Council (Amendment) Bill, 2024" খন বিবেচনাৰ বাবে প্ৰস্তাৱ কৰিব।

**ড° ৰণোজ পেগু, (শিক্ষামন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে "The Mising Autonomous Council (Amendment) Bill, 2024" বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া প্ৰস্তাৱটো বিবেচনাৰ বাবে সদনত ভোটদানৰ বাবে দাঙি ধৰিলো। প্ৰশ্নটো হ'ল "The Mising Autonomous Council (Amendment) Bill, 2024" খন বিবেচনাৰ বাবে লোৱা হওক,

যি সকল সদস্য ইয়াৰ সপক্ষে আছে তেখেত সকলে কওক হয়,

যি সকল সদস্য বিপক্ষে আছে তেখেত সকলে কওক নহয়,

মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে

প্ৰস্তাৱটো গৃহীত হ'ল আৰু বিধেয়ক খন ইতিমধ্যে দফাই দফাই আলোচনা হৈ গৈছে।

এতিয়া দফা নং ২ নং ৰ পৰা ৮ নং দফালৈ কোনো সংশোধনী নাই, এতিয়া ২ নং ৰ পৰা ৮ লৈ সদনত ভোট দানৰ বাবে মই দাঙি ধৰিলো প্ৰশ্নটো হ'ল দফা নং ২ ৰ পৰা ৮ লৈ বিধেয়ক খনৰ অংশ হ'ব

যি সকল সদস্য ইয়াৰ সপক্ষে আছে তেখেত সকলে কওক হয়,

যি সকল সদস্য বিপক্ষে আছে তেখেত সকলে কওক নহয়,

মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে

২ নং দফাৰ পৰা ৮ লৈকে বিধেয়ক খনৰ অংশ হ'ল ।

এতিয়া ৯ নং দফাত মাননীয় দেৱব্ৰত শইকীয়া আৰু তেখেতৰ সহযোগী সকলৰ এটা সংশোধনী প্ৰস্তাৱ আছিলে যিহেতো প্ৰস্তাৱটো উঠাই লৈছে, এতিয়া প্ৰশ্নটো হ'ল যে দফা নং ৯ বিধেয়ক খনৰ অংশ হ'ব।

যি সকল সদস্য ইয়াৰ সপক্ষে আছে তেখেত সকলে কওক হয়,

যি সকল সদস্য বিপক্ষে আছে তেখেত সকলে কওক নহয়,

মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে

দফা নং ৯ বিধেয়ক খনৰ অংশ হ'ব।

এতিয়া দফা নং ১০ ৰ পৰা ১৫ লৈ কোনো সংশোধনী নাই, গতিকে মই দফা নং ১০ ৰ পৰা ১৫ লৈ সদনত ভোট দানৰ বাবে দাঙি ধৰিলো। প্ৰশ্নটো হ'ল যে দফা নং ১০ ৰ পৰা ১৫ লৈ বিধেয়ক খনৰ অংশ হ'ব।

যি সকল সদস্য ইয়াৰ সপক্ষে আছে তেখেত সকলে কওক হয়,

যি সকল সদস্য বিপক্ষে আছে তেখেত সকলে কওক নহয়,

মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে

দফা নং ১০ ৰ পৰা ১৫ লৈ বিধেয়ক খন অংশ হ'ল।

দফা নং ১৬ ত ৰমাকান্ত দেউৰী ডাঙৰীয়াৰ এটা সংশোধনী প্ৰস্তাৱ আছিল সেইটো গ্ৰহণ কৰা হৈছে। গতিকে প্ৰশ্নটো হ'ল যে ১৬ নং দফা বিধেয়ক খন অংশ হ'ব,

যি সকল সদস্য ইয়াৰ সপক্ষে আছে তেখেত সকলে কওক হয়,

যি সকল সদস্য বিপক্ষে আছে তেখেত সকলে কওক নহয়,

মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে

দফা নং ১৬ সংশোধনীৰ সৈতে বিধেয়ক খনৰ অংশ হ'ব।

এতিয়া দফা নং ১৭ ৰ পৰা ২৯ লৈ কোনো সংশোধনী নাই, এতিয়া মই দফা নং ১৭ ৰ পৰা ২৯ লৈ সদনত ভোট দানৰ বাবে দাঙি ধৰিলো। প্ৰশ্নটো হ'ল যে দফা নং ১৭ ৰ পৰা ২৯ লৈ বিধেয়ক খনৰ অংশ হ'ব। যি সকল সদস্য ইয়াৰ সপক্ষে আছে তেখেত সকলে কওক হয়, যি সকল সদস্য বিপক্ষে আছে তেখেত সকলে কওক নহয়, মই ভাৰো হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে দফা নং ১৭ ৰ পৰা ২৯ লৈ বিধেয়ক খন অংশ হ'ল।

এতিয়া দফা নং ১ পৰিষৰ আৰম্ভণ আৰু শিৰোনামাত সংশোধনী নাই, এতিয়া দফা নং ১ পৰিষৰ, আৰম্ভণ আৰু শিৰোনামা সদনত ভোটদানৰ বাবে দাঙি ধৰিলো। প্ৰশ্নটো হ'ল দফা নং ১ পৰিষৰ আৰম্ভণ আৰু শিৰোনামা বিধেয়ক খন অংশ হ'ব। যি সকল সদস্য ইয়াৰ সপক্ষে আছে তেখেত সকলে কওক হয়, যি সকল সদস্য বিপক্ষে আছে তেখেত সকলে কওক নহয়, মই ভাৰো হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে, হয়ৰ সাপেক্ষে দফা নং ১ পৰিষৰ আৰম্ভণ আৰু শিৰোনামাত বিধেয়ক খনৰ অংশ হ'ব।

এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়াই বিধেয়ক খন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিব।

**ড° ৰণোজ পেগু, (শিক্ষামন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই "The Mising Autonomous Council (Amendment) Bill, 2024" সংশোধনী সহ পাৰিত কৰাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া মই মন্ত্ৰী ডাঙৰীয়াৰ দ্বাৰা বিধেয়ক খন পাৰিত কৰা প্ৰস্তাৱটো সদনত ভোট দানৰ বাবে দাঙি ধৰিলো। প্ৰশ্নটো হ'ল যে "The Mising Autonomous Council (Amendment) Bill, 2024" খন পাৰিত কৰা হওঁক।

যি সকল সদস্য ইয়াৰ সপক্ষে আছে তেখেত সকলে কওক হয়,

যি সকল সদস্য বিপক্ষে আছে তেখেত সকলে কওক নহয়,

মই ভাৰো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে

প্ৰস্তাৱটো গৃহীত হ'ল আৰু বিধেয়ক খন সংশোধনী সহ পাৰিত হ'ল।

এতিয়া কাৰ্যসূচী নং ২১। "The Rabha Hasong Autonomous Council (Amendment) Bill, 2024" মাননীয় মন্ত্ৰী ড° ৰণোজ পেগু ডাঙৰীয়াই "The Rabha Hasong Autonomous Council (Amendment) Bill, 2024" খন বিবেচনাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিব।

**ড° ৰণোজ পেগু, (শিক্ষামন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে "The Rabha Hasong Autonomous Council (Amendment) Bill, 2024" বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ মই এতিয়া প্ৰস্তাৱটো বিবেচনাৰ বাবে সদনত ভোটদানৰ বাবে দাঙি ধৰিলো। প্ৰশ্নটো হ'ল The Rabha Hasong Autonomous Council (Amendment) Bill, 2024 খন বিবেচনাৰ বাবে লোৱা হওঁক।

যি সকল সদস্য- সদস্যা সপক্ষে আছে, তেখেত সকলে কওঁক 'হয়' ,

আৰু যি সকল সদস্য- সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

প্ৰস্তাৱটো গৃহীত হ'ল এতিয়া বিধেয়কখন আলোচনা হ'ল ।

এতিয়া দফা নং ২ ৰ পৰা ৬ লৈ কোনো সংশোধনী নাই।

এতিয়া মই দফা ২ ৰ পৰা ৬ লৈ সদনত ভোটদানৰ বাবে দাঙি ধৰিলো।

প্ৰশ্নটো হ'ল দফা ২ ৰ পৰা ৬ লৈ বিধেয়কখনৰ অংশ হ'ব।

যি সকল সদস্য- সদস্যা সপক্ষে আছে, তেখেত সকলে কওঁক 'হয়' ,

আৰু যি সকল সদস্য- সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

দফা ২ ৰ পৰা ৬ লৈ বিধেয়কখনৰ অংশ হ'ল।

এতিয়া দফা নং ৭, দফা নং ৭ ত মাননীয় সদস্য দেৱব্ৰত শইকীয়া আৰু তেখেতৰ সহযোগী সকলৰ সংশোধনী প্ৰস্তাৱ আছিল, যিহেতু উঠাই লৈছে

গতিকে প্ৰস্তাৱটো দফা নং ৭ বিধেয়ক খনৰ অংশ হ'ব।

যি সকল সদস্য- সদস্যা সপক্ষে আছে, তেখেত সকলে কওঁক 'হয়' ,

আৰু যি সকল সদস্য- সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

দফা নং ৭ বিধেয়কখনৰ অংশ হ'ল।

দফা নং ৮ ৰ পৰা ১৩ লৈ কোনো সংশোধনী প্ৰস্তাৱ নাই এতিয়া মই দফা ৮ ৰ পৰা ১৩ লৈ সদনত ভোটদানৰ বাবে দাঙি ধৰিলো, প্ৰশ্নটো হ'ল দফা ৮ ৰ পৰা ১৩ লৈ বিধেয়কখনৰ অংশ হ'ব।

যি সকল সদস্য- সদস্যা সপক্ষে আছে, তেখেত সকলে কওঁক 'হয়' ,

আৰু যি সকল সদস্য- সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

দফা ৮ ৰ পৰা ১৩ লৈ বিধেয়কখনৰ অংশ হ'ব।

এতিয়া দফা নং ১৪, দফা নং ১৪ ত মাননীয় সদস্য ৰমাকান্ত দেউৰী ডাঙৰীয়াৰ এটা সংশোধনী আছিল সেইটো গ্ৰহণ কৰা হৈছে। গতিকে সংশোধনীৰ ৰূপত দফা নং ১৪ ত বিধেয়কখনৰ অংশ হ'ব।

যি সকল সদস্য- সদস্যা সপক্ষে আছে, তেখেত সকলে কওঁক 'হয়' ,

আৰু যি সকল সদস্য- সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

দফা নং ১৪ সংশোধনীৰ সৈতে বিধেয়কখনৰ অংশ হ'ল।

এতিয়া দফা নং ১৫ৰ পৰা, ১৮ লৈ কোনো সংশোধনী নাই। এতিয়া দফা ১৫ ৰ পৰা ১৮ লৈ সদনত ভোট দানৰ বাবে দাঙি ধৰিলো। প্ৰশ্নটো হ'ল দফা ১৫ ৰ পৰা ১৮ লৈ বিধেয়কখনৰ অংশ হ'ব।

যি সকল সদস্য- সদস্যা সপক্ষে আছে, তেখেত সকলে কওঁক 'হয়' ,

আৰু যি সকল সদস্য- সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

দফা ১৫ ৰ পৰা ১৮ লৈ বিধেয়কখনৰ অংশ হ'ল।

এতিয়া দফা নং ১৯ ত মাননীয় সদস্য দেৱব্ৰত শইকীয়া ডাঙৰীয়া আৰু তেখেতৰ সহযোগী সকলৰ এটা সংশোধনী আছিল যিহেতু প্ৰস্তাৱটো উঠাই লৈছে, এতিয়া প্ৰশ্নটো হ'ল, দফা নং ১৯ বিধেয়কখনৰ অংশ হ'ব।

যি সকল সদস্য- সদস্যা সপক্ষে আছে, তেখেত সকলে কওঁক ‘হয়’ ,
আৰু যি সকল সদস্য- সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক ‘নহয়’
মই ভাবো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে,
দফা নং ১৯ বিধেয়কখনৰ অংশ হ’ল।

এতিয়া দফা নং ২০ৰ পৰা, ২৭ লৈ কোনো সংশোধনী নাই। এতিয়া দফা ২০ ৰ পৰা ২৭ লৈ সদনত ভোট দানৰ বাবে দাঙি ধৰিলো। প্ৰশ্নটো হ’ল দফা ২০ ৰ পৰা ২৭ লৈ বিধেয়কখনৰ অংশ হ’ব।

যি সকল সদস্য- সদস্যা সপক্ষে আছে, তেখেত সকলে কওঁক ‘হয়’ ,
আৰু যি সকল সদস্য- সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক ‘নহয়’
মই ভাবো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে,
দফা ২০ ৰ পৰা ২৭ লৈ বিধেয়কখনৰ অংশ হ’ল।
দফা নং ১ পৰিসৰ আৰম্ভন আৰু শিৰোনামাত সংশোধনী নাই ।
এতিয়া দফা নং ১ পৰিসৰ আৰম্ভন আৰু শিৰোনামা সদনত ভোট দানৰ বাবে দাঙি ধৰিলো।
প্ৰশ্নটো হ’ল, দফা নং ১ পৰিসৰ আৰম্ভন আৰু শিৰোনামা বিধেয়কখনৰ অংশ হ’ব।
যি সকল সদস্য- সদস্যা সপক্ষে আছে, তেখেত সকলে কওঁক ‘হয়’ ,
আৰু যি সকল সদস্য- সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক ‘নহয়’
মই ভাবো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে,
দফা নং ১ পৰিসৰ আৰম্ভন আৰু শিৰোনামা বিধেয়কখনৰ অংশ হ’ব।

মাননীয় মন্ত্ৰীয়ে এতিয়া বিধেয়কখন পাৰিত কৰিবলৈ প্ৰস্তাৱ উত্থাপন কৰিব।

**ড° ৰণোজ পেগু, (শিক্ষামন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই The Rabha Hasong Autonomous Council (Amendment) Bill, 2024সংশোধনীসহ পাৰিত কৰাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া মই মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ দ্বাৰা বিধেয়ক পাৰিত কৰাৰ বাবে প্ৰস্তাৱটো সদনত ভোটদানৰ বাবে দাঙি ধৰিলো। প্ৰশ্নটো হ’ল যে The Rabha Hasong Autonomous Council (Amendment) Bill, 2024 খন পাৰিত কৰা হওঁক।

যি সকল সদস্য- সদস্যা সপক্ষে আছে, তেখেত সকলে কওঁক ‘হয়’ ,
আৰু যি সকল সদস্য- সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক ‘নহয়’
মই ভাবো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে,
প্ৰস্তাৱটো গৃহীত হ’ল আৰু বিধেয়কখন সংশোধনী সহ পাৰিত হ’ল।

এতিয়া কাৰ্য্যসূচী নং ২২

The Thengal Kachari Autonomous Council (Amendment) Bill, 2024.

এতিয়া মাননীয় মন্ত্ৰী ৰনোজ পেগু ডাঙৰীয়াই The Thengal Kachari Autonomous Council (Amendment) Bill, 2024.খন সদনত বিৱেচনাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিব।

**ড° ৰণোজ পেগু, (শিক্ষামন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে The Thengal Kachari Autonomous Council (Amendment) Bill, 2024.খন বিৱেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ মই এতিয়া প্ৰস্তাৱটো সদনত ভোটদানৰ বাবে দাঙি ধৰিলো। প্ৰশ্নটো হ’ল যে

The Thengal Kachari Autonomous Council (Amendment) Bill, 2024.খন বিবেচনাৰ বাবে লোৱা হওঁক।

যি সকল সদস্য- সদস্যা সপক্ষে আছে, তেখেত সকলে কওঁক 'হয়' ,

আৰু যি সকল সদস্য- সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

প্ৰস্তাৱটো গৃহীত হ'ল।

আৰু যিহেতু ইয়াত ইতিমধ্যে আলোচনা হ'ল,

এতিয়া দফা নং ২ ৰ পৰা ৬ লৈ কোনো সংশোধনী নাই।

এতিয়া মই দফা ২ ৰ পৰা ৬ লৈ সদনত ভোটদানৰ বাবে দাঙি ধৰিলো।

প্ৰশ্নটো হ'ল দফা ২ ৰ পৰা ৬ লৈ বিধেয়কখনৰ অংশ হ'ব।

যি সকল সদস্য- সদস্যা সপক্ষে আছে, তেখেত সকলে কওঁক 'হয়' ,

আৰু যি সকল সদস্য- সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

দফা ২ ৰ পৰা ৬ লৈ বিধেয়কখনৰ অংশ হ'ল।

এতিয়া দফা নং ৭, দফা নং ৭ ত সংশোধনী প্ৰস্তাৱ উঠাই লৈছে

গতিকে প্ৰস্তাৱটো হ'ল দফা নং ৭ বিধেয়ক খনৰ অংশ হ'ব।

যি সকল সদস্য- সদস্যা সপক্ষে আছে, তেখেত সকলে কওঁক 'হয়' ,

আৰু যি সকল সদস্য- সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

দফা নং ৭ বিধেয়কখনৰ অংশ হ'ল।

এতিয়া দফা নং ৮ ৰ পৰা ১৩ লৈ কোনো সংশোধনী প্ৰস্তাৱ নাই এতিয়া মই দফা ৮ ৰ পৰা ১৩ লৈ সদনত ভোটদানৰ বাবে দাঙি ধৰিলো।

প্ৰশ্নটো হ'ল দফা ৮ ৰ পৰা ১৩ লৈ বিধেয়কখনৰ অংশ হ'ব।

যি সকল সদস্য- সদস্যা সপক্ষে আছে, তেখেত সকলে কওঁক 'হয়' ,

আৰু যি সকল সদস্য- সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

দফা ৮ ৰ পৰা ১৩ লৈ বিধেয়কখনৰ অংশ হ'ব।

এতিয়া দফা নং ১৪, দফা নং ১৪ ত মাননীয় সদস্য ৰমাকান্ত দেউৰী ডাঙৰীয়াৰ এটা সংশোধনী আছিল সেইটো গ্ৰহণ কৰা হৈছে। গতিকে প্ৰশ্নটো হ'ল দফা নং ১৪ সংশোধনী ৰূপত বিধেয়কখনৰ অংশ হ'ব।

যি সকল সদস্য- সদস্যা সপক্ষে আছে, তেখেত সকলে কওঁক 'হয়' ,

আৰু যি সকল সদস্য- সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

দফা নং ১৪ সংশোধনীৰ সৈতে বিধেয়কখনৰ অংশ হ'ল।

এতিয়া দফা নং ১৫ৰ পৰা ২৭ লৈ কোনো সংশোধনী নাই। এতিয়া দফা ১৫ ৰ পৰা ২৭ লৈ সদনত ভোট দানৰ বাবে দাঙি ধৰিলো। প্ৰশ্নটো হ'ল দফা ১৫ ৰ পৰা ২৭ লৈ বিধেয়কখনৰ অংশ হ'ব।

যি সকল সদস্য- সদস্যা সপক্ষে আছে, তেখেত সকলে কওঁক ‘হয়’ ,
আৰু যি সকল সদস্য- সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক ‘নহয়’
মই ভাবো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে,
দফা ১৫ ৰ পৰা ২৭ লৈ বিধেয়কখনৰ অংশ হ’ৰ।

দফা নং ১ পৰিসৰ আৰম্ভন আৰু শিৰোনামাত সংশোধনী নাই ।

এতিয়া দফা নং ১ পৰিসৰ আৰম্ভন আৰু শিৰোনামা সদনত ভোট দানৰ বাবে দাঙি ধৰিলো।

প্ৰশ্নটো হ’ল, দফা নং ১ পৰিসৰ আৰম্ভন আৰু শিৰোনামা বিধেয়কখনৰ অংশ হ’ব।
যি সকল সদস্য- সদস্যা সপক্ষে আছে, তেখেত সকলে কওঁক ‘হয়’ ,
আৰু যি সকল সদস্য- সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক ‘নহয়’
মই ভাবো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে,
দফা নং ১ পৰিসৰ আৰম্ভন আৰু শিৰোনামা বিধেয়কখনৰ অংশ হ’ব।

মাননীয় মন্ত্ৰীয়ে এতিয়া বিধেয়কখন পাৰিত কৰিবলৈ প্ৰস্তাৱ উত্থাপন কৰিব।

**ড° ৰণোজ পেগু, (শিক্ষামন্ত্ৰী)** ঃমাননীয় উপাধ্যক্ষ মহোদয়, মই The Thengal Kachari Autonomous Council (Amendment) Bill, 2024 সংশোধনীসহ পাৰিত কৰাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া মই মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ দ্বাৰা বিধেয়ক পাৰিত কৰাৰ বাবে প্ৰস্তাৱটো সদনত ভোটদানৰ বাবে দাঙি ধৰিলো। প্ৰশ্নটো হ’ল যে The Thengal Kachari Autonomous Council (Amendment) Bill, 2024 খন পাৰিত কৰা হওঁক।

যি সকল সদস্য- সদস্যা সপক্ষে আছে, তেখেত সকলে কওঁক ‘হয়’ ,
আৰু যি সকল সদস্য- সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক ‘নহয়’
মই ভাবো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে,
প্ৰস্তাৱটো গৃহীত হ’ল আৰু বিধেয়কখন সংশোধনী সহ পাৰিত হ’ল।

এতিয়া কাৰ্য্যসূচী নং ২৩

The Assam Municipal (Amendment) Bill, 2024 এতিয়া মাননীয় মন্ত্ৰী অশোক সিংহল ডাঙৰীয়াৰ হৈ সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে The Assam Municipal (Amendment) Bill, 2024 খন বিবেচনাৰ বাবে প্ৰস্তাৱ কৰিব।

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই সন্মানীয় মন্ত্ৰী অশোক সিংহল ডাঙৰীয়াৰ হৈ আপোনাৰ অনুমতি সাপেক্ষে The Assam Municipal (Amendment) Bill, 2024 বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া ইয়াতAmendment ৰ কাৰণে মাননীয় সদস্য দেৱব্ৰত শইকীয়া আৰু তেখেতৰ সহযোগী সকল।

**শ্ৰী মিছবাহুল ইছলাম লস্কৰ** ঃ মাননীয় উপাধ্যক্ষ মহোদয়,The Assam Municipal (Amendment) Bill, 2024 ৰ in Clause-5 and in Sub-Clause-(6), the proviso shall be substituted by the following- “Provided the Executive Officer shall obtain verbal approval of the Chairman of the Board, the action to be taken.” Sir, I am also a ex-Member of Silchar Municipal Board. I am elected as Ward Commissioner. মই এতিয়াও

Silchar Municipality ৰ Tax-Payer. Silchar Municipality ত এটা মাৰ্কেট আছে, সেইটো Municipalty ত ডাঙৰ ইনকাম হয় মাৰ্কেটৰ পৰা, এটা নিউ মাৰ্কেট কৰা তাৰ সন্মুখৰ ৰাস্তা ৫০ শতাংশ বজাৰত লাগি গৈছে। ৫০ শতাংশ গাড়ীবোৰ প্ৰায় বন্ধ থাকে মই প্ৰায় এই ৰাস্তাৰে ঘৰত অহা- যোৱা কৰো। এই ৰাস্তাটো বন্ধ থাকে সেইটো Municipalty য়ে এই ৰাস্তাৰ কাম নকৰে। ফলত ৰাস্তাটো প্ৰায়েই বন্ধ হৈ থাকে। এই ৰাস্তাত জমা হোৱা পেলোৱা জাৱৰ-যোথৰবোৰ সপ্তাহ বা ১৫ দিনৰ পিছতহে সেইবোৰ তাৰ পৰা উলিয়াই নিয়ে। ফলত সেই ৰাস্তাটোৰ পৰা ওলোৱা গোন্ধাবোৰে মানুহৰ যথেষ্ট ক্ষতি সাধন কৰে। দ্বিতীয়তে আমাৰ Municipality খনত বোৰ্ড আছে নে কোৰপোৰেশ্যন আছে এই বিষয়ে একো গম নাপাওঁ। আজি ৫ বছৰ পাৰ হৈ গ'ল তাত নিৰ্ব্বাচন হোৱা নাই। চৰকাৰে Municipality ফাণ্ডবোৰ দি আছে আৰু এই ফাণ্ডবোৰ ক'ত খৰছ হৈছে আৰু ইয়াৰ আঁচনি সমূহ কোনে পাইছে এই বিষয়ওে গম নাপাওঁ। ঠিকাদাৰবোৰে পেপাৰৰ কামবোৰ কৰে যদিও পেপাৰত টেণ্ডাৰ নোলায়। গতিকে এই বিষয়বোৰ স্বচ্ছ আৰু নিকা হ'ব লাগে। চৰকাৰে যাতে আমাৰ Municipality ৰ নিৰ্ব্বাচনটো সোনকালে পাতে তাৰবাবে অনুৰোধ থাকিল।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী হাফিজ বছিৰ আহমেদ আপোনালোকৰ দুটা সংশোধনী প্ৰস্তাৱ আছে। সেই দুয়োটা একেলগে কৈ দিয়ক।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমি আমাৰ সংশোধনী প্ৰস্তাৱ দুটা উঠাই লৈছো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় বিধায়ক শ্ৰী অখিল গগৈ ডাঙৰীয়া, তেখেত সদনত অনুপস্থিত। এতিয়া মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এইটো নিয়মত আছে নেকি যে কোনোবাই সংশোধনী আনিলে অনুপস্থিত থাকিব পাৰে। এইক্ষেত্ৰত এটা ব্যৱস্থা গ্ৰহণ কৰক। আমাৰ ১২৬ জন সদস্যৰ ভিতৰত মাননীয় বিধায়ক শ্ৰী অখিল গগৈ ডাঙৰীয়াই ভাবে যে তেওঁ first boy. যেনেকৈ আমাৰ class-1 ৰ পৰা class-10 লৈ যি first boy থাকে তেনেকৈ তেওঁ নিজকে সৰ্বজন্তা বুলি ভাবে। কাৰণ তেওঁ আজিও কৈছে যে আমি পঢ়া-শুনা নকৰো। কিন্তু মই পঢ়া-শুনা কৰিয়েই কিবা এটা কৈছিলো। কিন্তু তেওঁ ক'লে কোনোবাই বনাই দিয়া বুলি। মই বিষয়টো Google ত চাৰ্চ কৰি পঢ়িহে কৈছিলো। মাননীয় বিধায়ক শ্ৰী অখিল গগৈ ডাঙৰীয়াই সদায় এনেকৈ কৈ থাকিব আৰু তেওঁ আবেলি সদনত কোনোদিন উপস্থিত নাথাকে। আপুনি যদি ৰেজিষ্টাৰখন চাই দেখিব মাননীয় বিধায়ক শ্ৰী অখিল গগৈ ডাঙৰীয়াই আবেলি কেতিয়াও উপস্থিত নাথাকে। আগবেলা সেইদিনা আমি কেইজনমান সদস্য কম থকাৰ কাৰণে তেওঁ ডিভিজনত লৈ গ'ল। মাননীয় উপাধ্যক্ষ ডাঙৰীয়া কথাটো অলপ চিন্তা কৰিব লাগে।

**মাননীয় উপাধ্যক্ষ ঃ** এই বিষয়টো আমি পৰৱৰ্ত্তী সময়ৰ কাৰ্য্য উপদেষ্টা সমিতিৰ বৈঠকত আলোচনা কৰিম।

**শ্ৰীপীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই এটা কথা মন কৰি আছো যে সদস্য সকলে প্ৰশ্ন আনে কিন্তু সদনত অনুপস্থিত থাকে। কিবা এনেকুৱা নিয়ম আছে নেকি? মন্ত্ৰী সকলে দিনে-ৰাতি কষ্ট কৰি পঢ়া-শুনা কৰি ইয়ালৈ আহিব লাগে। সংশোধনী আনি এজন অত্যন্ত অভিজ্ঞ, চোকা ব্যক্তিয়ে সংশোধনী প্ৰস্তাৱটো আনি নিজে গুচি গ'ল। গতিকে মাননীয় উপাধ্যক্ষ মহোদয়, ইয়াৰ কিবা এটা ব্যৱস্থা কৰিব লাগে। গতিকে এই বিষয়টো গৰিহণাৰ যোগ্য। মই বেলেগ

হ'লে নকলো হয়। কিন্তু তেওঁ দাবী কৰে যে ১২৬ জন বিধায়কৰ ভিতৰত তেওঁ ১ নম্বৰ। তেওঁ সকলোতকৈ বেছি পঢ়া-শুনা কৰা। তেওঁ আমাক অজ্ঞানী, আন্দোলনকাৰী আৰু বহুত কিবা-কিবি কয়। আমি তেওঁক নৈৰাজ্য বাদী বুলি কওঁ আৰু তেওঁ আজি ইয়াত নাই। গতিকে তেওঁ সদনক অৱমাননা কৰা হয় নে নহয়? মই এইক্ষেত্ৰত মাননীয় বিৰোধী দলৰ দলপতি ডাঙৰীয়াৰ পৰা এটা সুদুত্তৰ বিচাৰিছো। এই ক্ষেত্ৰত এটা সিদ্ধান্ত ল'ব লাগে।

**শ্ৰী দেবব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এই বিষয়টো সৰ্বদলীয় সভাত আলোচনা কৰিব লাগে।

**মাননীয় উপাধ্যক্ষ ঃ** BAC ৰ বৈঠকত আমি সিদ্ধান্ত ল'ম।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এই বিষয়টো আমাৰ ফালৰ পৰা তীব্ৰ গৰিহণা দিছো যে এজন সদস্যই সকলোতকৈ জনা বুলি ভাবে আৰু আমাক প্ৰত্যেক দিনাই তিৰস্কাৰ কৰে। তেখেতে আজি সংশোধনী আনি সদনত অংশ গ্ৰহণ নকৰাকৈ পলাই গুছি গ'ল। চাৰ, তেখেতে যিটো সংশোধনী আনিছিল সেইটো হৈছে যে আমাৰ মিউনিচিপাল বোৰ্ডত চেয়াৰমেন আৰু ভাইচ চেয়াৰমেন আৰু সদস্য-সদস্যা সকল থাকে। আমি মিউনিচিপালিটি বোৰ্ডখন চলাবলৈ executive officer দিয়াৰ ব্যৱস্থা কৰিছো। চাৰ, এইটো এটা যুগান্তকাৰী সিদ্ধান্ত হৈছে। এই বিভাগটোৰ তিনিবছৰ মই ও মন্ত্ৰী আছিলো। এই বিভাগটো চলাব নোৱাৰি। কিয়নো আমাৰ director ৰ মিউনিচিপালিটি বোৰ্ডৰ ওপৰত কোনো নিয়ন্ত্ৰণ নাথাকে। দিল্লীৰ পৰা পোনপটীয়াকৈ ফাণ্ডবোৰ আহে আৰু কোনে ক'ত কেনেকৈ পইচাবোৰ খৰছ কৰে তাৰ কোনো হিচাপ নাথাকে। তাত কোনো এজন চৰকাৰী কৰ্মচাৰী নাথাকে। যাৰ ফলত বিভাগটোৰ অচলাৱস্থা হয়। মাননীয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ চৰকাৰখনে এটা যুগান্তকাৰী সিদ্ধান্ত লৈ এটা কেডাৰ প্ৰতিষ্ঠা কৰিছে। যাৰ ফলত এই executive officer বোৰক মিউনিচিপালিটিত দিয়াৰ ব্যৱস্থা কৰা হৈছে। ইয়াত মাননীয় বিধায়ক গৰাকীয়ে আনিব বিচাৰিছিল যে যিটো financial power আছে, সেই পাৱাৰ খিনি কেৱল executive officer কে নিদি চেয়াৰমেন বা ভাইচ চেয়াৰমেন সকলক দিব লাগে। আমাৰ মন্ত্ৰী সকলে কৰবাত চহী কৰিব পাৰে নেকি? আমাৰ মন্ত্ৰী সকলে কেৱল এপ্ৰোভেল হে দিব পাৰে। আমাৰ DDO সকলেহে voucher বা পেমেণ্টত চহী কৰে। তেখেত এটা অদ্ভুত যক্তি আনিছিল যে executive officer নহ'ব, চেয়াৰমেন বা ভাইচ চেয়াৰমেনেহে পেমেণ্ট দিব লাগিব। চাৰ, এইটো সম্ভৱ জানো? ইমান জনা মানুহ জনে এনেকুৱা ধৰণৰ এটা যুক্তি আনিছে। চাৰ, মই বিধায়কজনে কৰ'বাত চহী কৰিব পাৰো নেকি? আনকি মাননীয় মুখ্যমন্ত্ৰী জনেও কেৱল ৰিলিফ ফাণ্ডৰ চেকৰ বাহিৰে কতো চহী কৰিব নোৱাৰে। তেখেতে যিটো সংশোধনী আনিছে, সেইটো executive officer য়ে নহয়, চেয়াৰমেনে হে financial matter ত চহী কৰিব পাৰে। এইবিষয়ে মই তেখেতক উত্তৰ দিলো হয় কিন্তু তেখেত পলাই গ'ল। ইয়াৰ পিছত আমাৰ এ.আই.ইউ.ডি.এফ য়ে সংশোধনীটো উঠাই ল'লে। কংগ্ৰেছৰ ফালৰ পৰা যিটো সংশোধনী আনিছিল সেইটো হ'ল verbal approval. আমাৰ মডেলিটিটো হ'ল গুৱাহাটী মিউনিচিপালিটি বোৰ্ডৰ য'ত অফিচাৰ আছে, GMC ত কমিশ্যনাৰ আছে আৰু তাত কিবা emergency হ'লে তেওঁ অতি সোনকালে ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। আমাৰ মাননীয় বিধায়কজনে আনিছে যে verbaly হ'লেও approval ল'ব লাগে। মাননীয় উপাধ্যক্ষ মহোদয়, verbal approval ত কোনো চৰকাৰৰ value নাথাকে।

**শ্ৰী মিছবাহুল ইছলাম লস্কৰ, (বৰখলা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, executive officer

জন চেয়াৰমেনৰ অধীনত থাকিব লাগে।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** माननीয় উপাধ্যক্ষ মহোদয়, executive officer জনে যদি on emergency সিদ্ধান্ত ল'ব লগীয়া হয়, তেতিয়াহ'লে সেইটো আকৌ বোৰ্ডত গৈ প্ৰস্তাৱ কৰিব লাগিব। মই on emergency ত হে কৈছো সদায় নহয়। এই নিয়মটো গুৱাহাটী মিউনিচিপালিটি বোৰ্ডত চলি আছে। গতিকে মই সন্মানীয় সদস্য গৰাকীক অনুৰোধ জনাওঁ যে এই সংশোধনীটো যাতে উঠাই লয়।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী দেবব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যিটো জবাব দিহি দিয়াৰ ব্যৱস্থা কৰিম বুলি কৈছে তাৰ বাবে চৰকাৰে যি executive officer দিয়াৰ কথা ক'লে তাৰবাবে মই চৰকাৰক ধন্যবাদ জনাব বিচাৰিছো। বহু ক্ষেত্ৰত দেখা যায় যে প্ৰশাসনিক ভাৱে যেনেধৰণে হ'ব লাগে তেনেকৈ নোহোৱাকৈ কাম হয়। কাৰণ মোৰ সমষ্টিৰ এখন টাউন কমিটিত মথাউৰিৰ ওপৰতে জলসম্পদ বিভাগৰ অনুমতি নোলোৱাকৈ বজাৰ বহুৱাই দিছে। যাৰ ফলত মথাউৰিটোৰ ক্ষতি হৈছে। গতিকে যদি executive officer দিয়ে তেতিয়া তাত জবাবদিহি থাকিব। গতিকে এই পদক্ষেপটো আমি ভাল পাইছো। যিটো verbal consent ল'বলৈ আৰু তেওঁ নোট কৰি থব পাৰে কাৰণ পাছত তেওঁ জনাইছো বুলি ক'ব পাৰে। কাৰণ তেওঁলোকো ৰাইজৰ প্ৰতিনিধি। তেওঁ ও ৰাইজৰ জবাবদিহি হয়। যদি নোৱাৰে একো নাই।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, verbal approval টোৰ কোনো value নাথাকে।

**শ্ৰী দেবব্ৰত শইকীয়া,(বিৰোধী দলৰ দলপতি) ঃ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমি আমাৰ প্ৰস্তাৱটো উঠাই লৈছো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া প্ৰস্তাৱটো বিবেচনাৰ বাবে সদনত ভোটদানৰ বাবে দাঙি ধৰিলো। প্ৰশ্নটো হ'ল - "The Assam Municipality Amendment Bill, 2024" খন বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল সপক্ষে আছে, কওঁক 'হয়',
যিসকল বিপক্ষে আছে, কওঁক 'নহয়',
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
প্ৰস্তাৱটো গৃহীত হ'ল ।

দফা নং ২ ৰ পৰা ৪ লৈ কোনো সংশোধনী নাই। সেয়েহে দফা ২ ৰ পৰা ৪ লৈ সদনত ভোটদানৰ বাবে মই দাঙি ধৰিলো। প্ৰশ্নটো হ'ল যে দফা ২ ৰ পৰা ৪ লৈ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে, কওঁক 'হয়',
যিসকল বিপক্ষে আছে, কওঁক 'নহয়',
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
দফা ২ ৰ পৰা ৪ লৈ বিধেয়কখনৰ অংশ হ'ল ।

যিহেতু ৫ নং দফাত সংশোধনী আছিল, সেইটো উইদ্ৰ কৰা হৈছে। গতিকে প্ৰশ্নটো হ'ল যে দফা নং ৫ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে, কওঁক 'হয়',

যিসকল বিপক্ষে আছে, কওঁক 'নহয়',
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
দফা নং ৫ বিধেয়কখনৰ অংশ হ'ল ।

এতিয়া দফা নং ৬, সংশোধনী প্রস্তাৱ withdraw কৰা হৈছে। গতিকে প্রশ্নটো হ'ল যে দফা নং ৬ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সদস্য/সদস্যা সপক্ষে আছে, কওঁক 'হয়'
যিসকল সদস্য/সদস্যা বিপক্ষে আছে, কওঁক 'নহয়'
মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে
দফা নং ৬ বিধেয়কখনৰ অংশ হ'ল।

এতিয়া দফা নং ৭ ত সন্মানীয় সদস্য শ্রী অখিল গগৈৰ এটা সংশোধনী আছে।
তেখেত অনুপস্থিত।
প্রশ্নটো হ'ল যে দফা নং ৭ বিধেয়কখনৰ অংশ হ'ব।
যিসকল সদস্য/সদস্যা সপক্ষে আছে, কওঁক 'হয়'
যিসকল সদস্য/সদস্যা বিপক্ষে আছে, কওঁক 'নহয়'
মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে
দফা নং ৭ বিধেয়কখনৰ অংশ হ'ল।

এতিয়া দফা নং ৮ ত কোনো সংশোধনী নাই।
মই দফা নং ৮ সদনত ভোটদানৰ বাবে দাঙি ধৰিলো।
প্রশ্নটো হ'ল যে দফা নং ৮ বিধেয়কখনৰ অংশ হ'ব।
যিসকল সদস্য/সদস্যা সপক্ষে আছে, কওঁক 'হয়'
যিসকল সদস্য/সদস্যা বিপক্ষে আছে, কওঁক 'নহয়'
মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে
দফা নং ৮ বিধেয়কখনৰ অংশ হ'ল।

দফা নং ৯ সন্মানীয় সদস্য শ্রী অখিল গগৈৰ এটা সংশোধনী আছে। তেখেত অনুপস্থিত।
এতিয়া প্রশ্নটো হ'ল যে দফা নং ৯ বিধেয়কখনৰ অংশ হ'ব।
যিসকল সদস্য/সদস্যা সপক্ষে আছে, কওঁক 'হয়'
যিসকল সদস্য/সদস্যা বিপক্ষে আছে, কওঁক 'নহয়'
মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে
দফা নং ৯ বিধেয়কখনৰ অংশ হ'ল।

দফা নং ১০ ৰ পৰা ১৯ লৈ সংশোধনী নাই।
মই দফা নং ১০ ৰ পৰা ১৯ লৈ সদনত ভোটদানৰ বাবে দাঙি ধৰিলো।
প্রশ্নটো হ'ল যে দফা নং ১০ ৰ পৰা ১৯ বিধেয়কখনৰ অংশ হ'ব।
যিসকল সদস্য/সদস্যা সপক্ষে আছে, কওঁক 'হয়'
যিসকল সদস্য/সদস্যা বিপক্ষে আছে, কওঁক 'নহয়'
মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে
দফা নং ১০ ৰ পৰা ১৯ বিধেয়কখনৰ অংশ হ'ল।

দফা নং ১, পৰিসৰ, আৰম্ভণ আৰু শিৰোনামত সংশোধনী নাই।

এতিয়া দফা নং ১, পৰিসৰ, আৰম্ভণ আৰু শিৰোনাম সদনত ভোটদানৰ বাবে দাঙি ধৰিলো।

প্ৰশ্নটো হ'ল দফা নং ১, পৰিসৰ, আৰম্ভণ আৰু শিৰোনাম বিধেয়কখনৰ অংশ হ'ব।

যিসকল সদস্য/সদস্যা সপক্ষে আছে, কওঁক 'হয়'

যিসকল সদস্য/সদস্যা বিপক্ষে আছে, কওঁক 'নহয়'

মই ভাৰো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে

দফা নং ১, পৰিসৰ, আৰম্ভণ আৰু শিৰোনাম বিধেয়কখনৰ অংশ হ'ল।

এতিয়া মাননীয় মন্ত্ৰীয়ে বিধেয়কখন পাৰিত কৰিবলৈ প্ৰস্তাৱ উত্থাপন কৰিব।

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই সন্মানীয় মন্ত্ৰী শ্ৰী অশোক সিংহাল ডাঙৰীয়াৰ হৈ "The Assam Municipal (Amendment) Bill, 2024 পাৰিত কৰাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া মই মন্ত্ৰী ডাঙৰীয়াৰ দ্বাৰা বিধেয়কখন পাৰিত কৰাৰ প্ৰস্তাৱটো সদনৰ ভোটদানৰ বাবে দাঙি ধৰিলো।

প্ৰশ্নটো হ'ল যে "The Assam Municipal (Amendment) Bill, 2014 খন পাৰিত কৰা হওঁক।

যিসকল সদস্য/সদস্যা সপক্ষে আছে, কওঁক 'হয়'

যিসকল সদস্য/সদস্যা বিপক্ষে আছে, কওঁক 'নহয়'

মই ভাৰো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে

প্ৰস্তাৱটো গৃহীত হ'ল আৰু বিধেয়কখন পাৰিত হ'ব।

এতিয়া কাৰ্য্যসূচী নং ২৪, মাননীয় মন্ত্ৰী শ্ৰী যোগেন মোহন ডাঙৰীয়াই "Right to Fair Compensation and Transparency in Land Acquisition, Rehabilitation and Resettlement(Assam Amendment) Bill, 2023 খন বিবেচনাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিব।

**শ্ৰী যোগেন মোহন, (মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে "Right to Fair Compensation and Transparency in Land Acquisition, Rehabilitation and Resettlement(Assam Amendment) Bill, 2023 খন বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া বিলখনৰ দফা নং ১৪ আৰু দফা নং ১ ত চৰকাৰী সংশোধনী আছে।

মই এতিয়া প্ৰস্তাৱটো বিবেচনাৰ বাবে সদনত ভোটদানৰ বাবে দাঙি ধৰিলো।

প্ৰশ্নটো হ'ল "Right to Fair Compensation and Transparency in Land Acquisition, Rehabilitation and Resettlement(Assam Amendment) Bill, 2023 খন বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল সদস্য/সদস্যা সপক্ষে আছে, কওঁক 'হয়'

যিসকল সদস্য/সদস্যা বিপক্ষে আছে, কওঁক 'নহয়'

মই ভাৰো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে

প্ৰস্তাৱটো গৃহীত হ'ল।

এতিয়া বিধেয়কখন সদনত দফাই দফাই বিবেচনাৰ বাবে লোৱ হ'ব।

দফা নং ২ ৰ পৰা ১৩ লৈ কোনো সংশোধনী নাই।

এতিয়া মই দফা নং ২ ৰ পৰা ১৩ লৈ সদনত ভোটদানৰ বাবে দাঙি ধৰিলো।

প্ৰশ্নটো হ'ল যে দফা নং ২ ৰ পৰা ১৩ লৈ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সদস্য/সদস্যা সপক্ষে আছে, কওঁক 'হয়'

যিসকল সদস্য/সদস্যা বিপক্ষে আছে, কওঁক 'নহয়'

মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে

দফা নং ২ ৰ পৰা ১৩ লৈ বিধেয়কখনৰ অংশ হ'ল।

দফা নং ১৪ ত এটা চৰকাৰী সংশোধনী আছে। মন্ত্ৰী মহোদয়ে সংশোধনীটো উত্থাপন কৰিব।

**শ্ৰী যোগেন মোহন, (মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ ৰাজহুৱা উদ্দেশ্যেৰ বাবে ৰাজ্যৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ যিকোনো প্ৰকল্পৰ বাবে ভূমি আটাইতকৈ গুৰুত্বপূৰ্ণ। এনে প্ৰকল্পৰ বাবে সময়মতে ভূমি উপযুক্ত হোৱাতো ৰাজ্যখনৰ মঙ্গলৰ বাবে বা project সমূহ implement কৰাৰ বাবে অতি গুৰুত্বপূৰ্ণ। ৰাজ্যখনৰ railway network য়ে হওঁক, বিমান বন্দৰে হওঁক, মেডিকেল কলেজ হওঁক বা বিভিন্ন ধৰণৰ প্ৰকল্প নিৰ্মাণৰ কাৰণে সময়মতে মাটি acquisition কৰি চৰকাৰক সহায় কৰি দিয়াটো আমাৰ দায়িত্ব। সেয়ে কিছু এই আইনখনত সংশোধন আনিছো যাতে ক্ষিপ্ৰ ভাৱে land acquisition কৰি বিভাগসমূহক অৰ্পন কৰিব পৰা যায়। সেই উদ্দেশ্যে এই বিলখনত কেইটামান সংশোধনী অনা হৈছে। It is hereby enacted in 74th year of the republic of India as follows :-

(1) This Act may be called the Right to Fair Compensation and Transparency in Land Acquisition, Rehabilitation and Resettlement (Assam Amendment) Act. 2023

কিন্তু আমি replace কৰিব বিচাৰিছো it is hereby enacted in the 75th year of the Republic of India as follows :-. This Act may be called the Right to Fair Compensation and Transparency in Land Acquisition, Rehabilitation and Resettlement (Assam Amendment) Act, 2024 কৰিব বিচাৰিছোঁ।

আৰু এটা সংশোধনী হ'ল section 109, in the principal Act in section 109, in sub section (2), after clause (u), the following clause shall be inserted, namely - "(v) to give effect to the Right to Fair Compensation and Transparency in Land Acquisition, Rehabilitation and Resettlement (Assam Amendment) Act, 2023"।

আমি replace কৰিব বিচাৰিছো, in the principal Act in section 109, in sub section (2), after clause (u), the following clause shall be inserted, namely - "(v) to give effect to the Right to Fair Compensation and Transparency in Land Acquisition, Rehabilitation and Resettlement (Assam Amendment) Act, 2024"।

এই দুটাৰ সামান্য সংশোধনী আনিছো। আপোনালোকে সকলোৱে জানে যে কিছুমান ক্ষেত্ৰত এনেধৰণৰ ব্যৱস্থা আছিল যে গাঁও পঞ্চায়তত আলোচনা কৰিব লাগে land acquisi-

tion কৰিবলৈ হলে, চৰকাৰলৈ আহিলে ৰাজহ আদালত পাতিব লাগে। গতিকে এইটো এটা দীঘলীয়া প্ৰক্ৰিয়া আছিল। আমি এই প্ৰক্ৰিয়াটো কমাব বিচাৰিছো, যাতে মালিকৰ লগত কথা পাতি পোনপতীয়াকৈ নিষ্পত্তি কৰিবলৈ বিচাৰিছোঁ।

ইয়াৰ লগে লগে মাটি অধিগ্ৰহণ কৰাৰ পিছত, সেই পৰিয়ালসমূহক পুনৰ বাসস্থান পোৱাৰক্ষেত্ৰত এই আইনমতে ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কাৰণেও এই আইনখনত সংশোধনী আনিছো। ভূমি অধিগ্ৰহণ কৰাৰ পিছত উপযুক্ত ক্ষতিপূৰণ দিয়াৰ ক্ষেত্ৰত পুনৰ সংস্থাপন, পুনৰ বাসস্থানৰ ব্যৱস্থা কৰাৰ সলনি অতিৰিক্ত পুঁজি প্ৰদান কৰাও এই আইনখনৰ সংশোধনী প্ৰস্তাৱত আনিছো।

এনেকুৱা ধৰণৰ section 31 (a) আছে, ইয়াত ভূমি অধিগ্ৰহণৰ বাবে চৰকাৰে পুনৰ সংস্থাপন আৰু পুনৰ বাসস্থানৰ সলনি নিয়ম নিৰ্ধাৰিত অনুসৰি পুঁজি পৰিশোধ কৰা হ'ব। Approval of payment ৰ লগতে যিটো Parliament ৰ পৰা অনুমোদন ল'ব লগীয়া এটা পদ্ধতি আছিল। আমি সেই Parliament ৰ পৰা অনুমোদন নোহোৱাকৈ Central Government ৰ any department ৰ পৰা কিবা approval আহিলে আমি যাতে মাটিটো দিব পাৰো, তেনেকুৱা ধৰণৰ আমি সংশোধন আনিছো। Parliament ৰ কাৰণে আমি বৈ থাকিব লাগে। Parliament ৰ approve কৰাৰ পাছত আমি project ৰ কাৰণে মাটি দিব নোৱাৰিম বা project টো pending হৈ যাব, দীঘলীয়া হ'ব। এনেকুৱা আমি এটা সংশোধন আনিছো যাতে Parliament নোহোৱাকৈ কোনো বিভাগৰ approval আহিলে আমি দিব পাৰো। লগতে লগতে কিছুমান ৫ বছৰৰ কাৰণে এইখন আইনত আমি allotment দিব লাগে এনেকুৱা এটা দফা আছিল। এনেকুৱা ডাঙৰ ডাঙৰ project আজি ডাঙৰ ব্ৰীজ হওঁক বা ডাঙৰ project হ'লে ৫ বছৰত সম্পূৰ্ণ নহয়গৈ। গতিকে সেই ৫ বছৰ যিমানলৈকে project টো শেষ নহয়, তেতিয়ালৈকে মাটিটো তেওঁলোকৰ হাতত থাকিব পাৰিব তেনেকুৱা ধৰণৰ কিছুমান genuine সংশোধন আনি আমি এই আইনখন অলপ গতিশীল কৰিব বিচাৰিছো। গতিকে আমি এইটো সদনৰ অনুমতি বিচাৰিছো। গতিকে মাননীয় সদনে মই ভাৱো এইখিনিৰ ক্ষেত্ৰত যদি আমাক অনুমোদন দিয়ে আৰু এই Assam Land Requisition and Acquisition Act 1964 বিধিখন নতুনকৈ আমি 5th Scheduled অন্তৰ্ভূক্ত কৰিছো যাতে আমি Act খন continue কৰিব পাৰো। এই সংশোধনী ব্যৱস্থাই প্ৰস্তাৱিত আইন ব্যৱস্থা সমূহ কাৰ্য্যকৰী কৰাৰ বাবে নিয়ম প্ৰস্তুত কৰাত সহায় কৰিব। গতিকে মই ভাবো, এই সংশোধনী কাৰণে আপোনালোকৰ সদনে অনুমতি জনাব। আমাৰ বিভিন্ন বিভাগত যি আসোঁৱাহ আছিল Land Requisition and Acquisition ৰ ক্ষেত্ৰত এই খন আইন আমি সংশোধন কৰিলে এই দফাকেইটা আমি তৎকালীনভাৱে project সমূহ নিৰ্মাণ কৰা ক্ষেত্ৰতেই হওঁক আৰু যিসকলে compensation পাব তেওঁলোককো তৎকালীনভাৱে কাৰণ এতিয়া কি হয় কোৰ্টত গুচি যায়। কোৰ্টৰ পৰা পইচাটো চৰকাৰৰ ওচৰলৈ গুচি যায়। যি বিভাগতেই নাথাকক লাগিলে আমি তেওঁলোকক আমি তেওঁলোকক payment কৰিব পৰাকৈ ব্যৱস্থা আনিছো। গতিকে Land Acquisition ৰ ক্ষেত্ৰত মানুহে যাতে অসুবিধা নাপায়। যিসকলৰ পৰা আমি ভূমি Acquisition কৰো, সেইসকলৰো অসুবিধা নহয়। Project টো চলি থাকক এনেধৰণে আনিবৰ কাৰণে গোটেই ব্যৱস্থাটো আমি এইমাত্ৰ কেইটামান সংশোধনী 2013 Land Acquisition আইন আমি continue কৰিব বিচাৰিছো ২০২৪ চনত। গতিকে আমি এই গোটেই কথাখিনি সদনত বিবেচনা কৰিবৰ কাৰণে অনুৰোধ জনালো।

**माननीय উপাধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া প্ৰশ্নটো হ'ল চৰকাৰী সংশোধনীটো গৃহীত কৰা হওঁক।

যিসকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে, তেখেত সকলে কওঁক হয়,

যিসকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়।

মই ভাৰো, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে

চৰকাৰী সংশোধনীটো গৃহীত হ'ল।

এতিয়া প্ৰশ্নটো হ'ল যে দফা নং ১৪ বিধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে, তেখেত সকলে কওঁক হয়,

যিসকল বিপক্ষে আছে কওঁক নহয়

মই ভাৰো মই ভাৰো, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে

দফা নং ১৪ চৰকাৰী সংশোধনীৰ সৈতে বিধেয়কখনৰ অংশ হ'ল।

এতিয়া দফা নং ১৫ ত সংশোধনী নাই।

এতিয়া দফা নং ১৫ সদনত ভোট দানৰ বাবে দাঙি ধৰিলো।

প্ৰশ্নটো হ'ল দফা নং ১৫ বিধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে, তেখেত সকলে কওঁক হয়,

যিসকল বিপক্ষে আছে কওঁক নহয়,

মই ভাৰো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে

দফা নং ১৫ বিধেয়কখনৰ অংশ হ'ল।

এতিয়া দফা নং ১ ত এটা চৰকাৰী সংশোধনী আছে। মাননীয় মন্ত্ৰী ।

**শ্ৰীযোগেন মোহন, (ৰাজহ বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, দফা নং ১ Sub Title The Act may be called the "Right to Fair Compensation and Transferency in Land Acquisation Rehabilitation and Resettlement (Assam Amendment) Bill, 2023." ইতিমধ্যে মই এইখিনি কথা কৈ গ'লো। Act খন 2023 ৰ পৰা 2024. 2023 টো 2024 কৰিবলৈ গৈছো।

**মাননীয় উপাধ্যক্ষ** ঃ হ'ব। প্ৰশ্নটো হ'ল চৰকাৰী সংশোধনী গৃহীত কৰা হওঁক

যিসকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে, তেখেত সকলে কওঁক হয়,

যিসকল বিপক্ষে আছে কওঁক নহয়,

মই ভাৰো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে

চৰকাৰী সংশোধনী গৃহীত হ'ল।

প্ৰশ্নটো হ'ল যে, দফা নং ১ বিধেয়কখনৰ অংশ হ'ব,

যিসকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে, তেখেত সকলে কওঁক হয়,

যিসকল বিপক্ষে আছে কওঁক নহয়,

মই ভাৰো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে

দফা নং ১ চৰকাৰী সংশোধনীৰ সৈতে বিধেয়কখনৰ অংশ হ'ল।

আৰম্ভণত এটা চৰকাৰী সংশোধনী আছে। প্ৰশ্নটো হ'ল যে চৰকাৰী সংশোধনীটো গৃহীত কৰা হওঁক

যিসকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে, তেখেত সকলে কওঁক হয়,

যিসকল বিপক্ষে আছে কওঁক নহয়,

মই ভাৰো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে

চৰকাৰী সংশোধনীটো গৃহীত হ'ল।
প্ৰশ্নটো হ'ল যে আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব।
যিসকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে,
তেখেত সকলে কওঁক হয়
যিসকল বিপক্ষে আছে কওঁক নহয়,
মই ভাৰো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে
আৰম্ভণ, চৰকাৰী সংশোধনীৰ সৈতে বিধেয়কখনৰ অংশ হ'ব। এতিয়া মাননীয় ৰাজহ মন্ত্ৰীয়ে বিধেয়কখন পাৰিত কৰিবলৈ প্ৰস্তাৱ উত্থাপন কৰিব। মাননীয় মন্ত্ৰী।

**শ্ৰীযোগেন মোহন, (ৰাজহ বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই "Right to Fair Compensation and Transferency in Land Acquisation Rehabilitation and Resettlement (Assam Amendment) Bill, 2023." চৰকাৰী সংশোধনসহ পাৰিত কৰাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া মই মন্ত্ৰী মহোদয়ৰ দ্বাৰা বিধেয়কখন পাৰিত কৰা প্ৰস্তাৱটো সদনত ভোটদানৰ বাবে সদনত দাঙি ধৰিলো।

প্ৰশ্নটো হ'ল যে, "Right to Fair Compensation and Transferency in Land Acquisation Rehabilitation and Resettlement (Assam Amendment) Bill, 2023." খন পাৰিত কৰা হওঁক।

যিসকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে,
তেখেত সকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে, কওঁক নহয়,
মই ভাৰো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে,
প্ৰস্তাৱটো গৃহীত হ'ল আৰু বিধেয়কখন সংশোধনীসহ পাৰিত হ'ল।

এতিয়া কাৰ্য্যসূচী নং ২৫। চৰকাৰী সংকল্প প্ৰস্তাৱ। মাননীয় মন্ত্ৰী শ্ৰীঅশোক সিংহল ডাঙৰীয়াৰ হৈ মাননীয় Parliamantary Affairs Minister.

**শ্ৰীপীয়ুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ সন্মানীয় উপাধ্যক্ষ মহোদয়, মই সদনৰ অনুমতি সাপেক্ষে চৰকাৰী সংকল্প প্ৰস্তাৱটো উত্থাপন কৰিব বিচাৰিছো। সংকল্প প্ৰস্তাৱটো হ'ল-

"Where is the Assam State Capital Region Development Authority Act, 2017 was passed by the Assam Legislative Assembly on 15th September, 2017 and the Act was notified vide LGL 234/ 2017/ 5 dated 25/10/2007. The Act has been broad inforce to provide for the establishment of a Regional Development Authority for the preparation of a Regional Plan. For a Development of Assam State Capital Region and for purpose of co-ordinating and supervising proper orderly and rapid development the areas in that region and for executing plans. Project and Schemes for the forces development. And to provide for matters connected there with and where is th act under sub sector II of Section I provides that its an extend to the Assam

State Capital Region area as specified in the schedule attended to the said Act. In the schedule and annexure of the act the areas under five district namely Kamrup Metropolitan District, Kamrup District, Nalbari, Darang, Morigaon have been mentioned under entries at serial no. 1 to 5 respectively. In Serial no. 5 of the schedule and annexure attended to the act. Morigaon District, Mayang and Morigaon circle excluding Tiwa Autonomous Council Area accept Jagiroad area has been including under the Assam State Capital Region Area pursuant to Assam State Capital Region Development Authority (Amendment) Act 2020. However the Administrative and other incidental region to the Government now falls it will be expedent to exclude the entire Tiwa Autonomous Council area from the perview of the Assam State Capital Region. Legislative Department viewed at section II (C) of the Assam State Capital Region Development Authority Act 2017 specified that the department can amend the schedule vide notification in the official gazette but the said notification prior to its publication have to be laid before the house of the State Legislature and has to be approved by resolution passed by the house in this matter and that can be published in the official gaztte. No bills is required to be place for amendment of the said schedule.

Hon'ble Chairman, Accordingly the proposal has been approved by the Hon'ble Cabinate in the meeting held 23.09.2023. Now there fore in excess of the powers confered in saction-2(C) of Assam State Capital Region Development Authority Act, 2017, it is proposed to amend the entry the Sl. No.5 of the Schedule and the Annexure-1 by excluding the entract Tiwa Autonomous Council Area from the preview of the Assam State Capital Area by the publication of the Notification in the Official Gazette Draft Notification, by Lagislation Department in Annexure-1.

**মাননীয় উপাধ্যক্ষ ঃ** মই এতিয়া বিধিগত সংকল্প প্ৰস্তাৱ সদনত ভোটদানৰ বাবে দাঙি ধৰিলো। প্ৰশ্নটো হ'ল যে মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী পীযুষ হাজৰিকা ডাঙৰীয়াই উত্থাপন কৰা বিধিগত সংকল্প প্ৰস্তাৱটো গৃহীত কৰা হওঁক।

যিসকল মাননীয় সদস্য-সদস্যা
সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
(সদনে সন্মতি প্ৰদান কৰে)।
মই ভাৱো 'হয়'ৰ সপক্ষে 'হয়'ৰ সপক্ষে 'হয়'ৰ সপক্ষে

প্ৰস্তাৱটো গৃহীত কৰা হ'ল ।

এতিয়া শূন্যকালীন ঘণ্টা। মাননীয় সদস্য কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই কওঁক।

**শ্ৰীকমলাক্ষ দে পুরকায়স্থ (উত্তর করিমগঞ্জ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, 22 ফেব্রুয়ারী 'নববার্তা প্রসঙ্গে' প্রকাশিত 'পুলিশের সাড়াশি অভিযানে ধৃত করিমগঞ্জের **১২** সুদখোরের ঠাই জেল হাজতে।' উপাধ্যক্ষ মহোদয় এই বিষয় টা উত্থাপন করার সুযোগ দেওয়ার জন্য আমি আপনাকে ধন্যবাদ জ্ঞাপন করছি। সাম্প্রতিক কালে মাননীয় মুখ্যমন্ত্রী দৃষ্টান্তমূলক বিশেষ পদক্ষেপ হাতে নিয়েছেন। আমরা সবাই জানি একটা কল্যানকামী রাষ্ট্রে সরকারের মুখ্য দায়িত্ব হচ্ছে মানুষের জীবনের নিরাপত্তা, সেই সুবাদে মাননীয় মুখ্যমন্ত্রী যে অভিযান সমগ্র অসমে চালিয়ে যাচ্ছেন সত্যি সেটা প্রশংসনীয়, তার জন্য আমি মাননীয় মুখ্যমন্ত্রীকে অশেষ ধন্যবাদ জানাচ্ছি। **১৯৩৪** সালে একটা Act হয়েছিল। . The Assam money lander ammendment act **১৯৬৮** সেই বিল অসম বিধান সভায় গৃহীত হয়। এবং তারপর **২০২২** সালে The Assam money lander ammendment বিল মাননীয় মুখ্যমন্ত্রী সেই বিল বিধান সভায় উত্থাপন করেন। আজ এই সুদখোরদের জন্য মানুষের জীবনের নিরাপত্তা সংশয় হয়ে দাড়িয়েছে। এই সুদখোরদের জন্য মানুষকে আত্মহত্যা করতে হচ্ছে। অনেক সময় অনেক ঘটনা আমরা শুনতে পাচ্ছি। The Assam money lander ammendment act সেখানে interest rate ছিল ১৮ শতাংশ। secured loan এর জন্য 18 শতাংশ un secured loan এর জন 24 percent interest ছিল। যে জায়গায় ২ শতাংশ ১.৫ শতাংশ নেওয়ার কথা সেই জায়গায় সুদখোররা **১০** শতাংশ সুদ নিয়ে থাকেন। আমি একটা কথাই বলতে যাব মাননীয় মন্ত্রী মহোদয়ের কাছে আজ সুদের প্রয়োজন আছে, কিন্তু সেটার উপর restriction আনতে হবে। মানুষের জীবন ধারায় একটা বিভীষিকাময় পরিবেষ সৃষ্টি হয়েছে। সুদের প্রয়োজন আছে কিন্তু তার মধ্যে একটা limitation আনতে হবে, সেটা মাননীয় মুখ্যমন্ত্রী উপলব্ধি করেছেন। যে Act করা হয়েছিল সেটা সঠিক ভাবে পালন করা হচ্ছে না। মুখ্যমন্ত্রী সুদখোরের বিরুদ্ধে যে অভিযান করেছেন সেই অভিযানের মাধ্যমে একটা পরিবেশ সৃষ্টি হয়েছে। আগামী দিনে একটা স্ট্রীম লাইনের মাধ্যমে সুদ দেওয়া হোক। একটা সুস্থ ও সুন্দর পরিবেশের মাধ্যমে মানুষের জীবন হোক সেইটাই আমি আহ্বান করছি। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়াই কওঁক।

**শ্ৰী পীযূষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যি গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰিছে, তেখেতৰ পৰামৰ্শখিনি আমি গুৰুত্বসহকাৰে গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য ডাঃ আচিফ মঃ নজৰ ডাঙৰীয়াই কওঁক। আপোনাক দুই মিনিট সময় দিয়া হ'ল।

**ডাঃ আচিফ মঃ নাজাৰ, (লাহৰীঘাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱাকালি ২৫ ফেব্ৰুৱাৰী তাৰিখে অসমীয়া খবৰ বাতৰি কাকতত এটা বাতৰি আহিছিল যে 'অন্ত্যোদয়া কাৰ্ড বন্ধৰ পিছতো গোপনে বিতৰণ। মৰিগাওঁ যোগান বিভাগত ভয়াৱহ কাণ্ড।' সহকাৰী সঞ্চালক মতিউৰ ৰহমানৰ মুকলি লুণ্ঠন ৰাজৰ তদন্ত হ'লেই ওলাব জোলোঙাৰ মেকুৰী। মাননীয় অধ্যক্ষ মহোদয়, অন্ত্যোদয়া কাৰ্ড অন্ন যোজনা AY কাৰ্ডৰ এক ভয়াৱহ তথ্য পোহৰলৈ আহিছে। ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন দেশজুৰি বলৱৎ অন্ত্যোদয়া অন্ন যোজনাৰ ৰেচন কাৰ্ড নতুনকৈ প্ৰদান কৰাটো বন্ধ কৰা হৈছে।

যদিও মৰিগাওঁ জিলাত আজি পৰ্য্যন্ত এক বৃহৎ চক্ৰই অন্ত্যোদয়া অন্ন যোজনাৰ ৰেচন কাৰ্ড পাইকাৰী দৰত প্ৰদান কৰি আছে। পোহৰলৈ অহা তথ্য অনুসৰি অন্ত্যোদয়া অন্ন যোজনাৰ কাৰ্ড একাংশ দালালে মৰিগাওঁ জিলাৰ খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগে বিতৰণ কৰি আছে। মাননীয় অধ্যক্ষ মহোদয়, AY ৰ যি কাৰ্ড সেই কাৰ্ড ২০১৫ চনৰ, ২৪ ফেব্ৰুৱাৰী তাৰিখে যেতিয়া ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন আৰম্ভ হৈছিল, তাত অন্তৰ্ভুক্ত হৈছিল। তাৰ পিছত এই কাৰ্ড বন্ধ হৈ গৈছে। কিন্তু দেখা গৈছে যে মৰিগাওঁ জিলাত বিগত ছয়-সাত মাহ ধৰি যি কাৰ্ড আছিল, তাতকৈ বেছি বিতৰণ হৈ আছে। আপুনি যদি মন কৰে ২০২২ চনত এই কাৰ্ডৰ সংখ্যা কম আছিল। তাৰ ছয় মাহৰ ভিতৰত ২৪৬ খন কাৰ্ড বিতৰণ কৰা হৈছে আৰু প্ৰত্যেক কাৰ্ডৰ বাবে ৩০ হাজাৰ টকাকৈ লোৱা হৈছে। ৩০ হাজাৰকৈ মুঠতে ৮৫,৫০,০০০.০০ টকা মতিউৰ ৰহমান ডাঙৰীয়াই লৈছে আৰু এই কাৰ্ডৰ ভিতৰত ২০৪ খন কাৰ্ডৰ নাম সলনি কৰি বেলেগ মানুহক দিয়া হৈছে। অতি দুঃখ লগা কথাটো হ'ল যে মাক-বাপেকৰ নাম থকা পৰিয়ালৰ সদস্যৰ নাম কৰ্তন কৰি বেলেগ মানুহৰ সেই কাৰ্ডত অন্তৰ্ভুক্ত কৰা হৈছে। এখন কাৰ্ডৰ জৰিয়তে ৩৫ কিলোগ্ৰাম চাউল এটা পৰিয়ালে পায়। কিন্তু দেখা গৈছে যে যিসকল ভুক্তভোগী পৰিয়ালে এই কাৰ্ডৰ জৰিয়তে চাউল পাই আছে, সেইসকলৰ নাম কৰ্তন কৰি বেলেগ ধনী মানুহক দিয়া হৈছে বা এই কাৰ্ডত অন্তৰ্ভূক্ত কৰা হৈছে। ইয়াৰোপৰি যি অন্ন সুৰক্ষা যোজনা আছে, এই যোজনাৰ জৰিয়তে প্ৰত্যেক পৰিয়ালে পাঁচ কিলোগ্ৰাম চাউল পায়। আমি সকলোৱে জানো যে এই কাৰ্ডৰ বিতৰণ জনসংখ্যাৰ ওপৰত ভিত্তি কৰি কৰা হয়। কিন্তু দেখা গৈছে যেতিয়া এই কাৰ্ড বিতৰণ কৰি থকা হৈছিল তেতিয়া উদাহৰণস্বৰূপে এটা পৰিয়ালত যদি পাঁচ জন সদস্য থাকে তাৰ এজন বা দুজন সদস্যকহে এই কাৰ্ডত অন্তৰ্ভূক্ত কৰা হৈছে আৰু বাকী কাৰ্ডসমূহ তেখেতে পইচা লৈ বেলেগক দিছে। চৰকাৰে যদি এইটোৰ তদন্ত কৰিব বিচাৰে, তেন্তে মোৰ লগত এজেণ্টৰ কোড আছে যিসকলে এই কামবোৰ কৰিছে। এজন এজেণ্টৰ কোড হ'ল-৩৮২ আৰু তেওঁৰ নাম হ'ল মঃ হাইদৰ আলী। ২০২২ চনত ৬৩ খন কাৰ্ড আছিল আৰু ডিচেম্বৰ মাহৰ ভিতৰত ৮২ খন কাৰ্ড হৈ গৈছে। আন এজন এজেণ্টৰ কোড হ'ল-৩৮০ আৰু তেওঁৰ নাম হ'ল ছাহজাহান আলী। তেখেতৰ কাৰ্ড আছিল ২৯ খন আৰু ছয়মাহৰ ভিতৰত ৪৩ খন কাৰ্ড হৈ গৈছে। এনেকুৱা ১২ টা সমবায়ৰ কাৰ্ড আছে। নাগাবন্ধা সমবায়-১২৬ খন, নচলাগুৰি সমবায়-৩৫ খন, শিলচাঙত-১৭ খন, ঘগুৱা মণিপুৰত-১৭ খন, বুঢ়া-বুঢ়ীত-৩০ খন, ভূৰগাওঁত-১৯ খন, দলংগাওঁত-৫ খন, মৈৰাবাৰীত-৪ খন, শিলপুখুৰীত-৬০ খন, চৰাইবাৰীত-৭০ খন আৰু মিকিৰভাটাত-২২ খন মাত্ৰ ১৪ খন সমবায়ৰ কথা কৈছো। গোটেই জিলাত ২৯ খন সমবায় আছে। গতিকে মন্ত্ৰী ডাঙৰীয়াক উচ্চ তদন্ত কৰিবৰ বাবে অনুৰোধ কৰিম। কাৰণ এই বিষয়ে জিলা প্ৰশাসনক বহুবাৰ কোৱা হৈছে। কিন্তু তদন্ত হোৱা নাই।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। ধন্যবাদ। ৫ঃ৩০ মিনিট হৈ গ'ল। মন্ত্ৰী মহোদয়।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি)ঃ** সন্মানীয় অধ্যক্ষ ডাঙৰীয়া, সন্মানীয় সদস্যগৰাকীৰ লগত মই অলপ আগতে এই বিষয়ত আলোচনা কৰিছিলো। তেখেতৰ সন্মুখত মই জিলা আয়ুক্ত ডাঙৰীয়াৰ লগতো কথা পাতিছিলো। মই জিলা আয়ুক্ত ডাঙৰীয়াক কৈছো যে খুব ক্ষীপ্ৰতাৰে কঠোৰ ব্যৱস্থা হাতত ল'ব লাগে। সন্মানীয় সদস্যগৰাকীৰ হাতত যদি টকা লোৱাৰ কিবা প্ৰমাণ আছে, তেন্তে সেইখিনি যাতে আয়ুক্ত মহোদয়ক দি দিয়ে আৰু এজন ভুক্তভোগী ব্যক্তিৰ হতুৱাই লাহৰীঘাট বা মৰিগাওঁ জিলাৰ কোনোবা এখন থানাত এটা কেচ কাইলৈ যদি দি দিয়ে তেন্তে আমি খুব বেছি serious action ল'ব পাৰিম। কাৰণ এইখন জিলাৰ মইও এগৰাকী

ব্যক্তি। গতিকে, আমাৰ জিলাত যদি মতিউৰ ৰহমান নামৰ বিষয়াগৰাকীয়ে বেয়া কাম কৰি আছে তেন্তে কঠোৰতকৈ কঠোৰ শাস্তি হ'ব লাগে।

**ড° আছিফ মহম্মদ নাজাৰ (লাহৰীঘাট)ঃ** মন্ত্ৰী ডাঙৰীয়া, Agent ৰ code কেইটা মাৰিলেই গোটেই কথা ওলাই যাব।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি)ঃ** কোনোবাই অভিযোগ কৰিলেহে আমি তদন্ত কৰিব পাৰিম। সেয়েহে আপোনাৰ ওচৰত যি তথ্য আছে আপুনি details ত জিলা আয়ুক্তক দি দিয়ক।

**ড° আছিফ মহম্মদ নাজাৰ (লাহৰীঘাট)ঃ** ঠিক আছে। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** এতিয়া আমিনুল ইছলাম। তেখেত অনুপস্থিত।

এতিয়া Special Mention. শ্ৰী আমিনুল ইছলাম (কনিষ্ঠ)। তেখেত অনুপস্থিত।

Next শ্ৰী শিবু মিশ্ৰ।

**শ্ৰী শিবু মিশ্ৰ (লামডিং)ঃ** অধ্যক্ষ মহোদয়, মই lay কৰি দিছো।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি)ঃ** মই উত্তৰটো তেখেতক দি দিম।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। Next শ্ৰী তেৰছ গোৱালা।

**শ্ৰী তেৰছ গোৱালা (দুলীয়াজান)ঃ** অধ্যক্ষ মহোদয়, মইও lay কৰিম, কিন্তু এইখিনিতে মই দুটা কথা কৈ ল'ম যে টেঙাখাত মহাত্মা গান্ধী মডেল হস্পিতালত ডাক্তৰৰ সংখ্যা যথেষ্ট কম, গতিকে এইখিনি চাব লাগে। তাত চাৰিগৰাকী ডাক্তৰৰ ভিতৰত দুগৰাকী নাই, দুগৰাকী আছে, তাৰো এগৰাকীয়ে অৱসৰ ল'লে। তাত Dresser, Ayush Doctor নাই। এই হস্পিতালখনত যিখিনি requirement আছে সেইখিনি দিব লাগে আৰু তাত থকা Managing Committee খনত বিত্ত বিভাগৰ অনুমোদন সাপেক্ষে পৰৱৰ্তী সময়ত নিযুক্তিৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী।

**শ্ৰী কেশৱ মহন্ত, (মন্ত্ৰী, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ ইত্যাদি)ঃ** অধ্যক্ষ মহোদয়, মাননীয় সদস্যগৰাকীয়ে মহাত্মা গান্ধী মডেল হস্পিতালত প্ৰয়োজনীয় ambulance, driver, electrician, lab technician, cleaner, receptionist, ward girl, security এই গোটেইখিনিৰ নিযুক্তিৰ কথা কৈছে। আমি ১২৬ টা সমষ্টিত যি ১২৬ খন মডেল হস্পিতাল কৰিছিলো, তাৰে এই পদবোৰৰ কথা কৈছে। মডেল হস্পিতালসমূহত এই সকলোবোৰ পদ sanction হোৱা নাই। তেওঁ কোৱা ধৰণে মডেল হস্পিতালত cleaner, security এই পদসমূহ হয়তো নাই। কিন্তু আমি কিছুমান কাম ইয়াৰ বিপৰীতে কৰি আছো। অৰ্থাৎ হস্পিতাল এখনত বিভিন্ন ধৰণে ৰাজহ সংগ্ৰহ হয়। অতিৰিক্ত কামৰ বাবে আমি প্ৰায়বোৰ হস্পিতালত, জিলা চিকিৎসালয় বা Sub-divisional Hospital বা CHC বা PHC য়েই হওঁক, তাত আমি বছৰেকত এটা অনুদান দিওঁ। হস্পিতালত তেওঁলোকৰ যিখিনি সংগ্ৰহ হয় সেই সংগ্ৰহখিনিৰে তেওঁলোকে হস্পিতালৰ বাকী কাম কৰে। ইয়াত যিবিলাক পদৰ কথা কোৱা হৈছে সেই ধৰণৰ লোকসকলক Hospital Committee য়ে নিযুক্তি দিয়ে। গতিকে, এই কথাখিনি আমাৰ চৰকাৰৰ আওঁতাত নাহে আৰু তেওঁলোকৰ ক্ষেত্ৰত আমি এই দায়িত্ব বহন কৰা নাই। ইয়াৰোপৰি, চাহ-বাগিচাৰ ক্ষেত্ৰতে হওঁক বা অন্যই হওঁক, আমাৰ ১৩০খন ভ্ৰাম্যমান চিকিৎসা গোট আছে। গতিকে

সেইখিনিয়ে বাকী গোটেই ঠাইখিনি সামৰি লয়। মই তেখেতক এই কথাখিনিকে অৱগত কৰিলো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। শ্ৰী কৰিমউদ্দিন বৰভূঞা। তেখেত অনুপস্থিত।

**শ্ৰী দেবব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)ঃ** চাৰ এযাৰ কথা আছিল, ক'ব পাৰো নেকি?

**মাননীয় অধ্যক্ষঃ** কওঁক।

**শ্ৰী দেবব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)ঃ**চাৰ, আজি পুৱা কৰিম উদ্দিন বৰভূঞাৰ এটা প্ৰশ্নৰ উত্তৰ সম্পৰ্কত মই আপোনাক মই কিছুমান তথ্য দিম বুলি কৈছিলো। তেখেত এতিয়া উপস্থিত নাই। আমাৰ সাংসদ গৌৰৱ গগৈ ডাঙৰীয়াই সংখ্যালঘুসকলক Detention Camp ত ৰখাই NRC ৰ বিষয়ে কোনো কথাই উল্লেখ কৰা নাই। অন্য সম্প্ৰদায়ৰ বাবে কৰিছে বুলি কৈছিল। মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই কথাখিনি কৈছিল। মই আপোনাক ৰেকৰ্ডখিনি দিম বুলি কৈছিলো। গৌৰৱ গগৈয়ে ৫ জুন, ২০১৯ চনত কেন্দ্ৰীয় গৃহ মন্ত্ৰীলৈ লিখা আৰু কেন্দ্ৰীয় গৃহ মন্ত্ৰীয়ে অনুৰোধ জনোৱা, তাৰ উত্তৰ মই আপোনাক lay কৰিছো।

**মাননীয় অধ্যক্ষঃ** হ'ব ঠিক আছে।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি)ঃ** চাৰ , মই on record কৈছো যে .........interruptions...

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি)ঃ** চাৰ, তেখেত কোনটো device ত এই কথাখিনি ক'লে? গৌৰৱ গগৈ ইয়াৰ সদস্য নেকি?

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি)ঃ** চাৰ, ..... not recorded as per order from the chair...

**মাননীয় অধ্যক্ষঃ** সন্মানীয় সদন, এইবাৰ বাজেট অধিবেশনৰ সময়ছোৱাত মাননীয় বিধায়ক শ্ৰী অজয় কুমাৰ ৰায়ে তেওঁৰ নিকটাত্মীয়ৰ বিয়োগৰ হেতু ৭, ৮ আৰু ৯ ফেব্ৰুৱাৰী তাৰিখত তিনি দিনৰ বাবে; ড° অমিয় কুমাৰ ভূঞাই তেওঁৰ পিতৃৰ বিয়োগৰ হেতু ৫ ফেব্ৰুৱাৰীৰ পৰা ১৪ ফেব্ৰুৱাৰীলৈ থকা সদনৰ কৰ্মদিনৰ ৮ দিনৰ বাবে; মাননীয় বিধায়ক আব্দুল আজিজে স্বাস্থ্যজনিত কাৰণত ৫ ফেব্ৰুৱাৰীৰ পৰা ২৬ ফেব্ৰুৱাৰীলৈকে সদনৰ কৰ্মদিনৰ ১২ দিনৰ বাবে ছুটী বিচাৰি আবেদন কৰিছিল। মই ভাৱো সদনত ইয়াৰ সন্মতি আছে। ছুটীৰ আবেদনসমূহ সদনৰ সন্মতি সাপেক্ষে মঞ্জুৰ কৰা হওঁক।

(সদনে সন্মতি জনায়)

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা point of order আছিল...interruptions...

**মাননীয় অধ্যক্ষঃ** এতিয়া নালাগে......interruptions...

**শ্ৰী শ্বেৰমান আলী আহমেদ,(বাঘবৰ)ঃ** চাৰ, মোৰ Rule 130 ত এটা motion আছিল, আপুনি আজি দিম বুলি কৈছিল....interruptions...

**মাননীয় অধ্যক্ষঃ** নালাগে এতিয়া ....interruptions...

**শ্ৰী শ্বেৰমান আলী আহমেদ,(বাঘবৰ)ঃ** ২৩ ফেব্ৰুৱাৰী তাৰিখে Rule 130 ত এটা motion আপুনি দিম বুলি কৈছিল। পৰৱৰ্তী অধিবেশনত দিব নেকি চাৰ?

**মাননীয় অধ্যক্ষঃ** এইটো থাকিব।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ)ঃ** ঠিক আছে।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী শ্ৰী বিমল বৰা ডাঙৰীয়াৰ মাতৃৰ বিয়োগৰ হেতু ২১ ফেব্ৰুৱাৰীৰ পৰা আজিৰ তাৰিখলৈ সদনত থাকিব নোৱাৰিলে এই তথ্য জনাইছে।

সন্মানীয় সদন, যোৱা ৫ ফেব্ৰুৱাৰী তাৰিখে অসমৰ মহামান্য ৰাজ্যপাল গোলাব চান্দ কাটাৰিয়া ডাঙৰীয়াৰ অভিভাষণেৰে আৰম্ভ হোৱা বাজেট অধিৰেশন ১২ দিনীয়া চৰকাৰী তথা বে-চৰকাৰী কৰ্মসূচীৰে সম্পন্ন হোৱাৰ অন্তত আজি সামৰণি পৰিল ।

মাননীয় সদস্যসকল নিশ্চয় অৱগত যে বিধান সভাৰ চলিত অধিৰেশন পূৰ্বতে সৰ্বমুঠ ১৪ দিনীয়া কৰ্মদিনৰে অহা ২৮ ফেব্ৰুৱাৰী পৰ্য্যন্ত অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত লোৱা হৈছিল । কিন্তু চলিত অধিৰেশনৰ সীমিত কাৰ্য্যসূচীৰ প্ৰতি লক্ষ্য ৰাখি যোৱা ২১ ফেব্ৰুৱাৰী তাৰিখে অনুষ্ঠিত হোৱা কাৰ্য্য উপদেষ্টা সমিতিৰ বৈঠকে অধিৰেশনৰ কাৰ্য্যকাল দুদিন হ্ৰাস কৰি আজি অৰ্থাৎ ২৬ ফেব্ৰুৱাৰী তাৰিখে দিনটোৰ কাৰ্য্যসূচী অন্ত পৰাৰ লগে লগে সদন অনিৰ্দিষ্ট কাললৈ স্থগিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে । অৱশ্যে সদনৰ কাৰ্য্যসূচী চমু কৰাৰ পৰিপ্ৰেক্ষিতত চলিত অধিৰেশনৰ বাবে ইতিমধ্যে নিৰ্দ্ধাৰিত কোনো কাৰ্য্যসূচীয়েই বাদ পৰি নগ'ল । সকলো তালিকাভুক্ত কাৰ্য্যসূচী সদনত উপস্থাপিত হ'ল ।

এই অধিৰেশনৰ কালছোৱাত ৬ খন নতুন বিধেয়কক ধৰি সৰ্বমুঠ ১৫ খন গুৰুত্বপূৰ্ণ বিধেয়কৰ লগতে অসম বিনিয়োজন নং (I) বিধেয়ক, ২০২৪ আৰু অসম বিনিয়োজন নং (II) বিধেয়ক, ২০২৪ পাৰিত কৰা হয় । তদুপৰি, এখন বে-চৰকাৰী বিধেয়কো সদনত উত্থাপন কৰা হয় । বিধান সভাৰ নিয়মাৱলীৰ বিভিন্ন প্ৰক্ৰিয়াৰ আওতাত ৰাজ্যখনৰ জ্বলন্ত সমস্যাসমূহকে ধৰি ভালেমান গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত আলোচনা কৰা হয় ।

এইবাৰ অধিৰেশনত ৬৬ সংখ্যক কমনৱেল্‌থ পাৰ্লিয়ামেণ্টৰী সন্মিলনত চিপিএ (CPA) অসম ৰাজ্যিক শাখাৰ অংশগ্ৰহণৰ প্ৰতিবেদনৰ লগতে বিধায়িনী সমিতিসমূহৰ কেইবাখনো প্ৰতিবেদন আৰু ৰাজ্য চৰকাৰৰ ভালেসংখ্যক গুৰুত্বপূৰ্ণ বিভাগীয় প্ৰতিবেদন, অধিসূচনা ইত্যাদি দাখিল কৰা হয় ।

এইবাৰ সদনত ৰাষ্ট্ৰীয় তথা ৰাজ্যিক প্ৰেক্ষাপটৰ কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰসঙ্গ যেনে, চন্দ্ৰযান-২ৰ অৱতৰণ, আদিত্য এল-১ৰ প্ৰক্ষেপন, ১৬তম G-20 আৰু P-20 সন্মিলন, অযোধ্যাত ভগৱান ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা, বিকশিত ভাৰত সংকল্প যাত্ৰা, ছিল্কয়াৰা বেন্দ বাৰকোট সুৰঙ্গত শ্ৰমিক উদ্ধাৰৰ বাবে সফল অভিযান Operation Zindagi, আলফা আৰু চৰকাৰৰ ঐতিহাসিক শান্তি চুক্তিৰ প্ৰসঙ্গ অধ্যক্ষৰ আসনৰ পৰা উত্থাপন কৰি— উক্ত ঐতিহাসিক ঘটনাক্ৰমৰ মূল পৃষ্ঠপোষক তথা কৃতিত্বৰ অংশীদাৰী মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়া, লোকসভাৰ মাননীয় অধ্যক্ষ ওম বিৰলা ডাঙৰীয়া, বিজ্ঞানী সমাজ, কেন্দ্ৰীয় ও ৰাজ্য চৰকাৰ, সংযুক্ত মুক্তি বাহিনী, অসমৰ সকলো সদস্য তথা সমূহ কৰ্মকৰ্তাৰ শলাগ লৈ অভিনন্দন জ্ঞাপন কৰা হয় ।

লগতে এই আসনৰ পৰাই এইবাৰ ৰাজ্যখনলৈ বিভিন্ন বিষয়ত পাৰদৰ্শিতাৰ সন্মান কঢ়িয়াই অনা তথা বঁটাৰে বিভূষিত ব্যক্তিসকললৈ অভিনন্দন জনাই এক প্ৰসঙ্গ উত্থাপন কৰা হয় ।

এই অধিৰেশনৰ কালছোৱাত অসম চৰকাৰে অসমৰ স্বাভিমান "কাজি নেমু"ক জাতীয় ফল হিচাপে গ্ৰহণ কৰি সদনৰ মজিয়াত পোনপ্ৰথমে এই ঐতিহাসিক সিদ্ধান্তৰ বিষয়ে ঘোষণা কৰে ।

এই অধিৰেশনৰ সমাপনৰ মূহুৰ্তত সদনৰ কাম-কাজ সুকলমে পৰিচালনা কৰাৰ ক্ষেত্ৰত আগবঢ়োৱা সহযোগিতাৰ বাবে মাননীয় মুখ্যমন্ত্ৰীকে প্ৰমুখ্য কৰি মন্ত্ৰী পৰিষদৰ সকলো মাননীয় সদস্য, বিধান সভাৰ মাননীয় উপাধ্যক্ষ, বিৰোধী দলৰ দলপতিকে ধৰি সদনৰ সকলো মাননীয় সদস্যলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ ।

সদৌ শেষত বিধান সভা অধিৱেশনৰ লগত জড়িত প্ৰচাৰ মাধ্যমৰ বন্ধুসকল, বিধান সভাৰ বিষয়া-কৰ্মচাৰীকে ধৰি চৰকাৰৰ অন্য বিভাগৰ বিষয়া-কৰ্মচাৰীকে আদি কৰি সকলো পক্ষলৈকে মোৰ ধন্যবাদ জ্ঞাপন কৰি আগন্তুক দৌলযাত্ৰা, গুড ফ্ৰাইদে, ইদ-উল-ফিটৰ, ৰঙালী বিহু তথা ৰংজালী বৈশাগু উপলক্ষে আগতীয়াকৈ আন্তৰিক শুভেচ্ছা জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ।

(জাতীয় সংগীত পৰিৱেশনেৰে সদনৰ কাৰ্য্যসূচী অনিৰ্দিষ্ট কাললৈ স্থগিত ৰখা হয়)